GJMC S3 01 (M/P)

সংবাদ মাধ্যমৰ ইতিহাস

তৃতীয় ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞমণ্ডলী

(১) অধ্যাপক কে.ভি. নাগৰাজ, প্ৰাক্তন অধ্যাপক, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
(২) অধ্যাপক অভিজিত বৰা, মুৰব্বী, গণসংযোগ আৰু সাংবাদিক বিভাগ,তেজপুৰ বিশ্ববিদ্যালয়
(৩) ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক তথা মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
(৪) ড° খ কাবি, সহযোগী অধ্যাপক তথা মুৰব্বী, গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশ

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° তৃষা দুৱৰা বৰুৱা, আৰু ড° জুৰি হাজৰিকা, ভূপেন হাজৰিকা গণসংযোগ সত্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

স্ব-শিকন সামগ্ৰী প্ৰস্তুতকাৰী দল

অধ্যায়	*লেখক*
১ আৰু ২	ড° ভি.কৃষ্ণ অনন্ত, সহযোগী অধ্যাপক, চিকিম বিশ্ববিদ্যালয়, গেংটক
৩ আৰু ৫	ড° মাছুংৱাংলিউ কামেই, ইউনিভাৰ্চিটি অৱ দ্য পীপল্, পাচাডেনা, কিলিফ'ৰ্ণিয়া আমেৰিকা যুক্তৰাষ্ট কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪	(i) ছয়নিকা দত্ত, কটন মহাবিদ্যালয়, (ii) হিমাংশু গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয় (iii) ড° তৃষা দুৱৰা বৰুৱা, কৃকাসৰামুবি
৬	(i) হিমাংশু গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয় (iii) ড° তৃষা দুৱৰা বৰুৱা, কৃকাসৰামুবি
৭	অধ্যাপক অভিজিত বৰা, গণসংযোগ আৰু সাংবাদিক বিভাগ,তেজপুৰ বিশ্ববিদ্যালয়

সম্পাদক মণ্ডলী ঃ

বিষয়বস্তু (ইংৰাজী সংস্কৰণ)	ঃ	অধ্যাপক কে. ভি. নগেৰাজ, গণ সংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
ভাষা সম্পাদনা	ঃ	সপোন দুৱৰা, শৈক্ষিক বিষয়া (অৱসৰপ্ৰাপ্ত), অসম ৰাজ্যিক শিক্ষা বোৰ্ড, ৰেক্টৰ আইকন একাডেমী (বৰ্তমান)
গাঁথনিক সম্পাদনা	ঃ	ড° তৃষা দুৱৰা বৰুৱা, আৰু ড° জুৰি হাজৰিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ মে', ২০১৮

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিকন সামগ্ৰী (SLM) বোৰ এক Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) ৰ অধীনত উপলব্ধ ঃ http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
নগৰ কাৰ্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদ**ৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

স্নাতক কলা

সংবাদ মাধ্যমৰ ইতিহাস

খণ্ড-১

পাঠ্যক্রমৰ বিৱৰণ

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ছপা মাধ্যমৰ ইতিহাস** ৭ - ২১

ছপামাধ্যমৰ প্রকাৰ- দৈনিক বাতৰিকাকত, টেব্‌লয়ড, আলোচনী, ছপামাধ্যমৰ প্রাসংগিকতা

অধ্যায় ২ ঃ **ভাৰতত ছপা মাধ্যমৰ ইতিহাস** ২২ - ৪৩

ভাৰতত ছপা মাধ্যমৰ ইতিহাস, ভাৰতত ছপা মাধ্যমৰ ক্রমবিকাশ প্রাৰম্ভিক পর্যায় আৰু ইষ্ট ইণ্ডিয়া কোম্পানী, বৃটিছ বিৰোধী আবেগ আৰু সংবাদ মাধ্যম, ইংৰাজী ছপা মাধ্যম ঃ জাতীয়তাবাদী আৰু বৃটিছ সমর্থনকাৰী, ভাৰতীয় ভাষাৰ ছপা মাধ্যম

অধ্যায় ৩ ঃ **স্বাধীনতা আন্দোলন আৰু ভাৰতীয় ছপা মাধ্যম** ৪৪ - ৫৯

ভাৰতত সাংবাদিকতাৰ বিকাশৰ প্রাক্-স্বাধীনতা আৰু স্বাধীনতা লাভৰ পৰৱর্তী যুগ, দমনকাৰী ব্যৱস্থাৰে বিৰুদ্ধে ছপা মাধ্যমে কৰা সংগ্রাম - স্বাধীনতাৰ পূর্বে ভাৰতত ছপা মাধ্যমৰ স্বতন্ত্রতা, স্বাধীনতাৰ পাচত ভাৰতত ছপা মাধ্যমৰ স্বতন্ত্রতা, ছপা বনাম বৈদ্যুতিক মাধ্যম

অধ্যায় ৪ ঃ **অসমত সা ংবাদিকতাৰ বাটকটীয়াসকল** ৬০ - ৭২

অসমত সাংবাদিকতাৰ বিকাশত অৱদান আগবঢ়োৱা কেইগৰাকীমান প্রখ্যাত ব্যক্তি

অধ্যায় ৫ ঃ **স্থানীয় ভাষাৰ ছপা মাধ্যম আৰু ৰাষ্ট্রীয় উন্নয়ন** ৭৩ - ৮৯

ৰাষ্ট্রীয় উন্নয়নত স্থানীয় ভাষাৰ ছপা মাধ্যমে গ্রহণ কৰা ভূমিকা, স্থানীয় ভাষাৰ ছপা মাধ্যমে মুখামুখি হোৱা সমস্যাবোৰ, ভাৰতৰ কেইখনমান গুৰুত্বপূর্ণ আঞ্চলিক ভাষাৰ বাতৰিকাকতৰ বিকাশ সম্পর্কে কৰা অধ্যায়ন, বাতৰিকাকত বিতৰণৰ বর্তমান প্রস্থিতি

অধ্যায় ৬ ঃ **ভাৰতৰ কেইটামান গুৰুত্বপূ র্ণ ছপা মাধ্যম প্রতিষ্ঠানৰ এক চমু অৱলোকন** ৯০ - ১০২

চমু অৱলোকন- পিচি আই, আৰএন আই, এবিচি, আইএন এছ, আই এফ ডব্লিউজে, পি আই আই, এডিটর্চ গীল্ড অৱ ইণ্ডিয়া, আই এল এন এ

অধ্যায় ৭ ঃ অসমৰ বিশেষ উল্লেখেৰে সৈতে উত্তৰ-পূব ভাৰতত ছপা মাধ্যমৰ ইতিহাস ১০৩ - ১১৯

'অৰুণোদই'ৰ জন্ম- অন্য বাতৰিকাকত আৰু জার্ণাল, প্রাক্-স্বাধীনতা যুগৰ অন্য বাতৰিকাকত আৰু আলোচনী, স্বাধীনতাৰ পৰৱর্তী যুগৰ সংবাট মাধ্যমৰ দৃশ্যপট- ১৯৮০ ৰ দশক, বর্তমানৰ দৃশ্যপট, চিন্তাৰ বিষয়- I আৰু চিন্তাৰ বিষয়- II

পাঠ্যক্রমৰ পাতনি

'সংবাদ মাধ্যমৰ ইতিহাস' হ'ল সাংবাদিকতা আৰু গণসংযোগ বিষয়ৰ তৃতীয় ষান্মাসিকৰ প্ৰথম পাঠ্যবিষয়। এই পাঠ্যবিষয়টোক দুটা খণ্ডত ভগোৱা হৈছে। প্ৰতিটো খণ্ডত সাতটাকৈ অধ্যায় আছে। এই পাঠ্যবিষয়টো পঢ়ি আপুনি বিশ্ব তথা ভাৰতৰ ছপা মাধ্যমৰ ইতিহাসৰ লগতে মাধ্যমৰ ধাৰণাটো কেনেদৰে সৃষ্টি হ'ল তাৰ বৰ্ণনা আৰু ছপা মাধ্যমৰ জন্ম তথা বিকাশ সম্পৰ্কে জানিব পাৰিব। অধ্যায়বোৰে আপোনাক পাৰ হৈ অহা সময়লৈ লৈ গৈ ছপা তথা বৈদ্যুতিক মাধ্যমৰ লগতে ফটোগ্ৰাফী আৰু ফিল্মৰ বিকাশ স্পষ্টকৈ বুজাত সহায় কৰিব। অধ্যায়কেইটাই উত্তৰ-পূব ভাৰতৰ সংবাদ মাধ্যমৰ প্ৰাৰম্ভিক দৃশ্যপটৰ বৰ্ণনাকো সামৰি লৈছে। পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডত তিনিটা ব্যৱহাৰিক অনুশীলনমূলক অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। এটাৰ বাবে আপুনি অনাতাঁৰ কেন্দ্ৰ দৰ্শন কৰিব লাগিব আৰু আন দুটাৰ বাবে আপুনি কথাছবি আৰু আলোকচিত্ৰ পুনৰীক্ষণ কৰিব লাগিব। অধ্যায় কেইটাৰ জৰিয়তে আপোনাক এটা সংবাদ মাধ্যম প্ৰতিষ্ঠানৰ কৰ্ম পৰিৱেশৰ প্ৰত্যক্ষ অভিজ্ঞতা গোটোৱাৰ সুযোগ দিয়াৰ প্ৰয়াস কৰা হৈছে। ব্যৱহাৰিক কাৰ্য সুচাৰুৰূপে সম্পাদন কৰাত অধ্যায় কেইটাই দিক্-নিৰ্দেশকৰ ভূমিকা পালন কৰিব। এই পাঠ্যবিষয়টোৰ অধ্যয়ন শেষ কৰি আ পুনি সংবাদ মাধ্যমত ইতিহাস সম্পৰ্কে খৰছি মাৰি জানিব পাৰিব বুলি আমি আশাবাদী।

প্ৰথম খণ্ডৰ পৰিচয় ঃ

'সংবাদ মাধ্যমৰ ইতিহাস' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো প্ৰথম খণ্ড। খণ্ডটোত অন্তৰ্ভুক্ত অধ্যায় ৭ টাৰ চমু বিৱৰণী তলত উল্লেখ কৰা হ'ল-

'সংবাদ মাধ্যমৰ ইতিহাস' শীৰ্ষক পাঠ্যবিষয়ৰ **ছপা মাধ্যমৰ ইতিহাস** হ'ল প্ৰথম অধ্যায়। এই অধ্যায়ত আপোনাক বিভিন্ন প্ৰকাৰৰ ছপা মাধ্যম আৰু ছপা মাধ্যমৰ সাধাৰণ ইতিহাসৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব।

পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যয় **ভাৰতত ছপা মাধ্যমৰ ইতিহাস**। এই অধ্যায়টোৰ জৰিয়তে আপোনাক ভাৰতত ছপা মাধ্যমৰ ইতিহাসৰ সৈতে পৰিচয় কৰাই দিয়াৰ লগতে স্বাধীনতাৰ পাছৰ পৰা এই ছপা মাধ্যম বোৰ ধাৰণাটোৰ সৈতে বিকশিত হোৱা আন বিভিন্ন দিশ সম্পৰ্কে আভাস দিয়াৰ চেষ্টা কৰা হ'ব।

স্বাধীনতা আন্দোলন আৰু ভাৰতীয় ছপা মাধ্যম এই অধ্যায়ত ভাৰতত সাংবাদিকতাৰ বিকাশৰ দুছোৱা গুৰুত্বপূৰ্ণ সময়-প্ৰাক্ স্বাধীনতাৰ যুগ আৰু স্বাধীনোত্তৰ যুগৰ বিষয়ে আলোচনা কৰা হ'ব। দমনমূলক ব্যৱস্থাৰ বিৰুদ্ধে ছপা মাধ্যমে কৰা সংগ্ৰাম আৰু ছপা বনাম বৈদ্যুতিক মাধ্যম হ'ল অধ্যায়টোত আলোচিত হ'ব লগীয়া আন দুটা গুৰুত্বপূৰ্ণ বিষয়।

লোকমাধ্যম আৰু বৈজ্ঞানিক মানসিকতা এই অধ্যায়ত অসমত সাংবাদিকতাৰ ক্ষেত্ৰখনত বাটকটীয়াৰ ভূমিকা লোৱা কেইগৰাকীমান বৰেণ্য সাংবাদিকৰ বিষয়ে আলোচনা কৰা হ'ব। তেওঁলোকে দেশৰ উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমত সাংবাদিকতাৰ বিকাশত আগবঢ়োৱা অৱদানৰ আলোচনা হ'ল অধ্যায়টিত সামৰি লোৱা প্ৰধান বিষয়।

এই পাঠ্যবিষয়ৰ পঞ্চম অধ্যায়টোৰ শিৰোনাম হ'ল **'স্থানীয় ভাষাৰ ছপা মাধ্যম আৰু ৰাষ্ট্ৰীয় উন্নয়ন'**। এই অধ্যায়টোত আমি ৰাষ্ট্ৰীয় উন্নয়নত স্থানীয় ভাষাৰ ছপা মাধ্যমৰ ভূমিকা, এনে মাধ্যমৰ বিকাশ, বৰ্তমান প্ৰস্থিতি তথা মাধ্যমটোৱে সুন্মুখীন হোৱা সমস্যাবোৰৰ বিষয়ে আলোচনা কৰা হ'ব।

ভাৰতৰ কেইটামান গুৰুত্বপূৰ্ণ ছপা মাধ্যম প্ৰতিষ্ঠানৰ এক চমু অৱলোকন অধ্যায়টো পঢ়ি আপুনি ভাৰতৰ কেইটামান গুৰুত্বপূৰ্ণ ছপা মাধ্যম প্ৰতিষ্ঠান আৰু এইবোৰৰ নিজ নিজ প্ৰকাৰ্যৰ বিষয়ে জানিব পাৰিব।

অসমৰ বিশেষ উল্লেখেৰে সৈতে উত্তৰ-পূব ভাৰতত ছপা মাধ্যমৰ ইতিহাস অধ্যায়ত আলোচনা কৰিবলগীয়া বিষয়বোৰ-হ'ল- ভাৰতত উত্তৰ-পূৰ্বাঞ্চলত ছপা মাধ্যমৰ ইতিহাস তথা ক্ৰমবিকাশ, এই দিশত অসমত হোৱা পথ প্ৰদৰ্শক কাম-কাজ, প্ৰাক্ তথা উত্তৰ স্বাধীনতাৰ যুগত অঞ্চটোত ছপা মাধ্যমৰ অৱস্থা ইত্যাদি।

অধ্যায় ১ ঃ ছপা মাধ্যমৰ ইতিহাস

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ছপা মাধ্যমৰ প্ৰকাৰ—
১.৩.১ দৈনিক বাতৰি কাকত
১.৩.২ টেবলয়ড (Tabloids)
১.৩.৩ আলোচনী (বার্তালোচনী)
১.৪ ছপা মাধ্যমৰ প্ৰাসংগিকতা
১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্ৰগতিৰ খতিয়ান
১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাতৰি কাকতে বৰ্তমানৰ ৰূপ পোৱাৰ আগৰ সময়ছোৱাৰ বিভিন্ন পৰ্যায় বহলাই বৰ্ণনা কৰিব পাৰিব
- দৈনিক বাতৰি কাকত, টেবলয়ড আৰু আলোচনীৰ মাজত থকা প্ৰভেদবোৰ আলোচনা কৰিব পাৰিব
- সমাজত বেলেগ বেলেগ ছপা মাধ্যমে পালন কৰা ভিন ভিন ভূমিকাবোৰ বৰ্ণনা কৰিব পাৰিব
- বৰ্তমান সময়ত ছপা মাধ্যমৰ ভূমিকা সম্পৰ্কে ফঁহিয়াই চাব পাৰিব
- ভৱিষ্যতে বাতৰি কাকতৰ স্বৰূপ কেনে হ'ব সেয়া বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

ইয়াৰ আগৰ পাঠ্যক্ৰমৰ (course) জৰিয়তে আপোনালোকক গণ সংযোগ ক্ষেত্ৰখন আৰু ইয়াৰ কেইটামান নমুনা তথা সূত্ৰৰ সৈতে পৰিচয় কৰাই দিয়া হৈছে। একেটা পাঠ্যক্ৰমতে আপোনালোকে মানৱীয় সংযোগ আৰু বিভিন্ন প্ৰকাৰৰ গণ মাধ্যমৰ ধাৰণা সম্পৰ্কেও পঢ়িবলৈ পাইছে।

এই নতুন পাঠ্যক্রমটোৰ প্রথম অধ্যায়টিত আমি দৈনিক বাতৰি-কাকত, টেবলয়ড আৰু আলোচনী আদি বিভিন্ন প্রকাৰৰ ছপা মাধ্যমৰ বিষয়ে আলোচনা কৰিম। আলোচনাকালত আমি এই মাধ্যমবোৰৰ মাজত থকা প্রভেদ, বৈশিষ্ট্য, এইবোৰৰ সংবাদ সম্পর্কীয় দৃষ্টিভংগী, ছপা কৰাৰ শৈলী (format) আৰু বিষয়বস্তু আদি দিশৰ ওপৰত আলোকপাত কৰিম। ইয়াৰ উপৰি ভাৰতত ছপা মাধ্যমৰ ভৱিষ্যত হ'ল অধ্যায়টিত আলোচিত হ'বলগীয়া আন এটা বিষয়। ছপা মাধ্যম এদিন নিঃচিহ্ন হৈ যাব বুলি প্রচাৰিত বৰ্দ্ধিত পূর্বানুমানৰ ভিত্তি হ'ল সমগ্র বিশ্বতে মাধ্যমটোৱে সন্মুখীন হোৱা অভিজ্ঞতা। কিন্তু এই ক্ষেত্রত ভাৰতৰ অভিজ্ঞতা সম্পূর্ণ পৃথক। পৃথিৱীৰ বিভিন্ন দেশত, বিশেষকৈ পাশ্চাত্যত ছপা মাধ্যমলৈ আহি পৰা প্রত্যাহ্বানৰ এখন বিপৰীত ছবিহে ভাৰতত দেখিবলৈ পোৱা যায়। অধ্যায়টিত আলোচ্য বিষয়বোৰে ভাৰতত দৈনিক বাতৰি-কাকত, টেবলয়ড আৰু আলোচনীৰ দৰে বিভিন্ন ছপা মাধ্যমৰ প্রাসংগিকতাক স্পষ্ট ৰূপত তুলি ধৰিব। বিজ্ঞাপনৰ জৰিয়তে আহৰণ কৰা ৰাজহৰ পৰিমাণ কমি যোৱা স্বত্বেও বিক্রীৰ সংখ্যা বৃদ্ধি হোৱালৈ লক্ষ্য ৰাখি দঢ়াই ক'ব পৰা যায় যে ভাৰতত ছপা মাধ্যমৰ বিকাশ ত্বৰান্বিত হৈছে আৰু দেশত ইয়াৰ ভৱিষ্যত সম্পূর্ণ সুৰক্ষিত।

পৰৱর্তী অধ্যায়ত ভাৰতত ছপা মাধ্যমৰ উত্থান আৰু ক্রমবিকাশৰ ইতিহাস আলোচনা কৰা হ'ব।

১.৩ ছপা মাধ্যমৰ প্রকাৰ

১৯৮০ চনৰ ২৯ জানুৱাৰীত প্রকাশিত জেমছ আগষ্টাচ হিকীৰ বেংগল গেজেট খনকে ভাৰতৰ প্রথম প্রকাশিত বাতৰি-কাকত বুলি ধৰা হয়। অৱশ্যে নিয়মীয়া বাতৰি কাকতৰ দৰে এই কাকতখন প্রকাশিত হোৱাৰ কোনো নির্দিষ্ট নিয়ম অথবা সূচী নাছিল। হিকীয়ে যেতিয়াই কোনো কথা নাইবা ঘটনাক প্রকাশযোগ্য বুলি ভাবিছিল তেতিয়াই কাকতখন প্রকাশ কৰিছিল। ১৮শ শতিকাৰ শেষৰ দশককেইটাত বহুকেইখন বাতৰি-কাকতে আত্মপ্রকাশ কৰিছিল। মন কৰিবলগীয়া কথাটো হ'ল এই বাতৰি-কাকতবোৰৰ প্রকাশ অনিয়মীয়া আছিল। বাতৰি-কাকত প্রকাশিত কৰিবলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিজ্ঞাপনৰ পৰা অথবা কোম্পানীৰ অনুদানৰূপে ধন সংগ্রহ কৰা হৈছিল। ইয়াৰ পাছৰ পর্যায়তো বাতৰি-কাকতবোৰ একো একোটা ব্যৱসায়িক আর্হিৰ ওপৰত ভিত্তি কৰি প্রকাশিত হৈছিল। বিজ্ঞাপন আৰু ক'ভাৰ মূল্যৰ (cover price) দ্বাৰা সংগ্রহ কৰা ধনেৰে কাকত এখনৰ ছপা আৰু বিতৰণ মূল্য পৰিশোধ কৰা হৈছিল। বাতৰি-কাকতবোৰ সাপ্তাহিক আছিল।

'দ্য প্রেছ এণ্ড ৰেজিষ্ট্রেছন অৱ বুকচ্' আইন, ১৮৬৭ খনকেই দেশত বাতৰি-কাকত প্রকাশ বিষয়ক প্রথম আইন বুলি ধৰা হয়। আইনখনত কাকত প্রকাশ সম্পর্কীয় বহুতো নীতি-নির্দেশনা লিপিৱদ্ধ কৰা হৈছিল যদিও কাকত এখন প্রকাশৰ নির্দিষ্ট সময়সীমা বিষয়ক একো নির্দেশনাৰ উল্লেখ নাছিল। ইয়াৰ ফলত বাতৰি কাকতবোৰ প্রকাশকৰ সিদ্ধান্ত অনুসৰি কেতিয়াবা সাপ্তাহিক, কেতিয়াবা দ্বি-সাপ্তাহিক আৰু কেতিয়াবা দৈনিক ৰূপত প্রকাশিত হৈছিল। আইনমতে

এনে অনিয়মীয়া প্রকাশন বন্ধ কৰাৰ কোনো নীতি নাছিল। ১৮৬৭ চনৰ আইনখন ১৯৫৫ চনত পোন প্রথমবাৰলৈ সংশোধন কৰাৰ আগলৈকে ভাৰতত বাতৰি-কাকত প্রকাশৰ ছবিখন এনেকুৱাই আছিল। ১৯৫৫ চনত আইনখনত দফা ২-এ যোগ দিয়া হ'ল। ইয়াৰ দ্বাৰা নিয়ম বান্ধি দিয়া হ'ল যে যদি কোনো মালিকে কোনো বাতৰি-কাকত এখন সাপ্তাহিকৰ সলনি দৈনিক নাইবা দৈনিকৰ সলনি সাপ্তাহিকভাবে প্রকাশিত কৰিব খোজে তেন্তে বাতৰি কাকতৰ পঞ্জীয়কৰ কার্যালয়ত বিজ্ঞপ্তিৰ জৰিয়তে আর্জি দিব লাগিব।

আইনখনত ঘটোৱা সংশোধনীৰ পাছতেই এক উল্লেখযোগ্য ঘটনা ঘটিল. ভাৰতত প্রকাশিত প্রায় আটাইবোৰ ইংৰাজী তথা অন্য ভাৰতীয় ভাষাৰ বাতৰি কাকতেই দৈনিক বাতৰি-কাকতৰূপে ছপা হ'বলৈ ধৰিলে। সাপ্তাহিক বাতৰি-কাকত কেইখনৰ পৰিচয়ো সকলোৱে লাভ কৰিলে। এই সংশোধনীৰ আগতে সকলোবোৰ বাতৰি কাকতৰ প্রকাশকে কাকত এখন দৈনিক প্রকাশিত কৰা বুলি দাবী কৰি কাকত ছপোৱা কাগজ সৰকাইছিল। সেই কাগজবোৰ (news print) বাহৰিৰ পৰা আমদানি কৰা হৈছিল। অসাধু প্রকাশকসকলে সেই কাগজখিনি চো�ৰাং বজাৰত বিক্রী কৰি মুনাফা ঘটিছিল আৰু দেশৰ বিদেশী মুদ্রা বিনিময় ব্যৱস্থাটোৰ যথেষ্ট লোকচান হৈছিল। স্বাধীনোত্তৰ ভাৰতত সেই সময়ছোৱাত তেনে কাগজৰ ওপৰত চৰকাৰী নিয়ন্ত্রণ আছিল আৰু চাহিদা অনুসৰি যোগানত সদায় নাটনি হৈছিল। ভাৰতৰ প্রেছ আয়োগে সমগ্র ঘটনাৱলী চালি-জাৰি চোৱাৰ পাছতহে আইনখন সংশোধন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

ইয়াৰ দ্বাৰা আমি বুজিব পাৰিলোঁ যে স্বাধীনতাৰ আগৰ আৰু পাছৰ সময় এছোৱাত ভাৰতৰ প্রায়বোৰ বাতৰি কাকতেই দৈনিক আছিল তথা এইবোৰ 'ব্রডশ্বিট' শৈলীত (Broadsheet format) প্রকাশিত হৈছিল। অৱশ্যে সেই সময়ছোৱাত পৃথিৱীৰ প্রায় সকলো ঠাইতে একেদৰেই বাতৰি-কাকত ছপা হৈছিল। সেই সময়তে টেবলয়ড বাতৰি-কাকতৰো প্রচলন আৰম্ভ হৈছিল। গান্ধীজীয়ে প্রকাশ কৰা য়াং ইণ্ডিয়া আৰু দ্য হৰিজন নামৰ বাতৰি-কাকত দুখন টেবলয়ডৰ ৰূপত পঢ়ুৱৈৰ হাতত পৰিছিল। আন এখন টেবলয়ড বাতৰি-কাকত আছিল কেশৰী। কিন্তু দ্য হিন্দু, দা টাইমছ অৱ ইণ্ডিয়া, দ্য হিন্দুস্তান টাইমছ, দ্য নেশ্বনেল হেৰাল্ড আৰু দ্য টেলিগ্রাফ আদি (আটাইবোৰৰে নাম উল্লেখ কৰিব পৰা নগ'ল) বাতৰি-কাকতবোৰ 'ব্রডশ্বিট' শৈলীত প্রকাশিত হৈছিল।

আপোনালোকে নিশ্চয় 'ব্রডশ্বিট' আৰু 'টেবলয়ড'ৰ ৰূপৰ মাজত থকা পার্থক্য ধৰিব পাৰিছে। টেবলয়ডবোৰ আকাৰত সৰু আৰু এনে কাকতত প্রকাশিত বাতৰিবোৰ নৰম স্বভাৱৰ। ব্রডশ্বিট কাকতবোৰত প্রকাশিত বাতৰিবোৰ গম্ভীৰ ধৰণৰ আৰু মতামতবোৰ তীক্ষ্ণ। অৱশ্যে বাতৰি-কাকত দুখনৰ প্রভেদ বাহিৰ কৰাৰ ই এক সাধাৰণীকৃত লিখিত নিয়ম নহয়। কেতিয়াবা আকৌ দুয়োবিধ কাকতেই বিপৰীত ভূমিকা পালন কৰাও দেখা যায়। সম্প্রতি বিশ্বৰ ছপা মাধ্যমত প্রচলিত এটা শব্দ হ'ল 'টেবলয়ডাজেশ্বন' (tabloidization)। ইয়াৰ অর্থ হ'ল তিলকে তাল কৰি প্রকাশ কৰা বাতৰি। এইখিনিতে মনত ৰাখি থোৱা ভাল যে 'ব্রডশ্বিট' আৰু 'টেবলয়ড'ৰ মাজৰ মৌলিক পার্থক্যটো কেৱল কাকত দুখনৰ আকাৰতে সীমাৱদ্ধ।

আলোচনী হ'ল ছপা মাধ্যমৰ নৱতম ৰূপ। আলোচনীবোৰ (বার্তালোচনীবোৰ) সাধাৰণতে 'গ্লচী' (glossy) অথবা জিলিকনি থকা উৎকৃষ্ট মানৰ মসৃণ কাগজত ছপা কৰা হয়। গোটেই বার্তালোচনীখন গ্রচী কাগজেৰে ছপাব নোৱাৰিলেও অন্ততঃ বেটুপাতটোত তেনে কাগজ ব্যৱহাৰ কৰা হয়। আজি কালি প্রায়বোৰ বার্তালোচনীৰ বৈশিষ্ট্য হ'ল এইবোৰ সাপ্তাহিক অথবা পখেকীয়াভাৱে প্রকাশিত হয়। বার্তালোচনীবোৰৰ বিষয়বস্তু আৰু উপস্থাপন ৰীতি দৈনিক তথা টেবলয়ড কাকততকৈ বেলেগ। 'ব্রেকিং সংবাদ'ৰ সলনি বার্তালোচনীবোৰত কোনো ঘটনাৰ উত্থান আৰু অগ্রগতিৰ বিশ্লেষণ প্রকাশিত হয়। অন্য অর্থত, বার্তালোচনী, সাংবাদিকতা আৰু দৈনিক কাকতৰ সাংবাদিকতা এটা আনটোৰ পৰিপূৰকৰূপে সমান্তৰালপথেৰে আগবাঢ়ে। কেতিয়াবা অৱশ্যে সাধাৰণ প্রচলিত নিয়মৰ ব্যতিক্রম ঘটাই আলোচনী/বার্তালোচনীৰ সাংবাদিকসকলে বাতৰি এটা যুগুত কৰিবলৈ তুলনামূলকভাৱে যথেষ্ট সময় পায় আৰু বাতৰিটোক কেন্দ্র কৰি হোৱা শেহতীয়া অগ্রগতিবোৰ খৰছি মাৰি বিশ্লেষণ কৰাৰ সুযোগ লাভ কৰে। সেয়েহে আলোচনী/বার্তালোচনীৰ প্রতিবেদনবোৰ বিস্তৃত হয়।

১.৩.১ দৈনিক বাতৰি কাকত

পৃথিৱীৰ বিভিন্ন দেশত দৈনিক বাতৰি-কাকতৰ প্রচলন হোৱাৰ বহুদিনৰ পাছতহে ভাৰতত ই আত্মপ্রকাশ কৰিছিল। আত্মপ্রকাশ কৰিয়েই ভাৰতীয় দৈনিক বাতৰি-কাকতে বৃটিছ শাসনৰ বিৰুদ্ধে চলা ৰাজনৈতিক আন্দোলনটো আগবঢ়াই নিয়াত এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। বৃটিছ বিৰোধী আন্দোলনৰ প্রেক্ষাপটত জন্ম লভা বহুকেইখন বাতৰি-কাকতেই বৃটিছৰ বিৰুদ্ধে অথবা সপক্ষে থিয় দিছিল। দ্য টাইমছ অৰ ইণ্ডিয়া আৰু দ্য হিন্দু হ'ল সন্ধিক্ষণত আত্মপ্রকাশ কৰা দুখন শক্তিশালী দৈনিক কাকত। ইয়াৰে প্রথমখনে বৃটিছ এজেণ্ডাৰ সমর্থন কৰাৰ বিপৰীতে আনখনে বিৰোধীতা কৰিছিল। সেই সময়ছোৱাত অৱশ্যে আন কেইবাখনো ইংৰাজী দৈনিক কাকতেও নিজ নিজ স্থিতি গ্রহণ কৰি বাতৰি প্রকাশ কৰিছিল। আটাইকেইখন কাকতেই 'ব্রডশ্বিট' আকাৰত প্রকাশ কৰা হৈছিল। কাকতবোৰত বাতৰি প্রতিবেদনৰ লগতে বিজ্ঞাপন প্রকাশৰ বাবেও ঠাই ৰখা হৈছিল। এই বাতৰি কাকতবোৰৰ বিজ্ঞানৰ পৰা অতি কমেও চল্লিশ শতাংশ শুল্ক আহৰণ কৰিছিল। আন ষাঠি শতাংশ শুল্ক কাকতখনৰ ক'ভাৰ মূল্যৰ দ্বাৰা আহৰণ কৰা ধনৰ পৰা আহিছিল। এয়া আছিল ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ছোৱাৰ ছবি। এই সময়ছোৱাত প্রকাশিত কাকতবোৰৰ আন আন কাকত দুখনে জাতীয়তাবাদী ভাবধাৰাত বিশ্বাসী আন কাকতৰ বাবে ব্যৱসায়িক নিদর্শন দাঙি ধৰিছিল। এনে বহু বাটকটীয়া কাকতৰ ভূমিকাৰে ভাৰতীয় ছপা মাধ্যমৰ ইতিহাস সমৃদ্ধ। এই অধ্যায়ত ইয়াৰে মাত্র কেইখনমানৰ নামহে উল্লেখ কৰা হ'ল। ভাৰতত দৈনিক বাতৰি-কাকত প্রকাশৰ কামটো এক লাভজনক ব্যৱসায়তত পৰিণত হ'ল। স্বাধীনতাৰ পাছৰ তিনিটা দশকত এই ব্যৱসায়ৰ অভূতপূর্ব বিকাশ ঘটিল। একেদৰে, কাকতত বিজ্ঞাপন প্রকাশৰ

সুবিধাও বাঢ়িল। ইংৰাজী ভাষাত প্ৰকাশিত দৈনিক কাকতবোৰত দামী সামগ্ৰীৰ বিজ্ঞাপন ছপা হোৱাৰ বিপৰীতে স্থানীয় ভাষাত প্ৰকাশিত কাকতবোৰত থলুৱা সামগ্ৰীৰ বিজ্ঞাপনে স্থান দখল কৰিলে। ১৯৫০ ৰ দশকৰ আৰম্ভণিতে ইংৰাজী আৰু অন্য ভাৰতীয় ভাষাত প্ৰকাশিত ১২৭ খন দৈনিক কাকতে বিজ্ঞাপনৰ জৰিয়তে ১১০ মিলিয়ন ভাৰতীয় টকা সংগ্ৰহ কৰাৰ তথ্য পোৱা যায়। ১৯৯০ ৰ দশকৰ পৰা এই ছবিখন সলনি হ'বলৈ ধৰে। এইখিনি সময়ৰ পৰা কাকত গোষ্ঠীবোৰে ব্যৱসায়ৰ কৌশল সলনি কৰে। বিজ্ঞাপনৰ পৰা আহৰণ কৰা শুল্কৰ পৰিমাণ ভালেখিনি বৃদ্ধি পোৱাৰ বিপৰীতে ক'ভাৰ মূল্য হিচাপে আহৰণ কৰা শুল্কৰ পৰিমাণ হ্ৰাস পালে। অৰ্থাৎ, দৈনিক বাতৰি-কাকতবোৰে ক'ভাৰ মূল্য হ্ৰাস কৰিবলৈ আৰম্ভ কৰিলে, গ্ৰাহকৰ সংখ্যা কেইবাগুণে বৃদ্ধি কৰাত মনোযোগ দিলে আৰু এক বৈশিষ্ট আছিল কাকতবোৰৰ মালিকীস্বত্ব। প্ৰতিখন কাকতেই ব্যক্তিগত মালিকাধীন আছিল আৰু প্ৰতিগৰাকী মালিকেই ব্যক্তিগতভাবে সমৰ্থন কৰা এজেণ্ডাৰ সপক্ষে বাতৰি পৰিৱেশন কৰিছিল। বিজ্ঞাপন শুল্ক বঢ়োৱাৰ স্বাৰ্থত তেওঁলোকে সমৰ্থিত এজেণ্ডাৰ বিপক্ষে যোৱাকৈ কোনো আপোচ নকৰিছিল। এগৰাকী বিশ্লেষকৰ মতে সেই সময়ৰ কাকতৰ মালিকসকলে এখন যুদ্ধত জয়ী হ'বলৈহে কাকত প্ৰকাশ কৰিছিল বুলি বিশ্বাস কৰিছিল। কাকতৰ দ্বাৰা ধন উপাৰ্জন কৰা তেওঁলোকৰ লক্ষ্য নাছিল। ভাৰতে স্বাধীনতা লাভ কৰাৰ কিছু পূৰ্বে আত্মপ্ৰকাশ কৰা দ্য হিন্দুস্তান টাইমছ আৰু দ্য ইণ্ডিয়ান এক্সপ্ৰেছৰ দৰে বাতৰি-কাকতবোৰৰ মালিকপক্ষই যুদ্ধৰ সময়ত ঘটা লাভৰ কিছু অংশ বাতৰি-কাকতৰ প্ৰকাশৰ নামতে ব্যয় কৰিছিল। ইয়াৰ ফলত কাকত কেইখনে বাতৰিৰ শিৰোনামা দখল কৰিব নোৱাৰা ভালেমান জনকল্যাণমূলক কাৰ্যৰ বাবে মাত মাতিব পাৰিছিল। অন্য ভাৰতীয় ভাষাত প্ৰকাশ হোৱা এখন উল্লেখনীয় কাকতৰ নাম হ'ল মালায়ল মনোৰমা। এই কাকতখন কেৰালাৰ এটা জাতীয়তাবাদী পৰিয়ালে প্ৰকাশ কৰিছিল। স্বাধীনোত্তৰ কালত প্ৰকাশিত আন এখন উল্লেখনীয় কাকতৰ নাম হ'ল মাত্ৰুভূমি। দুয়োখন কাকতৰে চালিকাশক্তি আছিল জাতীয়তাবাদ। ঘাটি পূৰণৰ বাবে বিজ্ঞাপন শুল্ক বৃদ্ধি কৰিবলৈ যত্নপৰ হ'ল। এই বিষয়ে ১.৪ নং শিতানত বহলাই আলোচনা কৰা হ'ব।

১.৩.২ টেবলয়ড

টেবলয়ড বাতৰি-কাকতৰে আন এটা ৰূপ। অৱশ্যে সাধাৰণ দৈনিক বাতৰি-কাকতৰ সৈতে ইয়াৰ দুটা মৌলিক পাৰ্থক্য আছে। প্ৰথমটো হ'ল দৈনিক কাকত প্ৰকাশ কৰা 'ব্ৰডশ্বিট'ৰ আধা অংশৰ জোখত টেবলয়ড কাকত এখন প্ৰকাশ কৰা হয়। দ্বিতীয় পাৰ্থক্যটো ধৰাবন্ধা নহয় যদিও মন কৰিবলগীয়া। পাৰ্থক্যটো হ'ল বাতৰি পৰিৱেশনৰ শৈলী। এটা কথা স্পষ্টকৈ বুজি থোৱা ভাল যে কেতিয়াবা 'ব্ৰডশ্বিট' বাতৰি-কাকত

এখনেও 'টেবলয়ড'ৰ দৰে বাতৰি প্ৰকাশ কৰিব পাৰে আৰু 'টেবলয়ড' এখনেও 'ব্ৰডশ্বিট' কাকতৰ দৰে গম্ভীৰ বাতৰি প্ৰকশ কৰিব পাৰে।

এইখিনিতে স্বীকৃত অভিধানমতে 'টেবলয়ড' শব্দটোৰ সংজ্ঞা কি সেয়া আলোচনা কৰা হওঁক। অক্সফ'ৰ্ড এডভান্সড্ লার্নার্চ ডিক্সনেৰী—ৰ মতে 'টেবলয়ড' (tabloid) মানে হ'ল বার্লিনাৰ ব্ৰডশ্বিটতকৈ জোখত সৰু (সাধাৰণ বাতৰি-কাকতৰ পৃষ্ঠাৰ জোখৰ আধা) পৃষ্ঠাৰ বাতৰি-কাকত। সংজ্ঞাটোৰ আৰু ব্যাপক অর্থ মতে সৰু আকাৰৰ টেবলয়ড কাগজ এখনত চমু লেখনি, বিখ্যাত লোকৰ ছবি আৰু আনুষংগিক কাহিনী থাকিব পাৰে। টেবলয়ডৰ বাতৰিবোৰ দৈনিক কাকতৰ বাতৰিতকৈ কিছু পাতলীয়া ধৰণৰ। ব্যাকৰণৰ দিশৰ পৰা ইংৰাজী 'tabloid' শব্দটো বিশেষ্য (noun) আৰু বিশ্লেষণ (Adjective) দুই ধৰণে ব্যৱহাৰ কৰিব পাৰি। বিশেষ্য (noun) হিচাপে শব্দটোৱে বাতৰি-কাকতখনৰ আকাৰ বুজায়। এই অর্থৰ সৈতে কাকতখন প্ৰকাশ হোৱাৰ সময়ৰ (দৈনিক নে সাপ্তাহিক, ৰাতিপুৱা নে সন্ধিয়া) কোনো সম্পৰ্ক নাই। আনকি এই অর্থৰ সৈতে কাকতখন প্ৰকাশিত বিষয়বস্তুৰো কোনো সম্পৰ্ক নাই। টেবলয়ড কাকতৰ এটা উদাহৰণ হ'ল দ্য হিন্দুস্তান টাইমছ্ গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত দ্য ডেইলী মিণ্ট। ২০০৫ চনৰ পৰা সমগ্ৰ বিশ্বতে এনে টেবলয়ড কাকত প্ৰকাশৰ ধাৰাই গা কৰি উঠিছে। এই চনৰ পাছৰ পৰাই বিশ্বৰ কমেও ৮০ খন বাতৰি কাকতে টেবলয়ড কাকতৰ ধাৰণ কৰিছে। এই ধাৰাটো এতিয়াও অব্যাহত আছে। এই ৰূপান্তৰৰ প্ৰধান কাৰণ হ'ল 'নিউজপ্ৰিণ্ট' অর্থাৎ বাতৰি কাকত ছপোৱা কাগজৰ অত্যাধিক চৰা দাম আৰু প্ৰকাশন ব্যয় সংকোচন। টেবলয়ড কাকতবোৰে নিউজপ্ৰিণ্টৰ খৰছ প্ৰায় আধা কৰাৰ লগতে ক'ভাৰ মূল্য সুস্থিৰ কৰি ৰাখে অথবা কাকতৰ মূল্য হ্ৰাস কৰাত সহায় কৰে। ফলত কাকতৰ গ্ৰাহকৰ সংখ্যা বাঢ়ে। টেবলয়ড কাকত এখন লৈ ফুৰিবলৈকো সহজ।

মুম্বাই আৰু দিল্লীৰ পৰা প্ৰকাশিত দ্য মিড ডে'খন হল সুদীর্ঘ দিন ধৰি সন্ধিয়া প্ৰকাশিত হৈ থকা দৈনিক টেবলয়ড। এইখনৰ তুলনাত দ্য ডেইলী মিণ্ট একেবাৰে নতুন টেবলয়ড। ২০০৭ চনত দ্য ডেইলী মিণ্ট প্ৰকাশ হয়। ইয়াত বিত্তীয়, বাণিজ্যিক, ৰাজনৈতিক, উন্নয়নমূলক বা-বাতৰিৰ লগতে মানৱীয় স্বার্থজনিত বিভিন্ন বাতৰি প্ৰকাশ কৰা হয়। একেটা বছৰতে দ্য ইণ্ডিয়া টুডে' গোষ্ঠীয়ে দ্য মেইল টুডে' নামৰ আন এখন দৈনিক টেবলয়ড কাকত প্ৰকাশ কৰিবলৈ লয়। দ্য মেইল টুডে'ত ৰাজনৈতিক, বাণিজ্যিক বাতৰিৰ উপৰি বিভিন্ন ছবি, বিশ্লেষণাত্মক লেখনি আৰু সাৰহীন পাতলীয়া আলোচনা (gossip) তথা বিভিন্ন সান্ধ্য/নৈশ মনোৰঞ্জনমূলক অনুষ্ঠানৰ (party) খা-খবৰ প্ৰকাশিত হয়। টেবলয়ড কাকতে আৰম্ভ কৰা এইধৰণৰ লঘু সংবাদৰ ধাৰাটো ব্ৰডশ্বিট কাকতবোৰেও অনুসৰণ কৰিবলৈ লৈছে। ইয়াৰ ফলতে বাতৰি-কাকতৰ ক্ষেত্ৰখনত 'পে'জ থ্ৰী'ৰ (Page 3) ধাৰণাটোৰ জন্ম হৈছে। অর্থাৎ, বিশেষ্য পদ 'টেবলয়ড'ৰ বিশেষণীয় প্ৰয়োগ ঘটি বাতৰি-কাকত উদ্যোগৰ 'টেবলয়ডইজেশ্বন' (tabloidization)

হোৱা বুলি কোৱা হয়। ভাৰতীয় বাতৰি কাকত উদ্যোগৰ বিশ্লেষকসকলে এই 'টেবলয়ডাইজেশ্বন প্রক্রিয়াটোক সংবাদক আবর্জনালৈ পৰিণত কৰাৰ প্রক্রিয়া বুলি গণ্য কৰিছে। তেওঁলোকে ইয়াক উদাৰীকৰণৰ বিকশিত ৰূপ বুলি অভিহিত কৰিব খোজে। এই প্রক্রিয়াটোৰ বাটকটীয়া হিচাপে ৰুপার্ট মার্ড'কৰ নাম লোৱা হয়। মার্ড'কৰ আৰ্হি অনুসৰণ কৰি সমগ্র বিশ্বৰে বাতৰি-কাকতবোৰে 'টেবলয়ডাইজেশ্বন' প্রক্রিয়াৰ কু-প্রভাৱৰ গ্রাসত পৰিছে। ভাৰতত এই ৰূপান্তৰ প্রক্রিয়াৰ গুৰিধৰোঁতা হিচাপে দ্য টাইমছ্ অৱ ইণ্ডিয়া কাকতক জগৰীয়া কৰা হয়। ব্রডশ্বিট/বার্লিনাৰ শৈলীত প্রকাশিত এই কাকতখনে পৰৱর্তী সময়ত গুৰু সংবাদ প্রকাশৰ স্থান হ্রাস কৰি সেই স্থানত লঘু সংবাদ প্রকাশৰ ধাৰা আৰম্ভ কৰিছিল। প্রকাশ গোষ্ঠীটোৰ মুৰব্বী পদত সমীৰ জৈনৰ কার্যকাল আৰম্ভ হোৱাৰ পাছৰ পৰাই কাকতখনৰ চৰিত্র সলনি হোৱা বুলি পর্যবেক্ষকসকলে মত পোষণ কৰে। জৈনৰ চিন্তা অনুসৰিয়েই বাতৰি-কাকতৰ ক'ভাৰ মূল্য হ্রাস কৰা হয় আৰু বিক্রীৰ পৰিমাণ বৃদ্ধিৰ প্রয়াস কৰা হয়। তাকে কৰিবলৈ যাওঁতে বিজ্ঞাপন শুল্ক সংগ্রহৰ পৰিমাণ বৃদ্ধি কৰা হয়। ফলত প্রকাশন গোষ্ঠীটোৰ প্রচুৰ মুনাফা হয়। জৈনে তেওঁৰ চিন্তাক এনে সময়ত ব্যৱহাৰিক ক্ষেত্রত প্রয়োগ কৰিছিল যিটো সময়ত সমগ্র দেশৰে বাতৰি-কাকত উদ্যোগটোৱে লাভালাভৰ ক্ষেত্রত প্রবল প্রত্যাহ্বানৰ সন্মুখীন হৈছিল। জৈনৰ মূল্য আহৰণৰ যুদ্ধখনে অন্য বাতৰি-কাকত গোষ্ঠীকো একে পথ অনুসৰণ কৰিবলৈ বাধ্য কৰাইছিল। বাতৰি-কাকতৰ সম্পাদকসকলৰ কর্তৃত্বৰ পৰিধি সংকুচিত কৰাৰ কৃতিত্বও জৈনে দাবী কৰে। তেওঁৰ পৰিকল্পনা অনুসৰিয়েই দ্য টাইমছ্ অৱ ইণ্ডিয়া কেৱল এখন বাতৰি কাকতৰ নাম হৈ নাথাকি অন্য পণ্য দ্রব্যৰ দৰে এটা 'ব্রেণ্ড'ৰ নাম হৈ পৰে। জৈনৰ কার্যকালতে বৃত্তিজীৱি বিপণন ব্যৱস্থাপকসকলে সংবাদ কক্ষৰ ওপৰত নিজ কর্তৃত্ব খটুওৱাৰ ধাৰা আৰম্ভ হ'ল। এই সময়ছোৱাৰ পৰাই বিপণন ব্যৱস্থাপকৰ পচন্দ অনুসৰি সংবাদৰ ৰূপ তথা গুৰুত্ব সলনি হ'বলৈ ধৰিলে। এই প্রক্রিয়াটোকো 'টেবলয়ড'ৰ বিশেষণীয় ৰূপ 'টেবলয়ডাইজেশ্বন' বুলি ধৰা হয়।

১.৩.৩ বার্তালোচনী/আলোচনী

১৯৭০ দশকৰ মাজভাগত বার্তালোচনীৰ ধাৰণাটোৱে ভাৰতত মূৰ দাঙি উঠে। দেশত জৰুৰী অৱস্থা চলি থকা সময়তে অৰুণ পুৰীৰ সম্পাদনাত ইণ্ডিয়া টুডে' নামৰ বার্তালোচনীখনে আত্মপ্রকাশ কৰে। বার্তালোচনীখন প্রকাশৰ আঁৰৰ কাহিনী অতি আকর্ষণীয়। পুৰী সেই সময়ত এটা ছপাশালৰ মালিক আছিল। তেওঁ ছপাশালটোৰ বাবে গ্লচী কাগজত ৰঙীন ছবি আদি ছপা কৰিব পৰা অত্যাধুনিক ছপা যন্ত্র কেইটামান বাহিৰৰ পৰা আমদানি কৰি আনিছিল। সেই সময়ত ভাৰতীয় ছপা মাধ্যমৰ ওপৰত চৰকাৰী নিয়ন্ত্রণ চলি আছিল। কোনো প্রকাশন গোষ্ঠীয়েই জৰুৰী অৱস্থাৰ বিৰোধিতা কৰি কোনো সংবাদ স্বত্বেও চৰকাৰে ছপা মাধ্যমৰ ওপৰত শেনদৃষ্টি ৰাখিছিল। অৱশ্যে

ছপা মাধ্যমে চৰকাৰে বিচৰা ধৰণে জৰুৰী অৱস্থাৰ জয়গানো গোৱা নাছিল। ইয়াৰ বিপৰীতে চৰকাৰক বিপর্যস্ত কৰিব পৰাকৈ বিদেশী বাতৰি-কাকতবোৰেহে তীক্ষ্ণ সমালোচনাত্মক বাতৰি প্ৰকাশ কৰিছিল। ভাৰতৰ বাহিৰত ভাৰতীয় দূতাবাস আৰু বাণিজ্যিক দূতাবাসবোৰৰ জৰিয়তে জৰুৰী অৱস্থাক সমর্থন কৰি লিখা বিভিন্ন লেখনি প্ৰকাশ কৰিবলৈহে ইণ্ডিয়া টুডে' প্ৰকাশিত হৈছিল। এইদৰেই ভাৰতৰ প্ৰথমখন পযেকীয়া বার্তালোচনীয়ে আত্মপ্ৰকাশ কৰিছিল। এইখিনিতে আন এটা মনত ৰাখিবলগীয়া কথা হ'ল সেই সময়ছোৱাত প্ৰায় প্ৰতিখন আগশাৰীৰ কাকতেই একোখন বার্তালোচনী প্ৰকাশ কৰিছিল। অধিকাংশ কাকতেই দেওবাৰে এনে আলোচনীবোৰ প্ৰকাশ কৰিছিল। ব্ৰডশ্বিট শৈলীত প্ৰকাশিত এই দেওবৰীয়া আলোচনীবোৰৰ বিষয়বস্তু আছিল সাহিত্য, গ্ৰন্থ সমালোচনা আৰু বিভিন্ন বিষয়ক নিৱন্ধ। সপ্তাহৰ বাকীকেইটা দিনত প্ৰকাশিত গুৰু সংবাদবোৰৰ সম্পূর্ণ বিপৰীত আছিল দেওবৰীয়া আলোচনীৰ বিষয়বস্তুসমূহ। দ্য ইণ্ডিয়া টুডে' আছিল বিষয়বস্তু আৰু প্ৰকাশ ৰীতি উভয় দিশতে এনে আলোচনীতকৈ সম্পূর্ণ পৃথক। সেইখিনি সময়তে ষ্টাৰডাষ্ট, চেভী আৰু ডেব'নে'ৰ—ৰ দৰে আলোচনীয়ে প্ৰকাশৰ মুখ দেখিছিল যদিও ইণ্ডিয়া টুডে'ই এটা সম্পূর্ণ নতুন ধাৰাৰ জন্ম দিছিল। ইয়াৰ মূল বিষয়বস্তু আছিল ৰাজনৈতিক। বাকী আলোচনীবোৰৰ বিষয়বস্তু আছিল বোলছবি জগতৰ ছবি আৰু মুখৰোচক সংবাদ। ইয়াৰ মাজেৰে এখন আলোচনীক লঘু পর্ণ'গ্ৰাফী শিতানত ৰখা হৈছিল। সেই সময়ত প্ৰকাশিত সকলো আলোচনীৰে মূলবৈশিষ্ট্য আছিল ছবিৰ বহুল ব্যৱহাৰ আৰু গুৰু সংবাদৰ নামমাত্ৰ প্ৰকাশ। ইণ্ডিয়া টুডে'ই ইয়াৰ বিপৰীতে এক নতুন ধাৰাৰ সূচনা কৰিবলৈ সক্ষম হৈছিল। দ্য টেলিগ্ৰাফ প্ৰকাশ কৰা আনন্দ বজাৰ গোষ্ঠীয়ে সোনকালে এই নতুন ধাৰাক অনুসৰণ কৰিবলৈ ল'লে আৰু দ্য চানডে'ৰ জন্ম দিলে। ১৯৯০ ৰ দশকত ছপা মাধ্যমৰ পৰা মেলানি মগাৰ আগতে ১৯৮০ ৰ দশকলৈ সামাজিক, ৰাজনৈতিক আৰু অন্যান্য গুৰুত্বপূর্ণ বিষয়বোৰত নিজস্ব শৈলীৰে চিন্তাগধুৰ লেখনি প্ৰকাশ কৰি দ্য চানডে'ই পাঠকৰ মনত এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছিল। দ্য চানডে'ৰ উপৰি প্ৰকাশন গোষ্ঠীটোৱে হিন্দী বার্তালোচনী ৰবিবাৰ প্ৰকাশ কৰিছিল। ১৯৮০ ৰ দশকতে আন বহুকেইখন আলোচনী/বার্তালোচনীৰ প্ৰকাশ আৰম্ভ হৈছিল। ইংৰাজীৰ উপৰি বিভিন্ন ভাৰতীয় ভাষাত জন্ম লাভ কৰা এনে বহুকেইখন আলোচনী/বার্তালোচনীয়ে আজিও বজাৰ দখল কৰি আছে।

বার্তালোচনীৰ জগতত নিজৰ সবল অস্তিত্ব প্ৰকাশ কৰিবলৈ সক্ষম হোৱা আন এখন বার্তালোচনী হ'ল দ্য ফ্ৰণ্টলাইন। দ্য হিন্দু প্ৰকাশন গোষ্ঠীয়ে ১৯৮৪ চনত এই বার্তালোচনীখন প্ৰকাশ কৰে। প্ৰকাশন গোষ্ঠীটোৱে আশীৰ দশকৰ আৰম্ভণিতে বাহিৰৰ পৰা কিনি অনা অত্যাধুনিক ছপা যন্ত্ৰবোৰে ফ্ৰণ্টলাইনক এক সুকীয়া ৰূপেৰে তুলি ধৰিছিল। গ্লচী কাগজ, ৰঙীন ছবি ছপোৱাৰ সুবিধা আদিয়ে বার্তালোচনীখনৰ

জনপ্রিয়তা বৃদ্ধি কৰিছিল। অন্য বার্তালোচনীৰ তুলনাত ফ্রণ্টলাইনত বাতৰিবোৰ অধিক বিস্তৃতভাৱে প্রকাশিত হোৱাৰ লগতে কোনো ঘটনাৰ পুংখানুপুংখ বিশ্লেষণ, উন্নয়নমূলক কাম-কাজ সম্পর্কীয় সংবাদৰ প্রাধান্য, সাহিত্যালোচনাৰ বাবে পর্যাপ্ত স্থান, অর্থনীতি-আইন-বৈদেশিক পৰিক্রমাৰ লগত জড়িত বিষয়বোৰত অভিজ্ঞ বিশেষজ্ঞৰ প্রতিবেদন আদিয়ে আলোচনীখনৰ এটা নিজস্ব পৰিচয় গঢ়ি তুলিছিল। এইবোৰ কাৰণতে ভাৰতৰ প্রথম বার্তালোচনী দ্য ইণ্ডিয়া টুডে' আৰু ৯০ৰ দশকৰ মাজভাগত আত্মপ্রকাশ কৰা দ্য আউটলুকৰ দৰে সর্বাধিক বিক্রীৰ অভিলেখ গঢ়িব নোৱাৰিলেও ফ্রণ্টলাইনে আজিকোপতি এচাম অনুগত আৰু ৰুচিৱান পাঠক তথা বিদ্যায়তনিক দিশত জড়িত অধ্যয়নশীল ব্যক্তিৰ পচন্দৰ বার্তালোচনী হৈ ৰ'ব পাৰিছে।

ভাৰতত বার্তালোচনী সাংবাদিকতাৰ আন এক মাইলৰ খুঁটি হ'ল আউটলুক-ৰ প্রকাশ। আশ্চর্যৰ কথাটো হ'ল ডে'নে'ৰৰ দৰে লঘু বিষয়বস্তুৰ আলোচনী এখনৰ সম্পাদনা কৰা বিনোদ মেহতা নামৰ ব্যক্তিগৰাকীৰ সম্পাদনাত ভাৰতত এখন যুগান্তকাৰী বার্তালোচনীয়ে আত্মপ্রকাশ কৰিলে। বিধমী আৰু দায়ৰদ্ধতাহীন বুলি তেতিয়ালৈকে সমালোচনাৰ পাত্র হৈ থকা মেহতাৰ এই ৰূপান্তৰ ভাৰতীয় সংবাদ জগতৰ বাবেই শুভ ঘটনাত পৰিণত হ'ল। মূলতঃ নির্মাণ উদ্যোগৰ সৈতে জড়িত ৰাহেজা গ্রুপ অৰ কোম্পানীয়ে মেহতাক আউটলুক প্রকাশৰ বাবে প্রয়োজনীয় পুঁজিৰ যোগান ধৰিছিল। প্রথম প্রকাশৰ দুটা দশক আৰু কেইটামান বছৰ পূৰ কৰাৰ অন্তত আউটলুকৰ সফলতাৰ তালিকাত আছে কেইবাটাও ৰাজনৈতিক কেলেংকাৰী সদৰি কৰাৰ কৃতিত্ব, ভাৰতৰ এচাম ৰাজনৈতিক আৰু ব্যৱসায়ী শ্রেণীক ৰুষ্ট কৰাৰ নিদর্শন আৰু বার্তালোচনীত বিৰোধিতাকাৰী সাংবাদিকতাৰ ধাৰা আৰম্ভকাৰীৰ খিতাপ। আউটলুকৰ প্রকাশে ইণ্ডিয়া টুডে'লৈ প্রবল প্রতিদ্বন্দ্বিতা আগবঢ়াইছিল। ইয়াৰ ফলশ্রুতিতে ইণ্ডিয়া টুডে'ই ৯০ ৰ দশকৰ মাজভাগৰ পৰা পযেকীয়া ৰূপ এৰি সাপ্তাহিকভাবে প্রকাশিত হ'বলৈ ধৰিলে। সবাতোকৈ উল্লেখনীয় কথাটো হ'ল সময়ে সময়ে নতুন নতুন বার্তালোচনীয়ে সবল ৰূপত আত্মপ্রকাশ কৰি থকা স্বত্বেও কোনোখন আলোচনীয়ে পাঠকৰ অভাৱত প্রকাশন সামৰিবলগীয়া হোৱা নাই। দ্য চানডে' হ'ল ইয়াৰ একমাত্র ব্যতিক্রম। বার্তালোচনী জগতত আন এক নতুন ধাৰাৰ সূচনা কৰা আন এখন আলোচনী হল তেহেলকা। এই বার্তালোচনীখনৰ বিশেষত্ব হ'ল কেলেংকাৰী উন্মোচন আৰু অনুসন্ধানমূলক সাংবাদিকতা। জন্মলগ্নৰে পৰা এতিয়ালৈকে আপোচহীন আৰু বিৰামহীনভাবে বার্তালোচনীখনে বিভিন্ন প্রত্যাহ্বান ওফৰাই স্বকীয় বৈশিষ্ট্য অক্ষুন্ন ৰাখি প্রকাশিত হৈ আহিছে। দৈনিক বাতৰি-কাকত শিতানত সফল হ'ব নোৱাৰাটোৱেই হ'ল এতিয়ালৈকে বার্তালোচনীখনে মুখামুখি হোৱা উল্লেখনীয় বিফলতা। ইয়াৰ ছপা সংস্কৰণ যিমান জনপ্রিয় ৰেব সংস্কৰণটোও সিমানেই জনপ্রিয়। শেষত ইয়াকে ক'ব পাৰি যে ইংৰাজীতে হওক নাইবা অন্য ভাৰতীয় ভাষাতে হওঁক ভাৰতত বার্তালোচনীৰ ধাৰাটো বহুদিনলৈ জীয়াই থাকিব।



অনুশীলনী

ভাৰতত স্বাধীনতাৰ আগতে প্ৰকাশিত বাতৰি-কাকত আৰু আলোচনীবোৰৰ তালিকা এখন প্ৰস্তুত কৰাৰ চেষ্টা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ..... আইনখনক ভাৰতৰ প্ৰথম বাতৰি-কাকত প্ৰকাশন বিষয়ক আইন বুলি ধৰা হয়। আইনখনত অৱশ্যে কাকত এখন প্ৰকাশৰ নিৰ্দিষ্ট সময় বিষয়ক কোনো নীতি-নিয়ম সন্নিৱিষ্ট কৰা হোৱা নাছিল।

প্ৰশ্ন নং ২ ঃ ব্ৰডশ্বিট আৰু টেবলয়ড বাতৰি-কাকতৰ মাজত থকা প্ৰধান পাৰ্থক্যটো হ'ল ..... ।

প্ৰশ্ন নং ৩ ঃ ..... আৰু ..... হ'ল ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত জন্ম লাভ কৰা দুখন বাতৰি-কাকত যি দুখনে ক্ৰমে বৃটিছ বিৰোধী আৰু বৃটিছ সমৰ্থনকাৰী এজেণ্ডাৰ পৃষ্ঠপোষকতা কৰিছিল।

প্ৰশ্ন নং ৪ ঃ মুম্বাই আৰু দিল্লীৰ পৰা প্ৰকাশিত ..... কাকতখনে জন্মৰে পৰা এতিয়ালৈকে টেবলয়ডৰ বৈশিষ্ট্য অক্ষুণ্ণ ৰখা একমাত্ৰ সান্ধ্য দৈনিকৰূপে প্ৰকাশিত হৈ আহিছে।

প্ৰশ্ন নং ৫ ঃ ১৯৮০ ৰ দশকত দ্য হিন্দু গোষ্ঠীয়ে বিদেশৰ পৰা অনা অত্যাধুনিক ছপা যন্ত্ৰবোৰ ব্যৱহাৰ কৰিবলৈকে ..... নামৰ বাৰ্তালোচনীখন প্ৰকাশ কৰা হৈছিল।

১.৪ ছপা মাধ্যমৰ প্ৰাসংগিকতা


সাম্প্ৰতিক বিশ্বৰ সকলোতে ছপা মাধ্যম অভূতপূৰ্বভাবে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ছপা মাধ্যমৰ চমু ইতিহাসত এই প্ৰত্যাহ্বান সবাতোকৈ গুৰুতৰ বুলি বিবেচিত হৈছে। তৎস্বত্বেও ভাৰতত ছপা মাধ্যমে এটা সম্পূৰ্ণ বিপৰীত পৰিৱেশত নিজ অস্তিত্ব বৰ্তাই ৰাখিছে। বিশ্বৰ সৰ্বত্ৰ ছপা দৈনিক কাকতৰ গ্ৰাহকৰ সংখ্যা কমিবলৈ ধৰাৰ বিপৰীতে ভাৰতত বাতৰি-কাকত পঢ়োতাৰ সংখ্যা বাঢ়িছে। পাশ্চাত্যৰ দেশবোৰত ২৪×৭ সংবাদ ছেনেলবোৰৰ উত্থানে ছপা সংবাদ পত্ৰৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। ইণ্টাৰনেট আৰু অত্যাধুনিক ম'বাইল ফোনৰ বহুল ব্যৱহাৰো এই ভাবুকিৰ অন্যতম কাৰণ। এই সুবিধাবোৰ ভাৰততো উপলব্ধ যদিও ভাৰতীয় ছপা মাধ্যমৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পূৰ্ণ বেলেগ।

সমগ্ৰ বিশ্বৰে মূল্য দি ক্ৰয় কৰিবলগীয়া ১০০ খন আগশাৰীৰ দৈনিক বাতৰি-কাকতৰ ১৯ খনেই ভাৰতত প্ৰকাশিত হয়। এই ১৯ খনৰ মাজৰে এখন দ্য টাইমছ অৱ ইণ্ডিয়া হ'ল বিক্ৰীৰ জোখেৰে বিশ্বৰ ষষ্ঠ সৰ্বাধিক গ্ৰাহক থকা বাতৰি কাকত। আটাইবোৰ দৈনিক কাকতৰে প্ৰায় এশ লাখ গ্ৰাহকক সামৰি ভাৰত হ'ল বিশ্বৰ ভিতৰতে দ্বিতীয় সৰ্বাধিক বাতৰি-কাকত পঢ়ুৱৈ থকা দেশ। চীনে কেইশলাখমান অধিক গ্ৰাহকেৰে সৈতে এই শিতানত প্ৰথম স্থানত আছে। ইংৰাজী আৰু অন্য ভাৰতীয় ভাষাত প্ৰকাশিত বাতৰি-কাকতবোৰ দেশৰ প্ৰায় ৩৮% পৰিয়ালে পঢ়ে। পশ্চিমীয়া দেশবোৰত ঘটাৰ দৰে বিগত কেইবাবছৰো আমাৰ দেশত এই ছবিখনৰ কোনো সালসলনি ঘটা নাই। যিখন দেশে শিক্ষিত নাগৰিকৰ সংখ্যা বঢ়া বুলি গৌৰৱ কৰিব নোৱাৰে, সেইখন দেশে বাতৰি-কাকত পঢ়া লোকৰ সংখ্যাক লৈ গৌৰৱান্বিত হ'ব পৰাতো নিঃসন্দেহে সুখৰ বিষয়। বাতৰি-কাকতৰ গ্ৰাহকৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে বৃদ্ধি পাইছে কেৱল টেলিভিছ্ন (প্ৰায় পঞ্চাশ শতাংশ নাগৰিক) আৰু ইণ্টাৰনেট (অতি কমেও মুঠ জনসংখ্যাৰ এক দশমাংশ) ব্যৱহাৰকাৰীৰ সংখ্যা। ভাৰত ইণ্টাৰনেট ব্যৱহাৰত পশ্চিমীয়া দেশবোৰতকৈ পিছপৰা হ'লেও ৰেব জগতৰ সম্প্ৰসাৰণে বাতৰি-কাকতৰ গ্ৰাহকৰ সংখ্যা প্ৰভাৱিত কৰিব নোৱাৰাটো ভাল লক্ষণ।

বাতৰি-কাকতৰ গ্ৰাহকৰ সংখ্যা নকমাত সহায় কৰা আন এক কাৰণ হ'ল এই সময়ছোৱাত কাকতৰ ক'ভাৰ মূল্যৰ কোনো পৰিবৰ্তন ঘটা নাছিল। আগতেই উল্লেখ কৰা হৈছে যে দ্য টাইমছ অৱ ইণ্ডিয়াই অন্য আগশাৰীৰ বাতৰি-কাকতবোৰকো মূল্যৰ যুদ্ধখনত সাঙুৰি লৈছিল। দিল্লীৰ বজাৰত ইয়াৰ তীব্ৰ প্ৰতিদ্বন্দ্বী দ্য হিন্দুস্তান টাইমছে ফলস্বৰূপে ইয়াৰ পূৰ্বৰ মূল্য তিনি টকাৰ সলনি এটকা কৰিবলৈ বাধ্য হৈছিল। বজাৰ টিকি থাকিবৰ বাবে ইয়াৰ গত্যন্তৰ নাছিল যদিও এনে কৰাৰ পাছত ২০০০ চনৰ পাছৰ দশকটোত প্ৰায় আটাইকেইখন অগ্ৰণী দৈনিক কাকতৰে গ্ৰাহকৰ সংখ্যা বৃদ্ধি পাইছিল। অৰ্থাৎ মূল্য কম কৰা কোনো এখন কাকতেই গ্ৰাহক হেৰুৱাবলগীয়া হোৱা নাছিল। যিবোৰে এই নিয়ম মানি চলিব নোৱাৰিলে সেই কাকতবোৰৰ প্ৰকাশ বন্ধ হৈ গ'ল। দ্য ইণ্ডিয়ান এক্সপ্ৰেছ আৰু দ্য পায়নিয়াৰ ইয়াৰ উদাহৰণ। ছপা মাধ্যমৰ যুগত তিষ্ঠি থাকিবলৈ কাকতৰ মালিক পক্ষক টনকিয়াল পুঁজিৰ প্ৰয়োজন। গ্ৰাহকৰ সংখ্যা সুস্থিৰ হৈ থকা বহু কাকতে আকৌ টেলিভিছ্ন মাধ্যমত প্ৰৱেশ কৰিবলৈ গৈ বিপদত পৰিল। দ্য টাইমছ অৱ ইণ্ডিয়া এই ক্ষেত্ৰত এক ব্যতিক্ৰম উদাহৰণ। ইণ্ডিয়া টুডে' হ'ল এনে উভয় মাধ্যম অভিযানৰ দ্বাৰা উপকৃত হোৱা এক সফল ব্যৱসায় গোষ্ঠী। গোষ্ঠীটোৰ হিন্দী সংবাদ ছেনেল আজতকৰ দ্বাৰা বার্তালোচনী আৰু টেবলয়ড প্ৰকাশ কৰিবলৈ ধন অহাৰ উপৰি আন এটা ইংৰাজী ছেনেলো বাধাহীনভাৱে চলি আছে।

সংক্ষেপতে ক'বলৈ হ'ল পশ্চিমীয়া দেশবোৰতকৈ ভাৰতত এটা ব্যৱসায়ৰ আৰ্হিৰূপে ছপা মাধ্যমে এখন সবল ছবি দাঙি ধৰিবলৈ সক্ষম হৈছে। খোপনি পুতিব নোৱাৰি মাধ্যমটোৰ পৰা আঁতৰি যোৱা দুটা এটা প্ৰকাশন গোষ্ঠীৰ বাদে অন্যবোৰে ভাল ব্যৱসায় কৰি আছে। ক'ভাৰ মূল্য/বিতৰণৰ পৰা আহৰণ কৰা শুল্কৰ অনুপাত ৫ৰ পৰা ৯৫ শতাংশ হৈছে যদিও কাকতৰ গ্ৰাহকৰ সংখ্যা বাঢ়িছে। '৯০ৰ দশকৰ মাজভাগত বাতৰি-কাকতৰ গ্ৰাহকৰ সংখ্যা মাত্ৰ

কেইলাখমানহে আছিল যদিও ২০০৫ চনত এই সংখ্যা প্রায় দহ লাখৰো ওপৰ হয়গৈ। ক'ভাৰ মূল্যই বহুতো কাকতৰ বিক্রী কৰি পোৱা ধনৰ পৰিমাণ হ্রাস কৰিছে যদিও সামগ্রিক লাভৰ পৰিমাণ বছৰে বছৰে বৃদ্ধি কৰি এই ক্ষেত্রতো দ্য টাইমছ অৱ ইণ্ডিয়াই ব্যতিক্রম নিদর্শন দাঙি ধৰিব পাৰিছে। অর্থনীতিত উদাৰীকৰণ নীতি বলবৎ হোৱাৰ বাবেই এই সকলোবোৰ সম্ভৱপৰ হৈছে। দেশৰ ১২০ মিলিয়ন নাগৰিকৰ মাজৰ অতি কমেও ১৫ শতাংশ নাগৰিকক চুপাৰ-মার্কেট অর্থনীতিত গ্রাহক/উপভোক্তা বুলি গণ্য কৰা হয়। এই গ্রাহকসকলক উদ্দেশ্যি কাকতত বিভিন্ন সামগ্রী, বৈদ্যুতিক যতন, নতুন খাদ্যৰ জুতি, নতুন আর্হিৰ পোচাক-পৰিচ্চদ আদিৰ বিজ্ঞাপন প্রকাশ কৰাৰ সুবিধা বাঢ়িছে। ভাৰতৰ বাতৰি-কাকতবোৰে সেয়েহে বিজ্ঞাপনৰ জৰিয়তে বিপুল পৰিমাণৰ শুল্ক সংগ্রহ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ কুফলটো হ'ল এসময়ত প্রধান বিৰোধী পক্ষ হিচাপে প্রচাৰ মাধ্যমে, বাতৰি-কাকতকো সামৰি যিটো ৰূপ ধাৰণ কৰিছিল সেই ৰূপটো নাইকিয়া হৈছে। ই এতিয়া বহুতো ক্ষেত্রত ক্ষমতাসীন ফৈদৰ প্রচাৰ মাধ্যমৰূপে আচৰণ কৰে। এই বিষয়ে বহলাই আন এক অধ্যায়ত আলোচনা কৰা হ'ব।



অগ্রগতিত নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ পাশ্চাত্যৰ দেশবোৰত বাতৰি-কাকতৰ ওপৰত কুপ্রভাৱ পেলোৱা কাৰকবোৰ কি কি?

.....

.....

.....

প্রশ্ন নং ৬ ঃ ভাৰতৰ সাম্প্রতিক ছপা মাধ্যমটোৰ বিষয়ে চমুকৈ লিখা। বিশ্বৰ বাকী দেশতকৈ ই কিহত বেলেগ?

.....

.....

.....

.....

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৭৮০ চনৰ ২৯ জানুৱাৰীত প্ৰকাশিত জেমছ আগষ্টাচ হিকীৰ বেংগল গেজেটখনকে ভাৰতৰ প্ৰথম প্ৰকাশিত বাতৰি-কাকত বুলি ধৰা হয়। অৱশ্যে নিয়মীয়া বাতৰি-কাকতৰ দৰে এই কাকতখন প্ৰকাশিত হোৱাৰ কোনো নিৰ্দিষ্ট নিয়ম অথবা সূচী নাছিল।
- ১৮৬৭ চনত গৃহীত হোৱা বাতৰি-কাকত প্ৰকাশক বিষয়ক প্ৰথমখন ভাৰতীয় আইনৰ ১৯৫৫ চনত পোন প্ৰথমবাৰ সংশোধন কৰি দফা 2-A যোগ দিয়া হৈছিল। ইয়াৰ দ্বাৰা নিয়ম বান্ধি দিয়া হৈছিল যে যদি কোনো মালিকে কোনো বাতৰি-কাকত এখন সাপ্তাহিকৰ সলনি দৈনিক নাইবা দৈনিকৰ সলনি সাপ্তাহিকভাৱে প্ৰকাশ কৰিব খোজে তেন্তে বাতৰি-কাকতৰ পঞ্জীয়কৰ কাৰ্যালয়ত বিজ্ঞপ্তিৰ জৰিয়তে আৰ্জি দিব লাগিব।
- স্বাধীনতাৰ পাছৰ প্ৰথম তিনিটা দশকত দৈনিক বাতৰি-কাকতে এক লাভজনক ব্যৱসায়ৰ আৰ্হি হিচাপে গা কৰি উঠিল। এই সময়ছোৱাত দৈনিক কাকতে অভূতপূৰ্ব অগ্ৰগতি লাভ কৰিলে। ইয়াৰ পৰিণতিতে বিজ্ঞাপনৰ সুযোগো বৃদ্ধি পালে।
- ভাৰতীয় বাতৰি-কাকত উদ্যোগৰ বিশ্লেষকসকলে 'টেবলয়ড জেশ্বন' প্ৰক্ৰিয়াটোক সংবাদক আৱৰ্জনালৈ পৰিণত কৰাৰ প্ৰক্ৰিয়া বুলি গণ্য কৰিছে। তেওঁলোকে ইয়াক উদাৰীকৰণৰ বিকশিত ৰূপ বুলি অভিহিত কৰিব খোজে। এই প্ৰক্ৰিয়াটোৰ বাটকটীয়া হিচাপে ৰপার্ট মার্ডকৰ নাম লোৱা হয়। মার্ডকৰ আৰ্হি অনুসৰণ কৰি সমগ্ৰ বিশ্বৰে বাতৰি-কাকতবোৰে 'টেবলয়ডাইজেশ্বন' প্ৰক্ৰিয়ৰ কুপ্ৰভাৱৰ গ্ৰাসত পৰিছে। ভাৰতত এই ৰূপান্তৰ প্ৰক্ৰিয়াৰ গুৰিধৰোঁতা হিচাপে দ্য টাইমছ অৱ ইণ্ডিয়া কাকতক জগৰীয়া কৰা হয়। ব্ৰডশ্বিট/বার্লিনাৰ শৈলীত প্ৰকাশিত এই কাকতখনে পৰৱৰ্তী সময়ত গুৰু সংবাদ প্ৰকাশৰ স্থান হ্ৰাস কৰি সেই স্থানত লঘু সংবাদ প্ৰকাশৰ ধাৰা আৰম্ভ কৰিছিল।
- বার্তালোচনীৰ জগতত আন এক উল্লেখনীয় নাম হ'ল দ্য ফ্ৰণ্টলাইন। দ্য হিন্দু প্ৰকাশন গোষ্ঠীয়ে ১৯৮৪ চনৰ পৰা এই বার্তালোচনীখন প্ৰকাশ কৰি আহিছে। গোষ্ঠীটোৱে '৮০ৰ দশকৰ আৰম্ভণিতে বিদেশৰ পৰা কিনি অনা অত্যাধুনিক ছপা মেছিনকেইটা ব্যৱহাৰ কৰাৰ খাটিৰতে বার্তালোচনীখন প্ৰকাশ কৰিছিল।
- পশ্চিমীয়া দেশবোৰত বাতৰি-কাকতৰ পাঠকৰ সংখ্যা হ্ৰাস কৰাত অৰিহণা যোগোৱা কাৰককেইটা হ'ল ২৪×৭ সংবাদ ছেনেলৰ উত্থান, ইণ্টাৰনেটৰ অভুতপূৰ্ব বিকাশ আৰু অত্যাধুনিক সুবিধা সংযোজিত মোবাইল ফোনৰ বহুল ব্যৱহাৰ।
- ভাৰতত বাতৰি-কাকতৰ পঢ়ুৱৈৰ সংখ্যা বঢ়াৰ আন এক কাৰণ হ'ল সুদীৰ্ঘ সময় এছোৱা কাকতৰ ক'ভাৰ মূল্য হ্ৰাস পোৱা অথবা সুস্থিৰ হৈ থকা। দ্য টাইমছ অৱ ইণ্ডিয়াই দেশৰ আগশাৰীৰ বাতৰ-কাকতবোৰক নিজে কৰাৰ দৰে মূল্য হ্ৰাস অথবা স্থিৰ কৰি ৰাখিবলৈ বাধ্য কৰাইছিল।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) বিষয় সাংবাদিকতা— ড° পার্থ চট্টোপাধ্যায়; বীণা লাইব্রেৰী গুৱাহাটী

২) গণমাধ্যম আৰু সম্প্রচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত; অসম প্রকাশন পৰিষদ

ইংৰাজী গ্ৰন্থ ঃ

1. The Indian Media Business- Vanitha Kohli- Khandekar, 3rd edition, SAGE Publication.
2. The great Indian Media Bazar- in Romila Thapar's (ed.) India: Anothefr Millenium- N.Ram,OUP,1997.
3. The Press in India- M.V. Chalapathi Rao(Ubersetzer, Schriftsteller), NBT, 1974.

১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ দ্য প্রেছ এণ্ড ৰেগুলেশ্বন অৱ বুকছ এক্ট, ১৮৬৭

২ নং প্রশ্নৰ উত্তৰঃ কাগজৰ আকাৰ

৩ নং প্রশ্নৰ উত্তৰঃ দ্য টাইমছ অৱ ইণ্ডিয়া, দ্য হিন্দু

৪ নং প্রশ্নৰ উত্তৰঃ দ্য মিড ডে'

৫ নং প্রশ্নৰ উত্তৰঃ দ্য ফ্রণ্টলাইন

৬ নং প্রশ্নৰ উত্তৰঃ পশ্চিমীয়া দেশবোৰত বাতৰি-কাকতৰ পাঠকৰ সংখ্যা হ্রাস কৰাত অৰিহণা যোগোৱা কাৰককেইটা হ'ল ২৪×৭ সংবাদ ছেনেলৰ উত্থান, ইণ্টাৰনেটৰ অভুতপূর্ব বিকাশ আৰু অত্যাধুনিক সা-সুবিধা সংযোজিত মোবাইল ফোনৰ বহুল ব্যৱহাৰ।

৭ নং প্রশ্নৰ উত্তৰঃ ভাৰতৰ সাম্প্রতিক ছপা মাধ্যমটো এক ক্রমবর্দ্ধমান বিকাশৰ দিশে অগ্রসৰ হৈ আছে। বিশ্বৰ বাকী দেশৰ দৰে ভাৰতত বাতৰি-কাকতৰ গ্রাহকৰ সংখ্যা নকমাৰ এটা কাৰণ হ'ল এছোৱা সুদীর্ঘ সময় দেশত কাকতৰ ক'ভাৰ মূল্য বৃদ্ধি নোপোৱাটো। বজাৰত টিকি থাকিবৰ বাবে সকলো অগ্রণী বাতৰি-কাকতে ক'ভাৰ মূল্য হয় স্থিৰে ৰাখিছিল নহ'লে কমাইছিল। এনে কৰাৰ পাছত ২০০০ চনৰ পাছৰ দশকটোত প্রায় আটাইকেইখন আগশাৰীৰ কাকতৰে গ্রাহকৰ সংখ্যা বৃদ্ধি পাইছিল। যিবোৰে এই নিয়ম মানি চলিব নোৱাৰিলে সেই কাকতবোৰে দ্য ইণ্ডিয়ান এক্সপ্রেছ আৰু দ্য পায়'নিয়াৰৰ দৰে ছপা

মাধ্যমৰ পৰা হেৰাই গ'ল। অৱশ্যে ই আন বহু কাৰকৰ মাজৰ এটা কাৰকহে। ছপা মাধ্যমৰ যুগত উন্নতি কৰিবলৈ কাকতৰ মালিক পক্ষক টনকিয়াল পুঁজিৰ প্ৰয়োজন হৈছে। বিশ্বৰ অন্য দেশৰ তুলনাত ভাৰতত ব্যৱসায়ৰ আৰ্হি হিচাপে ছপা মাধ্যমে এখন গুৰুত্বপূণ আসন লাভ কৰিছে।



১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ এখন 'টেব্‌লয়ড' আৰু এখন 'ব্ৰডশ্বিট'ৰ মাজত কি পাৰ্থক্য আছে? গান্ধীজীয়ে প্ৰকাশ কৰা 'টেব্‌লয়ড' কেইখনৰ নাম কি আছিল?

প্ৰশ্ন ২ ঃ 'ছপা মাধ্যম' বুলিলে কি বুজে? বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা ব্যাখ্যা কৰক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক) ঃ

প্ৰশ্ন ১ ঃ সংযোগ ক্ষেত্ৰত ছপা মাধ্যমৰ অৰিহণা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'বৈদ্যুতিন মাধ্যমে ছপা মাধ্যমৰ ভৱিষ্যত ধূসৰ কৰি তুলিছে'— আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩৫০-৫০০ টা শব্দৰ ভিতৰত দিয়ক) ঃ

প্ৰশ্ন ১ ঃ পশ্চিমীয়া দেশবোৰত ছপা মাধ্যমৰ দশা আলোচনা কৰক। ভাৰতীয় অৱস্থাৰ সৈতে ইয়াৰ তুলনা কৰক।

প্ৰশ্ন ২ ঃ বিশ্বত সাংবাদিকতাৰ উত্থানৰ ইতিহাস চমুকৈ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতত ছপা মাধ্যমৰ ইতিহাস

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ভাৰতত ছপা মাধ্যমৰ ইতিহাস
২.৪ ভাৰতত ছপা মাধ্যমৰ ক্রমবিকাশ
২.৪.১ প্রাৰম্ভিক পর্যায় আৰু ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী
২.৪.২ বৃটিছ বিৰোধী আবেগ আৰু প্রচাৰ মাধ্যম
২.৪.৩ ইংৰাজী ছপা মাধ্যমঃ জাতীয়তাবাদী আৰু বৃটিছ সমর্থক
২.৪.৪ ভাৰতীয় ভাষাৰ ছপা মাধ্যম
২.৫ প্রখ্যাত সাংবাদিকসকল
২.৬ উত্তৰ পূব ভাৰতত (বিশেষকৈ অসমত) ছপা মাধ্যমৰ বিকাশ
২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৮ অধিক জানিবলৈ
২.৯ অগ্রগতিৰ খতিয়ান
২.১০ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায় পঢ়াৰ পাছত আপুনি—

- ভাৰতত ছপা মাধ্যমৰ ইতিহাস সম্পর্কে স্পষ্ট ধাৰণাৰ অধিকাৰী হ'ব পাৰিব
- ভাৰতত ছপা মাধ্যমৰ উত্থানৰ বিশেষ প্রেক্ষাপট চিহ্নিত কৰিব পাৰিব
- ভাৰতত ছপা মাধ্যম গঢ় দিয়াত স্বাধীনতা আন্দোলনৰ ভূমিকা আৰু প্রভাৱ আলোচনা কৰিব পাৰিব
- ভাৰতীয় সাংবাদিকতাৰ জগতত প্রভাৱ বিস্তাৰ কৰা কেইগৰাকীমান সাংবাদিক আৰু বৃত্তিজীৱি সাংবাদিকতাৰ মান্য ধাৰা এটা সৃষ্টিত তেওঁলোকৰ অৰিহণাৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপোনালোকক ছপা মাধ্যমৰ ইতিহাসৰ লগত পৰিচয় কৰাই দিয়া হ'ল।

এই অধ্যায়ত আপোনালোকক ভাৰতত ছপা মাধ্যমৰ ইতিহাস সম্পর্কে জনোৱা হ'ব। দেশত ছপা মাধ্যমৰ ক্রমবিৱর্তনৰ কেইবাটাও গুৰুত্বপূর্ণ পর্যায় আছে। অধ্যায়টিত সেই পর্যায়সমূহ

বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিৰ জৰিয়তে আপোনালোকক স্বাধীনতাৰ পাছৰ কালছোৱাত ভাৰতত গা কৰি উঠা ছপা মাধ্যম বিষয়ক বিভিন্ন দৃষ্টিভংগী সম্পর্কেও আভাস দিয়াৰ চেষ্টা কৰা হৈছে। অধ্যায়টিৰ আৰম্ভণিতে ভাৰতীয় প্রেক্ষাপটত ছপা মাধ্যমৰ ইতিহাস আৰু ইয়াৰ বিকাশ তথা ক্রমবিৱর্তন সম্পর্কে আলোচনা কৰোঁ আহক।

২.৩ ভাৰতত ছপা মাধ্যমৰ ইতিহাস

বিশ্বৰ অন্য প্রান্তৰ দৰে ভাৰতত ছপা মাধ্যমৰ ইতিহাসক একক আৰু স্বতন্ত্র উত্থানৰ পৰিঘটনা বুলি ধৰিব নোৱাৰি। কাৰণ ইংলেণ্ড (আৰু ইয়াৰ উপনিৱেশবোৰ) তথা ফ্রান্স (আৰু ইয়াৰ উপনিৱেশবোৰ) আদি দেশৰ অথবা অঞ্চলৰ দৰে ভাৰতত মাত্র এটা ভাষাৰ প্রাধান্য নাছিল। ভাষিক বৈচিত্র্যৰে ভৰা আমাৰ দেশত বিভিন্ন ভাষাৰ প্রচলন আছে। সেই বাবেই বৃটিছ উপনিৱেশৰ আৰম্ভণিৰ কালছোৱাত ভাৰতত ইংৰাজী ভাষাৰ ছপা মাধ্যম এটাৰ উত্থান ঘটিছিল যদিও সময় বাগৰাৰ লগে লগে আন আন ভাৰতীয় ভাষাৰ ছপা মাধ্যমো বিকশিত হ'ল। সেয়েহে ভাৰতত ছপা মাধ্যমৰ ইতিহাস অধ্যয়ন কৰাৰ সময়ত ইংৰাজী ভাষাৰ ছপাকর্মৰ লগতে হিন্দী, উর্দু, বাংলা, তামিল, মালয়ালম, মাৰাঠী, গুজৰাটী, অসমীয়া আৰু আন কেইবাটাও আঞ্চলিক ভাষাৰ ছপাকর্মলৈও মনোযোগ দিব লাগিব। এই আটাইবোৰ ভাষাৰ ছপাশালবোৰৰ মাজত এডাল যোগসূত্র অৱশ্যে নথকা নহয়। ঔপনিৱেশিক শাসনৰ বাস্তৱ ভেটিতে ভাৰতত ছপা মাধ্যমে মূৰ দাঙি উঠিছিল। ইয়াৰে এটা অংশ আছিল উপনিৱেশৰ সমর্থক আৰু আনটো অংশ আছিল বিৰোধী। উপনিৱেশ বিৰোধী আবেগেই পাছলৈ ভাৰতীয় ছপা মাধ্যমৰ ক্রমবিকাশত প্রভূত বৰঙণি যোগাইছিল। অৱশ্যে এইখিনিতে খৃষ্টান মিছনেৰীসকলৰ ভূমিকাৰ কথাও মনত ৰাখিব লাগিব। ভাৰতীয় ছপাশালৰ বিকাশত তেওঁলোকেও যথেষ্ট গঠনমূলক অৱদান আগবঢ়াইছিল। আন এটা উল্লেখনীয় সত্য হ'ল ভাৰতৰ ছপা মাধ্যমৰ উত্থান ঘটিছিল আৰু তাৰ পাছতহে উপনিৱেশবাদী-উপনিৱেশবিৰোধী বুলি কোৱা দ্বিমুখী আবেগৰ সৃষ্টি হৈছিল।

আন এটা মনত ৰাখিবলগীয়া কথা হ'ল বৃটিছসকল ভাৰতলৈ অহাৰ বহু আগৰেপৰাই ভাৰতত সাংবাদিকৰ অস্তিত্ব আছিল। লিখিত তথ্য অনুসৰি মোগল সম্রাট ঔৰংজেৱে তেওঁৰ অধীনৰ প্রদেশবোৰত সাংবাদিক নিয়োগ কৰিছিল। এই সাংবাদিকসকলে নিজ নিজ এলেকাৰ বিভিন্ন কাম-কাজৰ খতিয়ান সম্রাটৰ ওচৰলৈ প্রেৰণ কৰিছিল। বিশ্ব ইতিহাসত সাংবাদিকৰ অস্তিত্ব জুলিয়াছ চীজাৰৰ শাসনকালত লিপিৱদ্ধ কৰা আছে। মোগল সম্রাটৰ শাসনকালৰ লিখিত তথ্যৰ পৰা উদ্ধাৰ কৰা আন এক সত্য হ'ল সেই সময়তে সাংবাদিকৰ মুখ বন্ধ ৰাখিবলৈ প্রদেশবোৰৰ প্রশাসকে তেওঁলোকক উপঢৌকন যাঁচিছিল। কথিত আছে যে এন দুর্নীতিৰ ফলতেই সম্রাট ঔৰংজেৱে ডেক্কান প্রদেশখন হেৰুৱাবলগীয়া হৈছিল। অৱশ্যে এই সংবাদ প্রেৰণ প্রক্রিয়াটো আধুনিক সাংবাদিকতাৰ সংজ্ঞাৰ ভিতৰত নপৰে। মোগল শাসনকালত তথ্য সংগ্রহৰ বাবে প্রচলিত প্রথাটোক এই অধ্যায়ৰ ছপা মাধ্যমৰ ইতিহাসৰ অংশ ৰূপেও আলোচনা কৰা নহয়। অৱশ্যে আন এক সত্য এয়াও যে প্রায় একে ধৰণৰ প্রেক্ষাপটতে ভাৰতৰ প্রথমখন আধুনিক বাতৰি-



জেমছ আগষ্টাচ হিকী ঃ জেমছ আগষ্টাচ হিকী আছিল আয়াৰলেণ্ডৰ লোক। তেওঁ ভাৰতৰ মাটিৰ পৰা প্ৰকাশিত প্ৰথমখন বাতৰি কাকতৰ জনক। তেওঁৰ সম্পাদনাতে ১৭৮০ চনৰ ২৯ জানুৱাৰীত বেংগল গেজেট নামৰ কাকতখন প্ৰকাশিত হৈছিল।

কাকতে প্ৰকাশৰ মুখ দেখিছিল। লগতে ভাৰতত এক স্বতন্ত্ৰ ছপা মাধ্যম প্ৰতিষ্ঠাৰ ধাৰণাটো ৰোমান তথা ঔৰংজেৱৰ শাসনকালত প্ৰচলিত প্ৰথাৰোৰৰ আধাৰতে গঢ় লৈ উঠিছিল। বৃটেইনত থাকি ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাম-কাজবোৰ নিয়ন্ত্ৰণ কৰাসকলে এই তথ্যবোৰৰ পৰাই ভাৰতত ছপা মাধ্যম প্ৰতিষ্ঠান কৰাৰ কথা চিন্তা কৰিছিল। বৃটেইনৰ নিয়ন্ত্ৰণ কক্ষৰ চিন্তা আছিল ভাৰতস্থ কোম্পানীৰ বিষয়াসকলে এনে কোনো কাম নকৰক যাৰ দ্বাৰা ভাৰতীয় মানুহ কোম্পানীৰ নীতি-নিয়মৰ প্ৰতি বিতুষ্ট হয়। বৃটেইনত থকা নিয়ন্ত্ৰক শ্ৰেণীটোৱে বিচাৰিছিল কোম্পানীৰ বিষয়াবোৰে যাতে নিজৰ সংকীৰ্ণ স্বাৰ্থজড়িত কাম-কাজেৰে ৰাজমুকুটে জেমছ্ আগষ্টাচ হিকীক ভাৰসা কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁক কলিকতাত থকা ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাম-কাজৰ পৰা বৰ্খাস্ত কৰা হৈছিল। ৰাজ প্ৰশাসনে তাৰ পাছত তেওঁক বাতৰি-কাকত প্ৰকাশৰ কাম অৰ্পণ কৰিছিল। হিকীয়ে ১৭৮০ চনৰ ২৯ জানুৱাৰীত ভাৰতৰ প্ৰথম বাতৰি-কাকত বেংগল গেজেট (কলিকতা জেনেৰেল এডভাৰ্টাইজাৰ নামেৰেও প্ৰখ্যাত) প্ৰকাশ কৰিছিল।

এনে এক আৰম্ভণি থকা ভাৰতীয় ছপা মাধ্যম আজি বিকাশৰ পথেৰে বহুদূৰ আগবাঢ়ি আহিছে। আধুনিক ভাৰতীয়ৰ জীৱনৰ অধিকাংশ ক্ষেত্ৰতে আজি ছপা মাধ্যমৰ গাঢ় প্ৰভাৱ পৰিছে। বৰ্তমান ভাৰতত অসংখ্য বাতৰি-কাকত আৰু আলোচনী আছে। ইয়াৰ সমান্তৰালকৈ দেশত ৰেডিঅ', টিভি ৰেবছাইট, মোবাইল ফোনৰ যোগেদি সংবাদ লাভৰ ব্যৱস্থা আদি ভালেমান নিত্য-নতুন মাধ্যমৰো বিকাশ ঘটিছে। আধুনিক ভাৰতীয়ৰ তথ্য আহৰণ প্ৰক্ৰিয়াটোৰ বহুমুখী বিকাশ ঘটিছে। এই অধ্যায়ত আমি ভাৰতৰ ছপা মাধ্যমটোৰ প্ৰাৰম্ভিক বিকাশৰ ইতিহাসত আলোকপাত কৰিম। লগতে আধুনিক ভাৰতীয় ছপা মাধ্যমটো গঢ়ি তোলাত অবিস্মৰণীয় অৱদান আগবঢ়োৱা কেইগৰাকীমান প্ৰাতঃস্মৰণীয় সাংবাদিকৰ বিষয়েও আলোচনা কৰা হ'ব। অধ্যায়টি পঢ়াৰ অন্তত আপোনালোকে বৰ্তমান সময়ত ভাৰতত ছপা মাধ্যমৰ সুবিধাবোৰ বুজি পাব আৰু ছপা মাধ্যমটো এই মূহুৰ্তত কি পৰ্যায়ত উপনীত হৈছে তাৰ আভাস পাব।

২.৪ ভাৰতত ছপা মাধ্যমৰ ক্ৰমবিকাশ

১৭৮০ চনতে মেচিংক এণ্ড ৰীডে প্ৰকাশকৰ দায়িত্ব লৈ ভাৰতৰ প্ৰথমখন বাতৰি-কাকত বেংগল গেজেট প্ৰকাশ কৰিছিল। কাকতখন ছপা কৰিবলৈ অনুপ্ৰেৰণা যোগোৱা ব্যক্তিগৰাকী আছিল হিকী। হিকীৰ বিষয়ে আমি এই অধ্যায়ৰ ২.৪.১ নং শিতানত আলোচনা কৰিম। বাতৰি-কাকতখন প্ৰকাশ কৰাৰ পূৰ্বে গৱৰ্ণৰ-জেনেৰেলৰ অনুমতি আদায় কৰা হৈছিল। প্ৰকাশকদ্বয়ে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতেও এখন চুক্তি সম্পাদন কৰিছিল। এই চুক্তিমৰ্মে তেওঁলোক সময় সময়ে কোম্পানীয়ে বান্ধি দিয়া নীতি-নিয়ম মানি চলিবলৈ বাধ্য আছিল। অৱশ্যে কোম্পানীয়ে কাকতখনৰ প্ৰকাশ নিয়ন্ত্ৰণ কৰিবলগীয়া কোনো ধৰণৰ নীতি-নিয়ম জাপি দিবলগীয়া নহ'ল। কিন্তু বেংগল গেজেটৰ চৰিত্ৰ সদায় কোম্পানীৰ সহায়কৰ দৰেই হৈ ৰ'ল। ই কেতিয়াও ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাম-কাজৰ সমালোচনাকাৰী বিপৰীত পক্ষৰ ৰূপ ধাৰণ কৰিব নোৱাৰিলে। ১৭৮৪ চনত দ্বিতীয়খন বাতৰি-কাকত কলিকতা গেজেট প্ৰকাশিত হ'ল। কাকতখনে ইষ্ট ইণ্ডিয়া

কোম্পানীৰ প্রত্যক্ষ পৃষ্ঠপোষকতা লাভ কৰিলে। একেটা দশকতে দ্য বেংগল জার্ণেল, দ্য কলকাতা ক্র'নিকেল আৰু দ্য অ'ৰিয়েণ্টেল মেগাজিন অৱ কলিকাতা এমিউজমেণ্ট (মাহেকীয়া) নামৰ কাকত-আলোচনীকেইখনো প্রকাশিত হ'ল। অৱশ্যে এই আটাইকেইখন কাকত-আলোচনীয়েই কোম্পানী বিৰোধী ভূমিকা লোৱাৰ পৰা বিৰত থাকিল। অৱশ্যে কাকত-আলোচনীকেইখনৰ আয়ুসো বৰ দীঘলীয়া নহ'ল। আটাইকেইখন কাকত-আলোচনীয়েই ইংৰাজীত ছপা কৰা হৈছিল। সম্পাদকীয় বিষয়বস্তুবোৰ আছিল বুলেটিনৰ দৰে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ কলিকতাত থকা বিষয়াবোৰে পঢ়িবৰ বাবেহে এই কাকতবোৰত লেখনি ছপা কৰা হৈছিল। একে সময়তে, ১৭৮৫ চনত মাদ্রাজত ৰিচার্ড জনছনে মাদ্রাজ কুৰিয়াৰ নামৰ আন এখন বাতৰি-কাকতৰ প্রকাশ আৰম্ভ কৰিছিল। কোম্পানীয়ে কাকতখনক স্বীকৃতি প্রদান কৰিছিল। কোম্পানীৰ পুঁজি আৰু চৰকাৰী বিজ্ঞাপনৰ জৰিয়তে কাকতখনলৈ যথেষ্ট ধন আহিছিল। ১৯১১ চনত কাকতখনৰ সম্পাদক বয়ডে পদত্যাগ কৰি নিজা প্রকাশন আৰম্ভ কৰিছিল। কিন্তু দুর্ভাগ্যজনকভাৱে ১৭৯২ চনত তেওঁৰ মৃত্যু ঘটাত হাৰকাৰু নামৰ কাকতখনৰ প্রকাশো সিমানতে বন্ধ হৈছিল। ১৭৯৫ চনত অঞ্চলটোৰ পৰা মাদ্রাজ গেজেট নামৰ আন এখন বাতৰি-কাকত প্রকাশিত হৈছিল। কাকতখনে কোম্পানীৰ বিষয়াসকলৰ ত্রুটিবোৰ প্রকাশিত কৰিবলৈ লোৱাৰ পৰিণামস্বৰূপে মাদ্রাজৰ কোম্পানী চৰকাৰে ইয়াক প্রদান কৰা বিনামূলীয়া ডাকসেৱা উঠাই লৈছিল।


HICKY's
BENGAL GAZETTE:
OR THE ORIGINAL
Calcutta General Advertiser.

Fig : হিকীৰ বেংগল গেজেট

দেশৰ পশ্চিম অঞ্চলত বোম্বেত ১৭৮৯ চনত দ্য বোম্বে হেৰল্ড'ৰ প্রকাশ আৰম্ভ হৈছিল। ১৭৯০ চনত ইয়াৰ পৰা দ্য কুৰিয়াৰ নামৰ আন এখন বাতৰি-কাকতে আত্মপ্রকাশ কৰিছিল। ১৭৯১ চনত প্রকাশিত হোৱা দ্য বোম্বে গেজেট নামৰ কাকতখন এসময়ত দ্য বোম্বে হেৰল্ড'ৰ সৈতে চামিল হৈছিল। একত্র হোৱা প্রকাশন গোষ্ঠীটোৱে কোম্পানীৰ স্বীকৃতি লাভ কৰিছিল।

সেই সুবাদতে গোষ্ঠীটোৱে বিনামূলীয়া ডাক সেৱাৰ লগতে চৰকাৰী বিজ্ঞাপনৰ প্ৰকাশৰ সুযোগ পাইছিল। ওপৰৰ আলোচনাৰ পৰা আমি গম পালো যে সেই সময়ৰ বাতৰি-কাকতবোৰ প্ৰকাশিত হৈ থকাৰ মূল উৎস আছিল চৰকাৰী বিজ্ঞাপন। বৰ্তমান সময়তো চৰকাৰী বিজ্ঞাপন হ'ল বাতৰি-কাকতবোৰৰ বাবে পুঁজি সংগ্ৰহৰ এক বৃহৎ উৎস। ইয়াৰ আৰ্হিটো বৃটিছ কোম্পানীৰ পৃষ্ঠপোষকতাত প্ৰকাশিত কাকতবোৰৰ সময়তে ৰচিত হৈছিল। মাদ্ৰাছ আৰু বোম্বেৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতেই কোম্পানীৰ কাম-কাজৰ সমৰ্থক আছিল বাবে কাকতবোৰে কোম্পানীৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। ইয়াৰ পাছৰ সময়ছোৱাত বাতৰি-কাকতৰ বিৰোধী স্থিতি সবল হৈ পৰিল। বংগ প্ৰদেশৰ পৰা প্ৰকাশিত বাতৰি-কাকতবোৰে এই ধাৰাটোৰ গুৰি ধৰিলে। উইলিয়াম ডুৱেন আৰু দুজনমানৰ মালিকাধীন দ্য বেংগল জার্ণেল নামৰ কাকতখনত লর্ড কর্ণৱালিছৰ মাৰাঠা যুদ্ধত মৃত্যু হ'ল বুলি এটা বাতৰি প্ৰকাশিত হৈছিল। চনটো আছিল ১৭৯১। এই বাতৰিৰ প ৰিণামস্বৰূপে ডুৱেনে সম্পাদকৰ চাকৰি হেৰুৱাবলগীয়া হ'ল। ডুৱেনে নিজাকৈ দ্য বেংগল জার্ণেল পুনৰ প্ৰকাশ কৰাৰ চেষ্টা কৰিছিল যদিও অশেষ বাধাৰ সন্মুখীন হ'ল। কাকতখন তেওঁ মাত্ৰ তিনি বছৰহে প্ৰকাশ কৰিবলৈ সক্ষম হ'ল। ডুৱেনক গ্ৰেপ্তাৰ কৰি স্বদেশলৈ ঘূৰাই পঠিওৱা হ'ল। তেওঁৰ যি যৎসামান্য সম্পত্তি আছিল সেয়াও চৰকাৰে বাজেয়াপ্ত কৰিলে। সেইটো দশকত আৰু কেইবাটাও একে ধৰণৰ ঘটনা ঘটিল। অথচ সেই সময়ছোৱাত ছপা মাধ্যমৰ স্বতন্ত্ৰতা নিয়ন্ত্ৰণ কৰিবলৈ কোনো ধৰণৰ স্বীকৃত আইন-কানুনো নাছিল। ১৮ শ শতিকাৰ শেষৰ দশকটোত কলিকতা, বোম্বে আৰু মাদ্ৰাজ প্ৰদেশত কোম্পানী প্ৰশাসনৰ বিৰুদ্ধাচৰণ কৰা কাকতৰ সংখ্যা বাঢ়িবলৈ ধৰিছিল। সেইখিনি সময়ত ইংলেণ্ড আৰু ইউৰোপৰ অন্য অঞ্চলত বাক্ প্ৰকাশৰ স্বাধীনতা আছিল অন্যতম স্বীকৃত আৰু অনুকৰণীয় নীতি। সেয়েহে ছপা মাধ্যমৰ কণ্ঠ ৰোধ কৰা আইন বলবৎ কৰিবলৈ কোম্পানী চৰকাৰে নীতিগতভাৱে অপাৰগ আছিল। মনত ৰাখি থোৱা ভাল যে সেই সময়ছোৱা আছিল ফৰাছী বিপ্লৱৰ তাৎক্ষণিক প্ৰভাৱেৰে প্ৰভাৱান্বিত সময়।

২.৪.১ প্ৰাৰম্ভিক পর্যায় আৰু ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানী

পলাচী যুদ্ধৰ (১৭৫৭) পাছত ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ ওপৰত ৰাজনৈতিক নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ কর্তৃত্বৰ অধিকাৰী হৈছিল। তাৰ পাছত ইংৰাজসকলে সমগ্ৰ ভাৰতৰ বহুতো শাসকৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিছিল। পলাচী যুদ্ধৰ পাছৰ প্ৰায় পাঁচটা দশকৰ ভিতৰত ইংৰাজসকলে ভাৰতৰ অধিকাংশ ক্ষুদ্ৰ ৰাজ্যতে নিজ অধিকাৰ সাব্যস্ত কৰিবলৈ অসংখ্য যুদ্ধ-বিগ্ৰহত লিপ্ত হৈছিল। সেই সময়ত ভাৰতত উপনিৱেশ স্থাপনৰ চেষ্টা কৰি থকা ফৰাছী, ওলন্দাজ আৰু পর্তুগীজ শক্তিসমূহে দেশৰ বহুতো সৰু-সৰু ৰাজ্যলৈ সমর্থন আগবঢ়াইছিল যদিও বেছি সফলতা লাভ কৰিব নোৱাৰিলে। সকলো বিদেশী শক্তিৰে মাত্ৰ এটাই লক্ষ্য আছিল ভাৰতত নিজ নিজ উপনিৱেশ স্থাপন কৰা। সেয়েহে এনে যুদ্ধ-বিগ্ৰহবোৰত তেওঁলোকৰ সহায়ৰ আঁৰত ভাৰতীয়ক স্বাধীন কৰাৰ ইচ্ছা অথবা আগ্ৰহ নাছিল। বিশ্ব ইতিহাসৰ অধ্যয়নৰ দ্বাৰা গম

পোৱা যাব যে এই সময়ছোৱাত ইংৰাজসকলে যিদৰে যুদ্ধ অথবা সন্ধিৰ সহায়ত ভাৰতৰ অধিকাংশ এলেকাতে নিজৰ উপনিৱেশ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল ঠিক একেধৰণৰ কৌশলেৰে ফৰাছীসকলে উত্তৰ আফ্ৰিকা আৰু ওলন্দাজ তথা পর্তুগীজসকলে লেটিন আমেৰিকাত নিজ নিজ উপ নিৱেশ স্থাপন কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় ছপা মাধ্যমৰ ইতিহাসত ইংৰাজসকলৰ প্ৰভাৱ অধ্যয়ন কৰিলে এটা কথা স্পষ্ট হৈ পৰিব যে কোম্পানী আৰু গভৰ্নৰ জেনেৰেলসকলে সেই সময়ত প্ৰকাশিত কোনো কাকততে কোম্পানীৰ কাম-কাজৰ বিৰূপ সমালোচনা হোৱাতো বিচৰা নাছিল। বিশেষকৈ যুদ্ধত পৰাজিত হোৱাৰ খবৰ যাতে কাকতত প্ৰকাশিত নহয় তাৰ প্ৰতি তেওঁলোকে সদা সষ্টম আছিল। সেয়েহে তেওঁলোকৰ ইচ্ছা আৰু স্বাৰ্থৰ বিৰোধিতা কৰা সম্পাদকসকলক বলপূৰ্বক স্বদেশলৈ ঘূৰাই পঠোৱা হ'ব বুলি একপ্ৰকাৰ ভাবুকি দিয়া হৈছিল। ইংলেণ্ডত সেই সময়ত প্ৰচলিত মত প্ৰকাশৰ স্বাধীনতাক ভাৰতত থকা ইংৰাজ শাসকগোষ্ঠীয়ে কোনো ধৰণে মানি চলিবলৈ অনিচ্ছুক আছিল।

এই মানসিকতাৰে প্ৰতিফলন ঘটাই তেতিয়াৰ গৰ্ভনৰ জেনেৰেল ১৭৯৯ চনত ভাৰতৰ প্ৰথমখন ছপা মাধ্যম বিষয়ক নিৰ্দেশাৱলী জাৰি কৰিছিল। এই নিৰ্দেশনামৰ্মে প্ৰতিখন বাতৰি-কাকতকে মুদ্ৰক, সম্পাদক আৰু মালিকৰ নাম প্ৰকাশ কৰিবলৈ বাধ্য কৰোৱা হৈছিল, লগতে প্ৰতিটো লেখনি ছপোৱাৰ আগতে চৰকাৰৰ সচিবলৈ প্ৰেৰণ কৰাৰো নিৰ্দেশনা জাৰি কৰা হৈছিল। ১৭৯৯ চনৰ এই নিৰ্দেশনাই দৰাচলতে ভাৰতত প্ৰাক্-প্ৰকাশন চেন্সৰচিপৰ নিয়ম জাপি দিছিল। চৰকাৰৰ সচিবৰ কাৰ্যালয়ৰ অনুমতি অবিহনে বাতৰি প্ৰকাশৰ সাহস কৰা সম্পাদকসকলক লগে লগে স্বদেশলৈ ঘূৰাই পঠোৱা হৈছিল। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল সেই সময়ত ভাৰতীয় মালিক/সম্পাদকে ছপা মাধ্যমত প্ৰৱেশ কৰাই নাছিল। প্ৰকাশিত আটাইবোৰ কাকতৰে মালিক আৰু সম্পাদক ইংৰাজ আছিল।

১৭৯৯ চনৰ নিৰ্দেশনাত স্পষ্টভাৱে উল্লেখ কৰা নীতি-নিয়ম কেইটামান তলত দিয়া হ'ল। বাতৰি প্ৰকাশৰ ক্ষেত্ৰত চৰকাৰৰ সচিবৰ সিদ্ধান্তকে চূড়ান্ত বুলি গণ্য কৰা হৈছিল। নীতি-নিয়ম কেইটামান হ'ল—

- জাহাজৰ চলাচল আৰু সৈন্য বাহিনীৰ নিযুক্তি/উপস্থিতিৰ বাতৰি ছপাব নোৱাৰিব।
- কোম্পানী আৰু কোনো ভাৰতীয় শাসকৰ মাজত ঘটা সম্পৰ্কৰ অৱনতি বিষয়ক বাতৰি ছপাব নোৱাৰিব।
- শত্ৰুপক্ষই ব্যৱহাৰ কৰিব পৰা যিকোনো তথ্য অথবা উত্তেজনা/বিপদৰ আশংকা বৃদ্ধি কৰিব পৰা কোনো মতামত ছপাব নোৱাৰিব।
- কোম্পানীৰ ৰাজহুৱা ঋণ নাইবা বিত্তীয় লেন-দেনৰ কোনো বিবৃতি ছপাব নোৱাৰিব।
- কোম্পানীৰ বিষয়াৰ জীৱন ধাৰণৰ সৈতে জড়িত কোনো মন্তব্য ছপাব নোৱাৰিব।

আকর্ষণীয় কথা এটা হ'ল সেই সময়ত বংগ প্রদেশ, বিশেষকৈ কলিকতাৰ পৰা প্রকাশিত আটাইকেইখন বাতৰি-কাকতেই এই নির্দেশনাৱলী মানি চলিবলৈ সন্মত হৈছিল যদিও বহুক্ষেত্রত তেওঁলোকে বাতৰিবোৰ প্রাক্-প্রকাশন চেন্সৰচিপৰ বাবে চৰকাৰৰ সচিবৰ কার্যালয়লৈ প্রেৰণ কৰা নাছিল। সেই সময়ত কলিকতাৰ পৰা প্রকাশিত বাতৰি-কাকত কেইখন আছিল— বেংগল হৰকাৰু, মর্নিং পোষ্ট, টেলিগ্রাফ, কলিকতা কুৰিয়াৰ, অ'ৰিয়েণ্টেল ষ্টাৰ, ইণ্ডিয়া গেজেট আৰু এছিয়াটিক মিৰৰ। এই আটাইকেইখন কাকতৰে সম্পাদকসকল আছিল ইংৰাজ। সেই সময়ৰ ভাৰতৰ গর্ভনৰ জেনেৰেল লর্ড ৰেলছ্লিয়ে নিয়ম ভংগ কৰাসকলৰ বিৰুদ্ধে বৰ বিশেষ কঠোৰ ব্যৱস্থা ল'ব নোৱাৰিলে। কাৰণ তেওঁৰ এই ছপা মাধ্যম বিদ্বেষী মনোভাৱক লণ্ডনত থকা বৰমূৰীয়াসকলেও সমর্থন কৰা নাছিল। এইদৰে ছপা মাধ্যমৰ মুখ বলপূর্বকভাৱে বন্ধ কৰাৰ প্রয়াসৰ ফল হিচাপে সমান্তৰালভাৱে গোপনে ছপা মাধ্যম এটা সক্রিয় হৈ উঠিল। এনে ছপাশালৰ পৰা যেতিয়াই তেতিয়াই বিভিন্ন ইস্তাহাৰ প্রকাশিত হ'বলৈ ধৰিলে। প্রকাশকৰ নাম গোপনে থকা বাবে এইবোৰক লৈ প্রশাসন বিবুদ্ধিত পৰিল। ইয়াৰে কিছুমান ইস্তাহাৰ বর্তমান পশ্চিমবংগৰ শ্রীৰামপুৰত স্থাপন কৰা বেপ্তিষ্ট মিছনেৰী প্রেছৰ দ্বাৰাও প্রকাশিত হৈছিল।

ৰেলছ্লিয়ে পুনৰবাৰ সকলো ছপাকামতে ছপাশালৰ নাম উল্লেখ থাকিব লাগিব বুলি ঘোষণা জাৰি কৰিছিল। যুদ্ধ আৰু অন্যান্য আনুষংগিক প্রতিবেদনবোৰে তেওঁৰ মূৰৰ কামোৰণিৰ সৃষ্টি কৰা নাছিল। শেহতীয়াভাৱে প্রকাশ পাবলৈ ধৰা ইস্তাহাৰবোৰৰ কিছুমানত ভাৰতীয় সাংস্কৃতিক বিশ্বাসক আক্রমণ কৰা হৈছিল। ইস্তাহাৰবোৰৰ উদ্দেশ্য আছিল খৃষ্টান ধর্মপ্রচাৰ। কোম্পানী ভাৰতীয় ধর্মীয় অনুভূতিক আঘাত কৰাৰ বিষময় পৰিণামৰ কথা ভাবি উদ্বিগ্ন হৈ পৰিছিল। অৱশেষত বহুতো গুৰুত্বপূর্ণ প্রচেষ্টাৰ অন্তত আৰু লর্ড ৰাৱেন হেষ্টিংচৰ ভাৰত আগমনৰ লগে লগে নতুন নির্দেশনা জাৰি কৰি ছপা মাধ্যমৰ ওপৰত থকা প্রাক্-প্রকাশন চেন্সৰচিপ উঠাই দিয়া হৈছিল। ১৮১৮ চনত জাৰি কৰা নতুন নির্দেশনাত এই চেন্সৰচিপ উঠাই লোৱাৰ বাহিৰে ১৭৯৯ চনৰ নির্দেশনাত থকা আন সকলোবোৰ নির্ধেশনা বাহাল ৰখা হৈছিল। ইংৰাজ শাসকসকলে তেতিয়ালৈকে ইয়াকো বুজি উঠিছিল যে কাকতৰ সম্পাদকসকলক স্বদেশলৈ ওভটাই পঠোৱাৰ ভাবুকি কার্যক্ষেত্রত বাস্তৱায়িত কৰা সম্ভৱ নহ'ব। কাৰণ, তেতিয়ালৈকে ভাৰতীয় ছপা মাধ্যমত বহুকেইজন ভাৰতীয় সম্পাদক সক্রিয় হৈ পৰিছিল। তেওঁলোকক স্বদেশৰ পৰা খেদি পঠিওৱাৰ কোনো সুৰুঙাই নাছিল।

২.৪.২ বৃটিছ বিৰোধী আবেগ আৰু প্রচাৰ মাধ্যম

ভাৰতত বৃটিছ বিৰোধী আবেগৰ জন্মদাতা হিচাপেও আমি হয়তো এগৰাকী ইংৰাজৰেই নাম ল'ব লাগিব। তেওঁৰ নাম আছিল জেমছ চিল্ক বাকিংহাম। তেওঁ দ্য কলেকাতা জার্ণেল নামৰ কাকতখনৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাম-কাজৰ বিৰুদ্ধে লিখা-মেলা কৰিছিল। তেওঁ ভাৰতৰ প্রশাসন বৃটিছ ৰাজমুকুটৰ হাতলৈ নিয়াৰ পোষকতা

কৰিছিল। বাকিংহামৰ প্ৰণালীৱদ্ধ আক্ৰমণে ইমানদিনে ভাৰতত কোম্পানী প্ৰশাসনে চলাই থকা অসংবেদনশীল শাসনৰ প্ৰকৃত স্বৰূপ উদঙাই দিছিল। তেওঁৰ লেখনিবোৰকে কোম্পানীৰ বিৰুদ্ধে প্ৰকাশিত বাতৰিৰ আৰম্ভণি বুলি ধৰা হয়। ১৮২৩ চনত বাকিংহামক ইংলেণ্ডলৈ ঘূৰাই পঠিওৱা হৈছিল কিন্তু তেওঁ ইংলেণ্ডৰ পৰা প্ৰকাশিত দ্য অ'ৰিয়েণ্টেল হেৰাল্ডত লেখা-মেলা কৰি থাকিল। তেওঁৰ লেখনিবেৰৰ পৰাই বৃটিছ সংসদ কোম্পানীৰ ভাৰতত থকা বিষয়া আৰু গৰ্ভনৰ জেনেৰেলৰ কু-কাৰ্যবোৰৰ বিষয়ে অৱগত হ'ল। ১৮৫০ চনত বাকিংহামে তথ্য সহকাৰে ক'ৰ্ট অৱ ডাইৰেক্টৰ্চ বাতিল কৰাৰ আহ্বান জনাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁ প্ৰমাণ সহকাৰে সদৰি কৰিছিল কিদৰে ইংলেণ্ডত থকা নিৰ্দেশকসকলে ভাৰতীয় প্ৰশাসনক নিজ ইচ্ছাৰে প্ৰভাৱিত কৰিছিল। ১৮৫৮ চনত ৰাণী ভিক্টৰিয়াৰ ঘোষণাপত্ৰৰ জৰিয়তে ভাৰতৰ শাসনকাৰ্য ইংলেণ্ডৰ ৰাজমুকুটৰ অধীনস্থ কৰা হয়। বাকিংহামকেই ভাৰতত নিৰ্বাচিত বিধানসভা গঠন আৰু ভাৰতীয় অসামৰিক সেৱাৰ ধাৰণা দুটাৰ প্ৰথম পৃষ্ঠপোষক বুলিও গণ্য কৰা হয়।

এই সময়খিনিতে ৰাজা ৰামমোহন ৰয়ে সংবাদ কৌমুদীৰ জন্ম দিয়ে। কাকতখনৰ প্ৰথম প্ৰকাশৰ চন ১৮১৯ নে ১৮২০ তাকে লৈ মতভেদ আছে। তৎসত্বেও ভাৰতত সমাজ সংস্কাৰৰ প্ৰয়োজনীয়তাক গুৰুত্ব দিয়া প্ৰথমখন বাতৰি-কাকতৰূপে সংবাদ কৌমুদীৰ গুৰুত্ব অপৰিসীম। কাকতখনৰ বৃটিছ বিৰোধী চৰিত্ৰটো গৌণ বুলি ভবা হয়। সমসাময়িকভাৱে ভবানীচৰণ বেনার্জীয়ে প্ৰকাশ কৰি উলিয়াইছিল সমাচাৰ চন্দ্ৰিকা। বেনার্জীয়ে সংবাদ কৌমুদীত প্ৰকাশিত লেখনিবোৰৰ তীব্ৰ বিৰোধিতা কৰিবলৈকে সমাচাৰ চন্দ্ৰিকা প্ৰকাশ কৰি উলিয়াইছিল। অৱশ্যে এইখিনি সময়তে বৃটিছ বিৰোধী মনোভাৱ এটাই লাহে লাহে গা কৰি উঠিছিল। ইয়েই আগলৈ গৈ জাতীয়তাবাদৰ জন্ম দিছিল। ভাৰতত প্ৰচলিত পৰম্পৰা আৰু বিশ্বাসৰ সপক্ষত থিয় দি বৃটিছ প্ৰশাসনক কঠোৰ সমালোচনা কৰা সমালোচক এগৰাকীৰ ক্ষুৰধাৰ লেখনিয়ে বৃটিছ বিৰোধী আবেগৰ বীজ ৰোপণ কৰিছিল। এই ক্ষেত্ৰত কটকটীয়া সমাচাৰ চন্দ্ৰিকা কাকতখন ১৮৫৫ চনলৈকে প্ৰকাশিত হৈ আছিল। মন কৰিবলগীয়া কথাটো হ'ল এই সময়ছোৱাত ভাৰতীয় ভাষাত কাকত ছপা হ'বলৈ লৈছিল। বোম্বেত ফাৰদুজী মাঝবানে গুজৰাটী ভাষাত মুম্বাই-না-সমাচাৰৰ প্ৰকাশ আৰম্ভ কৰিছিল। আজিও এই কাকতখন বোম্বে সমাচাৰ নামেৰে প্ৰকাশিত হৈ আছে।

প্ৰত্যক্ষ বিৰোধী আবেগ হিচাপে বিহাৰৰ চম্পাৰণ জিলাৰ নীল খেতি কৰা খেতিয়কসকলৰ সমস্যাটোক গণ্য কৰা হয়। এই খেতিয়কসকলৰ দুৰ্দশা, বৃটেইনত থকা বস্ত্ৰ উদ্যোগত ব্যৱহাৰৰ বাবে বলপূৰ্বক নীল খেতি কৰিবলৈ বাধ্য হোৱা আদি বিষয় সামৰি ১৮৬১ চনত নীল দৰ্পণ নামৰ এখন নাটিকা ইস্তাহাৰ ৰূপত প্ৰকাশিত হৈছিল। হৰিশ্চন্দ্ৰ মুখার্জীৰ সম্পাদনাত প্ৰকাশিত দ্য হিন্দু পেট্ৰিয়ট নামৰ কাকতখনে বৃটিছ আমোলা, নীল খেতিয়ক আৰু উপনিৱেশিত শাসকৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছিল।

বংগৰ পৰাই প্ৰকাশিত সোম প্ৰকাশ নামৰ আন এখন কাকতেও নীলখেতি কৰা ভাৰতীয় খেতিয়কসকলৰ দুৰ্দশা সবিস্তাৰে প্ৰকাশ কৰিছিল। ১৮৬৮ চনত প্ৰকাশ পোৱা দ্য বেংগলী কাকতখনেও নীল খেতিৰ বিষয়টোক প্ৰাধান্য দিছিল। পাছলৈ এই কাকতখন সু�ৰেন্দ্ৰনাথ বেনাৰ্জীয়ে কিনি লৈছিল। তেওঁৰ সম্পাদনাত কাকতখনে ভাৰতীয় জাতীয়তাবাদৰ প্ৰধান সমৰ্থকৰ ভূমিকা পালন কৰিছিল। পশ্চিমবংগৰ জেচোৰ জিলাৰ অমৃত বাজাৰ নামৰ গাঁওখনৰ বাসিন্দা শিশিৰ কুমাৰ ঘোষে ১৮৬৮ চনত অমৃত বাজাৰ পত্ৰিকা নামৰ বাংলা দৈনিক কাকতখন প্ৰকাশ কৰিছিল।

অমৃত বাজাৰ পত্ৰিকাৰ আন এক বৈশিষ্ট্য হ'ল ১৮৭৮ চনতত ভাৰ্নেকুলাৰ প্ৰেছ আইন গৃহীত হোৱাৰ পাছত শিশিৰ কুমাৰ ঘোষে ইয়াক বাংলাৰ সলনি ইংৰাজীত প্ৰকাশ কৰিবলৈ লয়। এইখিনিতে মনত ৰাখিবলগীয়া কথাটি হ'ল ১৮৭৮ চনৰ আইনখন আচলতে ভাৰতীয় ভাষাৰ বাতৰি-কাকতবোৰে প্ৰকাশ কৰা বৃটিছ বিৰোধী মতামতবোৰ নিয়ন্ত্ৰণ কৰাৰ লক্ষ্যৰেহে গৃহীত কৰা হৈছিল। আইনখনক আঞ্চলিক ভাষাৰ লগতে ইংৰাজী ভাষাৰ কাকতবোৰেও সমালোচনা কৰিছিল। ইয়ে দেশত গা কৰি উঠা দেশপ্ৰেমৰ কথাকে সূচাইছিল। সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে আইনখনক প্ৰত্যক্ষ আক্ৰমণৰ লক্ষ্যৰূপে বাছি লৈছিল। তেওঁৰ লেখনি আৰু ৰাজহুৱা ভাষণবোৰত আইনখনৰ বিৰুদ্ধে তীব্ৰ সমালোচনাৰ সুৰ শুনিবলৈ পোৱা গৈছিল। বৃটিছ বিচাৰকক সমালোচনাত্মক আক্ৰমণৰ লক্ষ্য হিচাপে বাছি লোৱাৰ অপৰাধত তেওঁ দুমাহ কাৰাবাস খাটিবলগীয়া হৈছিল।

ভাৰ্নেকুলাৰ প্ৰেছ আইন, ১৮৭৮ খন ১৮৮১ চনত বাতিল কৰা হৈছিল। আইনখনৰ তীব্ৰ বিৰোধিতা কৰা গ্লেডষ্টোন আৰু তেওঁৰ দল লিবাৰেল পাৰ্টি ১৮৮০ চনত শাসনলৈ আহিছিল। গ্লেডষ্টোনে প্ৰধানমন্ত্ৰী হৈয়েই আইনখন বাতিল কৰিছিল। এই সময়ছোৱাৰ বৃটিছ বিৰোধী টোক দুভাগত ভগাব পাৰি— এভাগৰ ফলশ্ৰুতি হিচাপে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হ'ল আৰু আনভাগৰ সমৰ্থক উগ্ৰ দেশপ্ৰেমিকসকলে ভাৰতৰ বিভিন্ন অঞ্চলত ইংৰাজক হত্যা কৰা আৰম্ভ কৰিলে। বংগত এই হত্যালীলাৰ প্ৰভাৱ অধিক পৰিলক্ষিত হৈছিল। আমাৰ বিচাৰ্য এই হত্যালীলাৰ প্ৰভাৱ অধিক পৰিলক্ষিত হৈছিল। আমাৰ বিচাৰ্য বিষয় হ'ল এই সময়ছোৱাত উত্থান ঘটা জাতীয়তাবাদী ছপা মাধ্যমৰৰ বিকাশ আৰু তাৰ সমান্তৰালকৈ চলা বৃটিছ প্ৰশংসকৰ দ্বাৰা প্ৰকাশিত বাতৰি-কাকতৰ ৰেহ-ৰূপ।

২.৪.৩ ইংৰাজী ছপা মাধ্যম ঃ জাতীয়তাবাদী আৰু বৃটিছ সমৰ্থক

জাতীয়তাবাদী চেতনাৰ উন্মেষত আগভাগ লোৱা কেইখন অগ্ৰণী বাতৰি-কাকতৰ প্ৰতিস্থাপক আৰু সম্পাদকসকল আছিল ১৮৮৫ চনৰ ডিচেম্বৰ মাহত বোম্বেত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিৱেশনত অংশগ্ৰহণ কৰা প্ৰতিনিধি। ভাৰতীয় জাতীয়তাবোধৰ পিতৃ বুলি অভিহিত কৰা দাদাভাই নৌৰোজী আছিল ৰাষ্ট

গ'ফটাৰ নামৰ কাকতখনৰ সম্পাদক। মহাদেৱ গোবিন্দ ৰানাডে আছিল ইন্দু প্ৰকাশৰ প্ৰতিষ্ঠাপক। নৰেন্দ্ৰ সেন আছিল দ্য ইণ্ডিয়ান মিৰৰ সম্পাদক। জি সুব্ৰমণিয়াম আয়াৰ আছিল দ্য হিন্দুৰ সম্পাদক। ডব্লিউ এছ আপ্তে আছিল মাহৰাট্টাৰ সম্পাদক। জি জি আগাৰকাৰ আছিল কেশৰীৰ সম্পাদক। বি এম মালাবাৰী আছিল দ্য স্পেক্টেট'ৰৰ সম্পাদক। এওঁলোক মাত্ৰ কেইখনমান ইংৰাজী আৰু অন্য ভাৰতীয় ভাষাৰ বাতৰি-কাকতৰ সৈতে জড়িত নামহে। এনে বহু প্ৰতিনিধিয়ে কংগ্ৰেছ অধিৱেশনত অংশগ্ৰহণ কৰিছিল।

প্ৰথম কংগ্ৰেছ অধিৱেশনত উপস্থিত থকা বাতৰি-কাকতৰ সৈতে জড়িতসকলৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব জি সুব্ৰমণিয়া আয়াৰৰ। বংগৰ পৰা প্ৰকাশিত অমৃত বাজাৰ পত্ৰিকাৰ দৰেই আয়াৰৰ সম্পাদনাত দক্ষিণ ভাৰতৰ পৰা প্ৰকাশিত দ্য হিন্দুই ভাৰতৰ বাতৰি-কাকতৰ ইতিহাসত একক গুৰুত্বপূৰ্ণ স্থান দখল কৰাৰ লগতে স্বাধীনতা আন্দোলনতো এক প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। ১৮৭৮ চনত ছজন যুৱক দেশ প্ৰেমিকে দ্য হিন্দু প্ৰকাশ কৰিছিল। কাকতখনে সোনকালেই জাতীয়তাবাদী ৰাজনৈতিক কাৰ্যকলাপৰ অভিকেন্দ্ৰ ৰূপে নিজকে প্ৰতিষ্ঠা কৰিছিল। কাকতখনৰ প্ৰভাৱ ইমানেই স্পষ্ট আছিল যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৮৮৭ চনত মাদ্ৰাজত বহা তৃতীয় অধিৱেশনখন দ্য হিন্দুৰ পৃষ্ঠপোষকতাত সম্পন্ন কৰা হৈছিল। অৱশ্যে তাৰ পাছৰ বছৰকেইটাত প্ৰকাশ গোষ্ঠীটোৱে বৃটিছ শাসকৰ সৈতে অসংখ্য আইনী যুদ্ধত লিপ্ত হ'বলগীয়া হৈছিল। শাসকৰ বিৰুদ্ধে আৰম্ভ কৰা যুদ্ধখনৰ সেয়াই অৱশ্যম্ভাৱী পৰিণতি আছিল। প্ৰায় আটাইকেইজন প্ৰতিষ্ঠাপকে শেষলৈ প্ৰকাশন গোষ্ঠীটো ত্যাগ কৰি আঁতৰি গৈছিল। ১৯০৫ চনত কাকতখন প্ৰকাশৰ সমস্ত দায়িত্ব আহি পৰে কস্তুৰী ৰংগা আয়েংগাৰৰ হাতত। তেওঁ জাতীয়তাবাদী ভাৱধাৰা অক্ষুন্ন ৰাখি বাধা-বিঘিনি নেওচি কাকতখন প্ৰকাশ কৰি থাকিল। সুব্ৰমণিয়া আয়াৰে পাছলৈ দ্য হিন্দু এৰি স্বদেশমিত্ৰন নামৰ তামিল দৈনিক কাকত এখনৰ সম্পাদক হ'লগৈ। এই কাকতখনো ইয়াৰ জাতীয়তাবাদী দায়ৱদ্ধতাৰ বাবে জনপ্ৰিয় হৈ পৰিছিল। পাছলৈ প্ৰখ্যাত কবি সুব্ৰমণিয়া ভাৰতীয়েও স্বদেশমিত্ৰনৰ সম্পাদকৰ আসন শুৱনি কৰিছিল। সেই সময়ত মাদ্ৰাজৰ পৰা প্ৰকাশিত আন এখন জাতীয়তাবাদী কাকত আছিল দ্য মাদ্ৰাজ ষ্টেণ্ডার্ড। ইয়াৰ সম্পাদক আছিল জি পৰমেশ্বৰম পিল্লাই। এই কাকতখনে আৰম্ভণিতে বৃটিছ সমৰ্থকৰূপে পৰিচয় লাভ কৰিছিল। পিল্লাইৰ সম্পাদনাত পাছলৈ কাকতখনে জাতীয়তাবাদী স্বৰূপ লাভ কৰে।

জাতীয়তাবাদৰ উত্থান ঘটা সময়ছোৱাত ভাৰতীয় ছপা মাধ্যম সম্পূৰ্ণৰূপে বৃটিছ বিৰোধী হৈ পৰিছিল বুলি ভবাটো সমীচিন নহ'ব। বৃটিছ সমৰ্থকসকলক পাছলৈ এংলো ইণ্ডিয়ান বুলি জনা গৈছিল। বেছিভাগ ইংৰাজী কাকতৰে কম-বেছি পৰিমাণে বৃটিছ সমৰ্থকৰ মনোভাৱ একোটা আছিল।

বিভিন্ন প্রকাশন গোষ্ঠীৰ অধীনত প্রকাশিত হৈ থকা দ্য বোম্বে টাইমছ, দ্য কুৰিয়াৰ, দ্য ষ্টেণ্ডার্ড আৰু দ্য টেলিগ্রাফ নামৰ বাতৰি-কাকতকেইখনে ১৮৬১ চনত একেলগ হৈ দ্য টাইমছ অৱ ইণ্ডিয়া নামেৰে নতুনকৈ আত্মপ্রকাশ কৰে। বোম্বেৰ পৰা প্রকাশিত এই কাকতখনে বৃটিছ সমর্থকৰ চৰিত্র দীর্ঘদিন ধৰি অক্ষুন্ন ৰাখিছিল। স্বাধীনতাৰ পাছত কাকতখনৰ ইংৰাজ মালিকে ভাৰতীয় লোকক ইয়াৰ শ্বেয়াৰ হস্তান্তৰ কৰাৰ পাছত হে কাকতখনৰ চৰিত্র কিছু সলনি হয়। স্বাধীনতাৰ পাছত ইংৰাজ মালিকে ভাৰতৰ প্রখ্যাত উদ্যোগপতি ডালমিয়া পৰিয়ালক কাকতখনৰ মালিকীস্বত্ব হস্তান্তৰ কৰিছিল। প্রকৃত আইনী হস্তান্তৰ প্রক্রিয়া ১৮৫০ চনত সম্পন্ন হৈছিল। কাকতখনৰ বৃটিছ সমর্থক ৰূপটো বর্তমানেও কিছু পৰিমাণে অক্ষুন্ন আছে। এলাহাবাদৰ পৰা প্রকাশিত দ্য পয়'নিয়াৰ, লাহোৰৰ পৰা প্রকাশিত দ্য চিভিল এণ্ড মিলিটেৰী গেজেট, মাদ্রাজৰ পৰা প্রকাশিত দ্য মাদ্রাজ মেইল আৰু কলিকতাৰ পৰা প্রকাশিত দ্য ষ্টেটছ্মেন আছিল বৃটিছ সমর্থক বাতৰি-কাকত। এই কাকতকেইখনেও স্বাধীনতাৰ পাছত দ্য টাইমছ্ন অৱ ইণ্ডিয়াৰ দৰে স্বৰূপ সলনি কৰিছিল।

২.৪.৪ ভাৰতীয় ভাষাৰ ছপা মাধ্যম

পার্ছী ভাষাক ভাৰতীয় ভাষা হিচাপে ধৰা নহয়। তথাপিও ভাৰতৰ পৰা প্রকাশিত ইংৰাজীৰ বাদে অন্য ভাষাৰ বাতৰি-কাকতৰ ইতিহাস খুঁচৰিলে পার্ছী ভাষাৰ কাকত এখনকে তালিকাৰ শীর্ষত ৰাখিব লাগিব। মুঞ্চী ৰাজিদ আলী খানে ১৮৩৩ চনত প্রকাশ কৰা কাকতখনৰ নাম আছিল ঝুবদুট-উল-আখবাৰ। সৰু প্রদেশ এখনৰ প্রশাসকে এই কাকতখনৰ পৃষ্ঠপোষকতা কৰিছিল। ইংৰাজী কাকতত ছপা হোৱা বিভিন্ন খবৰকে পার্ছীলৈ অনুবাদ কৰি কাকতখনত পুনৰ প্রকাশ কৰা হৈছিল। আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ প্রতিস্থাপক ছাৰ চৈয়দ আহমেদ খানৰ ডাঙৰ ককায়েক চৈয়দ মোহম্মদ খানে দেশৰ প্রথমখন উর্দু কাকত প্রকাশ কৰিছিল। ১৮৩৭ চনত প্রকাশিত এই কাকতখনৰ নাম আছিল চৈয়দ-উল-আখবাৰ। প্রায় এটা দশক প্রকাশ হোৱাৰ পাছত মোহম্মদ খানৰ মৃত্যুৰ লগে লগে কাকতখনৰো মৃত্যু হয়। দিল্লী আৰু আগ্রা আছিল উর্দু বাতৰি-কাকতৰ প্রকাশন কেন্দ্র। তাৰ পাছত বৰেইলী আৰু মীৰাটৰ পৰাও উর্দু কাকত প্রকাশিত হৈছিল। কাকতকেইখনৰ নাম আছিল- সুধাকৰ আখবাৰ, বেনাৰচ আখবাৰ আৰু বেনাৰস গেজেট। ইংৰাজী কাকতৰ দৰে উর্দু কাকতবোৰ ছপাশালত ছপা হোৱা নাছিল। উর্দু কাকতবোৰ লিথ'গ্রাফী (হাতেলিখা) পদ্ধতিৰে প্রকাশ কৰা হৈছিল। ইয়াত প্রকাশিত লেখনিবোৰ পাঠকৰ ৰুচি অথবা আগ্রহ অনুসৰি লিখা হোৱা নাছিল। এনে কাকতৰ বিক্রীৰ সংখ্যাও সীমিত আছিল। সকলোতকৈ কম ৫০ কপি আৰু সর্বাধিক ১০০ কপিমানহে এই কাকতকেইখন ছপা কৰা হৈছিল। ইয়াৰ উপৰি কাকতৰ সংখ্যা আৰু আয়ুস জমিদাৰৰ বিত্তীয় সাহায্যৰ ওপৰত নির্ভৰশীল আছিল। এইবোৰ কাৰণতে উর্দু কাকতৰ বাটকটীয়া এই কাকতকেইখনৰ প্রকাশ ১৯৫০ ৰ দশকৰ আৰম্ভণিতে এখন এখনকৈ বন্ধ হৈছিল।

১৮৩২ চনত এলফিনষ্টোন মহাবিদ্যালয়ৰ বুৰঞ্জীৰ অধ্যাপক বাল শাস্ত্রী জাম্বেকাৰে দ্য বোম্বে দর্পণ নামৰ মাৰাঠী কাকতখন প্রকাশ কৰিছিল। প্রথম অৱস্থাত পষেকীয়া কাগজখন পাছলৈ সাপ্তাহিকভাৱে প্রকাশিত হৈছিল। জাম্বেকাৰৰ কার্যই জি ভি কুন্তেক অনুপ্রাণিত কৰিছিল। কুন্তেই ১৮৪১ চনত আন এখন মাৰাঠী সাপ্তাহিক কাকত প্রভাকৰৰ প্রকাশ আৰম্ভ কৰিছিল। প্রভাকৰ ১৮৬৫ চনলৈ প্রকাশিত হৈ আছিল। প্রথম আধুনিক মাৰাঠী সমাজ সংস্কাৰমূলক লেখনি প্রকাশ কৰিবলৈ উপদেশা চন্দ্রিকা নামৰ কাকতখনৰ জন্ম দিছিল। এই আটাইবোৰ কাকততে হিন্দু পৰম্পৰাৰ সংস্কাৰ সাধনৰ বিষয়টোত গুৰুত্ব দিয়া হৈছিল। একে সময়তে কাকতকেইখনে সংস্কাৰৰ পাশ্চাত্যকৰণৰ বিৰোধিতা কৰিছিল। কাকতকেইখনৰ আন এক বৈশিষ্ট্য হ'ল দ্বি-ভাষিক ৰূপ। কাকতবোৰত ইংৰাজী আৰু মাৰাঠী দুয়োটা ভাষাতে লিখা লেখনি প্রকাশিত হৈছিল। মাৰাঠী ভাষাৰ প্রথম সম্পূর্ণ বাতৰি-কাকতখন হ'ল ১৮৪০ চনত সূর্য়াজী কৃষ্ণজীয়ে প্রকাশ কৰা মুম্বাই আখবাৰ। প্রকাশৰ কেইমাহমানৰ পাছতেই কাকতখনৰ মৃত্যু হৈছিল। ভাৰতৰ এগৰাকী সর্বকালৰ মহান সমাজ সংস্কাৰক এম জি ৰাণাজেই প্রকাশ কৰিছিল ইন্দু প্রকাশ। এই কাকতখনে সমাজ সংস্কাৰমূলক লেখনি প্রকাশৰ পৰা জাতীয়তাবাদী ভাৱধাৰা প্রকাশৰ মাধ্যম হৈ পৰিছিল। ৰাণাজেই সম্পাদকৰ আসন এৰি দিয়াৰ বহুদিন পাছলৈকে কাকতখন চলি আছিল। বাল গংগাধৰ তিলকৰ তত্বাৱধানত ১৮শ শতিকাৰ শেষৰ দশকত আত্মপ্রকাশ কৰা কেশৰী নামৰ মাৰাঠী কাকতখনেও জাতীয়তাবাদৰ প্রচাৰত এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল। কাকতখনৰ বিষয়ে বহলকৈ আমি পৰৱর্তী শিতানত আলোচনা কৰিম।

বোম্বেৰ পৰা ১৮২২ চনত মোম্বাইনা সমাচাৰ নামৰ এখন গুজৰাটী কাকত ছপা হৈছিল। টাইপ-ছেটিঙৰ সুবিধা থকা এটা আধুনিক ছপাশালত কাকতখন ছপা কৰা হৈছিল। সেই সময়ৰ অন্য ভাৰতীয় ভাষাৰ কাকতবোৰ লিথ'গ্রাফী পদ্ধতিৰে প্রকাশ কৰা হৈছিল। আধুনিক পদ্ধতিৰে কাকত ছপা কৰাৰ কৃতিত্ব পার্ছী সম্প্রদায়ে দাবী কৰিব পাৰে। ১৮৩২ চনৰ পৰা মোম্বাইনা সমাচাৰ এখন দৈনিক কাকত হৈ পৰে। ১৮৩১ চনত পেষ্ট'নজী মানেকজী মোতিৱালাই জাম-এ-জামশ্বেদ নামৰ আন এখন গুজৰাটী কাকত প্রকাশ কৰে। পোন প্রথমে কাকতখন সাপ্তাহিকভাৱে প্রকাশ পাইছিল যদিও ১৮৫৩ চনৰ পৰা ই দৈনিক কাকতৰূপে প্রকাশ হ'বলৈ ধৰে। পৰম্পৰা অনুসৰণ কৰি দাদাভাই নৌৰাজীয়ে পৰৱর্তী সময়ত ৰাষ্ট গোফটাৰ নামৰ কাকতখন প্রকাশ কৰিবলৈ আৰম্ভ কৰে।

হিন্দী ভাষাৰ ছপা কাকতৰ ইতিহাসো অন্য আঞ্চলিক ভাষাৰ কাকতৰ ইতিহাসৰ সমানেই দীঘল। ১৮৫৪ চনত কলিকতাৰ পৰা প্রকাশিত সমাচাৰ সুধাৱর্ষণক প্রথম হিন্দী দৈনিক কাকত বুলি কোৱা হয়। অৱশ্যে আৰম্ভণিৰ সময়ছোৱাত কাকতখনত হিন্দী আৰু বাংলা দুয়ো ভাষাৰে সংবাদ প্রকাশিত হৈছিল। ১৮৪৯ চনত প্রকাশিত

বেনাৰছ আখবাৰ আৰু তাৰ কিছু পাছত প্ৰকাশিত সুধাকুৰ আখবাৰত নাগৰী লিপি ব্যৱহাৰ কৰা হৈছিল। ১৮৬৭ চনলৈ হিন্দী কাকতৰ সংখ্যা তিনিখন হৈছিলগৈ। বেনাৰছৰ পৰা ভাৰতেন্দু হৰিশ্চন্দ্ৰই কবি বচন সুধা নামৰ আন এখন কাকত প্ৰকাশ কৰিছিল। এই কাকতখনৰ পৰাই হিন্দী সাংবাদিকতাৰ পৰম্পৰা আৰম্ভ হৈছিল বুলি কোৱা হয়। আৰম্ভণিৰ সময়ছোৱাত হিন্দী সাংবাদিকতাৰো মূল বিষয় আছিল সামাজিক সমস্যাসমূহ। ১৯০৭ চনৰ পৰাহে হিন্দী সংবাদ জগতে ৰাজনীতিকো ইয়াৰ বিষয়বস্তু হিচাপে সামৰি লয়। হিন্দী প্ৰদীপ, দ্য হিন্দী কেশৰী আৰু অভ্যুদয়ক এই নতুন পৰম্পৰাৰ বাটকটীয়া বুলি ধৰা হয়। বেনাৰছৰ পৰা প্ৰকাশিত আজ, বীৰ অৰ্জুন, দ্য সৈনিক, প্ৰতাপ, লোকমান্য আদি আছিল ৰাজনীতিৰ সৈতে জড়িত বাতৰি প্ৰকাশ কৰা হিন্দী কাকত। ১৯৩০ ৰ দশকৰ পৰা এই কাকতবোৰে নিজৰ উপস্থিতি সবল কৰি তুলিছিল আৰু স্বাধীনতা আন্দোলনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। এই সময়ছোৱাত উৰ্দু কাকতেও নতুন ৰূপত আত্মপ্ৰকাশ কৰিছিল। ১৯২১ চনত মৌলানা আবুল কালাম আজাদে অল-হিলাল নামৰ উৰ্দু কাকতখন প্ৰকাশ কৰিছিল। কাকতখনে জাতীয়তাবাদী চিন্তা-চৰ্চাক প্ৰাধান্য দি আন্দোলনলৈ নিজস্ব বৰঙণি আগবঢ়াইছিল। ১৯৩৭ চনৰ পৰা অমৃত বাজাৰ পত্ৰিকা প্ৰকাশনে ইয়াৰ হিন্দী কাকত যুগান্তৰৰ প্ৰকাশ আৰম্ভ কৰে।

ভাৰতীয় ছপা মাধ্যমৰ ইতিহাসত মালয়ালম বাতৰি-কাকতে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। ১৮৭৮ চনত সত্যানন্দন আৰু ১৮৮৪ চনত কেৰালা পত্ৰিকাৰ প্ৰকাশে অঞ্চলটোৰ বাতৰি-কাকত প্ৰকাশন জগতখনক অনুপ্ৰাণিত কৰিছিল। তাৰ পাছত কে ৰামকৃষ্ণ পিল্লাইৰ হাতত মালয়ালম বাতৰি-কাকতে সামাজিক আৰু ৰাজনৈতিক ঐক্য স্থাপনত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ আৰম্ভ কৰিলে। তেওঁক আধুনিক মালয়ালম কাকতৰ পিতৃস্বৰূপ বুলি গণ্য কৰা হয়। তেওঁ একে সময়তে কেৰালা (মাহেকীয়া আলোচনী) আৰু মালায়লীৰ (সাপ্তাহিক কাকত) প্ৰকাশ আৰম্ভ কৰে। তেওঁৰ সম্পাদনাত স্বদেশাভিমানী নামৰ দৈনিক কাকতখন প্ৰকাশিত হ'বলৈ ধৰাৰ লগে লগে পিল্লাই কেৰালাৰ সংবাদ জগতৰ অবিসমস্বাদী বাটকটীয়া হৈ পৰিল। তেওঁৰ লেখনিয়ে ট্ৰেভাংক'ৰৰ শাসকক বিতুষ্ট কৰিলে। ফলত ১৯১০ তেওঁক দেশান্তৰিত কৰা হৈছিল। তেওঁৰ পদাংক অনুসৰণ কৰি ভাৰ্গিছ মাপিল্লায়ে মালায়ল মনোৰমাৰ প্ৰকাশ আৰম্ভ কৰিছিল। আপোচহীন জাতীয়তাবাদী দায়ৱদ্ধতাৰে আগবঢ়া এই কাকতখন বৰ্তমান কেৰালা ছপা মাধ্যমৰ অগ্ৰণী সদস্য। মালয়ালম ভাষাত প্ৰকাশিত আন দুখনমান উল্লেখযোগ্য কাকত হ'ল মাত্ৰুভূমি, কেৰালা কৌমুদী আৰু দেশাভিমানী।

অন্য ভাৰতীয় ভাষাৰ ক্ষেত্ৰতো ছপা মাধ্যমে একে ধৰণৰ অভিজ্ঞতা সঞ্চয় কৰিছে। আৰম্ভণিতে ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে অৱদান আগবঢ়োৱা মাধ্যমটোৱে পাছলৈ সমাজ সংস্কাৰকৰ ভূমিকা পালন কৰিছিল। সকলোবোৰ আঞ্চলিক ভাষাতে ছপা মাধ্যমে স্বাধীনতা আন্দোলনৰ সহায়কৰূপে এক শক্তিশালী আহিলাৰ কাম কৰিছিল। স্বাধীনোত্তৰ ভাৰতত ছপা মাধ্যমে শাসক পক্ষৰ বিৰোধীৰ ভূমিকাত অৱতীৰ্ণ হোৱাৰ আখৰা প্ৰাক্-স্বাধীনতাৰ যুগতে আৰম্ভ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক—

(ক) বেংগল গেজেটৰ আন এটা নাম হ'ল ..... ।

(খ) ভাৰতৰ গৰ্ভনৰ জেনেৰেলে ..... চনত প্রথম ছপা মাধ্যম বিষয়ক নির্দেশনা জাৰি কৰিছিল।

(গ) ..... চনত পলাচী যুদ্ধ আৰম্ভ হৈছিল।

প্রশ্ন নং ২ ঃ গৰ্ভনৰ সচিবৰ কার্যালয়ৰ দ্বাৰা কেনে ধৰণৰ সংবাদ প্রকাশত বাধা আৰোপ কৰা হৈছিল?

.....

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ ইণ্ডিয়া গেজেট কাকতখন কোনে প্রকাশ কৰিছিল?

.....

২.৫ প্রখ্যাত সাংবাদিসকল

ওপৰৰ শিতানবোৰৰ পৰা এটা কথা ভালদৰে বুজা গ'ল যে ভাৰতত ছপা মাধ্যমৰ উত্থানৰ আঁৰত আছিল বৃটিছ শাসন। ছপা মাধ্যমৰ প্রাৰম্ভিক সময়ছোৱা আছিল জটিল দ্বন্দ্বেৰে ভৰা। এফালে আছিল বৃটেইনৰ ৰাজপাটৰ ভাৰতক লৈ কৰা দীর্ঘম্যাদী স্বার্থজড়িত পৰিকল্পনা আৰু আনফালে আছিল ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া-কর্মচাৰীসকলৰ ন্যস্ত স্বার্থ জড়িত মনোভাৱ। এনে অৱস্থাত মুক্ত প্রেছৰ/ছপাশালৰ ধাৰণাটো কোম্পানীয়ে গাপ দি ৰাখিব খুজিছিল। কিন্তু বৃটেইনৰ ৰাজমুকুট আছিল ধাৰণাটোক বাস্তৱ ৰূপ দিয়াৰ পক্ষত। সেয়েহে বৃটেইনৰ গৃহ চৰকাৰে ভাৰতীয় সাংবাদিকৰ ওপৰত কোনো নির্দেশনা জাপি দিয়াৰ পক্ষপাতী নাছিল। ইপিনে গৰ্ভনৰ জেনেৰেলৰ নেতৃত্বাধীন কোম্পানী প্রশাসনে তেওঁলোকৰ কুকার্য সদৰি কৰা সাংবাদিকসকলক বলপূর্বক স্বগৃহলৈ ঘূৰাই পঠিয়াই সংবাদ মাধ্যমৰ ওপৰত তীব্র চাপৰ সৃষ্টি কৰিব খুজিছিল। কোম্পানীৰ কু-শাসনৰ বিৰুদ্ধে সৰৱ হোৱা প্রথমগৰাকী সংবাদসেৱী হ'ল জেমছ আগষ্টাচ হিকী। তেওঁ ভাৰতত সংবাদ মাধ্যমক শক্তিশালী বিৰোধী পক্ষৰূপে গঢ় দিয়াৰ ভেটিটো গঠন কৰি থৈ গৈছিল। ভাৰতত ছপা মাধ্যমৰ বিকাশৰ পট বৃটিছ শাসনৰ পৰৱর্তী কালত সলনি হৈছিল। শাসক গোষ্ঠীটোৱে বিভিন্ন আইন-কানুন বলবৎ কৰি মুক্ত ছপাশালৰ ধাৰণাটো সমর্থন কৰাসকলৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত নানান শাস্তি বিহা আৰম্ভ কৰিছিল। ভাৰতীয় নাগৰিকে নিজাকৈ ছপাশাল পাতি, বাতৰি-কাকত ছপা কৰি ভাৰতত বৃটিছ শাসনৰ প্রকাশ্য বিৰোধিতা

কৰিবলৈ লোৱাৰ পৰা বৃটিছ কোম্পানী প্ৰশাসনৰ আতিশয্য বৃদ্ধি পাইছিল। প্ৰাক্-স্বাধীনতাৰ কালত ছপা মাধ্যমৰ বিকাশত অৰিহণা যোগোৱা নিষ্ঠাৱান সংবাদসেৱীসকলে স্বাধীন ভাৰতত সাংবাদিকতাৰ স্বীকৃত মাপ কিছুমান গঢ়াত সহায় কৰিছিল। তেওঁলোকৰ কাৰ্যকলাপে দেশত মুক্ত ছপাশাল স্থাপনৰ বাবে প্ৰয়োজনীয় উদাৰ নীতি কিছুমান গ্ৰহণৰ পথো সুচল কৰি দিছিল। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গৃহীত ভাৰতীয় সংবিধানতো তেওঁলোকৰ দিহা-পৰামৰ্শমৰ্মে স্বতন্ত্ৰ ছপাশালৰ বুনিয়াদী সংৰচনাভিত্তিক নীতি-নিয়মবোৰ সন্নিৱিষ্ট কৰা হৈছিল। ভাৰতীয় ছপা মাধ্যমৰ কেইগৰাকীমান প্ৰাতঃস্মৰণীয় ব্যক্তি হ'ল ৰাজা ৰামমোহন ৰয়, বাল গংগাধৰ তিলক, মহাত্মা গান্ধী আৰু মৌলানা আবুল কালাম আজাদ। তলত তেওঁলোকৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

- **জেমছ আগষ্টাচ হিকী ঃ** কলিকতাত থকা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ পাছত জেমছ আগষ্টাচ হিকীয়ে কোম্পানীৰ বিষয়াসকলৰ অন্যায়ৰ প্ৰতিবাদ কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰতিশোধ পূৰণৰ সিদ্ধান্তেৰে তেওঁ ১৭৮০ চনৰ জানুৱাৰী মাহত বেংগল গেজেট প্ৰকাশ কৰিছিল। এইখন আছিল ভাৰতৰ প্ৰথম বাতৰি-কাকত। কাকতখনত কোম্পানীৰ বিষয়ববীয়াৰ ব্যক্তিগত জীৱনৰ নানান কু-কাৰ্য ফাদিল কৰা মুখৰোচক খবৰ প্ৰকাশিত হৈছিল। সেই সময়ত হিকীৰ চিন্তাজগতত ভাৰতৰ স্বাধীনতা, উপনিৱেশ নীতি অথবা বৃটিছ কোম্পানীৰ কাৰ্য-কলাপে ভাৰতত পেলোৱা কু-প্ৰভাৱ আদিয়ে কোনো স্থান দখল কৰিব পৰা নাছিল। জুন ১৭৮১ চনত হিকীক মানহানিৰ গোচৰত দোষী সাব্যস্ত কৰি চাৰিমাহৰ কাৰাদণ্ড বিহা হৈছিল। তথাপি তেওঁ কাকতখনৰ প্ৰকাশ বন্ধ কৰা নাছিল। কাৰাগাৰৰ পৰা ওলাই তেওঁ আগতকৈও চোকা ভাষাত আক্ৰমণ অব্যাহত ৰাখিছিল। তেওঁক এবছৰৰ ভিতৰতে দ্বিতীয়বাৰৰ বাবে বিভিন্ন অপৰাধত জগৰীয়া কৰি পুনৰ এবছৰৰ কাৰাদণ্ড বিহা হৈছিল। ১৭৮২ চনত তেওঁক কাৰাগাৰলৈ নিক্ষেপ কৰি তেওঁৰ ছপাশালটো বাজেয়াপ্ত কৰা হৈছিল। সম্পাদক হিচাপেও হিকীৰ কৰ্মজীৱন সিমানতে শেষ হৈছিল। তথাপি হিকীক বহুতো ক্ষেত্ৰত ভাৰতীয় ছপা মাধ্যমৰ বাটকটীয়া হিচাপে গণ্য কৰা হয়। ভাৰতৰ প্ৰথমখন বাতৰি-কাকত প্ৰকাশক হিচাপেই নহয় তেওঁ স্বতন্ত্ৰ ছপাশালৰ বৈশিষ্ট্য কেনে হোৱা উচিত সেই সম্পৰ্কীয় মৌলিক সংৰচনাটো নিজস্ব ধৰণে গঢ়ি থৈ গৈছিল। তেওঁৰ কাকতৰ 'মাষ্ট হেড'ত (Mast head) নিজৰ কাকতখনৰ নীতি তলত দিয়া ধৰণে স্পষ্ট ৰূপত ব্যাখ্যা কৰিছিল ঃ 'সকলো দল-সংগঠনৰ বাবে মুকলি কিন্তু কোনো দল-সংগঠনৰ দ্বাৰা প্ৰভাৱিত নোহোৱা এখন সাপ্তাহিক ৰাজনৈতিক আৰু ব্যৱসায়িক কাকত।' হিকীয়ে সাংবাদিকতাৰ কোনো উচ্চ নিদৰ্শন ৰাখি থৈ যোৱা নাই। তেওঁৰ কাকতখনো বৰ্তমানৰ ভাষাত 'হালধীয়া সাংবাদিকতা'ৰ পৃষ্ঠপোষক আছিল। তথাপি তেওঁ কোম্পানী প্ৰশাসনৰ সকলোকে পদবী নিৰ্বিশেষে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। গৰ্ভনৰ জেনেৰেল ৰাৰেন হেষ্টিংছৰ পত্নী আৰু কেইগৰাকীমান বিচাৰকো আনকি তেওঁৰ আক্ৰমণৰ বলি হৈছিল। হিকীৰ সংবাদবোৰ অনুসন্ধানমূলক নহৈ অপযশ ৰচনাকাৰী আছিল। কিন্তু তেওঁ আপোচহীন আৰু নিৰ্ভীক আছিল। তেওঁৰ দুঃসাহসীকতাই তেওঁক গভীৰ বিত্তীয় সংকটত পেলাইছিল। তথাপি তেওঁ

দমি যোৱা নাছিল। হিকীক নিৰ্ভীক সাংবাদিকতাৰ গুৰু বুলি গণ্য কৰিব পৰা যায়।

- **ৰাজা ৰামমোহন ৰয় ঃ** ৰাজা ৰামমোহন ৰয় আছিল ভাৰতীয় মালিকীস্বত্ব থকা প্ৰথমখন প্ৰকৃতাৰ্থত ভাৰতীয় কাকতৰ প্ৰকাশক-সম্পাদক। ১৮২০ অথবা ১৮২১ (আচল চন সম্পৰ্কে মতভেদ আছে) চনত তেওঁৰ কাকতখনে আত্মপ্ৰকাশ কৰিছিল। সম্বাদ কৌমুদী আছিল বাংলা ভাষাত প্ৰকাশিত সাপ্তাহিক কাকত। ৰামমোহন ৰয়ে কাকতখনক সমাজ সংস্কাৰমূলক ধ্যান-ধাৰণা প্ৰচাৰৰ মঞ্চ হিচাপে ব্যৱহাৰ কৰিছিল। সম্বাদ কৌমুদীৰ পাততে তেওঁ সতীপ্ৰথা আৰু বাল্যবিবাহৰ বিৰোধিতা কৰিছিল। এই কাকতত প্ৰকাশিত মতৰ আধাৰতে লৰ্ড উইলিয়াম বেণ্টিংকে ১৮৩৪ চনত সতীদাহ প্ৰথাৰ বিলোপ সাধন কৰিছিল। পাছলৈ কাকতখন অন্য মালিকৰ হাতলৈ গৈছিল যদিও জন্মৰে পৰা ৩৩ বছৰ কাল ই পাঠকলৈ সেৱা আগবঢ়াইছিল। অৱশ্যে ৰয়ৰ কাকতখন বৃটিছ বিৰোধী আবেগ সৃষ্টি কৰাত অৰিহণা আগবঢ়োৱা নাছিল। কিন্তু বিৰোধিতাৰ ধাৰণাটোৱে যদি কোম্পানী প্ৰশাসনৰ কু-শাসনৰ বিৰুদ্ধে থিয় দিয়াৰ সংকীৰ্ণ অৰ্থ পাৰ হৈ সমাজৰ কু-সংস্কাৰ, কু-প্ৰথা আদিকো সামৰি লয়, তেন্তে ৰামমোহন ৰয় আৰু তেওঁৰ কাকতখনে ভাৰতীয় বিৰোধিতাকাৰী সাংবাদিকতাৰ সূচনা কৰিছিল। তেওঁ সতীদাহ প্ৰথাৰ দৰে নিষ্ঠুৰ অমানৱীয় কু-সংস্কাৰ এটাৰ বিৰুদ্ধে থিয় দিছিল। তাকে কৰিবলৈ যাওঁতে তেওঁ সমাজৰ অভিজাত শ্ৰেণীটোৰ অসন্তুষ্টি সহিবলগীয়া হৈছিল। অভিজাত শ্ৰেণীটো ইমানেই শক্তিশালী আছিল যে তেওঁলোকে ৰামমোহন ৰয় আৰু লৰ্ড বেণ্টিংকৰ বিৰুদ্ধে অভিযোগ-অভিযান চলাবলৈ লণ্ডনলৈ প্ৰতিনিধি দল প্ৰেৰণ কৰিছিল। এক সবল স্থিতি গ্ৰহণ কৰি ভাৰতৰ পৰা এটা কু প্ৰথা আঁতৰোৱাত আগভাগ লোৱা ৰামমোহন ৰয়ক সেয়েহে ভাৰতীয় সাংবাদিকতাৰ পিতৃস্বৰূপ বুলি গণ্য কৰিব পৰা যায়। সংবাদ কৌমুদীয়ে পালন কৰা মহান সামাজিক দায়ৱদ্ধতাই আধুনিক ভাৰত গঢ়াৰ প্ৰচেষ্টাক এখোজ আগু�ৱাই নিছিল।
- **বাল গংগাধৰ তিলক ঃ** ভাৰতৰ প্ৰথম বৃটিছ বিৰোধী বাতৰি-কাকত দুখন আছিল কেশৰী আৰু মাহৰট্টা। কেশৰী আছিল মাৰাঠী ভাষাৰ আৰু মাহৰাট্টা ইংৰাজী কাকত। ১৮৮১ চনত বিষ্ণু কৃষ্ণ চিপল'ংকাৰে দুয়োখন কাকতৰে গুৰি ধৰিছিল। আৰম্ভণিৰে পৰা দুয়োখন কাকতৰে মূল মন্ত্ৰ আছিল জাতীয়তাবাদ। কিন্তু কাকত দুখনক ভিন্ন ৰুচিৰ পাঠকৰ মনৰ খোৰাক যোগান পৰাকৈ বেলেগ বেলেগ শৈলীত সজোৱা হৈছিল। কেশৰীক 'অজ্ঞানী জনগণ'ৰ মনত জাতীয়তাবাদৰ ধাৰণাটো স্পষ্ট কৰি তুলিব পৰাকৈ সজোৱা হৈছিল (কাকতখনত প্ৰকাশিত বিজ্ঞপ্তি মৰ্মে)। মাহৰট্টাৰ লক্ষ্য আছিল সমাজৰ শিক্ষিত পাঠকচাম। বাল গংগাধৰ তিলক আছিল সমসাময়িক যুগৰ এগৰাকী স্বনামধন্য বুদ্ধিজীৱি। তেওঁ সমাজ সংস্কাৰৰ ধাৰণাবোৰৰ পৃষ্ঠপোষকতা কৰিছিল। এই ক্ষেত্ৰত তেওঁ বৃটিছ শাসকৰ বন্ধু হৈ পৰিছিল। তেওঁ লগতে ৰাজনৈতিক স্বতন্ত্ৰতাৰ কথাও সমৰ্থন কৰিছিল। এই কথাটোৰ বাবে তেওঁ কোম্পানী প্ৰশাসনৰ সৈতে বৈৰী আচৰণ কৰিছিল। কেশৰী আৰু মাহৰট্টা দুয়োখন কাকতে মতদানৰ বয়স সম্পৰ্কীয় বিধেয়কখনৰ (the Age of Consent Bill) বিৰোধিতা কৰিছিল।

তিলকে নিজকে শিশিৰ কুমাৰ ঘোষ (অমৃত বাজাৰ পত্রিকা) শিষ্য বুলি গণ্য কৰিছিল। তিলকৰ উগ্র জাতীয়তাবাদী ভাৱধাৰা প্রকাশক লেখনিৰে সমৃদ্ধ কেশৰী বোম্বে প্রদেশৰ প্রায় প্রতিঘৰ লোকেই পঢ়া সর্বাধিক জনপ্রিয় সাপ্তাহিক কাকতত পৰিণত হৈছিল। ১৯শ শতিকাৰ শেষৰ দশকটো কেশৰীৰ বাবে সোণালী যুগ আছিল। এই সময়খিনিতে দেশৰ বিভিন্ন অঞ্চলত উগ্র জাতীয়তাবাদী মন্ত্রেৰে দীক্ষিত যুৱক এচামে বৃটিছ বিষয়াক শাৰীৰিক আক্রমণৰ লক্ষ্য ৰূপে বাছি লৈছিল। ইংৰাজৰ ওপৰত বোমা বর্ষণ কৰা হৈছিল। বৃটিছ বিৰোধী আবেগৰ বন্যাত উটি ফুৰা যুৱকচামে তিলকৰ লেখনিত তেওঁলোকৰ কার্যৰ প্রতি থকা সমর্থন দেখা পাইছিল।

বৃটিছ চৰকাৰে ভাৰতীয় দণ্ডবিধি আইনখন সংশোধন কৰি ধাৰা 124A সংযোজিত কৰি লৈছিল। এই ধাৰামতে যিকোনো ধৰণৰ বৃটিছ বিৰোধী প্রকাশক, লাগিলে সেয়া বৃটিছৰ কাম-কাজ অথবা অসংবেদনশীল প্রশাসন বিষয়ক সমালোচনাই হওঁক, ৰাজদ্রোহ বুলি গণ্য কৰা হৈছিল। আইনখনত ধাৰা 153A-ৰো সংযোজন ঘটোৱা হৈছিল। এই নতুন ধাৰাবোৰ ছপা মাধ্যমে আৰম্ভ কৰা উগ্র জাতীয়তাবাদী অভিযানক মষিমূৰ কৰিবলৈ প্রয়োগ কৰা হৈছিল। তিলকক বিচাৰৰ কাঠগড়াত থিয় কৰোৱা হৈছিল। কেশৰীত প্রকাশিত দুটা প্রৱন্ধক আধাৰ হিচাপে লৈ ১৮৯৮ চনত তেওঁৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ নতুন ধাৰাবোৰৰ অধীনত বিচাৰ চলোৱা হৈছিল। তেওঁক ৰাজদ্রোহৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছিল। তিলকে তেওঁৰ প্রৱন্ধ দুটাত আগৰ বছৰটোত পুনে চহৰত প্লে'গ হৈ মৃত্যুমুখত পৰা অসংখ্য লোকৰ মৃত্যুৰ বাবে বৃটিছ প্রশাসনৰ অসংবেদনশীল মনোভাৱক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। তেওঁ মত প্রকাশ কৰিছিল যে দহগৰাকী প্রশাসনিক বিষয়াৰ অসংবেদনশীলতাই কেইজনমান যুৱকক খঙাল কৰি তুলিছিল আৰু তাৰেই ফলস্বৰূপে তেওঁলোকে বিষয়াসকলৰ মাজেৰে এগৰাকীক বোমাৰে আক্রমণ কৰিছিল। আদালতে তিলকক দোষী সাব্যস্ত কৰি ১৮৯৮ চনত ১৮ মাহৰ কাৰাদণ্ড বিহিছিল। কাৰাবাসৰ পৰা মুক্ত হৈ তিলকে আগৰ দৰেই নিজৰ বলিষ্ঠ আৰু নির্ভীক সাংবাদিকতা চলাই গৈছিল। সেই একেবাৰে আইনী ধাৰাৰ অধীনতে তিলকক দ্বিতীয়বাৰৰ বাবে গ্রেপ্তাৰ কৰা হৈছিল আৰু এইবাৰ ছবছৰৰ বাবে অন্য স্থানত অৱস্থিত কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। বাল গংগাধৰ তিলকক তেওঁৰ আপোচহীন দেশপ্রেমৰ বাবেই শাস্তি বিহা হৈছিল বুলি স্বাধীন ভাৰতৰ এগৰাকী স্বনামধন্য বিচাৰপতি এম চি ছাগলাই মন্তব্য কৰিছিল। তিলকৰ পদাংক অনুসৰণ কৰি চিত্তৰঞ্জন দাস আৰু বিপিন চন্দ্র পালে বন্দেমাতৰম নামৰ এখন সাপ্তাহিক কাকতৰ জন্ম দিছিল। অৰবিন্দ ঘোষ আছিল বন্দে মাতৰমৰ সম্পাদক। ১৯০৬ চনৰ আগষ্ট মাহত কলিকতাত বন্দে মাতৰমে আত্মপ্রকাশ কৰিছিল।

- **কেশৱ গংগাধৰ তিলক ঃ** (২৩ জুলাই, ১৮৫৬-১ আগষ্ট, ১৯২০) সাংবাদিক, শিক্ষক, সমাজ সংস্কাৰক, উকীল আৰু স্বতন্ত্র সমাজকর্মী আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্রথমগৰাকী জনপ্রিয় নেতা।


- **মহাত্মা গান্ধী ঃ** ১৯০৬ চনৰ পৰা সাংবাদিকতা আৰম্ভ কৰা গান্ধীয়ে পোন প্ৰথমে দক্ষিণ আফ্ৰিকাৰ দ্য ইণ্ডিয়ান অপ'নিয়ন নামৰ পূৰ্বৰে পৰা প্ৰকাশ হৈ থকা কাকত এখনৰ দায়িত্ব গ্ৰহণ কৰিছিল। ১৯৪৮ চনৰ ৩০ জানুৱাৰীত মৃত্যুবৰণ কৰাৰ আগলৈকে গান্ধীয়ে সক্ৰিয়ভৱে কাকতত লিখা-মেলা কৰি আছিল। ভাৰতৰ জনগণৰ সৈতে যোগাযোগ স্থাপন কৰি থকাত তেওঁৰ দক্ষতা তথা দৃঢ়সংকল্পই গান্ধীক সৰ্বকালৰ মহান ভাৰতীয় সাংবাদিকৰূপে প্ৰতিষ্ঠা কৰিছিল। গান্ধীয়ে নিজস্ব ধৰণে সাংবাদিকতাৰ উদ্দেশ্য এইদৰে জনমানসত থিতাপি লোৱা ভাৱনা এটা বুজি লৈ তাক মূৰ্ত ৰূপত প্ৰকাশ কৰা। বাতৰি কাকতৰ আন এক উদ্দেশ্য হ'ল জনগণৰ মনত কিছুমান আকাংক্ষিত আৱেগ-অনুভূতিৰ উদ্ৰেক ঘটোৱা আৰু তৃতীয় উদ্দেশ্যটো হ'ল বহুল প্ৰচলিত সামাজিক কেৰোণবোৰ নিৰ্ভীকভাৱে উদঙাই দেখুওৱা।' দ্য ইণ্ডিয়ান অ'পিনিয়নত লিখা স্তম্ভবোৰতে তেওঁ এই মতামত সদৰি কৰিছিল। পাছত এইধৰণৰ লেখনিবোৰ তেওঁ হিন্দ স্ৱৰাজৰ পাতত পুনৰ ন ৰূপত লিখি প্ৰকাশ কৰিছিল। উদ্ধৃত উক্তিফাঁকি ১৯০৯ চনত প্ৰকাশিত দ্য ইণ্ডিয়ান অ'পিনিয়ন কাকতৰ পৰা লোৱা হৈছে। বিশ্বই তেতিয়া তেওঁক মহাত্মা বুলি সম্বোধন কৰিবলৈ আৰম্ভ কৰাই নাছিল।

হিন্দ স্ৱৰাজ ঃ ১৯০৮ চনত গান্ধীয়ে লিখা এলানি চমু লেখনিৰ শিৰোনামা।

কাকতখনত স্তম্ভ লিখি থাকোঁতে গান্ধীয়ে এটা স্ৱকীয় শৈলী গ্ৰহণ কৰিছিল। পাছলৈ ইয়েই তেওঁৰ বিশেষ চিনাকি হৈ পৰিল। স্তম্ভৰ আৰম্ভণিতে তেওঁ একোটা প্ৰশ্ন কৰিছিল। আৰু পাছত পৰ্যায়ক্ৰমে তেওঁ প্ৰশ্নটোৰ উত্তৰ দিছিল। তেওঁ এজন কাল্পনিক পাঠকৰ মুখত প্ৰশ্নটো তুলি দিছিল আৰু প্ৰাঞ্জল ভাষাৰে তাৰ উত্তৰ লিখিছিল। কথোপকথনৰ এই শৈলীটোক আজিও উৎকৃষ্ট সাংবাদিকতাৰ এটা নীতি বুলি মানি চলা হয়। এই শৈলীটোৰে গান্ধীৰ দ্বাৰা বৰ্ণিত 'সাংবাদিকতাৰ তিনিটা মৌলিক উদ্দেশ্য' সিদ্ধিত অৰিহণা যোগান পাৰে। কথোপকথন আজিও গণ সংযোগৰ এটা সুফলদায়ক পন্থা। হিন্দ স্ৱৰাজৰ সৰল পঠনৰ দ্বাৰাই এই আকৰ্ষণীয় শৈলীটোৰ গুৰুত্ব আৰু প্ৰভাৱ অনুধাৱন কৰিব পৰা যায়। গান্ধীৰ সাংবাদিক জীৱনৰ আন এক মাইলৰ খুঁটি হ'ল দ্য ইয়াং ইণ্ডিয়া নামৰ সাপ্তাহিক কাকতখনৰ প্ৰকাশ। কাকতখনক প্ৰয়োজনীয় পুঁজি যোগান ধৰিছিল গান্ধীৰ উদ্যোগপতি বন্ধু শংকৰলাল বাংকাৰে। বাংকাৰৰ ধনেৰে কাকতখন চলিলেও শ্ৰমিকৰ দিন হাজিৰা বঢ়োৱাৰ দাবীক সমৰ্থন জনাই নিজৰ কাকতত লিখা-মেলা কৰাটো গান্ধীয়ে কিন্তু বন্ধ কৰা নাছিল। আন এক মনত ৰাখিবলগীয়া কথা হ'ল গান্ধীয়ে ইয়াং ইণ্ডিয়া পৃষ্ঠাত বিজ্ঞাপনক স্থান দিবলৈ অমান্তি হৈছিল। অৰ্থাৎ, পাঠকৰ পৰা পোৱা অৰিহণাই আছিল কাকতখনৰ ৰাজহ সংগ্ৰহৰ একমাত্ৰ উৎস। অৱশ্যে লাভালাভৰ অংক আগত ৰাখি কাকতখন প্ৰকাশ কৰা হোৱা নাছিল। একেটা নীতিকে গান্ধীয়ে হৰিজন নামৰ কাকতখনৰ ক্ষেত্ৰতো প্ৰযোজ্য কৰিছিল। ভাৰতীয় সমাজত প্ৰচলিত অস্পৃশ্যতাৰ সমস্যাটোক লৈ সৃষ্টি হোৱা বিতৰ্কক আগবঢ়াই নিয়াৰ মঞ্চ হিচাপেহে হৰিজন প্ৰকাশ কৰা হৈছিল।

য়াং ইণ্ডিয়া প্ৰকাশিত হৈ থকা সময়ত গান্ধীকো তিলকৰ দৰে ভাৰতীয় দণ্ডবিধি আইনৰ

ধাৰা 124 A-ৰ অধীনত ৰাজদ্রোহৰ অভিযোগত অভিযুক্ত কৰা হৈছিল। ১৯২৩ চনত গান্ধীৰ বিৰুদ্ধে চলা বিচাৰ ভাৰতীয় সাংবাদিকতা জগতৰ বাবে এটা উল্লেখনীয় ঘটনা হৈ ৰ'ব। গান্ধীয়ে য়াং ইণ্ডিয়াত প্রকাশিত তিনিটা প্রৱন্ধৰ ক্ষেত্রত নিজকে ৰাজদ্রোহীতাৰ অপৰাধত দোষী বুলি স্বীকাৰ কৰিছিল আৰু বিচাৰকক আইনৰ অধীনত সর্বোচ্চ শাস্তি দিবলৈ প্রত্যাহ্বান জনাইছিল। তেওঁ বিচাৰকক কৈছিল যে এখন অবৈধ আইনৰ বিৰুদ্ধে ৰাজদ্রোহীতাৰ গোহাৰী জনোৱাটো তেওঁৰ আসক্তি। তেওঁ এই বুলিও কৈছিল যে অশুভ শক্তিৰ পৰা জন্মা কোনো শাসনৰ অধীনস্থ অশুভ আইন এখনৰ বিৰুদ্ধাচৰণ কৰাটো তেওঁৰ কর্তব্য কাৰণ তেনে আইন অমংগলৰ প্রতিনিধি। গান্ধীক ৰজ্জু মাহৰ কাৰাদণ্ড বিহা হৈছিল। এয়াই আছিল গান্ধীৰ বিৰুদ্ধে বিচাৰ চলাৰ শেষ কাহিনী। ইয়াৰ পাছৰ পৰা বৃটিছ চৰকাৰে তেওঁক যেতিয়াই মন যায় কোনো গোচৰ-অভিযোগ নোহোৱাকৈ গ্রেপ্তাৰ কৰি কাৰাগাৰত ৰাখিছিল। মহাত্মা গান্ধীক সমসাময়িক যুগৰ সবাতোকৈ প্রভাৱশালী সাংবাদিক বুলিলেও ভুল নহ'ব। তেওঁ নিজে ১৯০৯ চনত গঢ়ি লোৱা সাংবাদিকতাৰ উদ্দেশ্যকেইটা নিষ্ঠা সহকাৰে পালন কৰি এই যশস্যাৰ অধিকাৰী হ'ব পাৰিছিল। তেওঁ ভাৰতত নির্ভীক সাংবাদিকতাৰ সুস্থ পৰম্পৰাৰ আৰম্ভণি কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বৃটিছ বিৰোধী বাতৰি-কাকত দুখনৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৫ ঃ মহাত্মা গান্ধীয়ে প্রকাশ কৰা বাতৰি-কাকত কেইখনৰ নাম আৰু প্রকাশৰ চন উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ হিকীৰ ছপাশাল কোন চনত বন্ধ কৰি দিয়া হৈছিল?

.....

২.৬ উত্তৰ পূৰ্ব ভাৰতত (বিশেষকৈ অসমত) ছপা মাধ্যমৰ বিকাশ

অধ্যায়টিৰ এই অংশৰ বাবে কোনো ধৰণৰ পঠন সামগ্রী দিয়া হোৱা নাই। শিক্ষার্থীসকলে বিশ্ববিদ্যালয়ে প্রস্তুত কৰা দৃশ্য-শ্রাব্য পঠন সামগ্রী ব্যৱহাৰ কৰিব লাগিব। ইতিমধ্যে এই অধ্যায়ৰ লগত সংগতি ৰাখি প্রস্তুত কৰা কেইবাটাও শ্রাব্য অনুষ্ঠান আৰু কেবাটাও দৃশ্য-শ্রাব্য অনুষ্ঠান বিশ্ববিদ্যালয়ৰ মাল্টিমিডিয়া প্রযোজনা গোটে প্রস্তুত কৰি উলিয়াইছে। উত্তৰ পূব ভাৰতত বাতৰি কাকত আৰু ইয়াৰ ধাৰা 'অৰুণোদয়' সাংবাদিকতাৰ নীতি ইত্যাদি কেবাটাও অনুষ্ঠান ইতিমধ্যে

আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় তথা বিশ্ববিদ্যালয়ৰ সমূহীয়া অনাতাঁৰ সেৱা জ্ঞান তৰংগ আৰু ইণ্টাৰনেট অনাতাঁৰ সেৱা ই-জ্ঞান তৰংগৰ জৰিয়তে সম্প্ৰচাৰ কৰা হৈছে। বিশ্ববিদ্যালয়ৰ ৱেব প'ৰ্টেল— www.kkhsou.in ত এই অনুষ্ঠানসমূহ সংৰক্ষণ কৰা হৈছে। শিক্ষাৰ্থীসকলে এই অনুষ্ঠানসমূহ ইণ্টাৰনেটৰ জৰিয়তে শুনিব পাৰে। এই অনুষ্ঠানসমূহৰ চিডি/ডিভিডি অধ্যয়ন কেন্দ্ৰসমূহলৈ পঠিওৱা হৈছে। অধ্যয়ন কেন্দ্ৰলৈ বিশ্ববিদ্যালয়ে যোগান ধৰা টিভি, ৰেডিঅ', চি ডি প্লেয়াৰ আদিৰ জৰিয়তে তেওঁলোকে এই চিডিবোৰ চাব বা শুনিব পাৰিব। বিশ্ববিদ্যালয়ৰ ইণ্টাৰনেট অনাতাঁৰ সেৱা www.kkhsou.in/crs ত উপলব্ধ। দৃশ্য-শ্ৰাব্য অনুষ্ঠানসমূহ www.youtube.com/kkhsou ত সংৰক্ষিত আছে আৰু শিক্ষাৰ্থীসকলে ইণ্টাৰনেটৰ জৰিয়তে এই অনুষ্ঠানসমূহ চাব পাৰে।



২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত পোন প্ৰথমে ইংৰাজসকলৰ দ্বাৰাই ছপাশাল আৰু ছপা মাধ্যম গঢ় লৈ উঠিছিল। এই ইংৰাজসকল প্ৰথমে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়া-কৰ্মচাৰী আছিল। পাছত কোম্পানীৰ ৰৰমূৰীয়া আৰু সংশ্লিষ্ট বিষয়াগৰাকীয়েহে জনা কোনো ৰহস্যজনক কাৰণত এই ইংৰাজসকলে কোম্পানীৰ চাকৰি বাদ দিবলগীয়া হৈছিল। ভাৰতত প্ৰথমখন বাতৰি-কাকত প্ৰকাশ কৰোঁতা হিকীও আছিল এনে ৰহস্যজনক কাৰণত চাকৰি এৰা ব্যক্তি। কোম্পানীৰ বিষয়া আৰু তেতিয়াৰ গৰ্ভনৰ জেনেৰেল লৰ্ড ৱাৰেন হেষ্টিংচ আছিল তেওঁৰ আক্ৰমণৰ লক্ষ্য। কোম্পানীৰ বিষয়াবোৰৰ ব্যক্তিগত জীৱনৰ কেলেংকাৰীবোৰ প্ৰকাশ কৰাই আছিল হিকীৰ কাকতৰ মূল উদ্দেশ্য। এই ধাৰাৰ সাংবাদিকতাৰ অৱশ্যে হিকীৰ মৃতুৰ লগে লগে অৱসান ঘটিছিল।
- ১৮ শ শতিকাৰ শেষৰফালে প্ৰকাশিত বাতৰি-কাকতবোৰৰ প্ৰধান উদ্দেশ্য আছিল সমাজ সংস্কাৰ। এনে বাতৰি-কাকতৰ বাটকটীয়া আছিল ৰাজা ৰামমোহন ৰয়। এই সময়ৰ বাতৰি-কাকতবোৰে বৃটিছ প্ৰশাসনে সৃষ্টি কৰা বিভিন্ন সমস্যাৰ মুখামুখি হৈছিল। প্ৰশাসনে কাকো সমমৰ্যাদা দিব নোখোজাৰ ফলতে সংঘাতৰ সৃষ্টি হৈছিল। তথাপি কাকতবোৰে সমাজ সংস্কাৰকৰূপে উল্লেখনীয় ভূমিকা পালন কৰিছিল। ৰামমোহন ৰয়ে সম্বাদ কৌমুদীৰ পাতত লিখা ৰচনাবোৰৰ ফলতেই দেশত সতীপ্ৰথাৰ বিলোপ হৈছিল বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব।
- ভাৰতীয় বাতৰি-কাকতৰ ইতিহাসত ইয়াৰ পাছৰ গুৰুত্বপূৰ্ণ পৰ্যায়টো হ'ল সমাজ সংস্কাৰৰ উদ্দেশ্যৰ লগতে ৰাজনৈতিক স্বতন্ত্ৰতাৰ বিষয়টোকো প্ৰধান আলোচ্য বিষয়ৰূপে গ্ৰহণ কৰা। বাতৰি-কাকতত এই যুগৰ জন্ম দিছিল শিশিৰ কুমাৰ ঘোষে। বাল গংগাধৰ তিলক আৰু মহাত্মা গান্ধীয়ে ইয়াক নতুন গতি প্ৰদান কৰিছিল।

- ভাৰতৰ বাতৰি-কাকতবোৰ একাধিক স্বাৰ্থৰ দ্বাৰা পৰিচালিত হৈছিল। স্বাৰ্থবোৰ সামাজিক-ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়কেন্দ্রিক আছিল। কোনো বিশেষ উদ্দেশ্য পূৰণ আৰু ব্যৱসায়িক সফলতা লাভ দুয়োটাকে লক্ষ্য হিচাপে লৈ আত্মপ্রকাশ কৰা বৰ্তমান যুগৰ বাতৰি-কাকতবোৰৰ ভেটিটো ১৯ শ শেষৰফালে গঢ় লৈ উঠিছিল। দ্য হিন্দু, দ্য টাইমছ অৱ ইণ্ডিয়া, দ্য পায়'নিয়াৰ আৰু দ্য ষ্টেটচমেনৰ দৰে কাকতবোৰে নিজ নিজ স্বাৰ্থ অনুসৰি বৃটিছ বিৰোধী আৰু জাতীয়তাবাদী অথবা বৃটিছ সমৰ্থনকাৰীৰ ভূমিকা লৈছিল। পাছৰবিধক এংলো-ভাৰতীয় ভাৱধাৰাৰ সমৰ্থক বোলা হৈছিল।
- ভাৰতীয় বাতৰি-কাকতৰ ইতিহাসৰ আন এক বৰ্ণিল অধ্যায় হ'ল আঞ্চলিক ভাষাৰ কাকতৰ বিকাশ। অধিকাংশ আঞ্চলিক ভাষাৰ কাকতৰে মূল উদ্দেশ্য আছিল সমাজ সংস্কাৰ। পাছলৈ কাকতবোৰ স্বাধীনতাৰ ধাৰণা প্রচাৰৰ মাধ্যম হৈ পৰিল। কাকতবোৰৰ জনপ্রিয়তাই এইবোৰক ব্যৱসায়ৰ আৰ্হিৰূপেও প্রতিষ্ঠা কৰালে।



২.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) বিষয় সাংবাদিকতা— ড° পার্থ চট্টোপাধ্যায়; বীণা লাইব্রেৰী গুৱাহাটী

২) গণমাধ্যম আৰু সম্প্রচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত; অসম প্রকাশন পৰিষদ

ইংৰাজী গ্রন্থ ঃ

1. The Indian Media Business- Vanitha Kohli- Khandekar, 3rd edition, SAGE Publication.
2. The great Indian Media Bazar- in Romila Thapar's (ed.) India: Anothefr Millenium- N.Ram,OUP,1997.
3 The Press in India- M.V. Chalapathi Rao(Ubersetzer, Schriftsteller), NBT, 1974.
4. The Press in Assam- S.P. Baruah (Lawyers' Book Stall)



২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) কলিকতা জেনেৰেল এডভাৰ্টাইজাৰ

(খ) মে' ১৭৯৯

(গ) ১৭৫৭

২ নং প্ৰশ্নৰ উত্তৰঃ ১৭৯৯ চনৰ ছপা মাধ্যম নির্দেশনা মর্মে বাতৰি প্ৰকাশৰ ক্ষেত্ৰত চৰকাৰৰ সচিবৰ সিদ্ধান্তকে চূড়ান্ত বুলি গণ্য কৰা হৈছিল। নির্দেশনাত উল্লেখ থকা নীতি-নিয়ম কেইটামান হ'ল—

- বাতৰি-কাকতবোৰে জাহাজৰ চলাচল আৰু সৈন্য বাহিনীৰ নিযুক্তি/উপস্থিতিৰ বাতৰি ছপাব নোৱাৰিব।
- কোম্পানী আৰু কোনো ভাৰতীয় শাসকৰ মাজত ঘটনা সম্পৰ্কৰ অৱনতি বিষয়ক বাতৰি ছপাব নোৱাৰিব।
- শত্ৰুপক্ষই ব্যৱহাৰ কৰিব পৰা যিকোনো তথ্য অথবা উত্তেজনা বিপদৰ আশংকা বৃদ্ধি কৰিব পৰা কোনো মতামত ছপাব নোৱাৰিব।
- কোম্পানীৰ ৰাজহুৱা ঋণ নাইবা বিত্তীয় লেন-দেনৰ কোনো বিবৃতি ছপাব নোৱাৰিব।
- কোম্পানীৰ বিষয়াৰ জীৱন ধাৰণৰ সৈতে জড়িত কোনো মন্তব্য ছপাব নোৱাৰিব।

৩ নং প্ৰশ্নৰ উত্তৰঃ মেচিংক আৰু ৰীড

৪ নং প্ৰশ্নৰ উত্তৰঃ কেশৰী আৰু মাহৰট্টা

৫ নং প্ৰশ্নৰ উত্তৰঃ দ্য ইণ্ডিয়ান অ'পিনিয়ন, ১৯০৯

সম্বাদ কৌমুদী

৬ নং প্ৰশ্নৰ উত্তৰঃ ১৭৮২



২.১০ আহিঁ প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কিয় 'অমৃত বাজাৰ পত্ৰিকা'ক এখন ইংৰাজী ভাষাৰ বার্তাৰ-কাকতৰ ৰূপ দিয়া হৈছিল?

প্ৰশ্ন ২ ঃ ১৭৯৯ চনৰ প্ৰেছ ৰেগুলেশ্যনে কোনবোৰ কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক) ঃ

প্ৰশ্ন ১ ঃ ভাৰতৰ ছপা মাধ্যমৰ ইতিহাস আৰু মাধ্যমে লোৱা ভূমিকা বর্ণনা কৰক।

প্ৰশ্ন ২ ঃ বৃটিছ বিৰোধী আন্দোলনত সংবাদ মাধ্যমে লোৱা ভূমিকা বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক) ঃ

প্ৰশ্ন ১ ঃ আপোনাৰ পচন্দ অনুসৰি যিকোনো এগৰাকী প্ৰখ্যাত সাংবাদিকৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ এগৰাকী সাংবাদিক ৰূপে মহাত্মা গান্ধীৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া সাংবাদিকতাত 'অৰুণোদই'ৰ ভূমিকা বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ স্বাধীনতা আন্দোলন আৰু ভাৰতীয় সংবাদ মাধ্যম

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ যুগত ভাৰতত সাংবাদিকতাৰ বিকাশ
৩.৪ দমনমূলক ব্যৱস্থাৱলীৰ বিৰুদ্ধে সংবাদ মাধ্যমৰ সংগ্ৰাম
৩.৪.১ স্বাধীনতাৰ পূৰ্বে ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা
৩.৪.২ স্বাধীনতাৰ পিছত ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা
৩.৫ ছপা বনাম বৈদ্যুতিক মাধ্যম
৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৭ অধিক জানিবলৈ
৩.৮ অগ্ৰগতিৰ খতিয়ান
৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- ভাৰতত প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ যুগত সাংবাদিকতাৰ বিকাশ সম্পৰ্কে বৰ্ণনা দিবলৈ
- দমনমূলক ব্যৱস্থাৱলীৰ বিৰুদ্ধে সংবাদ মাধ্যমৰ সংগ্ৰাম সম্পৰ্কে বুজিবলৈ
- ছপা মাধ্যম বনাম বৈদ্যুতিক মাধ্যমক বিশ্লেষণ কৰিবলৈ

৩.২ পৰিচয়

ভাৰতীয় জাতীয়তাবাদ (ৰাষ্ট্ৰীয়তাবাদ)ৰ ক্ষেত্ৰত ভাৰতৰ সংবাদ মাধ্যমে সদায়ে গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰি আহিছে। প্ৰাক্-স্বাধীনতাৰ কালছোৱাত ভাৰতীয় জাতীয়তাবাদীসকলে দেশপ্ৰেম আৰু ৰাজনৈতিক দৃষ্টিভংগীৰ বাৰ্তা বিয়পাই দিবলৈ সংবাদ মাধ্যমক ব্যৱহাৰ কৰিছিল। জনমত গঠন আৰু ৰাজনৈতিক আন্দোলন সংগঠিত কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। এই অধ্যায়টোত ভাৰতত প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালত সাংবাদিকতাৰ বিকাশ, দমনমূলক নীতিৰ বিৰুদ্ধে ইয়াৰ সংগ্ৰাম আৰু ছপা মাধ্যম বনাম বৈদ্যুতিক মাধ্যমৰ বিষয়ে আলোচনা কৰা হ'ব।

৩.৩ ভাৰতত প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ যুগত সাংবাদিকতাৰ বিকাশ

জেমছ আগষ্টাছ হিকীয়ে ১৭৮০ চনৰ ২৯ জানুৱাৰীত ভাৰতৰ কলকাতাত প্ৰথমখন ইংৰাজী বাতৰিকাকতৰ প্ৰকাশ আৰম্ভ কৰিছিল। 'বেংগল গেজেট' ওৰফে 'কেলতাকা জেনেৰেল এডভাৰটাইজাৰ' নামৰ এই কাকতখন আছিল দুই পৃষ্ঠাৰ আৰু প্ৰতিটো পৃষ্ঠাত তিনিটাকৈ স্তম্ভ সম্বলিত। কাকতখন সাপ্তাহিক হিচাপে প্ৰকাশ পাইছিল। কাকতখনে নিজকে 'সকলো দলৰ বাবে মুকলি অথচ কোনো দলৰ দ্বাৰা প্ৰভাৱিত নোহোৱা সাপ্তাহিক ৰাজনৈতিক আৰু বাণিজ্যিক কাকত হিচাপে ঘোষণা কৰিছিল। কাকতখনত ইংলেণ্ডৰ ইংৰাজী বাতৰিকাকতবিলাকৰ বিষয়বস্তু, স্থানীয় লোক আৰু গ্ৰামাঞ্চলৰ পঢ়ুৱৈসকলৰ চিঠি-পত্ৰ, ইউৰোপীয় সম্প্ৰদায়ৰ স্বাৰ্থজড়িত নাৰীজনিত কেলেংকাৰীৰ গুজব আৰু কেলেংকাৰী আদি বিষয়বস্তু প্ৰকাশ কৰা হৈছিল। হিকীয়ে পঢ়ুৱৈসকলৰ সৈতে পোনপটীয়াকৈ ভাব বিনিময়ৰ উদ্দেশ্যে নিজৰ বাবে এটা স্তম্ভ সংৰক্ষণ কৰি ৰাখিছিল। হিকী আৰু তেওঁৰ কাকতখনৰ প্ৰতি প্ৰশাসনৰ দৃষ্টি নিবন্ধ হৈছিল আৰু উভয়ৰে প্ৰতি প্ৰশাসনে বিশেষ নজৰ ৰাখিছিল। কাকতখন গভৰ্ণৰ জেনেৰেল ৰাৱেন হেষ্টিংছ আৰু অন্যান্য উচ্চ পদস্থ লোকসকলৰ বিৰাগভাজন হৈছিল। একেটা বৰ্ষতে, ১৭৮০ চনত কলকাতাৰ সংবাদ জগতত এখন প্ৰতিদ্বন্দ্বী কাকতৰ আত্মপ্ৰকাশ ঘটিছিল— যাৰ নাম আছিল 'ইণ্ডিয়ান গেজেট'। মানৰ দিশৰ পৰা এই কাকতখন আছিল বহু বেছি উন্নত, ১৬ ইঞ্চি দৈর্ঘ্যৰ কাকতখনৰ পৃষ্ঠা সংখ্যা আছিল চাৰি, আখৰবোৰো আছিল অধিক উন্নত, তিনিটাকৈ স্তম্ভ সম্বলিত কাকতখনৰ ছপাও আছিল উন্নত মানৰ। কৰ্তৃপক্ষই 'ইণ্ডিয়ান গেজেট'ক ডাকযোগে প্ৰেৰণৰ সুবিধা প্ৰদান কৰিছিল যদিও এই সুবিধা হিকীৰ কাকতক দিয়া হোৱা নাছিল।


১৮১৮ চনত গংগা কিশোৰ ভট্টাচার্য আৰু ৰাজা ৰামমোহন ৰায়ে প্ৰথমখন বাংলা সাপ্তাহিক কাকত 'বেংগল গেজেট'ৰ প্ৰকাশ আৰম্ভ কৰিছিল। তাৰ পিছত ১৮১৮ চনৰে এপ্ৰিল মাহত বেপ্তিষ্ট মিছনেৰীসকলে শ্ৰীৰামপুৰ (Serampore)ৰ পৰা বাংলা ভাষাৰ মাহেকীয়া আলোচনী 'দিগ-দৰ্শন' প্ৰকাশ কৰিছিল। ইয়াৰ পিছত ১৮১৮ চনৰে ২৩ মে'ত সমাচাৰ দৰ্পন প্ৰকাশ কৰা হৈছিল। জেমছ ছিল্ক বাকিংহাম নামৰ ব্ৰিটিছ নাগৰিক এগৰাকীয়ে তেওঁৰ 'কেলকাতা জার্ণাল'ৰ জৰিয়তে ভাৰতত সমসাময়িক ইংৰাজী সাংবাদিকতাৰ সততা আৰু নান্দনিকতাৰ প্ৰকাশ ঘটাইছিল। ৰাজা ৰামমোহনে বাংলা ভাষাত সংবাদ কৌমুদী, ইংৰাজী ভাষাত ব্ৰাহ্মিনিকেল (ব্ৰাহ্মণ বিষয়ক) মেগাজিন আৰু পাৰ্চী ভাষাত মিৰাট-উল-আকবৰ প্ৰকাশ কৰাৰ লগতে সেই সময়ত প্ৰৱর্তন হৈ থকা প্ৰেছ আইন উদাৰ কৰাৰ উদ্দেশ্যে ভাৰতীয় আৰু ইউৰোপীয় সম্পাদকসকলক একত্ৰিত কৰিছিল। সংবাদ কৌমুদী সাধাৰণ মানুহৰ বাবে প্ৰাকশ কৰাৰ বিপৰীতে মিৰাট-উল-আকবৰ আছিল শিক্ষিত শ্ৰেণীৰ বাবে। ১৮৪৭ চনত প্ৰকাশিত 'ৰংপুৰ বার্তাবহ'ত প্ৰগতিশীল ধ্যান-ধাৰণাক প্ৰাধান্য দিয়াৰ উপৰি স্থানীয় বিষয়াসকলৰ বিৰুদ্ধে লেখা প্ৰকাশ কৰা হৈছিল। প্ৰাক্-স্বাধীনোত্তৰ কালত নাইটৰ লেখীয়া ইংৰাজ ভদ্ৰলোকে প্ৰতিষ্ঠা কৰা ইংৰাজী বাতৰিকাকতবোৰে 'প্ৰেছ অব্ ব্ৰিটিছ ৰাজ'ৰ নিয়ম উলংঘা কৰি ভাৰতত আমোলাতন্ত্ৰৰ যথেচ্ছাচাৰ,

স্কুলীয়া পাঠ্যপুথিত ভাৰতীয় সংস্কৃতিক অসন্মানজনকভাৱে অন্তর্ভুক্তি, কৰ ব্যৱস্থা আদিক সমালোচনা কৰিছিল। তদুপৰি, ভাৰতীয়সকলৰ আন্দোলন সম্পর্কত পক্ষপাতিতামূলক প্রতিবেদনৰ বিৰুদ্ধেও কাকতবোৰে মাত মাতিছিল। বর্তমানৰ বহুকেইখন ৰাষ্ট্রীয় পর্যায়ৰ ইংৰাজী দৈনিক বাতৰিকাকতৰ প্রচলন প্রাক্-স্বাধীনোত্তৰ যুগতে হৈছিল। সেই সময়ৰ বহু স্বাধীনতা যুঁজাৰু আৰু সমাজ সংস্কাৰকৰ পক্ষত বাতৰিকাকতবোৰে স্থিতি গ্রহণ কৰিছিল।

ওঠৰশ শতিকাৰ ৬০ৰ দশকত দেশখনত ভাৰতীয় ভাষিক সংবাদ মাধ্যম বিকশিত হৈছিল। এই সময়ছোৱাতে ভালেকেইখন বাতৰিকাকতৰ আত্ম-প্রকাশ ঘটিছিল। সেই সময়ত প্রকাশ আৰম্ভ হোৱা কেইবাখনো ইংৰাজী বাতৰিকাকতে আজিও জনপ্রিয়তা অর্জন কৰি আছে, যেনে— 'দ্যা টাইমছ অব্ ইণ্ডিয়া (১৮৬১), দ্যা পায়'নীয়াৰ (১৮৬১), দ্যা ষ্টেটছমেন (১৮৭৫) আৰু দ্যা হিন্দী (১৮৭৮)। জৱাহৱলাল নেহৰুৱে বাতৰিকাকতক ৰাষ্ট্রৰ পুনর্গঠন আৰু সমাজ ৰূপান্তৰৰ আহিলা বুলি অভিহিত কৰিছিল। নেহৰুৱে সংবাদ মাধ্যমৰ স্বাধীনতাক সমর্থন কৰাৰ লগতে ইয়াক গণতন্ত্রৰ এটা গুৰুত্বপূর্ণ অংশ ৰূপে গণ্য কৰিছিল। এনেদৰে ছপা মাধ্যমে স্বাধীনোত্তৰ যুগতো অৱদান আগবঢ়াই আহিছে। সংবাদ মাধ্যমে স্বাধীনতা সংগ্রামত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল আৰু জনমত গঠন আৰু তাৰ বিস্তাৰতো গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল। স্বাধীন ভাৰতত সংবাদ মাধ্যম চৰকাৰ আৰু জনসাধাৰণৰ মাজত আন্তঃ যোগাযোগৰ মাধ্যমত পৰিণত হয়।

স্বাধীনোত্তৰ কালত ইংৰাজী বাতৰিকাকতবোৰৰ মালিকীস্বত্ব কেৱল ভাৰতীয় অংশীদাৰৰ হাতলৈ যায়, তেওঁলোক আছিল মূলতঃ নগৰাঞ্চলকেন্দ্রিক। স্থানীয় বা-বাতৰি প্রকাশ কৰা আৰু সেইবোৰে অর্জন কৰা সমাদৰৰ বাবে আঞ্চলিক ভাষাৰ সংবাদ মাধ্যমে গ্রামাঞ্চলসমূহত অধিক জনপ্রিয়তা অর্জন কৰিছিল। ইংৰাজী ভাষাৰ বাতৰিকাকতবোৰ আছিল ঘাইকৈ নগৰকেন্দ্রিক ৰাষ্ট্রীয় দৈনিক বাতৰিকাকত। এই কাকতবিলাকৰ প্রচালন আছিল দেশজোৰা আৰু ভালেকেইটাকৈ সংস্কৰণ থকা এই কাকতবিলাকৰ বৃহৎ বৃহৎ বিত্ত যোগনিয়াৰ আৰু পৃষ্ঠপোষক আছিল। নগৰাঞ্চলবোৰত পঢ়ুৱৈ সমাজৰ ক্রয় ক্ষমতা উন্নত হোৱাৰ পৰিপ্রেক্ষিতত বাতৰিৰ অনুপাত হ্রাস পাইছিল আৰু কাকতবোৰত বিজ্ঞাপনৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছিল। টেবলইড জার্ণেলিজম (সংক্ষিপ্ত আৰু সহজগ্রাহ্যভাৱে বাতৰি পৰিৱেশন), পেইড নিউজ (ধনৰ বিনিময়ত বাতৰি প্রকাশ) আৰু গুজব-ৰটনা আদি আনকি বিজ্ঞাপনৰ আচ্ছাদনতো ৰাষ্ট্রীয় দৈনিক কাকতসমূহত পৰিৱেশন কৰা হৈছিল। ভাৰতত ইংৰাজী ভাষাৰ সংবাদ মাধ্যমবোৰৰ মালিকীস্বত্ব ঘাইকৈ ব্যৱসায়িক গোষ্ঠীবোৰৰ হাতত ন্যস্ত হোৱাৰ ফলত সংবাদ মাধ্যম কার্যতঃ তেওঁলোকৰ ওচৰত কেন্দ্রীভূত আৰু কর্তৃত্বশীল হৈ পৰিছিল। ভাৰতীয় ইংৰাজী বাতৰিকাকত, বিদেশী সংবাদ সংস্থা আৰু ব্যৱসায়িক সংস্থাসমূহৰ মাজত সহযোগিতা হোৱাত এক বিশ্বায়নিক সংস্কৃতি গঢ়ি তোলা আৰু তথ্যৰ মুক্ত সৰবৰাহত সহায়ক হৈছিল। অৱশ্যে, এনে ক্ষেত্রত ন্যস্ত স্বার্থজড়িত মহলবোৰে আগস্থান পোৱাত আৰু অন্যান্যসকল অৱহেলিত হোৱাৰ সুযোগ ওলাইছিল। ছপা মাধ্যমৰ মূল উদ্দেশ্য হৈছে তথ্যৰ প্রকাশ আৰু জনপ্রিয় দৃষ্টিভংগী অথবা মতামত প্রকাশ কৰা। সংবাদ মাধ্যমে আর্কাইভৰ দৰে সেৱা আগবঢ়ায় তথ্য-প্রমাণাদি সংৰক্ষণ কৰে আৰু এইবোৰক

ভৱিষ্যতৰ প্ৰসংগ হিচাপে উল্লেখ কৰিব পাৰি। ভাৰতৰ ছপা মাধ্যমৰ উদ্যোগত সৰহ সংখ্যক বাতৰিকাকত আৰু প্ৰকাশন গোষ্ঠীয়েই ব্যক্তিগত প্ৰতিষ্ঠানৰ মালিকানাধীন আৰু সেয়ে এইবিলাক চৰকাৰী নিয়ন্ত্ৰণমুক্ত। ভাৰতীয় ছপা মাধ্যমে চৰকাৰৰ বিভিন্ন নীতি আৰু কাৰ্যাৱলী বিশ্লেষণ কৰি চৰকাৰখন উন্নত পৰ্যায়ৰ গণতান্ত্ৰিকভাৱে পৰিচালনাত সহায় কৰিব পাৰে। এনেদৰে বাতৰিকাকতসমূহে স্বাধীনতাৰ সময়ৰে পৰা সমাজৰ কল্যাণ, উন্নয়ন আৰু বিকাশত আঞ্চলিক পৰ্যায়ৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰথমখন ইংৰাজী বাতৰিকাকত 'বেংগল গেজেট'ৰ বিষয়বস্তু কি কি আছিল?

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ১৮৬০ চনৰ পিছত প্ৰকাশ পোৱা আৰু বৰ্তমানলৈকে চলি থকা কেইখনমান ইংৰাজী দৈনিক কাকতৰ নাম লিখক।

.....

.....

.....

৩.৪ দমনমূলক ব্যৱস্থাৱলীৰ বিৰুদ্ধে সংবাদ মাধ্যমৰ সংগ্ৰাম

প্ৰশাসনিক আৰু সামাজিক সংস্কাৰত স্বাধীন সংবাদ মাধ্যম (মুক্ত সংবাদ মাধ্যম)ৰ ক্ষমতাৰ বিষয়ে জ্ঞাত হৈও ভাৰতীয় সংবাদ মাধ্যমক ভালেমান দমনমূলক ব্যৱস্থাৰ সন্মুখীন কৰোৱাৰ লগতে ইয়াৰ ক্ষমতা কৰ্তনৰ দিহা কৰা হৈছিল। ১৮৬২ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেওঁলোকৰ কোনো কৰ্মচাৰী যাতে কোনো প্ৰকাৰে সংবাদ মাধ্যমৰ সৈতে জড়িত হ'ব নোৱাৰে, তাৰ বাবে আমহাৰ্ষ্ট চাৰ্কুলাৰ জাৰি কৰি নিষেধাজ্ঞা আৰোপ কৰিছিল। অৱশ্যে, ১৮৩৫ চনত ছাৰ চালৰ্ছ মেটকাল্‌ফেই এখন আইন প্ৰণয়ন কৰি সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰা আইনবিলাক ৰদ কৰিছিল। ১৮৫৭ চনত স্বাধীনতাৰ প্ৰথম সংগ্ৰামৰ সূচনা হোৱাৰ পৰিপ্ৰেক্ষিতত গৱৰ্ণৰ জেনেৰেল লৰ্ড কেনিঙে একে বছৰে ১৩ জুনত 'গেজিং এক্ট' নামে পৰিচিত এখন আইন প্ৰৱৰ্তন কৰি সংবাদ মাধ্যমক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছিল। ইয়াৰ পিছত ১৮৭৮ চনত বলৱৎ কৰা হৈছিল কুখ্যাত 'ভাৰ্ণাকুলাৰ প্ৰেছ এক্ট' —যাৰ জৰিয়তে একাংশ ভাৰতীয় সংবাদ মাধ্যমৰ বিৰুদ্ধে 'বিদ্ৰোহ আৰু অৱমাননা'ৰ বিচাৰ প্ৰক্ৰিয়া উজু কৰা হৈছিল।

৩.৪.১ স্বাধীনতাৰ পূৰ্বে ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা

তেতিয়াৰ শাসক শ্ৰেণীৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত নথকা সংবাদ মাধ্যমে দেশৰ স্বাধীনতা আন্দোলনৰ বিষয়ে জনাই থকাৰ বাবে চেন্সৰশ্বিপৰ দ্বাৰা আৰোপিত নীতি-নিয়ম উলংঘা কৰিবলৈ লৈছিল। কৰ্তৃপক্ষই সংবাদ মাধ্যমক অবিস্বাস কৰিছিল ৰু কঠোৰ অনুজ্ঞা-পত্ৰ ব্যৱস্থা আৰোপ কৰাৰ লগতে বাতৰিকাকত প্ৰকাশৰ ক্ষেত্ৰত পঞ্জীয়নৰ নিয়মো কঠোৰ কৰিছিল। হিকীয়ে বাতৰিকাকত প্ৰকাশৰ লগে লগে জন্ম হোৱা ভাৰতীয় সংবাদ মাধ্যমে সদায়ে স্বাধীনতাৰ পৰা নিয়ন্ত্ৰণ আৰু পৃষ্ঠপোষকতাৰ মাজলৈ গতি কৰিছিল। এনেদৰে, যিসময়ত হিকী সংবাদ মাধ্যমৰ স্বাধীনতাত দৃঢ় বিশ্বাসী আছিল, বংগৰ গভৰ্ণৰ জেনেৰেল ৰাৰেন হেষ্টিংছে সংবাদ মাধ্যমক নিয়ন্ত্ৰণত ৰাখিব বিচাৰিছিল— কিয়নো সংবাদ মাধ্যমে চৰকাৰক 'অপযশ' দি বাতৰি প্ৰকাশ কৰিছিল। ১৭৯৯ চনৰ ২৯ জুনত সকলো সংবাদ-পত্ৰকে প্ৰাক্-চেন্সৰশ্বিপৰ নিৰ্দেশ দিয়া হৈছিল। ১৭৯৯ চনৰ ১৩ মে'ত এখন নতুন আইন গৃহীত কৰা হৈছিল, যাৰ জৰিয়তে প্ৰত্যেকখন বাতৰিকাকতকে মুদ্ৰকৰ নাম প্ৰকাশৰ উপৰি সম্পাদক আৰু স্বত্বাধিকাৰীৰ নাম-ঠিকনা সন্নিৱিষ্ট কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছিল। ৰাৰেন হেষ্টিছৰ লেখীয়াকৈ তেওঁৰ আগেয়েও ৰেলেছলিয়ে সৰ্বসাধাৰণ ৰাইজক অজ্ঞতাৰ মাজত ৰাখি ক্ষমতা বৰ্তাই ৰখাৰ উদ্দেশ্যে সংবাদ মাধ্যমক সীমাৱদ্ধতাৰ মাজত ৰখাটো বিচাৰিছিল।

অষ্টাদশ শতিকাটোৱে সংবাদ মাধ্যমৰ ওপৰত নিয়ন্ত্ৰণৰ সাক্ষ্য বহন কৰে। চৰকাৰ অথবা কোনো বিষয়াৰ আস্থাভাজন ৰূপে ইতিমধ্যে পৰিচিত কোনো ব্যক্তিয়ে যদি বাতৰিকাকত প্ৰকাশ কৰিবলৈ বিচাৰিছিল, তেওঁক লগে লগে বদলি অথবা স্থানান্তৰ কৰা হৈছিল। ঊনৈশ শতিকাৰ প্ৰথম দুটা দশকত ৰেলেছলিয়ে সংবাদ মাদ্যমৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰা পৰিলক্ষিত হৈছিল। সংবাদ মাধ্যমৰ বাবে আৰোপ কৰা নিয়মাৱলী অনুসৰি যিকোনো বাতৰিকাকত মুদ্ৰক, সম্পাদক আৰু স্বত্বাধিকাৰীৰ নাম প্ৰকাশ কৰিব লাগিছিল, তেওঁলোকে নিজকে চৰকাৰৰ ওচৰত ঘোষণা কৰাৰ বাবে। তদুপৰি, কাকত প্ৰকাশ কৰিবলগীয়া সকলো লেখা আগতীয়াকৈ পৰীক্ষাৰ বাবে চৰকাৰৰ ওচৰত দাখিল কৰিব লাগিছিল। লৰ্ড ওৱেলছলিৰ দিনৰ পৰা লৰ্ড মিণ্টো (১৮১০-১৮১৩)ৰ সময়লৈ বাতৰিকাকত অথবা সংবাদ মাধ্যমৰ কোনো বিকাশ হোৱা নাছিল। ১৮১৩ চনত লৰ্ড হেষ্টিংছ লৰ্ড মিণ্টোৰ স্থলাভিষিক্ত হয়— যাৰ শিক্ষা বিষয়ৰ লগত সংবাদ মাধ্যমৰ প্ৰতি উদাৰ আৰু প্ৰগতিশীল দৃষ্টিভংগী থকা বুলি খ্যাতি আছিল। ১৭৯৯ চনত লৰ্ড ওৱেলছলিয়ে আৰোপ কৰা প্ৰাক্-চেন্সৰশ্বিপ বিষয়ক সংবাদ মাধ্যমৰ নিয়ম ১৮১৮ চনত ৰদ কৰা হৈছিল।

জন আদম ক্ষমতাসীন হোৱাৰ লগে লগে সংবাদ মাধ্যমৰ স্বাধীনতা সংবাদ মাধ্যমৰ নিয়ন্ত্ৰণলৈ পৰ্যবসিত হৈছিল। 'আদমছ্ গেজ' নামে জনাজাত এখন আইন ১৮২৩ চনত গৃহীত হৈছিল। আইনখন নিম্নলিখিত বিষয়বিলাক অন্তৰ্ভুক্ত হৈছিল—

১) অনুজ্ঞা-পত্ৰ অবিহনে গ্ৰন্থ আৰু বাতৰিকাকতৰ প্ৰকাশ আৰু ছপাশাল ব্যৱহাৰ নিষিদ্ধকৰণ।

২) নিষেধাজ্ঞা উলংঘনৰ ক্ষেত্ৰত এহেজাৰ টকা জৰিমনা অথবা সৰ্বাধিক ছমাহ বিনাশ্ৰম কাৰাদণ্ড।

১৮২৩ চনৰ প্ৰেছ অধ্যাদেশৰ বিৰুদ্ধে প্ৰথমে উচ্চতম ন্যায়ালয় আৰু পিছত প্ৰিভী কাউন্সিলত ৰাজা ৰামমোহন ৰায়ৰ গোচৰ আৰু চৰকাৰৰ দমনমূলক অধ্যাদেশৰ প্ৰতিবাদকল্পে তেওঁৰ মিৰাট-উল-আকবৰ প্ৰকাশ বন্ধৰ দৰে কাৰ্যৰ বাবে ৰাজা ৰামমোহন ৰায়ে ভাৰতীয় সংবাদ মাধ্যমৰ বুৰঞ্জীত মৰ্যাদাপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল।

১৮১৮ চনত ছাৰ জেমছ ছিল্ক বাৰ্কিংহামৰ সংবাদ মাধ্যমৰ স্বাধীনতাৰ সংগ্ৰামৰ প্ৰতি অৱদানক কীৰ্তিস্তম্ভ ৰূপে অভিহিত কৰিব পাৰি, তেওঁ বিশ্বাস কৰিছিল যে গভৰ্ণৰসকলক তেওঁলোকৰ কৰ্তব্য সম্পৰ্কে সতৰ্ক কৰাটো তেওঁৰ কৰ্তব্য। কিন্তু এয়া কিছু সংখ্যক লোকৰ পক্ষে সন্মতি দিব পৰা বিষয় নাছিল। যেতিয়া জন আদম নতুন ভাৰপ্ৰাপ্ত গভৰ্ণৰ জেনেৰেল পদত অভিষিক্ত হৈছিল, 'ক্যালকাটা জাৰ্ণাল'-এ প্ৰকাশ বন্ধ কৰিবলৈ বাধ্য হৈছিল আৰু তেওঁ একেটা বছৰতে বাৰ্কিংহামৰ ইংলেণ্ড প্ৰত্যাগমন ত্বৰান্বিত কৰিছিল। আদমৰ স্থলাভিষিক্ত হোৱা লৰ্ড আমহাৰ্ষ্টে ১৮২৫ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কোনো চাকৰিয়ালক সংবাদ মাধ্যমৰ সৈতে জড়িত হোৱাটো বাৰণ কৰি নিয়ম জাৰি কৰিছিল। ১৮২৮ চনত যেতিয়া লৰ্ড উইলিয়াম কেভেনডিছ বেণ্টিংক ক্ষমতালৈ আহিল, তেওঁ সংবাদ মাধ্যমৰ নীতি-নিয়মত সংস্কাৰ সাধন কৰিলে। তেওঁ ভাৰতত সংবাদ মাধ্যমৰ সুযোগ-সুবিধাৰ বিষয়ে বুজিব পাৰিছিল। তেওঁৰ কাৰ্যকালতে ভাৰতীয় ভাষিক বাতৰিকাকতৰ বিকাশ আৰম্ভ হ'ল। ১৮৩৫ চনত গভৰ্ণৰ জেনেৰেল লৰ্ড মেটকাল্‌ফ ক্ষমতালৈ আহিল। নিযুক্তি পোৱাৰ পিছতে তেওঁ লৰ্ড মেকাওলেক আইন আয়োগে প্ৰস্তুত কৰি থকা সংবাদ মাধ্যমৰ আচৰণ বিধি বিষয়ক খচৰাৰ সৈতে সংগতিপূৰ্ণ হোৱাকৈ 'প্ৰেছ এক্ট' খচৰা প্ৰস্তুত কৰিবলৈ আহ্বান জনালে। মেকাওলেই এখন নতুন আইনৰ পোষকতা কৰি আঙুলিয়াই দিলে যে সেই সময়ত বলৱৎ হৈ থকা অনুজ্ঞা-পত্ৰৰ নীতি-নিয়মবিলাক ত্ৰুটীপূৰ্ণ আৰু ভাৰতৰ সংবাদ মাধ্যমক স্বাধীনতা প্ৰদান কৰা উচিত। ১৮৩৫ চনৰ ৩ আগষ্টত বেণ্টিংকৰ উত্তৰাধিকাৰী মেটকালফে কাউন্সিলৰ সৰ্বসন্মত সমৰ্থন লৈ 'প্ৰেছ এক্ট, ১৮৩৫' গৃহীত কৰালে— যিখন আইন ভাৰতৰ ইতিহাসত আটাইতকৈ উদাৰ প্ৰেছ এক্ট হিচাপে পৰিগণিত হৈছিল। ইপিনে, মেটকালফেৰ স্থলাভিষিক্ত হোৱা লৰ্ড অকলেণ্ডে ১৮৪২ চনলৈকে গভৰ্ণৰ জেনেৰেল পদত কাৰ্যনিৰ্বাহ কৰিছিল। সংবাদ মাধ্যমৰ স্বাধীনতাৰ পোষকতা কৰা আৰু মেটকালফেৰ উদাৰ আইনখনক সমৰ্থন কৰা গভৰ্ণৰ জেনেৰেল অকলেণ্ড ভাৰতীয় সংবাদ মাধ্যমৰ বাবে স্মৰণীয় হৈ থাকিব।

ব্রিটিছ শাসনৰ বিৰুদ্ধে ১৮৫৭ চনত সংঘটিত চিপাহী বিদ্রোহৰ পিছত লর্ড কেনিঙে বাতৰিকাকত আৰু আলোচনীৰ ওপৰত কুখ্যাত গেগিং এক্ট (কণ্ঠৰোধ আইন) আৰোপ কৰিছিল। যিকোনো কাকত অথবা আলোচনী প্ৰকাশ কৰিবলৈ হ'লে একোখনকৈ অনুমতি-পত্ৰ (পাৰ্মিট)ৰ প্ৰয়োজন হৈছিল আৰু তেনে অনুমতি-পত্ৰ প্ৰদানৰ ক্ষেত্ৰত চৰকাৰে সকলো কৰ্তৃত্ব নিজৰ হাতত ৰাখিছিল। ১৮৬৪ চনত লর্ড লৰেন্সে ভাৰতৰ ভাইচৰয় হিচাপে দায়িত্ব গ্ৰহণ কৰে। তেওঁৰ প্ৰশাসনিক কাৰ্যকালৰ সময়তে 'প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেশ্যন অব্ বুক এক্ট, ১৮৬৭' নামৰ যুগান্তকাৰী আইনখন গৃহীত হৈছিল। এই আইনে মেটকালফেৰ উদাৰ আইনখন ৰদ কৰিছিল। ১৮৭০ চনৰে পৰা ভাৰতীয় দণ্ডবিধিয়ে যাতে সংবাদ মাধ্যমৰ জৰিয়তে ৰাজহুৱা শৃংখলাৰ প্ৰতি আহিব পৰা ভাবুকিৰ বিষয়কো 'ঋণাত্মক' ধৰণে সামৰি লয়, তাৰ প্ৰণালীবদ্ধ ব্যৱস্থা কৰা হৈছিল। পিছত ১৮৮১ চনত ভাৰতলৈ ভাইচৰয় হিচাপে প্ৰেৰণ কৰা লর্ড ৰিপনে আইনখন ৰদ কৰে। ৰিপনে তেওঁৰ সৌহাদ্যমূলক নীতি আৰু সংস্কাৰৰ সৈতে সামঞ্জস্য ৰাখি স্বদেশী সংবাদ মাধ্যমৰ স্বাধীনতাৰ হকে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল।

১৮৯৯ চনত ভাৰতৰ ভাইচৰয় হিচাপে লর্ড কার্জনে দায়িত্বভাৰ গ্ৰহণ কৰে। ১৯০৩ চনত চৰকাৰী গোপনীয়তা আইন গৃহীত হয়। এই আইনৰ আন কোনো উদ্দেশ্য নাছিল, সংবাদ মাদ্যমৰ স্বাধীনতা খর্ব কৰাৰ অতিৰিক্ত আহিলা হিচাপে ব্যৱহাৰৰ বাহিৰে। ১৯০৫ চনত বংগ ভংগৰ সিদ্ধান্তই বিদ্রোহৰ মাত্রা বৃদ্ধি কৰে আৰু সাংবাদিকতাতো বিদ্রোহী সুৰ প্ৰকট হয়। অৰবিন্দ ঘোষৰ কনিষ্ঠ ভাতৃ বাৰিন্দ্র কুমাৰ ঘোষে ১৯০৬ চনত বৈপ্লৱিক ভাবাদর্শৰে 'যুগান্তৰ' পত্রিকা প্ৰতিষ্ঠা কৰে। একে সময়তে পঞ্জাৱত লাজপত ৰায়ে 'বন্দে মাতৰম' নামৰ বাতৰিকাকত এখন প্ৰকাশ কৰি বংগ বিভক্তকৰণৰ বিৰুদ্ধে সংগঠিত হোৱা আন্দোলনৰ প্ৰতি সহমর্মিতা প্ৰকাশ কৰে। 'বন্দে মাতৰম'ত প্ৰকাশিত লেখনিৰ বাবে অৰবিন্দ ঘোষক কর্তৃপক্ষই জাননী জাৰি কৰে। আনহাতে, ১৮৮১ চনত ১ জানুৱাৰীত বাল গংগাধৰ তিলকে মাৰাঠী ভাষাত 'কেশৰী' নামৰ সাপ্তাহিক কাকত এখনৰ প্ৰকাশ আৰম্ভ কৰে। তিলকৰ লগতে আগাৰকাৰ আৰু ছিপ্লংকাৰে ইংৰাজী ভাষাত 'মাৰাঠা' নামৰ আন এখন সাপ্তাহিক কাকত প্ৰকাশ কৰে। 'ডেক্কান ষ্টাৰ', 'নম যোশী'ৰ সম্পাদকেও তেওঁলোকৰ সৈতে যোগ দিয়ে আৰু তেওঁৰ কাকতো মাৰাঠাৰ অন্তর্ভুক্ত কৰে। লোকমান্য বাল গংগাধৰ তিলকৰ কাকতকেইখন স্বাধীনতা আন্দোলনৰ প্ৰচাৰ মাধ্যম ৰূপে পৰিগণিত হয়। এই কাকতকেইখনে বংগ বিভাজনৰ বিৰুদ্ধে হোৱা আন্দোলনক ৰাষ্ট্রীয় বিষয় হিচাপে প্ৰতিষ্ঠা কৰে।

লর্ড কার্জনৰ স্থলাভিষিক্ত হোৱাৰ পিছত লর্ড মিল্টোৱে ১৯০৮ চনৰ জুন মাহত 'নিউজ পেপার্ছ (ইনছাইটমেণ্টছ টু অফেন্স) এক্ট, গৃহীত কৰে। এই আইনৰ জৰিয়তে চৰকাৰৰ দৃষ্টিভংগীত বিদ্রোহমূলক কার্যৰ প্ৰতি উদ্গনি যোগাব পৰা যিকোনো বাতৰি অথবা লেখা প্ৰকাশ কৰা কোনো সম্পাদকৰ বিৰুদ্ধে ন্যায়িক ব্যৱস্থা গ্ৰহণ কৰিব পৰাকৈ

কর্তৃপক্ষসমূহক ক্ষমতা প্রদান কৰা হয়। বংগ বিভাজন, দেশৰ বিবিন্ন ঠাইত সংঘটিত হিংসাত্মক ঘটনা আৰু ব্রিটিছ নাগৰিকক হত্যাৰ ঘটনাৰাজিয়ে উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এনে পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ ১৯১০ চনত 'ইণ্ডিয়ান প্রেছ এক্ট' নামৰ এখন নতুন আইন গৃহীত কৰা হৈছিল আৰু এই আইনত থকা দফাবিলাকে ছপাশাল আৰু প্রকাশকসকলৰ ওপৰত চৰকাৰী নিয়ন্ত্রণ বৃদ্ধি কৰিছিল। ১৯১০ চনৰ পৰা ১৯১৪ চনলৈ চৰকাৰে ছপাশালবোৰৰ বিৰুদ্ধে ৩৫৫টা গোচৰ (সতর্কবাণী, সুৰক্ষা দাবী আৰু বিচাৰ) আৰম্ভ কৰিছিল। ১৯২২ চনত কেন্দ্রীয় বিধানসভাই প্রেছ-আইন সম্পর্কে অনুসন্ধানৰ বাবে নিযুক্ত কমিটীৰ পৰামর্শৰ ভিত্তিত ১৯১০ চনৰ 'নিউজপেপাৰ (ইনছাইটমেণ্ট টু অফেন্স) আইন প্রত্যাহাৰ কৰিছিল।

১৯৩১ চনত লর্ড উইলিংটনে ভাৰতত ভাইচৰয় হিচাপ কার্যভাৰ গ্রহণ কৰে। তেওঁৰ প্রথমটো দমনমূলক ব্যৱস্থা হৈছে 'ইণ্ডিয়ান প্রেছ (ইমাৰজেন্সী পাৱার্ছ) এক্ট, ১৯৩১' প্রণয়ন। ১৯০৮, ১৯১০ আৰু ১৯৩০ চনৰ আইনৰ লেখীয়াকৈ এইখন আইনেও স্থানীয় দণ্ডাধীশসকলক তেওঁলোকৰ ইচ্ছানুসৰি প্রকাশক আৰু মুদ্রকসকলৰ পৰা এহেজাৰ টকা পর্যন্ত আমানতৰ ধন আদায় কৰাৰ ক্ষমতা প্রদান কৰিছিল। ১৯৪০ চনৰ ২৫ অক্টোবৰত ভাৰত চৰকাৰে এটা নির্দেশৰ জৰিয়তে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰে। ইয়াৰ জৰিয়তে কোনো মুদ্রক, প্রকাশকক ব্রিটিছ ভাৰতত যুদ্ধ অব্যাহত ৰখাৰ বিৰোধিতাক প্ররোচিত কৰিব পৰা ধৰণৰ প্রত্যক্ষ অথবা পৰোক্ষভাৱে কোনো লেখা আৰু বা-বাতৰিৰ প্রকাশ নিষিদ্ধ কৰা হৈছিল। তেনেদৰে এই উদ্দেশ্যে, প্রত্যক্ষ অথবা পৰোক্ষভাৱে তেনে বিৰোধিতাক উদ্‌গনি দিব পৰা কোনো সভা-সমিতি, বক্তৃতাৰ বা-বাতৰি প্রকাশো নিষিদ্ধ কৰা হৈছিল। লগতে কোৱা হৈছিল কেন্দ্রীয় চৰকাৰ অথবা কোনো প্রাদেশিক চৰকাৰে প্রকাশৰ বাবে সংবাদ মাধ্যমলৈ যাৱতীয় নির্দেশনা জাৰি নকৰিলে উল্লিখিত কোনো বিষয় প্রকাশ কৰিব নোৱাৰিব। ১৯৪২ চনত ভাৰত ত্যাগ প্রস্তাৱ গ্রহণৰ পিছত সংবাদ মাধ্যমৰ ওপৰত নতুন নিষেধাজ্ঞা জাৰি কৰা হৈছিল।

৩.৪.২ স্বাধীনতাৰ পিছত ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা

স্বাধীনতাৰ আগেয়ে সংবাদ মাধ্যমৰ প্রতি চৰকাৰৰ দৃষ্টিভংগী ক্ষমতাধিষ্ঠিত গৱর্ণৰ জেনেৰেল আৰু ভাইচৰয়সকলৰ ওপৰত নির্ভৰ কৰিছিল আৰু স্বাধীনতাৰ পিছত ই নির্ভৰ কৰিছিল সেই সময়ত প্রধানমন্ত্রীগৰাকীৰ ওপৰত। স্বাধীনোত্তৰ কালত সংবাদ মাধ্যমে বৃহৎ পৰিসৰৰ স্বাধীনতা উপভোগ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ কাৰণ আছিল দেশৰ প্রথমগৰাকী প্রধানমন্ত্রী পণ্ডিত জৱাহৰলাল নেহৰুৰ উদাৰ দৃষ্টিভংগী। নেহৰুৱে উপলব্ধি কৰিছিল যে গণতান্ত্রিক ব্যৱস্থাত সফলতাৰে কাম-কাজ সম্পাদন কৰিবলৈ হ'লে সংবাদ মাধ্যমৰ স্বতন্ত্রতা অতিকৈ প্রয়োজনীয়। অৱশ্যে নেহৰুৱে সংবাদ মাধ্যমৰ স্বাধীনতাত বিশ্বাস কৰিলেও আৰু তেওঁ উদাৰ দৃষ্টিভংগী সম্পন্ন হ'লেও ১৯৫১ চনৰ

২৩ অক্টোবৰত 'দ্যা প্রেছ অব্‌জেকশ্যনেব'ল মেটার্ছ এক্ট' নামৰ এখন নতুন আইন গৃহীত কৰিছিল। ভাৰতত সাম্প্রদায়িক বিদ্বেষ বৃদ্ধিত বাতৰিকাকতৰ ভূমিকা সম্পর্কত উদ্বিগ্ন হৈয়েই তেওঁ এনে এখন আইনৰ পোষকতা কৰিবলগীয়া হৈছিল। এই আইন গৃহীতকৰণৰ বিৰুদ্ধে সমগ্র দেশৰে বিভিন্ন কাকত-আলোচনীৰ সম্পাদক আৰু সাংবাদিকসকলে প্রতিবাদ জনাইছিল। 'অল ইণ্ডিয়া নিউজ পেপার্ছ এডিটর্ছ কনফাৰেন্স', 'ইণ্ডিয়ান ফেডাৰেশ্যন অব্‌ ওৱর্কিং জার্ণেলিষ্টছ' (আই-এফ-ডব্লিউ-জে') আৰু 'লেংগুৱেজ নিউজ পেপার্ছ এছ'চিয়েশ্যন'-এ 'প্রেছ (অব্‌জেকশ্যনেব'ল মেটার্ছ) এক্ট'ৰ বিৰুদ্ধে প্রস্তাৱ গ্রহণ কৰিছিল। অৱশেষত, সাংবাদিকসকলক প্রশমিত কৰাৰ উদ্দেশ্যে ১৯৫২ চনৰ অক্টোবৰত নেহৰুৱে ভাৰতত সংবাদ মাধ্যম সম্পর্কীয় সমগ্র বিষয় চোৱা-চিতাৰ বাবে একাংশ বিশিষ্ট ব্যক্তিক লৈ 'প্রেছ কমিছন' গঠনৰ কথা ঘোষণা কৰিছিল। ১৯৫৬ চনত 'প্রেছ (অব্‌জেকশ্যনেব'ল মেটার্ছ) এক্ট' বাদ পৰিবৰ্লৈ দিয়া হৈছিল।

শ্রীমতী ইন্দিৰা গান্ধী আছিল কর্তৃত্ববাদী আৰু তেওঁ সংবাদ মাধ্যমৰ স্বাধীনতা খর্ব কৰাত বিশ্বাসী আছিল। ১৯৭২ চনত পাকিস্তানৰ বিৰুদ্ধে যুদ্ধ ঘোষিত হোৱাত শ্রীমতী গান্ধীয়ে সংবাদ মাধ্যমৰ স্বাধীনতা কর্তনৰ পথ গ্রহণ কৰে। ৪ ডিচেম্বৰত 'ভাৰতৰ প্রতিৰক্ষা আৰু আভ্যন্তৰীণ নিৰাপত্তা আইন'ত স্বাক্ষৰ কৰা হৈছিল। এই আইনৰ জৰিয়তে ভাৰতৰ প্রতিৰক্ষা আৰু নিৰাপত্তাৰ পৰিপন্থী কোনো বাতৰিকাকত, গ্রন্থ অথবা অন্য কোনো নথি-পত্র ছপা অথবা প্রকাশ নিষিদ্ধ কৰা হৈছিল; আইনখনত কোনো বাতৰিকাকত অথবা প্রকাশকৰ পৰা আমানত দাবী কৰাৰ দিহা থকাৰ লগতে ইতিমধ্যে প্রদান কৰা আমানত বাজেয়াপ্ত কৰা; কোনো অৱমাননাসূচক বিষয় সন্নিৱিষ্ট ছপা সামগ্রীৰ কপি বাজেয়াপ্ত কৰাৰ বাবে আৰু তেনে ছপাশাল বন্ধ কৰি দিয়াৰ বাবে চৰকাৰক ক্ষমতা প্রদান আৰু ৰাজ্যিক চৰকাৰ আৰু স্থানীয় নিকায়বোৰক চেন্সৰশ্বিপ প্রৱর্তনৰ বাবে ক্ষমতা প্রদানৰ ব্যৱস্থা ৰখা হৈছিল। সংবাদ মাধ্যমৰ প্রতি শ্রীমতী গান্ধীৰ বিদ্বেষ অব্যাহত আছিল আৰু ১৯৭৫ চনৰ ২৬ জুনত দেশত আভ্যন্তৰীণ জৰুৰী অৱস্থা ঘোষণাৰ পিছত ই অধিক ব্যাপকতা লাভ কৰিছিল। জৰুৰীকালীন অৱস্থা ১৯ মাহলৈ বর্তি আছিল আৰু এইছোৱা সময় স্বাধীনোত্তৰ ইতিহাসত সংবাদ মাধ্যমত স্বাধীনতাৰ আটাইতকৈ ক'লা সময়ৰূপে পৰিগণিত হৈছিল। চৰকাৰে 'চেণ্ট্রেল চেন্সৰশ্বিপ অর্ডাৰ' আৰু 'সাম্প্রতিক জৰুৰীকালীন অৱস্থাত সংবাদ মাধ্যমৰ বাবে নির্দেশিকা' জাৰি কৰিছিল।

১৯৭৬ চনৰ ১১ ফেব্রুৱাৰীত এই বিষয়ক আইনত অনুমোদন জনাই শ্রীমতী গান্ধীৰ চৰকাৰে সাংবাদিকসকলক 'উপহাৰ' দিছিল 'আপত্তিজনক বিষয়বস্তুৰ প্রকাশ নিবাৰক আইন, ১৯৭৬'। এই আইনখনত ১৯০৮, ১৯১০, ১৯৩০, ১৯৩১, ১৯৩২ আৰু ১৯৫১ চনৰ আইনকেইখনত থকা সকলো দমনমূলক ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছিল। এই আইনত সন্নিৱিষ্ট দফাসমূহ ভাৰতৰ সকলো ভূ-খণ্ডৰ বাবে প্রযোজ্য কৰা হৈছিল আৰু ইয়াক ১৯৭৫ চনৰ ৮ ডিচেম্বৰৰ পৰা কার্যকৰী হোৱাকৈ বলৱৎ কৰা হৈছিল।

আইনখনে কেন্দ্রীয় চৰকাৰ অথবা যথাযোগ্য কর্তৃপক্ষসমূহক (নির্দিষ্ট পদ-মর্যাদাৰ ওপৰৰ কেন্দ্রীয় শাসিত অঞ্চলবোৰৰ বিষয়াসকল) দেশৰ সার্বভৌমত্ব আৰু ঐক্যৰ পৰিপন্থী; বিদেশৰ ৰাষ্ট্রসমূহৰ সৈতে বন্ধুত্বমূলক সম্পর্ক, ৰাজহুৱা শৃংখলা, নম্রতা, নৈতিকতা বিৰোধী লেখনিৰ লগতে আইন-শৃংখলা পৰিস্থিতি উলংঘাক উচটনি দিব পৰা লেখনিৰ প্রকাশত নিষেধাজ্ঞা জাৰি কৰিবলৈ ক্ষমতা প্রদান কৰিছিল। এই আইনখনৰ জৰিয়তে যথাযোগ্য কর্তৃপক্ষসমূহক আপত্তিজনক বিষয়বস্তু ছপা কৰা বুলি সন্দেহযুক্ত প্রকাশক আৰু মুদ্রকসকলক সতর্কবাণী শুনোৱা, আমানত দাবী কৰা অথবা আমানত বাজেয়াপ্ত কৰা বুলি ঘোষণা কৰা নাইবা পুনৰ আমানত দাবী কৰিবলৈ কর্তৃত্ব প্রদান কৰা হৈছিল।

জৰুৰীকালীন অৱস্থা প্রত্যাহাৰৰ পিছত চৰকাৰে সংবাদ মাধ্যমৰ ওপৰত হোৱা আতিশয্যৰ বিষয়ে তদন্তৰ বাবে চৰকাৰে দুখনকৈ আয়োগ গঠন কৰিছিল। দাস আয়োগৰ প্রতিবেদন অনুসৰি জৰুৰীকালীন অৱস্থাৰ সময়ত ২৫৩গৰাকী সাংবাদিকক গ্রেপ্তাৰ কৰা হৈছিল। এই সময়ছোৱাতে ৫১গৰাকী সাংবাদিক আৰু কেমেৰামেনক চৰকাৰী স্বীকৃতিৰ পৰা বঞ্চিত কৰা হৈছিল, সাতগৰাকী বিদেশী সংবাদসেৱীক দেশৰ পৰা বহিষ্কাৰ কৰা হৈছিল আৰু ২৯গৰাকী বিদেশী সংবাদসেৱীৰ ভাৰতত প্রৱেশ নিষিদ্ধ কৰা হৈছিল। আয়োগে আৰু অভিযোগ কৰিছিল যে শ্রীমতী গান্ধীয়ে বাতৰি বিকৃতকৰণৰ ক্ষেত্রতো সংবাদ মাধ্যমক ব্যৱহাৰ কৰিছিল। শ্বাহ আয়োগৰ প্রতিবেদনত শ্রীমতী গান্ধীৰ বিৰুদ্ধে নিম্নোক্ত অভিযোগবিলাক উত্থাপন কৰা হৈছিল।

- জৰুৰীকালীন অৱস্থা ঘোষণা আৰু বলৱৎকৰণৰ পিছদিনা অর্থাৎ ২৬ জুনৰ দিনা চৰকাৰে বাতৰিকাকতসমূহৰ কার্যালয়লৈ বিদ্যুৎ সৰবৰাহ বন্ধ কৰাইছিল, যাতে চেন্সৰশ্বিপ প্রৱর্তনৰ বাবে প্রয়োজনীয় ব্যৱস্থা কৰিবলৈ সময় পোৱা যায়। তিনিদিনৰ পিছত যেতিয়া চেন্সৰশ্বিপৰ বাবে যাৱতীয় ব্যৱস্থা প্রস্তুত হৈ উঠিছিল, বিদ্যুতৰ সৰবৰাহ পুনৰ আৰম্ভ কৰা হৈছিল।
- ভাৰতীয় তথ্য আৰু সম্প্রচাৰ মন্ত্রণালয়ে বাতৰিকাকতসমূহক শত্রু মনোভাৱাপন্ন, বন্ধুত্বমূলক অথবা নিৰপেক্ষ হিচাপে নামাংকিত কৰি শত্রু মনোভাৱাপন্ন আৰু নিৰপেক্ষ বাতৰিকাকতসমূহলৈ বিজ্ঞাপন প্রদান স্থগিতকৰণ অথবা হ্রাস কৰিবলৈ আৰু বন্ধুত্বমূলক কাকতসমূহলৈ বিজ্ঞাপন বৃদ্ধি কৰিবলৈ নির্দেশনা জাৰি কৰিছিল।
- তথ্য আৰু সম্প্রচাৰ মন্ত্রণালয়ে জৰুৰীকালীন অৱস্থা প্রৱর্তনৰ ছমাহৰ ভিতৰত বাতৰিকাকতসমূহৰ বিষয়ে অধ্যয়ন কৰি চৰকাৰৰ প্রতি কোনখন কাকতৰ দৃষ্টিভংগী কেনে ধৰণৰ, সেই বিষয়ে নিশ্চিত হ'বলৈ নির্দেশ দিয়াৰ লগতে সেই অনুসাৰে বাতৰিকাকতবিলাকৰ শ্রেণী বিভাজন কৰিবলৈ নির্দেশনা দিছিল।

১৯৭৭ চনত জৰুৰীকালীন অৱস্থা প্রত্যাহাৰ কৰা হৈছিল আৰু মোৰাৰজী দেশাই দেশৰ প্রধানমন্ত্রীৰ আসনত উপৰিষ্ট হৈছিল। ইয়াৰ লগে লগে সংবাদ মাধ্যম নিয়ন্ত্রণৰ পৰা সংবাদ মাধ্যমৰ স্বতন্ত্রতালৈ দিক্ পৰিৱর্তন হ'ল আৰু সংবাদ মাধ্যমৰ

ওপৰত আৰোপিত সকলো নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হ'ল। ১৯৭৬ চনৰ ১৮ এপ্ৰিলত 'প্ৰিভেনশ্যন অব্ পাব্লিকেশ্যন অব্ দ্যা অব্জেক্শ্যনেব'ল মেটাৰ এক্ট' ৰদ কৰা আৰু ১৯৭৭ চনৰ 'পার্লিয়ামেণ্টাৰী প্ৰচিডিঙছ্ (প্ৰটেকশ্যন অব্ পাব্লিকেশ্যনছ) এক্ট' অনুমোদনৰ বাবে প্ৰধানমন্ত্ৰী মোৰাৰজী দেশায়ে সংসদৰ উভয় সদনৰ অনুমোদন লাভ কৰাৰ লগতে ৰাষ্ট্ৰপতিৰ স্বাক্ষৰো আদায় কৰিবলৈ সমৰ্থ হয়। এনেদৰে ভাৰতত সংবাদ মাধ্যমৰ স্বাধীনতা পুনৰ কাৰ্যকৰী হয় আৰু ইয়াৰ মৰ্যাদা প্ৰাক্-জৰুৰীকালীন অৱস্থাৰ দৰে পুনঃ প্ৰতিষ্ঠিত হয়। ১৯৮৪ চনত ইন্দিৰা গান্ধী হত্যাৰ পিছত তেওঁৰ পুত্ৰ ৰাজীৱ গান্ধী দেশৰ প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত হয়। ৰাজীৱ গান্ধীয়ে প্ৰথম কেইবছৰমানত সৰ্বসাধাৰণ ৰাইজ আৰু সংবাদ মাধ্যমৰ সৈতে মধুৰ সম্পৰ্ক বৰ্তাই ৰাখে। ইয়াৰ পিছতে সংবাদ মাধ্যম তেওঁৰ চৰকাৰৰ প্ৰতি সমালোচনামুখৰ হ'বলৈ ধৰে আৰু তেতিয়াই ৰাজীৱ গান্ধীয়ে মানহানি বিধেয়ক, ১৯৮৮ লোকসভাত গৃহীত কৰায়। ইয়াৰ জৰিয়তে তেওঁ সংবাদ মাধ্যমক অৱদমিত কৰিবলৈ বিচাৰিছিল যদিও বিধেয়কখনৰ বিৰুদ্ধে জনগণ আৰু সংবাদ মাধ্যমত হেঁচাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ৰাজ্যসভাত উত্থাপন নকৰাকৈয়ে তাক প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়। এই কথাই ইতিহাসৰ সাক্ষ্য বহন কৰে যে সংবাদ মাধ্যমৰ সূচনা হোৱাৰে পৰা বিগত দুটা শতিকাত অৰ্থাৎ ১৭৮০ চনৰ পৰা ১৯৮০ চনৰ মাজত প্ৰাক্-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালছোৱাত উভয়তে ভাৰত চৰকাৰে সংবাদ মাধ্যমৰ স্বাধীনতা কৰ্তনৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। সংবাদ মাধ্যমৰ বিৰুদ্ধে আৰোপিত নিষেধাজ্ঞা শিথিল কৰা গভৰ্ণৰ জেনেৰেল আৰু ভাইচৰয়ৰ সংখ্যাতকৈ সংবাদ মাধ্যমৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰাৰ বাবে আইন গৃহীত কৰোৱা গভৰ্ণৰ জেনেৰেল আৰু ভাইচৰয় সংখ্যাত অধিক আছিল।

৩.৫ ছপা বনাম বৈদ্যুতিক মাধ্যম

ছপাৰ ক্ষেত্ৰত প্ৰযুক্তিগত অগ্ৰগতিয়ে ছপা মাধ্যমৰ ক্ষেত্ৰত অভাৱনীয় গাঁথনিগত পৰিৱৰ্তন সাধন কৰিছিল। তথ্যৰ যোগাযোগ প্ৰযুক্তিৰ বিকাশে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা বাতৰিৰ সৰবৰাহ ক্ষিপ্ৰ কৰি তোলাৰ লগতে বাতৰি বিস্তৃতি সম্ভৱ কৰি তুলিছিল। ভাৰতীয় সংবাদ মাধ্যমে ৰূপান্তৰৰ মাজেৰে গতি কৰি আছে, ছপা মাধ্যমৰ পঢ়ুৱৈসকলৰ হাতত আছে ব্যাপক পৰিসৰৰ বিকল্প— তেওঁলোকে প্ৰকাশকসকলে আগবঢ়োৱা বিশেষ বৈশিষ্ট্যপূৰ্ণ বিষয়বস্তুৰাজিৰ কোনো বিকল্প বাছি ল'ব পাৰে। প্ৰযুক্তিগত বিকাশৰ পৰিপ্ৰেক্ষিততে বৈচিত্ৰ্যপূৰ্ণ তথ্য সহজে আহৰণ কৰিব পৰা হোৱাৰ বাবেই পঢ়ুৱৈসকলে এনে বিকল্প সহজে পাব পৰা হৈছে। ছপা মাধ্যম হৈছে গণমাধ্যমৰ পথিকৃৎ। বাতৰিকাকত, আলোচনী, প্ৰচাৰ পুস্তিকা, টেবলয়ড আদি ছপা মাধ্যমৰ অংশ. অন্যান্য মাধ্যমৰ তুলনাত ই সহজে উপলব্ধ। ছপা মাধ্যমে আমাক যিকোনো সময়তে পঢ়াৰ সুযোগ দিয়ে আৰু ইয়াক যিকোনো ঠাইলৈ লৈ যাবও পাৰি। ছপা মাধ্যমত সন্নিৱিষ্ট তথ্য

স্থিতিশীল আৰু ইয়াক ইচ্ছানুযায়ী পৰিৱর্তন কৰিব নোৱাৰি। ছপা মাধ্যমে যিকোনো তথ্যৰ প্রমাণ সহজে কৰাৰ সুবিধা দিয়ে আৰু ই হৈছে গণপ্রচাৰৰ তুলনামূলকভাৱে সহজ মাধ্যম।

আনহাতে, বৈদ্যুতিক মাধ্যমত ইলেক্ট্রনিক ডিভাইছ প্রয়োগেৰে টেলিভিশ্যন ছেট, ৰেডিঅ', কম্পিউটাৰ আদিৰ যোগেদি তথ্য আগবঢ়োৱা হয়। ই গণসংযোগ উদ্যোগলৈ অধিক ৰাজহ আৰু নিয়োগৰ সুবিধা আগবঢ়াইছে। বৈদ্যুতিক মাধ্যমত পাঠ বা বিষয়বস্তু, ভিডিঅ' আৰু এনিমেশ্যনৰ জৰিয়তে অধিক আৱিষ্কাৰমূলক পদ্ধতিৰ সুবিধা আছে। বৈদ্যুতিন মাধ্যম ক্ষিপ্র, নির্বাচন (ভোটগ্রহণ) আৰু ইয়াৰ নিৰৱচ্ছিন্ন পর্যালোচনা আদিৰ বাবে যথোপযুক্ত। ছপা মাধ্যমৰ বিপৰীতে দৃশ্য মাধ্যম মানুহৰ মতামত গ্রহণৰ ক্ষেত্রত অধিক সুবিধাজনক, তদুপৰি ইয়াৰ দর্শকসকল সাক্ষৰ হোৱাটো আৱশ্যকীয় নহয়। বৈদ্যুতিক মাধ্যমে পোনপটীয়া ট্রেন্সমিশ্যনৰ সুবিধা প্রদান কৰে— যাৰ জৰিয়তে টেলিগ্রাফ ৰু টেলিফোনৰ তাঁৰ নথকা ঠাইবোৰকো সংযোগ কৰিব পাৰি আৰু সেই ঠাইৰ সৈতে যোগাযোগ হ'ব পাৰে। বিংশ শতিকাৰ শেহৰটো দশকত ডিজিটেল মাধ্যমৰ আত্মপ্রকাশ এটা উল্লেখযোগ্য ঘটনা। ইণ্টাৰনেট, টেবলেট আৰু স্মার্টফোন আদি ইয়াৰ অন্তর্ভুক্ত সেৱাবোৰক সামূহিকভাৱে নতুন মাধ্যম বুলি জনা যায়। ইণ্টাৰনেট আৰু 'ৱর্ল্ড ৱাইড ৱেব্'ৰ শেহতীয়া বিকাশত অডিঅ', ভিডিঅ'ৰ লগতে মূল পাঠ আৰু গ্রাফিকছ (ৰেখাংকন)ৰ সমাহাৰ ঘটিছে। এয়াই আমাক তথ্যৰ সৈতে পা�ৰস্পৰিক ক্রিয়া আৰু পা�ৰস্পৰিক মত-বিনিময়ৰ ভালেমান সন্ধান দিছে। ডিজিটেল তথ্যৰ সংৰক্ষণ ব্যৱস্থা কম খৰচী আৰু সহজসাধ্য।

জনসাধাৰণৰ মাজত বাতৰিকাকত অধ্যয়নৰ অভ্যাস গঢ়ি তোলাৰ উদ্দেশ্যে এটা উদ্যোগ হিচাপে ছপা মাধ্যম যথেষ্ট বিনিয়োগ কৰে। ভাৰতীয় ছপা মাধ্যম যথেষ্ট প্রতিযোগিতামূলক উদ্যোগ আৰু সাংবাদিকসকলো যথেষ্ট অনুসন্ধিৎসামূলক। জাতীয় মানসিকতা এনে ধৰণৰ— বাতৰিকাকতৰ ওপৰত জনসাধাৰণৰ অগাধ বিশ্বাস আৰু তেওঁলোকৰ বাবে বৈদ্যুতিক মাধ্যম আৰু ডিজিটেল মাধ্যমতকৈ ইয়াৰ সত্যনিষ্ঠতা বহু বেছি। ছপা মাধ্যমৰ বিশ্বাসযোগ্যতা অনেক বেছি হোৱাৰ বিপৰীতে ডিজিটেল মাধ্যম ভাৰতৰ অৱয়ববিহীন সত্তা হিচাপে পৰিগণিত হৈছে। ভাৰতৰ নিচিনা দেশত এটা ইণ্টাৰনেট সংযোগতকৈ বাতৰিকাকত ক্রয় কৰাটো কম খৰচী। উপর্যুপৰি কেইবা ঘণ্টাৰ বাবে বিদ্যুৎ সৰবৰাহ বন্ধ হোৱাটো ভাৰতৰ গ্রামাঞ্চলৰ বাবে অগতানুগতিক ঘটনা নহয়। সেয়ে, ভাৰতত বাতৰিকাকতৰ কোনো বাস্তৱিক বিকল্প নাই। ভাৰতৰ মধ্যবিত্ত আৰু নিম্ন শ্রেণীৰ মানুহৰ মানসিকতা অনুযায়ী তেওঁলোকে কেৱল এনে উৎপন্নহে ক্রয় কৰিব, যাৰ বাস্তৱ ভিত্তি আছে। সেয়ে, ইয়াত ডিজিটেল তথ্যৰ প্রতি অনীহা বিদ্যমান। মানুহে বৈদ্যুতিক মাধ্যমত দেখাৰ পিছতো বাতৰিকাকত পঢ়ে গভীৰভাৱে অধিক তথ্য আহৰণৰ বাবে। ভাৰতে ১৯৯৫ চনৰ মাজভাগতহে বাণিজ্যিক ইণ্টাৰনেটৰ সুবিধা পাইছিল; ভাৰতীয় ছপা মাধ্যমে তেতিয়াহে 'অন-লাইন' প্রকাশনৰ ক্ষেত্রত বিশ্বৰ অন্যান্য অংশৰ সৈতে খোজ মিলাবলৈ সক্ষম হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ১৯১৩ চনৰ ভাৰতীয় প্রেছ আইনে আৰোপ কৰা প্রতিবন্ধকতাবিলাকৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ ১৯৭৬ চনৰ 'প্রিভেনশ্যন অব্ অব্জেকশ্যনেব'ল মেটার্ছ এক্ট' (আপত্তিজনক বিষয় নিবাৰক আইন)ৰ মূল বৈশিষ্ট্যবোৰ কি কি?

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ বৈদ্যুতিক মাধ্যমৰ সংজ্ঞা নিৰূপণ কৰক।

.....

.....

.....

.....

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় ৰাষ্ট্রীয়তাবাদ (জাতীয়তাবাদ)ৰ ক্ষেত্রত ভাৰতীয় সংবাদ মাধ্যমে সদায়ে তাৎপর্যপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। এয়াই ৰাষ্ট্রৰ নির্মাণ আৰু স্বাধীনোত্তৰ যুগৰ বিকাশত সহায় কৰিছে। প্রাক্-স্বাধীনতাৰ কালছোৱাত ভাৰতীয় ৰাষ্ট্রীয়তাবাদী (জাতীয়তাবাদী) সংবাদ মাধ্যমৰ জৰিয়তে দেশপ্রেম আৰু ৰাজনৈতিক ধ্যান-ধাৰণা বিয়পাই দিছিল।
- জেমছ আগষ্টাছ হিকীয়ে ১৭৮০ চনৰ ২৯ জানুৱাৰীত ভাৰতৰ প্রথমখন ইংৰাজী বাতৰিকাকত 'বেংগল গেজেট' ওৰফে 'ক্যালকাতা জেনেৰেল এড্ভাৰটাইজাৰ' কলকাতাৰ পৰা প্রকাশ কৰিছিল।

- ১৮৫৭ চনত সংঘটিত প্ৰথম স্বাধীনতা সংগ্ৰামৰ পৰিণতিত ১৮৫৭ চনৰ ১৩ জুনত 'গেগিং অক্ট' নামৰ আইন প্ৰণয়ন কৰিছিল।
- ১৮৯৯ চনত লৰ্ড কাৰ্জনে ভাৰতৰ ভাইচৰয় হিচাপে কাৰ্যভাৰ গ্ৰহণৰ পিছত চৰকাৰী গোপনীয়তা আইন, ১৯০৩ গৃহীত হৈছিল।
- লৰ্ড উইলিংটনে ভাৰতৰ ভাইচৰয় হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত তেওঁ ১৯৩১ চনত 'ইণ্ডিয়ান প্ৰেছ (ইমাৰ্জেন্সী পাৱাৰ্ছ) এক্ট' গৃহীত কৰাইছিল।
- স্বাধীনতাৰ পিছৰ কালত ইংৰাজী বাতৰিকাকতবিলাকৰ মালিকীস্বত্ব কেৱল ভাৰতীয় অংশীদাৰৰ হাতত ন্যস্ত হৈছিল, যিসকল প্ৰধানতঃ নগৰাঞ্চলকেন্দ্ৰিক আছিল। স্থানীয় বা-বাতৰিৰ প্ৰকাশ আৰু সেইবোৰৰ জনপ্ৰিতাৰ বাবে আঞ্চলিক ভাষাৰ সংবাদ মাধ্যম গ্ৰামাঞ্চলবিলাকত অধিক জনপ্ৰিয়।
- স্বাধীনতাৰ আগেয়ে সংবাদ মাধ্যমৰ প্ৰতি দৃষ্টিভংগী (মনোভাৱ) ক্ষমতাধিষ্ঠিত গভৰ্ণৰ জেনেৰেল আৰু ভাইচৰয়সকলৰ ওপৰত নিৰ্ভৰশীল আছিল আৰু স্বাধীনতাৰ পিছত সংবাদ মাধ্যমৰ প্ৰতি দৃষ্টিভংগী সেই সময়ৰ প্ৰধানমন্ত্ৰীগৰাকীৰ ওপৰত নিৰ্ভৰ কৰিছিল।
- ছপাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ অগ্ৰগতিয়ে ছপা মাধ্যম স্থাপনৰ দিশত অভূতপূৰ্ণ গাঁথনিগত পৰিৱৰ্তন সাধন কৰিছে। বহু ভাৰতীয় বাতৰিকাকত ইমটাৰনেটযোগে উপলব্ধ আৰু পঢ়ুৱৈৰ দিশৰ পৰা ক'বলৈ হ'লে ভাৰতত ইয়াৰ উপযোগিতা লাহে লাহে বৃদ্ধি পাবলৈ ধৰিছে।





৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) অগ্ৰৱাল, ৰিৰ বালা, ডি. এছ. গুপ্তা (২০০২), *হেণ্ডবুক অব্ জাৰ্ণেলিজম এণ্ড মাছ কমিউনিকেশ্যন*, নতুন দিল্লী ঃ কন্‌চেপ্ট পাব্লিচিং কোম্পানী।

২) কুমাৰ, কেভাল জে. (২০০৬), *মাছ কমিউনিকেশ্যন ইন ইণ্ডিয়া*, মুম্বাই ঃ জাইকো পাব্লিচিং হাউছ।

৩.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ জেমছ আগষ্টাছ হিকীয়ে ১৭৮০ চনৰ ২৯ জানুৱাৰীত ভাৰতৰ কলকাতাত প্ৰথমখন ইংৰাজী বাতৰিকাকতৰ প্ৰকাশ আৰম্ভ কৰিছিল। ৰেংগল গেজেট ওৰফে ক্যালকাতা জেনেৰেল এডভাৰটাইজাৰ নামৰ এই কাকতখন আছিল দুইপিঠীয়া, প্ৰত্যেক পৃষ্ঠাতে তিনিটাকৈ স্তম্ভ আছিল আৰু ইয়াক প্ৰতি সপ্তাহৰ মূৰে মূৰে প্ৰকাশ কৰা হৈছিল।

কাকতখনে নিজকে এখন 'সকলো দলৰে বাবে মুকলি অথচ কোনো দলৰে প্ৰভাৱ নথকা ৰাজনৈতিক আৰু বাণিজ্যিক সাপ্তাহিক কাকত' বুলি ঘোষণা কৰিছিল। কাকতখনত ইংলেণ্ডৰ ইংৰাজী বাতৰিকাকতবিলাকৰ কিছুমান বিষয়বস্তুৰ উপৰি স্থানীয় ৰাইজ আৰু গ্ৰামাঞ্চলৰ পঢ়ুৱৈ ৰাইজৰ চিঠি-পত্ৰ, ইউৰোপীয় সম্প্ৰদায়ৰ নানা নাৰীজনিত কাহিনী আৰু কেলেংকাৰী আদি নানা বিষয় সন্নিৱিষ্ট হৈছিল। হিকীয়ে পঢ়ুৱৈ সমাজৰ সৈতে মত বিনিময়ৰ বাবে নিজাকৈ এটা স্তম্ভ সংৰক্ষণ কৰিছিল।

২নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৬০ৰ দশকটোৱে দেশখনত ভাৰতীয় ভাষিক সংবাদ মাধ্যমৰ বিকাশৰ সাক্ষ্য বহন কৰে। এই কালছোৱাত কেইবাখনো বাতৰি কাকতে আত্মপ্ৰকাশ কৰে। সেই সময়ছোৱাত কেইবাখনো ইংৰাজী বাতৰিকাকতৰো সূচনা হয়— যিবিলাক আনকি বৰ্তমানেও প্ৰকাশ পাই আছে, যেনে— দ্যা টাইমছ অব্ ইণ্ডিয়া (১৮৬১), দ্যা পায়'নীয়াৰ (১৮৬১), দ্যা ষ্টেটছমেন (১৮৭৫) আৰু দ্যা হিন্দু (১৮৭৮)।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৯১০ চনত ইণ্ডিয়ান প্ৰেছ এক্ট গৃহীত হয় আৰু এই আইনখনত সন্নিৱিষ্ট দফাবিলাকে ছপাশাল আৰু প্ৰকাশকসকলৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণ বৃদ্ধি কৰে। এই আইনে কোনো আপত্তিজনক বিষয়বস্তু সন্নিৱিষ্ট বাতৰিকাকতৰ বিৰুদ্ধে কেতবোৰ ব্যৱস্থা গ্ৰহণৰ ক্ষমতা প্ৰদান কৰে। সেইবিলাক হৈছে— বাতৰিকাকতৰ প্ৰকাশক আৰু ছপাশালৰ গৰাকীৰ বিৰুদ্ধে জৰিমনা আৰোপ আৰু আমানত বাজেয়াপ্তকৰণৰ বাবে জিলা দণ্ডাধীশসকলক ক্ষমতা প্ৰদান; চৰকাৰক অনুসন্ধান আৰু ছপাশাল আৰু বাতৰিকাকতৰ কপিবিলাক বাজেয়াপ্ত কৰা বুলি ঘোষণা কৰাৰ কৰ্তৃত্ব প্ৰদান; আৰু ডাকযোগে বাতৰিকাকতৰ কপি যোগানৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীমতী ইন্দিৰা গান্ধীৰ চৰকাৰে ১৯৭৬ চনৰ ১১ ফেব্ৰুৱাৰীত বিধায়িনী (সংসদ)ৰ অনুমোদন লৈ সাংবাদিকসকলক 'উপহাৰ' দিছিল এখন আইন— যাক 'প্ৰিভেনশ্যন অব্ পাব্লিকেশ্যন অব্ অব্জেকশ্যনেব'ল মেটাৰ্ছ এক্ট, ১৯৭৬' (আপত্তিজনক বিষয়বস্তুৰ প্ৰকাশ নিবাৰক আইন, ১৯৭৬) বুলি জনা গৈছিল। এই আইনে কেন্দ্ৰীয় চৰকাৰ অথবা যথাযোগ্য কৰ্তৃপক্ষসমূহক ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতিৰ পৰিপন্থী কোনো বিষয়ৰ প্ৰকাশ, বিদেশী ৰাষ্ট্ৰসমূহৰ সৈতে বন্ধুত্বমূলক সম্পৰ্কৰ পৰিপন্থী কোনো বিষয়, ৰাজদ্ৰোহ শৃংখলাৰ পৰিপন্থী বিষয়, সৌজন্যতা-নৈতিকতাৰ পৰিপন্থী বিষয়ৰ লগতে আইন-শৃংখলা উলংঘনত উদ্গনি দিব পৰা কোনো বিষয়ৰ প্ৰকাশ নিষিদ্ধ কৰা হৈছিল। এই আইনে লগতে আপত্তিজনক কোনো বিষয় প্ৰকাশ কৰা বুলি সন্দেহযুক্ত প্ৰকাশক আৰু মুদ্ৰকৰ বিৰুদ্ধে সতৰ্কবাণী জাৰি, আমানত দাবী অথবা আমানত বাজেয়াপ্তকৰণৰ ঘোষণাৰ লগতে পুনৰ আমানত দাবীৰ যথযোগ্য কৰ্তৃপক্ষসমূহক ক্ষমতা প্ৰদান কৰিছিল। তদুপৰি, এই আইনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ আৰু উপযুক্ত কৰ্তৃপক্ষসমূহক প্ৰয়োজনীয় নথি-পত্ৰ জমা দিবলৈ ব্যৰ্থ হোৱা ছপাশালবোৰ বন্ধ কৰা অথবা আপত্তিজনক সাহিত্যৰ প্ৰকাশ বন্ধ অথবা জব্দ কৰি অভিযুক্তক কাৰাদণ্ড বিহা

আৰু তেনে নীতি উলংঘনৰ বাবে জৰিমনা বিহাৰ ক্ষমতা প্রদান কৰিছিল। শুল্ক বিষয়াসকলক বাতৰিকাকতসমূহত আপত্তিজনক বিষয় বন্ধ কৰা আৰু আৰক্ষী বিষয়াসকলক আপত্তিজনক বাতৰিকাকত আৰু বাতৰিৰ পৃষ্ঠা জব্দ কৰাৰ কর্তৃত্ব প্রদান কৰা হৈছিল। মেট্র'পলিটান দণ্ডাধীশ, মুখ্য ন্যায়িক দণ্ডধীশ আৰু প্রথম শ্রেণীৰ দণ্ডাধীশসকলক ছপাশাল জব্দ কৰাৰ লগতে আপত্তিমূলক বাতৰিকাকত আৰু তাৰ কপিবিলাক বাজেয়াপ্ত কৰাৰ বাবে প্রতিষ্ঠানবিলাকত প্রৱেশৰ কাৰণে পৰোৱানা জাৰি কৰিবলৈ কর্তৃত্ব প্রদান কৰা হৈছিল।

৫নং প্রশ্নৰ উত্তৰ ঃ বৈদ্যুতিক মাধ্যম হৈছে এক 'ইলেক্ট্র'নিক ডিভাইছ— যাৰ ব্যৱহাৰৰ জৰিয়তে টেলিভিশ্যন, ৰেডিঅ', কম্পিউটাৰ আদিৰ দ্বাৰা মানুহক বিভিন্ন তথ্য অৱগত কৰোৱা হয়। ই গণসংযোগৰ দ্বিতীয় পর্যায় আৰু গণসংযোগৰ অধিক উন্নত মাধ্যম। ই গণসংযোগ উদ্যোগলৈ অধিক পৰিমাণৰ ৰাজহ আৰু নিয়োগৰ সুবিধা আগবঢ়াছে। ইয়াৰ সৈতে জড়িত হৈ আছে টেক্সট, ভিডিঅ' আৰু এনিমেশ্যনৰ দৰে অধিক উদ্ভাৱনীমূলক পদ্ধতি।



৩.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভাৰতত প্রথমখন ইংৰাজী সংবাদ-পত্রৰ প্রকাশ কেতিয়া আৰম্ভ হৈছিল?

প্রশ্ন ২ ঃ 'দ্যা হিন্দুস্থান টাইমছ' কোনে প্রকাশ কৰিছিল?

প্রশ্ন ৩ ঃ ১৮৬২ চনৰ আমহাষ্ট চার্কুলাৰৰ অধীনত কি কি নিষেধাজ্ঞা জাৰি কৰা হৈছিল?

প্রশ্ন ৪ ঃ ছপা মাধ্যমত সুবিধা আৰু অসুবিধাবিলাক উল্লেখ কৰক।

খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন ১ ঃ লর্ড কেনিঙে আৰোপ কৰা কুখ্যাত গেগিং এক্টৰ বিষয়ে ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ ছপা মাধ্যম আৰু বৈদ্যুতিন মাধ্যমৰ মাজত পার্থক্য বিচাৰ কৰক।

প্রশ্ন ৩ ঃ শ্বাহ আয়োগৰ প্রতিবেদন সম্পর্কত চমু টোকা লিখক।

গ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন ১ ঃ স্বাধীনতাৰ পিছত সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিষয়ে এখন চমু ৰচনা লিখক।

প্রশ্ন ২ ঃ প্রাক্-স্বাধীনতা কালত ভাৰতত সাংবাদিকতাৰ বিকাশ সম্পর্কে বর্ণনা দিয়ক।

*** ***** ***

অধ্যায় ৪ ঃ অসমত সাংবাদিকতাৰ সূচনাকাৰী ফল

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমত সাংবাদিকতাৰ বিকাশৰ কিছু বিখ্যাত সংস্কাৰক আৰু সাংবাদিকে আগবঢ়োৱা অৱদান
৪.৩.১ ড° নাথান ব্রাউন
৪.৩.২ অলিভাৰ টি কাট্টাৰ
৪.৩.৩ দত্ত দেৱ গোস্বামী
৪.৩.৪ ৰাধানাথ চাংকাকতি
৪.৩.৫ চন্দ্র কুমাৰ আগৰৱালা
৪.৩.৬ পদ্মনাথ গোহাঞিবৰুৱা
৪.৩.৭ লক্ষ্মীনাথ ফুকন
৪.৩.৮ অম্বিকাগিৰি ৰায়চৌধুৰী
৪.৩.৯ শিৱ প্রসাদ বৰুৱা
৪.৩.১০ ৰাধা গোবিন্দ বৰুৱা
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- অসমত সাংবাদিকতাৰ কিছু সূচনাকাৰীয়ে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা
- আৰম্ভণি সময়ৰ আগশাৰীৰ কিছু ব্যক্তিয়ে উলিওৱা বিভিন্ন বাতৰিকাকত আৰু আলোচনীৰ বিশ্লেষণ

৪.২ পৰিচয়

এই পাঠ্যক্রমৰ দ্বিতীয় অধ্যায়ত আমি ইতিমধ্যে দেশত সাংবাদিকতাৰ বিকাশত প্রভূত বৰঙণি আগবঢ়োৱা জেমছ আগাষ্টাছ হিকী, ৰাজা ৰামমোহন ৰায়, বাল গংগাধৰ তিলক আৰু মহাত্মা গান্ধীৰ দৰে বিখ্যাত সাংবাদিকৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়ত আমি আমাৰ

আলোচনা উত্তৰ-পূৰ্বাঞ্চল বিশেষকৈ অসমত সাংবাদিকতাৰ সূচনাকাৰী আৰু ইয়াৰ বিকাশত প্ৰভূত বৰঙণি আগবঢ়োৱা অন্য কিছু সাংবাদিকৰ বিষয়ে আলোচনা কৰিম।

৪.৩ অসমত সাংবাদিকতাৰ বিকাশত কিছু বিখ্যাত সংস্কাৰক আৰু সাংবাদিকে আগবঢ়োৱা অৱদান

অসমত সাংবাদিকতাৰ ইতিহাস কেবাগৰাকী অখ্যাত অসম সন্তান আৰু বিশ্ববিশ্ৰুত আন কিছু ব্যক্তিয়ে সম্পূৰ্ণ কৰি ৰাখিছে। ইয়াত আমি কেবাগৰাকী প্ৰখ্যাত সাংবাদিক আৰু অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ পদ প্ৰদৰ্শকৰ অৱদানৰ বিষয়ে আলোচনা কৰিম।

৪.৩.১ ড° নাথান ব্ৰাউন

অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত ৰেভাৰেণ্ড ড° নাথান ব্ৰাউনে এক উল্লেখনীয় ভূমিকা পালন কৰিছিল। তেওঁৰ জন্ম হৈছিল ১৮০৭ চনৰ ২২ জুনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউ হেম্পশ্বায়াৰ প্ৰদেশৰ নিউ ইপ্‌ছউইছত। তেওঁ ১৮২৭ চনত উইলিয়ামছ কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। কিছু বছৰৰ কাৰণে তেওঁ বেনিংটন ছেমিনাৰীৰ সহযোগী অধ্যক্ষ আৰু 'দ্যা ভাৰমণ্ট টেলিগ্ৰাফ' নামৰ সাপ্তাহিক বাতৰিকাকত-খনৰ সম্পাদক আছিল। ১৮৩৩ চনত আমেৰিকান ব্যপ্তিষ্ট মিছনেৰী সংস্থাই তেওঁক ম্যানমাৰলৈ মিছনেৰী হিচাপে নিযক্তি দি পঠায়। কম সময়ৰ ভিতৰত ম্যানমাৰৰ মানুহৰ আধ্যাত্মিক জীৱন আৰু সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াই তেওঁ অসমৰ কমিছনাৰ কেপ্তেইন ফ্ৰান্সিছ জেনকিন্সৰ অনুৰোধমৰ্মে অসমলৈ আহে। যুজাৰু জনজাতি শ্যান, খামটি আৰু ছিংফৌসকলক সংশোধন, শিক্ষিত আৰু উজ্জীৱিত কৰাত ব্ৰিটিছ প্ৰশাসনক সহযোগ কৰাৰ বাবে শ্যান মিছন আৰম্ভ কৰিবলৈ ব্ৰাউনক অসমলৈ আহিবলৈ অনুৰোধ জনোৱা হৈছিল। ব্ৰাউন আৰু তেওঁৰ সহযোগী অলিভাৰ কট্টাৰে তেওঁলোকৰ ছপাশালসহ কলকাতাত উপস্থি হয়। অসমত প্ৰথমটো ছপাশাল স্থাপন আৰু ব্ৰাউনৰ আগমনৰ লগে লগে অঞ্চলটোৰ সাহিত্যৰ বিকাশৰ এটা নতুন যুগ আৰম্ভ হয়। মিছনৰ পৰা পৰ্যাপ্ত সহযোগ নোপোৱা বাবে আৰু শদিয়াত জনজাতীয় আগ্ৰাসনৰ বাবে ব্ৰাউনে তেওঁৰ ঘাটি ১৮৩৯ চনৰ ৰাহুকটীয়াৰ সমীপৰ জয়পুৰলৈ আৰু ১৮৪৩ চনত শিৱসাগৰলৈ সলনি কৰে। অসমৰ মানুহৰ বিচিত্ৰ সংস্কৃতি আৰু গোষ্ঠীগত বৈশিষ্ট্য সম্ভৰ্ভত চৰজমিন অধ্যয়নৰ বাবে তেওঁ গাঁওসমূহ ভ্ৰমণ কৰে। আন দুগৰাকী মিছনেৰী মাইলছ ব্ৰনছন আৰু ছাইৰাদ বাৰ্কাৰৰ লগ হৈ তেওঁ ১৮৪৫ চনত গুৱাহাটীত প্ৰথমটো ব্যপ্তিষ্ট গীৰ্জা প্ৰতিষ্ঠা কৰে। তেওঁ ১৮৪৬ চনলৈ শিৱসাগৰ আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলত ১৪খন অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰে। অসমীয়া ভাষাত গ্ৰন্থ লিখা আৰু অনুবাদ কৰা, অসমীয়া ভাষা শিক্ষাৰ কামত তেওঁ গভীৰভাৱে জড়িত

হৈ পৰে। খ্ৰীষ্টান ধৰ্ম সম্পৰ্কীয় গ্ৰন্থ তেওঁ অসমীয়ালৈ অনুবাদ কৰে। ১৮৪৮ চনত তেওঁ অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ পুথি গ্ৰেমেটিকেল নোটছ অব্ দ্যা আছামিজ লেংগুৱেজ প্ৰকাশ কৰে। তেওঁ বাইবেল অনুবাদৰ কাম হাতত লয় আৰু ১৮৪৮ চনত বিশুদ্ধ আৰু সৰল অসমীয়া ভাষাত নিউ টেষ্টামেণ্ট প্ৰকাশ কৰে। তেওঁ প্ৰাথমিক বীজগণিত সম্পৰ্কীয় গ্ৰন্থ 'প্ৰথম গণনা' (১৮৪৫), 'দ্বিতীয় গণনা' (১৮৫৫) আৰু ভূগোল সম্পৰ্কীয় গ্ৰন্থ 'ভূগোলৰ বিৱৰণ' (১৮৫১) ৰচনা কৰে। তেওঁ জন বুনাইৰ প্ৰখ্যাত গ্ৰন্থ 'পিলগ্ৰিমছ প্ৰ'গ্ৰেছ' অসমীয়ালৈ অনুবাদ কৰে। ব্ৰাউনৰ সৰ্বশ্ৰেষ্ঠ অৱদান হৈছে 'অৰুণোদয়'। ইয়াৰ অৰ্থ সূৰ্যোদয়। এইখন আছিল প্ৰথম অসমীয়া বাতৰিকাকত। ১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা ইয়াৰ প্ৰকাশ আৰম্ভ হৈছিল। কাকতখনৰ সম্পাদকীয় কাম ব্ৰাউনে কৰাৰ বিপৰীতে ছপা আৰু প্ৰকাশৰ লগত জড়িত আছিল অলিভাৰ কাট্টাৰ। বিশ্বৰ প্ৰতিটো অঞ্চলৰ খবৰ ইয়াত প্ৰকাশ পাইছিল। বিজ্ঞান, ভূগোল, জ্যোৰ্তিৰ্বিজ্ঞান, বুৰঞ্জী আৰু অন্যান্য বিষয়ত আকৰ্ষণীয় খবৰ প্ৰকাশেৰে ই অসমীয়া শিক্ষিত সমাজৰ মাজত যথেষ্ট সমাদৰ পালে আৰু ইয়াৰ জৰিয়তে অসমীয়া সাংবাদিকতাৰ বাট মুকলি হ'ল। আনন্দৰাম ঢেকীয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ দৰে বহু অসমীয়া পণ্ডিতে এই কাকতখনত প্ৰবন্ধ লিখে, যাৰ ফলত ই অসমীয়া ভাষা পুনৰুদ্ধাৰ আন্দোলনৰ এখন ক্ষেত্ৰ হৈ পৰে। আমেৰিকা যুক্তৰাষ্ট্ৰলৈ উভটি যোৱা পৰ্যন্তব্ৰাউন বাতৰিকাকতখনৰ সম্পাদক হৈ আছিল। তেওঁৰ যোগ্য সম্পাদনাত অৰুণোদয়ত 'চুতীয়া বুৰঞ্জী', 'পুৰণি অসম বুৰঞ্জী' আৰু 'কামৰূপৰ বুৰঞ্জী' আদি সুন্দৰভাৱে সম্পাদনা কৰি প্ৰকাশ কৰা হৈছিল।ব্ৰাউনে অসমীয়া ব্যাকৰণ সম্পৰ্কীয় গ্ৰন্থ 'গ্ৰামাটিকেল নটিছেছ অব্ দ্যা আছামিজ লেংগুৱেজ' প্ৰকাশ কৰিছিল। নাথান ব্ৰাউনৰ প্ৰতিটো কৰ্মৰ সমৰ্থনকাৰী তথা পত্নী এলিজা ব্ৰাউনে ১৮৫০ চনত প্ৰথমখন অসমীয়া শিশু গ্ৰন্থ প্ৰকাশ কৰিছিল।

স্বাস্থ্যৰ অৱনতি আৰু আন সমস্যাৰ বাবে ব্ৰাউনে ১৮৫৫ চনৰ ১৩ ফেব্ৰুৱাৰীত অসম এৰি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ উভটি যায়। বিদায় টোকাত তেওঁ কৈছিল— 'মোৰ জীৱনৰ এক অন্যতম কঠিন বিদায় মুহূৰ্ত এয়া। ভগৱানে যদি মোৰ স্বাস্থ্য উন্নত কৰে তেনেহ'লে মই পুনৰ ইয়ালৈ উভটি আহিব বিচাৰিম আৰু সম্পূৰ্ণ আন্তৰিকতাৰে মই তেওঁলোকৰ বাবে কাম কৰিব বিচাৰিম।' অপ্ৰত্যাশিতভাৱে কিছু এৰিব নোৱাৰা কাৰণত তেওঁ যি ঠাই আৰু যি ঠাইৰ মানুহক ইমান ভাল পাইছিল সেই অসমলৈ উভটি আহিব নোৱাৰিলে। তেওঁ তাত দাসত্ব বিৰোধী সংগ্ৰামত জড়িত হৈ পৰে। ১৮৮৬ চনৰ ১ জানুৱাৰীত জাপানৰ য়'ক'হামাত ব্ৰাউনৰ মৃত্যু হয়। অসম বুৰঞ্জীৰ এক জটিল সময়ত অসমীয়া ভাষা আৰু সাহিত্যলৈ আগবঢ়োৱা অসামান্য অৱদানৰ বাবে ব্ৰাউন সদায় স্মৰণীয় হৈ থাকিব।

৪.৩.২ অলিভাৰ টি কাট্টাৰ

আগৰ অধ্যায়ত ইতিমধ্যে উল্লেখ কৰা হৈছে যে, আমেৰিকান ব্যপ্তিষ্ট নাথান ব্রাউনে অসমত প্রথমটো ছপাশাল স্থাপন কৰিছিল। অলিভাৰ টি কাট্টাৰে এই ক্ষেত্রত ব্রাউনৰ সহযোগী আছিল। ১৮১১ চনত আমেৰিকা যুক্তৰাষ্ট্রত অলিভাৰ থমাছ কাট্টাৰৰ জন্ম হয়। তেওঁ পত্নী হেৰিয়েট বি এল কাট্টাৰক লগত লৈ ১৮৩১ চনত পূবলৈ যাত্রা আৰম্ভ কৰে। তেওঁ প্রথম ম্যানমাৰলৈ যায় আৰু তাৰ পৰা পাটকাই পাৰ হৈ ১৮৩৬ চনত নাথান ব্রাউনৰ পৰিয়ালৰ সৈতে অসমলৈ আহে। নাথান ব্রাউন আৰু অলিভাৰ কাট্টাৰে প্রথম শদিয়াত মিছনেৰি প্রেছ স্থাপন কৰে আৰু অসমীয়া, খামটি আৰু চিংফৌ ভাষাত গ্রন্থ ছপা কৰা কাম আৰম্ভ কৰে। অলিভাৰ কাট্টাৰৰ পত্নী হেৰিয়েট কাট্টাৰ আৰু নাথান ব্রাউনৰ পত্নী এলিজা হুইটনি ব্রাউনে শিশুসকলক অসমীয়া ভাষা শিকাবলৈ এখন বিদ্যালয় আৰম্ভ কৰে। তেওঁলোকে বিদ্যালয়ৰ শিশুৰ বাবে পাঠ্যপুথিও ছপা কৰে। কিন্তু ছিংফৌ বিদ্রোহৰ বাবে তেওঁলোক অসম এৰি জয়পুৰলৈ যাবলৈ বাধ্য হয়। কিছু বছৰৰ পাছত কাট্টাৰ অসমলৈ উভটি আহে আৰু শিৱসাগৰত থিতাপি লয়। ১৮৪৬ চনত মিছনেৰী প্রেছটো শিৱসাগৰলৈ অনা হয়।

শিৱসাগৰৰ ব্রিটিছ মিছনেৰী প্রেছৰ পৰা ১৮৪৬ চনত প্রথম অসমীয়া বাতৰিকাকত অৰুণোদয় প্রকাশ পায়। অৰুণোদয় সম্পাদনা কৰিছিল অলিভাৰ কাট্টাৰে। এই মাহেকীয়া কাকতখনে অসমীয়া সাহিত্যক আধুনিক ৰূপ দিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ৩৬ বছৰ কাকতখনৰ প্রকাশ অব্যাহত থাকে। অৰুণোদয় আৰম্ভ হোৱাৰ ২৫ বছৰ পাছত ১৮৭১ চনত মাজুলীৰ পৰা আন এখন অসমীয়া বাতৰিকাকত 'অসম বিলাসিনী' প্রকাশ পায়। অৰুণোদয়ৰ প্রধান লক্ষ্য আছিল খ্রীষ্টান ধর্মৰ প্রচাৰ কৰা আৰু বঙালী বাতৰিকাকতৰ দ্বাৰা ই প্রভাৱিত হৈছিল। অলিভাৰ কাট্টাৰৰ পত্নী হেৰিয়েট কাট্টাৰেও অসমীয়া ভাষা আৰু সাহিত্যৰ প্রতি অৱদান আগবঢ়াইছিল। তেওঁৰ ইংৰাজী-অসমীয়া 'ভকেবুলাৰী এণ্ড ফ্রেচেছ' ১৮৪০ চনত প্রকাশ হয়। ১৮৭৭ চনত এইখনৰ পুনৰ প্রকাশ হয়। অৰুণোদয়ৰ অসমীয়া সংস্কৃতি, সাহিত্য আৰু সমাজৰ ওপৰত প্রভাৱ ইমানেই বেছি আছিল যে ১৮৪০ৰ পৰা ১৮৮০ চনৰ সময়ছোৱাক 'অৰুণোদয় যুগ' বুলি কোৱা হয়।

ব্রাউন আৰু কাট্টাৰে 'নিউ টেষ্টামেণ্ট'ৰ অসমীয়ালৈ অনুবাদৰ কাম আৰম্ভ কৰে আৰু ১৮৪৮ চনত 'আমাৰ ত্রাণকর্তা যিশু খ্রীষ্টৰ নতুন নিয়ম' নামেৰে এইখন প্রকাশ পায়। বাইবেলৰ বাহিৰেও অসমীয়াত মন্ত্র পুথি, ধর্মীয় পুস্তিকা আৰু স্কুলীয়া পুথিৰ লগতে অন্যান্য বহু গ্রন্থ অলিভাৰ কাট্টাৰৰ তত্ত্বাৱধানত মিছন প্রেছৰ পৰা প্রকাশিত হৈছিল। কাট্টাৰে পাছত মিছন প্রেছৰ কাম এৰি দি কলকাতাৰ চৰকাৰী প্রেছৰ অধ্যক্ষ হিচাপে যোগদান কৰে।

অন্যান্য প্ৰখ্যাত মিছনেৰীসকলৰ সৈতে কাট্টাৰে আগবঢ়োৱা মহত্বম অৱদান হৈছে অসমত ছপাশালৰ আৰম্ভণি। যদিও অসমৰ মানুহৰ মাজত খ্ৰীষ্টান ধৰ্মৰ নীতি-আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যৰেই অৰুণোদয় প্ৰকাশ কৰা হৈছিল তথাপিও ই সমাজৰ আৰ্থ-সামাজিক সমস্যা উপস্থাপন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এইখন ধৰ্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ প্ৰতি উৎসৰ্গিত আছিল। অৰুণোদয়ে অসমীয়া ভাষাক এক উন্নত স্তৰলৈ উত্তৰণ ঘটোৱাৰ লগতে মানুহৰ মাজত ন ধাৰণা জগাই তুলিছিল।

৪.৩.৩ দত্ত দেৱ গোস্বামী

অৰুণোদয়ে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰাৰ ফলত, সেই সময়ৰ বহু অসমীয়া সেই ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু গ্ৰহণ কৰিছিল। খ্ৰীষ্টান ধৰ্মৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা, বিকাশ আৰু প্ৰসাৰে হিন্দু ধৰ্মগুৰুসকলক বিশেষভাৱে সত্ৰৰ মানুহক শংকিত কৰি তুলিছিল। অৰুণোদয়ৰ দ্বাৰা খ্ৰীষ্টান ধৰ্মৰ জনপ্ৰিয়তা বৃদ্ধিত শংকিত হৈ আউনিআটী সত্ৰৰ একাদশ সত্ৰাধিকাৰ শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামীয়ে ধৰ্মীয় শিক্ষাৰ প্ৰসাৰৰ বাবে ছপাশাল আৰু বাতৰিকাকত ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লয়। তেওঁ কলকাতাৰ পৰা এটা ছপাশাল কিনি আনি আউনিআটী সত্ৰত স্থাপন কৰে আৰু ইয়াৰ নাম দিয়ে 'ধৰ্ম প্ৰকাশ্যায়ন্ত্ৰ'। এইটো থলুৱা লোকৰ দ্বাৰা অসমত স্থাপন কৰা প্ৰথমটো প্ৰেছ আছিল। ১৮৭১ চনত দ্বিতীয়খন অসমীয়া বাতৰিকাকত আৰু থলুৱা লোকে উলিওৱা প্ৰথমখন কাকত 'আসাম বিলাসিনী' 'ধৰ্ম প্ৰকাশ্যায়ন্ত্ৰ'ৰ পৰা প্ৰকাশ হয়। এইটো প্ৰেছৰ পৰা ১৮৭৬ চনত 'অসম দীপক' আৰু ১৮৮৮ চনত 'অসম তাৰা' নামৰ আলোচনী দুখন প্ৰকাশ হয়। ইয়াত বহু অন্য গ্ৰন্থও ছপা কৰা হয়। 'অসম বিলাসিনী'ৰ একমাত্ৰ উপলব্ধ কপিটো লণ্ডনৰ ব্ৰিটিছ সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামীৰ উদ্যোগত আউনিআটী সত্ৰৰ পৰা হোৱা এই সকলো প্ৰকাশনে অসমত সাংবাদিকতাৰ বুৰঞ্জীত সোণালী সময়ৰ ইংগিত দিয়ে।

শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামী সংস্কৃত, অসমীয়া আৰু বঙালী ভাষাত বিশেষকৈ কবিতাৰ ক্ষেত্ৰখনত পণ্ডিত আছিল। মহাপুৰুষ শ্ৰীমন্ত্ৰ শংকৰদেৱে অংকীয়া নাটকত 'ব্ৰজৱলী' নামৰ এটা কৃত্ৰিম ভাষা ব্যৱহাৰ কৰিছিল যিটোৱে নাটকীয় প্ৰদৰ্শনৰ প্ৰতি ৰাইজক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামীয়ে সত্ৰত 'মাতৃভাষা ভাওনা' নামেৰে অসমীয়াত ভাওনা কৰাৰ এক নতুন পৰম্পৰা আৰম্ভ কৰে। সত্ৰাধিকাৰগৰাকীয়ে নিজে 'কালিয় দমন', 'কংশ বধ', 'জানকী হৰণ', 'দ্ৰুপদীৰ বস্ত্ৰ হৰণ', 'পদভৰ বনগমন', 'ভাৰত গমন', 'অক্ৰৰ গমন' 'ভীষ্মপৰ্ব', 'উদয়পৰ্ব', 'ইন্দ্ৰজিৎ বধ' আৰু 'ৰাসলীলা' নামে কেবাখনো নাট ৰচনা কৰে। ফলত শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামীৰ পাছত সত্ৰৰ সকলো সত্ৰাধিকাৰে নাট ৰচনা কৰিবলৈ লয়। সত্ৰৰ আন কিছু বাসিন্দায়ো নিজৰ একক নাটকীয় প্ৰতিভাৰে এই পৰম্পৰা অব্যাহত ৰাখে।

শ্রীশ্রী দত্ত দেৱ গোস্বামী আছিল ১৪৫ বছৰ পূর্বে বাতৰিকাকত প্রকাশ কৰা প্রথম অসমীয়া ধর্মীয় নেতা। এই মহান ব্যক্তিগৰাকীৰ অৱদানৰ স্বীকৃতি স্বৰূপে আউনিআটী সত্রই 'দত্ত দেৱ গোস্বামী গ্রাম্য সাংবাদিকতা বঁটা' প্রৱর্তন কৰে, যিটো ২০১২ চনত প্রথম প্রদান কৰা হয়।



জানি থোৱা ভাল

সত্র ঃ সত্র হৈছে নৱ-বৈষ্ণৱ ধর্মৰ নীতি আৰু অনুশীলন প্রসাৰক কেন্দ্র গঢ় লৈ উঠা এক ধর্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান। অসমৰ মানুহৰ ধর্মীয় আৰু সমাজ-সাংস্কৃতিক জীৱনত পঞ্চদশ শতিকাৰ পৰাই ই প্রভাৱ বিস্তাৰ কৰি আহিছে।

৪.৩.৪ ৰাধানাথ চাংকাকতি

ৰাধানাথ চাংকাকতি (১৮৫৩-১৯২৩) আছিল অসমত ইংৰাজী ভাষাৰ বাতৰিকাকতৰ বিকাশ আৰু উন্নয়নৰ বাট কটাসকলৰ অন্যতম। চাংকাকতিৰ নাম 'দ্যা টাইমছ অব্ আছাম'ৰ লগত ওতঃপ্রোতভাৱে জড়িত হৈ আছে। বাতৰিকাকখনৰ তেওঁ সম্পাদক আৰু প্রকাশক আছিল। ১৮৯৫ চনৰ ৫ জানুৱাৰীত প্রকাশ পোৱা বাতৰি-কাকতখন আছিল অসমত ইংৰাজী ভাষাৰ প্রথমখন বাতৰিকাকত। যদিও অসমৰ চাহ বাগিচাৰ ব্রিটিছ চাহ খেতিয়কসকলৰ প্রয়োজন পূৰাবৰ বাবে আৰু শাসকীয় ব্যৱসায়ী শ্রেণীৰ স্বার্থ সুৰক্ষা আৰু প্রসাৰৰ বাবে বাতৰিকাকতখন প্রকাশ কৰা হৈছিল তথাপিও অসমৰ টাউন আৰু গাঁৱত বাতৰিকাকত জনপ্রিয় কৰাত চাংকাকতি সফল হৈছিল। ১৯২৩ চনত তেওঁৰ মৃত্যুৰ পাছত বাতৰিকাকতখনৰ চর্ত অসমীয়া সাংবাদিকতাৰ আন এগৰাকী পথ নির্মাতা লক্ষীনাথ ফুকনৰ হাতলৈ যায়। বাতৰিকাকতখন আন এক বিশেষ চৰিত্র আছিল বিজ্ঞাপনৰ ব্যাপক ব্যৱহাৰ, যিটোক চাংকাকতিয়ে এখন বাতৰিকাকতৰ জীৱন ৰেকা বুলি বিশ্বাস কৰিছিল।

৪.৩.৫ চন্দ্র কুমাৰ আগৰৱালা

চন্দ্রকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) অসমৰ এগৰাকী বিশিষ্ট লিখক, কবি আৰু সাংবাদিক আছিল। তেওঁ অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগ 'জোনাকী যুগ'ৰ সাহিত্যিক আছিল। অসমীয়া সাহিত্যত আগলৱালাক 'প্রতীমাৰ খনিকৰ' বুলি জনা যায়। আগৰৱালা 'জোনাকী' আলোচনীৰ প্রথমগৰাকী সম্পাদক আৰু ধন যোগান ধৰোঁতা আছিল। তেওঁ দুই বন্ধু লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামীৰ সৈতে লগ হৈ অসমৰ সাহিত্য অনুষ্ঠান 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ প্রতিষ্ঠা কৰিছিল।

আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণিৰ সময়ত আগবঢ়োৱা স্মৰণীয় অৱদানৰ বাবে তেওঁলোক তিনিওজনক একেলগে 'অসমীয়া সাহিত্যৰ ত্রিমূর্তি' বুলি জনা যায়। চন্দ্র কুমাৰ আগৰৱালা এটা বিখ্যাত পৰিয়ালৰ সদস্য আছিল। তেওঁৰ ভাতৃ আনন্দ চন্দ্র আগৰৱালা এগৰাকী জনপ্রিয় লেখক আৰু কবি আছিল আৰু তেওঁৰ ভতিজা জ্যোতি প্রসাদ আগৰৱালা এগৰাকী বিশিষ্ট কবি, চিত্রনাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, লিখক আৰু প্রথম অসমীয়া চলচ্চিত্র নির্মাতা আছিল।

চন্দ্র কুমাৰ আগৰৱালাই ১৯১৮ চনত ডিব্রুগড়ৰ পৰা এখন অসমীয়া সাপ্তাহিক কাকত 'অসমীয়া' উলিয়ায়। পিছত ডিব্রুগড়ৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰা হয়। এই বাতৰিকাকতখন 'সঞ্জীৱনী', 'হিতবাদী' আৰু 'বংগবাদী'ৰ দৰে বঙালী বাতৰিকাকতৰ বর্দ্ধিত প্রভাৱ ৰোধ কৰিবলৈ উলিওৱা হৈছিল। বাতৰিকাকতখনৰ জৰিয়তে চন্দ্র কুমাৰ আগৰৱালাই অসমৰ শিক্ষিত মধ্যবিত্ত শ্রেণীটোৰ কাষ চাপিব বিচাৰিছিল। তেওঁ সদানন্দ দুৱৰা, নীলমণি ফুকন আৰু ৰাজ্যৰ আন কিছু আগশাৰীৰ নাগৰিকক অংশ বিক্রী কৰি অসম প্রিণ্টার্ছ এণ্ড পাব্লিচার্ছ গঠন কৰিছিল। এই সাপ্তাহিকখনৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য আছিল যে ই অসমীয়া সমাজখনক প্রতিফলিত কৰিছিল আৰু ই মানুহক নিজৰ পৰিচয়ৰ প্রতি থকা ধাৰণা সলনি কৰোৱাইছিল।

৪.৩.৬ পদ্মনাথ গোহাঞিবৰুৱা

উত্তৰ লখিমপুৰত ১৮৮১ চনত জন্মগ্রহণ কৰা পদ্মনাথ গোহাঞিবৰুৱা (১৮৮১-১৯৪৬)ই যোৰহাটত শিক্ষক হিচাপে কর্মজীৱন আৰম্ভ কৰে। তাৰ পাছত তেওঁ তেজপুৰ পৌৰসভাৰ সভাপতি, অছাম কাউন্সিলৰ সদস্য, আহোম এছ'চিয়েশ্যনৰ সভাপতি আদি দায়িত্ব পালন কৰে। পদ্মনাথ গোহাঞিবৰুৱা বহুকেইখন অসমীয়া জার্ণেল আৰু আলোচনীৰ সৈতে জড়িত হৈ আছিল। কলকাতাত অধ্যয়ন কৰি থকা কালত তেওঁ কৃষ্ণ প্রসাদ দুৱৰাৰ সৈতে 'বিহল' নামৰ এখন অসমীয়া মাহেকীয়া আলোচনী উলিয়াইছিল। পিছত তেওঁ এইখনৰ সম্পাদকৰ দায়িত্ব লয় আৰু তিনি বছৰতকৈ অধিক কাল আলোচনীখন উলিয়ায়। ১৯০১ চনত মথুৰা মোহন বৰুৱাৰ সৈতে তেওঁ তেজপুৰৰ পৰা 'অসম বন্তি' নামৰ এখন সাপ্তাহিক কাকত প্রকাশ কৰে। এক জটিল সময়ত 'অসম বন্তি'য়ে অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্রত নেতৃত্বৰ দায়িত্ব লয়। অসমীয়া সমাজৰ মুখপত্র হিচাপে কাম কৰি কাকতখনে বহুকেইটা বিষয় ব্রিটিছ চৰকাৰৰ দৃষ্টিগোচৰ কৰোৱায়। ১৯০৭ চনৰ পৰা তেওঁ আন এখন আগশাৰীৰ অসমীয়া আলোচনী 'ঊষা' সম্পাদনা কৰিবলৈ আৰম্ভ কৰে। হেমচন্দ্র গোস্বামী, সত্যনাথ বৰা, শৰৎ চন্দ্র গোস্বামী আদি বহু বিশিষ্ট সাহিত্যিকে আলোচনীখনত নিয়মীয়াকৈ লিখে আৰু ফলত ইয়াৰ জৰিয়তে অসমীয়া সাহিত্যত এটা নতুন যুগৰ সৃষ্টি হয়।

৪.৩.৭ লক্ষ্মীনাথ ফুকন

লক্ষ্মীনাথ ফুকন (১৮৯৭-১৯৭৫)এ ১৯১৫ চনৰ পৰা ১৯৬৪ চনলৈ প্ৰায় অৰ্ধশতিকা ধৰি অসমীয়া সাংবাদিকতাৰ ধ্বজা বহন কৰিছিল। তেওঁ সকলোৰে দ্বাৰা সন্মানিত ব্যক্তি আছিল। আন এগৰাকী আগশাৰীৰ সাংবাদিক প্ৰফুল্ল চন্দ্ৰ বৰুৱাই লিখিছিল— "অৰুণোদয়', 'আছাম বিলাসিনী', 'আছাম নিউজ' আৰু 'দ্যা এডভ'কেট অব্ আছাম' বাদ দিলে লক্ষ্মীনাথ ফুকনৰ সাংবাদিকতা জীৱনেই অসমত সাংবাদিকতাৰ ইতিহাস হৈ পৰে।"

লক্ষ্মীনাথ ফুকন এজন অনন্য প্ৰতিভাধৰ সাংবাদিক আছিল আৰু তেওঁ অভিলেখ সংখ্যক বাতৰিকাকত সম্পাদনা কৰিছিল। তেওঁ ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'আলোচনী' নামৰ বাতৰিকাকতত সম্পাদক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি অৰ্ধ শতিকাৰ পাছত 'দ্যা আছাম ট্ৰিবিউন'ৰ সম্পাদক হিচাপে অৱসৰ লয়। এই দুখন বাতৰিকাকতৰ বাহিৰেও তেওঁ 'দ্যা টাইমছ অব্ আছাম', 'বাতৰি', আৰু 'অসমীয়া' সম্পাদনা কৰিছিল আৰু কলকাতাৰ পৰা উলিওৱা 'অমৃত বাজাৰ পত্ৰিকা', 'দ্যা হিন্দুস্তান ষ্টেণ্ডার্ড' আৰু 'দ্যা ইণ্ডিপেণ্ডেণ্ট'ৰ দৰে ৰাষ্ট্ৰীয় বাতৰিকাকতত সহকাৰী সম্পাদক হিচাপে কাম কৰিছিল। এগৰাকী বিশিষ্ট সাংবাদিকৰ উপৰিও লক্ষ্মীনাথ ফুকন এজন কবি আৰু এজন চুটিগল্প লেখক আছিল। তেওঁৰ এখন গুৰুত্বপূৰ্ণ গদ্য পুথি 'মহাত্মাৰ পৰা ৰূপকোঁৱৰ'ৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। স্বাধীনতাৰ পাছৰ আৰু পূৰ্বৰ অসমত অনুসন্ধানমূলক সাংবাদিকতাৰ চৰিত্ৰ সন্দৰ্ভতো তেওঁ প্ৰবন্ধ লিখিছিল। তেওঁৰ দুটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ আছিল— 'ৰাধানাথ চাংকাকতি' আৰু 'চন্দ্ৰ কুমাৰ আগৰৱালা'। ইয়াত অসমীয়া সাংবাদিকতাৰ জটিল সময়ৰ বৰ্ণনা আছে। ৰাধানাথ চাংকাকতিৰ মৃত্যুৰ পাছত লক্ষ্মীনাথ ফুকনে মাত্ৰ ২৮ বছৰ বয়সত 'দ্যা টাইমছ অব্ আছাম'ৰ সম্পাদক হিচাপে যোগদান কৰে। তেওঁ কাকতখন কংগ্ৰেছ দলৰ কাৰ্যসূচী আৰু নীতিৰ দ্বাৰা প্ৰভাৱিত হ'বলৈ দিয়া নাছিল। তাৰ পৰিৱৰ্তে তেওঁ কাকতখনত ৰাষ্ট্ৰীয়তাবাদী সুৰ এটা বৰ্তাই ৰাখিছিল।

৪.৩.৮ অম্বিকাগিৰি ৰয়চৌধুৰী

অম্বিকাগিৰি ৰয়চৌধুৰী (১৮৮৫-১৯৬৭) আছিল অসমীয়া সাংবাদিকতাৰ আন এগৰাকী সূচনাকাৰী আৰু বিশিষ্ট নাট্যকাৰ। পৰৱৰ্তী সময়ত 'অসম কেশৰী' হিচাপে পৰিচিত হৈ পৰা ৰয়চৌধুৰীয়ে স্বদেশী আন্দোলনৰ দ্বাৰা প্ৰভাৱিত হৈ ১৯০৬ চনত প্ৰথমখন বিপ্লৱী নাটক 'বন্দিনী ভাৰত' ৰচনা কৰে।

'অৰুণা প্ৰেছ' আছিল লক্ষ্মীনাথ ফুকন আৰু অম্বিকাগিৰি ৰয়চৌধুৰীৰ যৌথ প্ৰচেষ্টাৰ ফল। ১৯১৮ চনত প্ৰতিষ্ঠা কৰা ছপাশালটো আছিল ৰয়চৌধুৰীৰ সাহিত্যিক,

সাংবাদিক আৰু ৰাজনৈতিক দৰ্শনৰ কেন্দ্ৰবিন্দু। ১৯১৯ চনৰ ছেপ্টেম্বৰ মাহত অৰুণা প্ৰেছৰ পৰা মাহেকীয়া আলোচনী 'চেতনা' প্ৰকাশ পায়। চেতনাই প্ৰধানতঃ সাহিত্য, সমাজ, স্বাস্থ্য আৰু পৰিচ্ছনতা সম্পৰ্কীয় বিষয়ত গুৰুত্ব আৰোপ কৰিছিল। আলোচনীখন যুটীয়াভাৱে সম্পাদনা কৰিছিল চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকাগিৰি ৰয়চৌধুৰীয়ে। 'চেতনা'ত নিয়মীয়াকৈ দেশৰ আৰু বিদেশৰ বিভিন্ন বিষয়ত বাতৰি আৰু মতামত, সম্পাদকীয়, নতুনকৈ প্ৰকাশিত গ্ৰন্থৰ সংক্ষিপ্ত আলোচনা, বিভিন্ন আলোচনা, সম্পাদকলৈ চিঠি আদি প্ৰকাশ পাইছিল। ১৯২৭ চনত বন্ধ হোৱালৈ 'চেতনা' সাত বছৰ জীয়াই আছিল।

১৯৩৫ চনত অৰুণা প্ৰেছৰ পৰা অম্বিকাগিৰি ৰয়চৌধুৰীৰ সম্পাদনাত প্ৰকাশিত দ্বিতীয়খন গুৰুত্বপূৰ্ণ কাকত আছিল 'ডেকা অসম'। অসমত অসমীয়া জাতীয়তাবাদৰ এটা শক্তিশালী ভেটি নিৰ্মাণ কৰাত কাকতখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। প্ৰথমে সাপ্তাহিক আৰু ১৯৩৫ চনৰ পৰা ১৯৪৪ চনলৈ পখেকীয়া হিচাপে প্ৰকাশ পোৱা 'ডেকা অসম' প্ৰায় নিয়মীয়াকৈ প্ৰকাশ পাইছিল। 'ডেকা অসম' আৰু 'চেতনা' দুয়োখন অসমীয়া মানুহৰ মুখপত্ৰ হৈ পৰিছিল। সমসাময়িক বিশ্বত অসমীয়া মানুহৰ পৰিচয় আৰু ভৱিষ্যতৰ বাস্তৱতা সন্দৰ্ভত গুৰুত্ব দি লিখা আলোচনী দুখনৰ সম্পাদকীয়সমূহৰ কথা বিশেষভাৱে উল্লেখ কৰিব লাগিব. উদাহৰণ স্বৰূপে 'ভাৰতীয়ৰ স্বৰাজ আৰু অসমীয়াৰ স্বৰাজ' ('চেতনা', সংখ্যা ২, ১৯২০), 'আত্মচেতনাহীনতাৰ পৰিণাম আত্মবিলোপ' ('ডেকা অসম', সংখ্যা ৬, ১৯৪০), 'অসমীয়াক কি লাগে আৰু কি নালাগে' ('ডেকা অসম', সংখ্যা ৪, ১৯৩৮), 'জাতীয়তা আৰু মহাজাতীয়তা' ('ডেকা অসম', সংখ্যা ১, ১৯৩৫) আদি প্ৰবন্ধত অসমীয়াৰ অস্তিত্ব, সংকট কালত নেতৃত্বৰ বিফলতা আৰু তেওঁলোকৰ দায়িত্ব আদি বিষয়ক প্ৰতিফলিত হৈছিল। ৰয়চৌধুৰীয়ে আন্তঃৰাষ্ট্ৰীয়তাবাদ ধাৰণাৰ সমালোচনা কৰিছিল আৰু জাতীয় স্বাথচ্ছ্ৰ ৰক্ষাৰ বাবে জাতীয় আৱেগ গুৰুত্বপূৰ্ণ বুলি মত পোষণ কৰিছিল। ১৯২০ চনত 'চেতনা'ৰ দ্বিতীয় সংখ্যাত প্ৰকাশিত 'ভৱিষ্যৎ ৰাষ্ট্ৰ বা মানৱতন্ত্ৰ' শীৰ্ষক সম্পাদকীয়ত ৰয়চৌধুৰীয়ে 'মহামানৱতন্ত্ৰ' প্ৰতিষ্ঠাৰ বাবে বিস্তৃত পৰিকল্পনা আগবঢ়াইছিল। 'চেতনা' আৰু 'ডেকা অসম' ৰয়চৌধুৰীৰ সম্পাদকীয়সমূহ একলগ কৰি 'আহুতি' নামেৰে এখন গ্ৰন্থ প্ৰকাশ কৰা হয়। অম্বিকাগিৰিৰ ব্যক্তিত্বৰ সাহিত্যিক প্ৰতিভাই তেওঁক এজন শক্তিশালী সাংবাদিক হোৱাত বহুখিনি সহায় কৰিছিল।

৪.৩.৯ শিৱ প্ৰসাদ বৰুৱা

শিৱ প্ৰসাদ বৰুৱা (১৮৮০-১৯৩৮) এজন প্ৰখ্যাত চাহ খেতিয়ক, পৰহিতৈষী, ৰাজনীতিক আৰু মানৱতাবাদী ব্যক্তি আছিল। অসমৰ প্ৰথমখন দৈনিক বাতৰি কাকত 'বাতৰি' প্ৰকাশ কৰা বৰুৱা আছিল অসমীয়া সাংবাদিকতা জগতৰ সূচনাকাৰী অথবা

পথ নির্মাতা। তেওঁৰ স্মৃতিত শিৱ প্রসাদ বৰুৱা ৰাষ্ট্রীয় বঁটা প্রদান কৰা হয়। কমল কুমাৰী ফাউণ্ডেশ্যনে ১৯৯৯ চনৰ পৰা সাংবাদিকতা ক্ষেত্রলৈ প্রভূত বৰঙণি আগবঢ়োৱা ব্যক্তি বা গোষ্ঠীক এই বঁটা প্রদান কৰি আহিছে। শিৱ প্রসাদ বৰুৱা আছিল বিখ্যাত অসমীয়া সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা আৰু অসমীয়া স্বার্থ ৰক্ষাৰ ক্ষেত্রত অগ্রণী ভূমিকা লোৱা ঠেঙালৰ বিখ্যাত খণ্ডীয়া বৰুৱা পৰিয়ালৰ সদস্য।

৪.৩.১০ ৰাধা গোবিন্দ বৰুৱা

১৯০০ চনৰ ১৭ অক্টোবৰত জন্মগ্রহণ কৰা ৰাধা গোবিন্দ বৰুৱা আছিল দ্যা আছাম ট্রিবিউন বাতৰিকাকত গোষ্ঠীৰ প্রতিষ্ঠাপক। ডিব্রুগড়ৰ এজন উদ্যোগী ব্যক্তি ৰাধা গোবিন্দ বৰুৱাই এখন ইংৰাজী দৈনিক প্রকাশৰ সিদ্ধান্ত লৈছিল। একাংশ বন্ধু আৰু শুভাকাংক্ষীৰ 'সহায়ত ১৯৩৯ চনৰ আগষ্টত তেওঁ কলকাতাৰ আনন্দ বজাৰ গ্রুপৰ আগশাৰীৰ দৈনিক 'হিন্দুস্তান ষ্টেণ্ডার্ড'ৰ সম্পাদনাৰ লগত জড়িত লক্ষ্মীনাথ ফুকনৰ সম্পাদনাত দৈনিক বাতৰিকাকতৰ পৰিৱর্তেচ্ছু এখন ইংৰাজী সাপ্তাহিক বাতৰি কাকত আৰম্ভ কৰে। ১৯৩৯ চনত ডিব্রুগড়ৰ পৰা প্রকাশিত সাপ্তাহিক ইংৰাজী কাকতখন আছিল 'দ্যা আছাম ট্রিবিউনচ। কেবাদশক ধৰি অসম ক্রিকেট এছ'চিয়েশ্যনৰ সভাপতি হৈ থকা ৰাধা গোবিন্দ বৰুৱা আছিল এজন ক্রীড়াপ্রেমী ব্যক্তি। অসমীয়া সংস্কৃতি আৰু সমাজৰ প্রতিও তেখেতে উল্লেখনীয় বৰঙণি আগবঢ়াইছিল। আধুনিক অসমীয়া গঢ়োতা বুলি পৰিচিত বৰুৱাৰ ১৯৭৭ চনৰ ১৫ জুলাইত মৃত্যু হয়। গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয় তেওঁৰ নামেৰে নামাংকন কৰা হয়। ২০০০ চনত জগলাল চৌধুৰী, বিজয় লক্ষ্মী পণ্ডিত আৰু দিৱান বাহাদুৰ আৰ শ্রীনিবাসনৰ সৈতে 'মহান নেতা ঃ সামাজিক আৰু ৰাজনৈতিক' চিৰিজৰ অংশ হিচাপে বৰুৱাক তেওঁৰ ফটো সম্বলিত ডাক টিকট ছপা কৰি সন্মান প্রদর্শন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাথমিক বীজগণিতৰ ওপৰত নাথন ব্রাউনে লিখা গ্রন্থখনৰ নাম কি?

.....

প্রশ্ন নং ২ ঃ 'অৰুণোদয়' নামেৰে কি বুজোৱা হয়?

.....

.....

প্ৰশ্ন নং ৩ ঃ কেতিয়া আৰু ক'ৰ পৰা 'অৰুণোদয়' প্ৰকাশ হৈছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামীয়ে আউনিআটী সত্ৰত স্থাপন কৰা ছপাশালটোৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৫ ঃ শ্ৰীশ্ৰী দত্ত দেৱ গোস্বামীয়ে সাংবাদিকতালৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে প্ৰদান কৰা বঁটাটোৰ নাম কি?

.....

প্ৰশ্ন নং ৬ ঃ 'জোনাকী' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

.....

প্ৰশ্ন নং ৭ ঃ কোনগৰাকী বিখ্যাত সাংবাদিকক 'অসম কেশৰী' বুলি জনা যায়?

.....

প্ৰশ্ন নং ৮ ঃ অম্বিকাগিৰি ৰয়চৌধুৰীয়ে সম্পাদনা কৰা 'চেতনা' আৰু 'ডেকা অসম'ৰ সম্পাদকীয়াসমূহ একলগ কৰি প্ৰকাশ কৰা গ্ৰন্থখনৰ নাম .....

.....

প্ৰশ্ন নং ৯ ঃ 'দ্যা আছাম ট্ৰিবিউন' কোনে আৰু কোন চনত আৰম্ভ কৰিছিল?

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাথান ব্ৰাউনৰ সৰ্বশ্ৰেষ্ঠ বৰঙণি আছিল 'অৰুণোদয়'। ১৮৪৬ চনৰ জানুৱাৰীৰ পৰা শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰকাশ আৰম্ভ হোৱা এইখন আছিল প্ৰথমখন অসমীয়া বাতৰিকাকত।
- 'অৰুণোদয়' সম্পাদনা কৰিছিল অলিভাৰ কাট্টাৰে।
- ব্ৰাউন আৰু বাট্টাৰে 'নিউ টেষ্টামেণ্ট'ৰ অসমীয়ালৈ কৰা অনুবাদ ১৮৪৮ চনত 'আমাৰ ত্ৰাণকৰ্তা যীশুখ্ৰীষ্টৰ নতুন নিয়ম' নামেৰে প্ৰকাশ কৰে।
- সত্ৰ হৈছে নৱ-বৈষ্ণৱ ধৰ্মৰ নীতি আৰু অনুশীলন প্ৰসাৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এক ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান। অসমৰ মানুহৰ ধৰ্মীয় আৰু সমাজ-সাংস্কৃতিক জীৱনত পঞ্চদশ শতিকাৰ পৰাই ই প্ৰভাৱ বিস্তাৰ কৰি আহিছে।
- চন্দ্ৰ কুমাৰ আগৰৱালাই ১৯১৮ চনত ডিব্ৰুগড়ৰ পৰা এখনন্তমীয়া সাপ্তাহিক কাকত 'অসমীয়া' উলিয়ায়।

- অসমৰ প্ৰথমখন দৈনিক বাতৰিকাকত 'বাতৰি' প্ৰকাশ কৰা শিৰ প্ৰসাদ বৰুৱা আছিল অসমীয়া সাংবাদিকতা জগতৰ সূচনাকাৰী আৰু পথ নিৰ্মাতা।
- ১৯০০ চনৰ ১৭ অক্টোবৰত জন্মগ্ৰহণ কৰা ৰাধা গোবিন্দ বৰুৱাই 'দ্যা আছাম ট্ৰিবিউন' বাতৰিকাকত গোষ্ঠী প্ৰতিষ্ঠা কৰে।



৪.৫ অধিক জানিবলৈ

১) কলিতা, সমিন (২০১২), *উত্তৰ-পূৰ্বাঞ্চলৰ দুশগৰাকী জ্যেষ্ঠ সাংবাদিক*, পাণবজাৰ ঃ চন্দ্ৰ প্ৰকাশ।

২) শৰ্মা, গোবিন্দ প্ৰসাদ (সম্পাদিত) (২০০৭), *অসমত ১৫০ বছৰীয়া সাংবাদিকতা*, অসম ঃ মিডিয়া ট্ৰাষ্ট।

৪.৬ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম গণনা (১৮৪৫), দ্বিতীয় গণনা (১৮৫৫) আৰু ভূগোল বিৱৰণ (১৮৫১)।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'অৰুণোদয়' নামৰ অৰ্থ হৈছে সূৰ্যোদয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ শিৱসাগৰৰ ব্ৰিটিছ মিছনেৰী প্ৰেছৰ পৰা ১৮৪৬ চনত প্ৰথম অসমীয়া কাকত 'অৰুণোদয়' প্ৰকাশ পায়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্ম প্ৰকাশ্যায়ন্ত্ৰ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ দত্ত দেৱ গোস্বামী গ্ৰাম্য সাংবাদিকতা বঁটা।

৬নং প্ৰশ্নৰ উত্তৰ ঃ চন্দ্ৰ কুমাৰ আগৰৱালা।

৭নং প্ৰশ্নৰ উত্তৰ ঃ অম্বিকাগিৰি ৰায়চৌধুৰী।

৮নং প্ৰশ্নৰ উত্তৰ ঃ আহুতি।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৩৯ চনত ৰাধা গোবিন্দ বৰুৱাই 'দ্যা আছাম ট্ৰিবিউন' আৰম্ভ কৰে।



৪.৬ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ শ্ৰীদত্ত দেৱ গোস্বামী কোন আছিল? তেওঁ ৰচনা কৰা নাটকসমূহৰ নাম কি?

প্ৰশ্ন ২ ঃ চন্দ্ৰ কুমাৰ আগৰৱালাই উলিওৱা অসমীয়া সাপ্তাহিকখনৰ নাম কি আছিল? কাকতখনে কি বিষয়ত বেছি গুৰুত্ব দিছিল?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ অসমত সাংবাদিকতাৰ বিকাশত ড° নাথান ব্ৰাউনৰ অৱিহণা কি আছিল?

প্ৰশ্ন ২ ঃ 'লক্ষ্মীনাথ ফুকন জেন অনন্য প্ৰতিভাধৰ সাংবাদিক আছিল আৰু তেওঁ অভিলেখ সংখ্যক বাতৰিকাকত সম্পাদনা কৰিছিল।' —লক্ষ্মীনাথ ফুকন জড়িত থকা বাতৰিকাকতসমূহৰ নাম কি?

গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ অম্বিকাগিৰি ৰয়চৌধুৰী কোন আছিল? অসমীয়া সাংবাদিকতাৰ বিকাশত তেওঁৰ অৱিহণা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ বাতৰিকাকতৰ গুণগত মান শেহতীয়া বছৰসমূহত হ্ৰাস পোৱা বুলি আপুনি ভাবেনে? উদাহৰণসহ আপোনাৰ উত্তৰ প্ৰতিপন্ন কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভাষিক সংবাদ মাধ্যম আৰু ৰাষ্ট্ৰীয় উন্নয়ন

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ৰাষ্ট্ৰীয় উন্নয়ন (বিকাশ)ৰ ক্ষেত্ৰত ভাষিক সংবাদ মাধ্যমৰ ভূমিকা

৫.৪ ভাষিক সংবাদ মাধ্যমে সন্মুখীন হোৱা সমস্যাৰাজি

৫.৫ ভাৰতৰ কিছু সংখ্যক গুৰুত্বপূৰ্ণ ভাষিক বাতৰিকাকতৰ বিকাশ সম্পৰ্কীয় অধ্যয়ন

৫.৬ বাতৰিকাকতবোৰৰ প্ৰচালন সংখ্যাৰ বৰ্তমানৰ অৱস্থা

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্ৰগতিৰ খতিয়ান

৫.১০ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- ৰাষ্ট্ৰীয় উন্নয়নৰ ক্ষেত্ৰত ভাষিক সংবাদ মাধ্যমৰ ভূমিকা সম্পৰ্কে বৰ্ণনা দিবলৈ
- ভাষিক সংবাদ মাধ্যমে সন্মুখীন হোৱা সমস্যাৰাজিৰ বিষয়ে বুজিবলৈ
- ভাৰতৰ গুৰুত্বপূৰ্ণ ভাষিক বাতৰিকাকত— দৈনিক জাগৰণ, দৈনিক ভাস্কৰ আদিৰ বিকাশ সম্পৰ্কে বৰ্ণনা দিবলৈ
- ভাষিক বাতৰিকাকতসমূহৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কে বিশ্লেষণ কৰিবলৈ

৫.২ পৰিচয়

ভাষিক বাতৰিকাকত অথবা আঞ্চলিক বাতৰি কাকতবিলাক হৈছে দেশৰ বিভিন্ন ভাষা কোৱা স্থানবিলাকৰ পৰা প্ৰকাশিত কাকত। বিভিন্ন গোষ্ঠী-সম্প্ৰদায়, ভিন্ন সংস্কৃতি আৰু বিভিন্ন ভাষা-ভাষিক লোকৰ অৱস্থিতিয়েই হৈছে ভাৰতৰ নিৰ্দেশক-ছাপ (Hall-marks), য'ত এশৰো অধিক ভাষাত সংবাদ-পত্ৰ প্ৰকাশিত হৈ আছে। স্বাধীনতাৰ আগেয়ে ভাষিক সংবাদ মাধ্যম নানা ধৰণৰ প্ৰতিবন্ধকতাৰ সন্মুখীন হৈছিল। উদাহৰণ হিচাপে ১৮৭৮ চনত যেতিয়া 'ভাৰ্ণাকুলাৰ প্ৰেছ এক্ট' গৃহীত হৈছিল, যিকোনো ভাৰতীয় ভাষাৰ বাতৰিকাকতৰ মুদ্ৰক আৰু প্ৰকাশকক চৰকাৰৰ প্ৰতি অসন্তোষসূচক মনোভাৱ, উত্তেজিত কৰিব পৰা ধৰণৰ অথবা বিভিন্ন বৰ্ণ, সম্প্ৰদায় আৰু ধৰ্মৰ লোকৰ মাজত বিদ্বেষৰ সৃষ্টি কৰিব পৰা লেখা আৰু বা-বাতৰিৰ লগতে 'হিজ মেজেষ্ট্ৰী'ৰ বিষয়সমূহ প্ৰকাশ নকৰাৰ বাবে মুছলেকা দিবলৈ কোৱা হৈছিল। কোনো বাতৰিকাকতে

এনে নিয়ম উলংঘা কৰিলে প্ৰথমে সতৰ্কবাণী শুনোৱা হৈছিল আৰু তাৰ পুনৰাবৃত্তি ঘটিলে সেই বাতৰিকাকতৰ আহিলা-পাতি জব্দ কৰিব পৰাৰ ব্যৱস্থা ৰখা হৈছিল।

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়ত দেশত মাত্ৰ ৩,৫৩৩খন বাতৰিকাকত আছিল। ইয়াৰে ৩৩০খন আছিল দৈনিক বাতৰিকাকত আৰু ৩,২০৩খন আছিল সাময়িকী। ৫০ বছৰৰ পিছত এনে প্ৰকাশন সংখ্যা ১২ গুণে বৃদ্ধি পালে। 'ৰেজিষ্ট্ৰাৰ অব্ নিউজপেপার্ছ অব্ ইণ্ডিয়া'ই প্ৰকাশ কৰা তথ্য অনুযায়ী ১৯৯৭ চনত দেশত ৪১,৭০৫খন প্ৰকাশন আছিল, যাৰ ভিতৰত বাতৰিকাকতৰ সংখ্যা আছিল ৪,৭১৯। ২০০৬ চনত প্ৰকাশনৰ সংখ্যা ৪৫,৬০০ৰৈ বৃদ্ধি পায়, ইয়াৰ ভিতৰত বাতৰিকাকতৰ সংখ্যা আছিল ৫,৬০০। ভাষিক সংবাদ মাধ্যমে স্থানীয়, প্ৰাদেশিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ৰূপায়ণ কৰিবলৈ লোৱা বিভিন্ন উন্নয়নমূলক প্ৰকল্প জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত বৃহৎ পৰিসৰৰ ভূমিকা লৈ হিত সাধন কৰিছিল। ভাৰতৰ নিচিনা এখন উন্নয়নশীল দেশত সংবাদ মাধ্যমৰ ভূমিকা বিভিন্ন প্ৰকাৰৰ। ই বাতৰিৰ যোগাযোগ সূত্ৰ; আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ত সংঘটিত ঘটনাৰাজিৰ তথ্যৰ উৎস হিচাপেও কাম কৰে।

৫.৩ ৰাষ্ট্ৰীয় উন্নয়ন (বিকাশ)ৰ ক্ষেত্ৰত ভাষিক সংবাদ মাধ্যমৰ ভূমিকা

ভাৰতীয় সংবিধানে যদিও দেশৰ ১৮টা প্ৰধান ভাষাক স্বীকৃতি দিছে, কিন্তু ভাৰতৰ জনগণে মাতৃভাষাৰূপে ব্যৱহাৰ কৰা ভাষা হৈছে ১,৬৫২টা। সৰ্বাধিক প্ৰচালন থকা বাতৰিকাকত আৰু আলোচনীৰে, মালায়ালম সংবাদ মাধ্যম শীৰ্ষস্থানত অধিষ্ঠিত হৈ আছে। চীন দেশৰ পিছতে বিশ্বৰ ভিতৰতে বৃহত্তম বাতৰিকাকতৰ বজাৰৰ অধিকাৰী হৈছে ভাৰত। স্বাধীনতাৰ সময়ত ভাৰতত প্ৰায় ৩,০০০ বাতৰিকাকত আৰু সাময়িকী আছিল, ইয়াৰ ভিতৰত প্ৰধান ইংৰাজী আৰু ভাষিক বাতৰিকাকত আছিল তিনিশ। ১৯৬০ চনত দেশত ৩৯২খন ভাষিক দৈনিক বাতৰিকাকত আছিল আৰু এইবিলাকৰ সন্মিলিত প্ৰচালন সংখ্যা আছিল ৩৬ লাখ; ১৯৭১ চনত ভাষিক দৈনিক কাকতৰ সংখ্যা ৭০৪লৈ বৃদ্ধি পাইছিল আৰু আটাইবোৰ কাকতৰ মিলিত প্ৰচালন সংখ্যা ৬৮ লাখ হৈছিলগৈ। ১৯৭১ চনত শীৰ্ষস্থানত থকা চাৰিখন দৈনিক কাকতৰ কেউখনেই আছিল ভাৰতীয় ভাষিক দৈনিক কাকত। ১৯৬০ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত ভাষিক দৈনিক কাকতৰ প্ৰচালন সংখ্যা প্ৰায় দ্বিগুণ হৈছিল। ১৯৮৯ চনত হিন্দী বাতৰিকাকতৰ সংখ্যা ইংৰাজী বাতৰিকাকততকৈ প্ৰায় দ্বিগুণ আছিল। স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, ৰাজনীতিত সৰ্বসাধাৰণ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ আৰু মানুহৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ পোনপটীয়া ফল আছিল ভাৰতত ভাষিক সংবাদ মাধ্যমৰ ক্ষিপ্ৰ বিকাশ। ভাষিক সংবাদ মাধ্যমৰ প্ৰধান বিষয়বস্তু ৰাজনৈতিক তথ্যৰ ৰূপত প্ৰকাশ পাইছিল। এক অধ্যয়নত (হক, ১৯৮৬) এই কথা কোৱা হৈছিল যে ইংৰাজী দৈনিক বাতৰিকাকতবিলাকে উন্নয়নমূলক বা-বাতৰি অথবা আন কোনো বিষয় নাইবা আন শ্ৰেণীৰ লেখাতকৈ ৰাজনীতি আৰু চৰকাৰ বিষয়ক অধিক গুৰুত্ব দিছিল। উন্নয়নমূলক বা-বাতৰি জীৱনৰ সংস্কাৰ আৰু মনোন্নয়নৰ সৈতে সংপৃক্ত; ইয়াত শাৰীৰিক বিকাশ আৰু উন্নয়ন বিষয়ক অগ্ৰগতি অথবা সমস্যা আদিও অন্তৰ্ভুক্ত হৈ থাকে। উন্নয়ন বিষয়ক শ্ৰেণীৰ বা-বাতৰিত সন্নিৱিষ্ট

বিষয়বিলাক হৈছে— স্বাস্থ্য, শিক্ষা, স্বাক্ষৰতা, যোগাযোগ (পৰিবহন), কৃষি, উদ্যোগ, গৃহ নিৰ্মাণ, জনসংখ্যা নিয়ন্ত্ৰণ বিষয়ক প্ৰশিক্ষণ, ৰাষ্ট্ৰীয় সংহতি, শক্তি আৰু পৰিৱেশবিদ্যা।

মাতৃভাষাৰ সংবাদ মাধ্যমে পঢ়ুৱৈসকলৰ সজাগতা বৃদ্ধিৰ লগতে বিকাশৰ প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণত সহায় কৰিব পাৰে। এনে সংবাদ মাধ্যম আঞ্চলিক ভাষাৰ হোৱাৰ সুবাদত এইবিলাকৰ বিষয়বস্তুৱে স্থানীয় ৰাজিৰ প্ৰয়োজনীয়তা আৰু আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটোৱাৰ লগতে স্থানীয় বিষয়সমূহ উপস্থাপনেৰে সাধাৰণ মানুহৰ প্ৰয়োজনীয়তাৰাজি সংহত কৰি সেইবোৰ উত্থাপনৰ মঞ্চ গঠনৰ সুবিধা প্ৰদানৰ দিহা কৰিব পাৰে— যিয়ে জনগণৰ আশু প্ৰয়োজনীয়তা পূৰণত সহায় কৰে। এনে সংবাদ মাধ্যমৰ সৰ্বসাধাৰণ ৰাইজৰ সমস্যাৰাজি, নিবনুৱা সমস্যা, কৃষিৰ আহিলা-পাতিবিলাকৰ নাটনি, আইন-শৃংখলা পৰিস্থিতি আদিক সৰ্বাধিক গুৰুত্ব প্ৰদানৰ সুযোগ আছে। মাতৃভাষাৰ বাতৰি কাকতবিলাকে বিভিন্ন শিতান, যেনে— 'সম্পাদকলৈ চিঠি', বাতৰি তথা প্ৰতিবেদন আৰু আনকি বিশেষ লেখা (ফিচাৰ্ছ) আদিৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজৰ দৈনন্দিন জীৱন-যাত্ৰাৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰু বিষয় স্পৰ্শ কৰিব পাৰে। মাতৃভাষাৰ সংবাদ মাধ্যমে দ্বিতীয় পৰ্যায় হিচাপে বৈজ্ঞানিক জ্ঞানক তথ্যলৈ ৰূপান্তৰ কৰি তাক সৰ্বসাধাৰণ ৰাইজৰ হিতাৰ্থে প্ৰায়োগিক ৰূপত উপস্থাপনেৰে আটাইতকৈ উপযুক্তভাৱে কাম কৰিব পাৰে।

১৮১৮ চনত বাংলা ভাষাত প্ৰকাশিত 'সমাচাৰ দৰ্পণ' আছিল প্ৰথমখন আঞ্চলিক ভাষাৰ বাতৰিকাকত। ১৮২২ চনত প্ৰকাশৰ সূচনা হোৱা 'বোম্বে সমাচাৰ' এই পৰ্যন্ত বৰ্তি আছে আৰু ই এছিয়াৰ আটাইতকৈ পুৰণি বাতৰিকাকত হিচাপে পৰিগণিত হৈছে। প্ৰাক্ স্বাধীনতা যুগত বাতৰি কাকতসমূহৰ এটাই উদ্দেশ্য (কাৰ্যসূচী) আছিল— সেয়া হৈছে তেওঁলোকৰ আদৰ্শৰ প্ৰসাৰ। এই ক্ষেত্ৰত প্ৰাক্ স্বাধীনতা যুগৰ এগৰাকী খ্যাতনামা বলিষ্ঠ ব্যক্তি তথা এগৰাকী বিপ্লৱী নেতা আছিল বাল গংগাধৰ তিলক— যিয়ে স্বাধীনতা সংগ্ৰাম সন্দৰ্ভত নিজৰ ধ্যান-ধাৰণা আৰু আদৰ্শ বিয়পাই দিয়াৰ বাবে বাতৰিকাকতক বাহন হিচাপে ব্যৱহাৰ কৰিছিল। ১৮৮০ চনত প্ৰতিষ্ঠিত 'কেশৰী' মাৰাঠীত প্ৰকাশিত হৈছিল। ১৯৪৭ চনৰ আগেয়ে বাতৰিকাকত উদ্যোগৰ কেৱল এটায়েই উদ্দেশ্য আছিল— স্বাধীনতাৰ উদ্দেশ্যৰ বিস্তাৰ। হিন্দী সংবাদ মাধ্যম আৰু অন্যান্য আঞ্চলিক ভাষাৰ বাতৰিকাকতৰ ক্ষমতাক দশকৰ পিছত দশক জুৰি আওকাণ কৰি অহা হৈছে আৰু আঞ্চলিক ভাষাৰ বাতৰিকাকতৰ ক্ষেত্ৰত বিজ্ঞাপনৰ দিশতো এই কথা সঁচা।

আঞ্চলিক ভাষাৰ বাতৰিকাকতে বিজ্ঞাপনৰ দিশত গতিশীলতা অৰ্জন কৰাৰ লগতে বিগত ত্ৰিশ বছৰত প্ৰচালন তথা পঢ়ুৱৈৰ সংখ্যাৰ ক্ষেত্ৰত চমকপ্ৰদ আৰু ক্ষিপ্ৰ বিকাশ সাধন কৰাৰ অন্তৰালত থকা দুটা নিৰ্ণায়ক কাৰক হৈছে বাতৰিকাকতবোৰৰ কাৰ্যালয় আৰু বাতৰিকাকতবোৰৰ বিষয়বস্তুৰ আঞ্চলিকীকৰণ আৰু স্থানীয়কৰ— যি '৮০ৰ দশক আৰম্ভ হোৱালৈকে বাস্তৱত পৰিদৃশ্য হোৱা নাছিল। সত্তৰৰ দশকৰ শেষৰ পিনে যেতিয়া সমগ্ৰ দেশতে বজাৰ সম্পৰ্কীয় জৰীপ (গৱেষণা) আৰম্ভ হৈছিল, তেতিয়াহে এই কথা প্ৰতিপন্ন হৈছিল যে ভাৰতীয় আঞ্চলিক ভাষাৰ সংবাদ মাধ্যমো স্বীকৃতি পাবৰ বাবে সক্ষম। তেতিয়াই ইয়াৰ বিকাশৰ

বিপুল সম্ভাৱনীয়তাৰ কথা উপলব্ধি কৰিব পৰা হৈছিল। বিশেষকৈ ১৯৭৮ চনত সম্পন্ন কৰা ৰাষ্ট্ৰীয় পঢ়ুৱৈৰ জৰীপক (এন-আৰ-এছ) এই ক্ষেত্ৰত অগ্ৰগতিৰ প্ৰকৃত কাৰক হিচাপে চিহ্নিত কৰিব পাৰি। এই জৰীপে নগৰাঞ্চল অথবা গ্ৰামাঞ্চলত সম্ভাব্য পঢ়ুৱৈৰ বিষয়েও জল্পনা-কল্পনাৰ সৃষ্টি কৰিছিল। এয়াই 'আঞ্চলিকতাই নতুন ৰাষ্ট্ৰীয়তা' (গুপ্ত, ২০১৩) নেকি আৰু বাতৰিকাকতবিলাকে সৰু সৰু নগৰৰ লগতে গ্ৰামাঞ্চলৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগে নেকি আৰু স্থানীয় পঢ়ুৱৈ সমাজ গঢ়ি তেওঁলোকক ইয়াৰ সৈতে জড়িত কৰাব লাগে নেকি— সেই সম্পৰ্কত বিতৰ্কৰ সূচনা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাষিক বাতৰিকাকতৰ সংজ্ঞা নিৰূপণ কৰক।

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ভাষিক সংবাদ মাধ্যমৰ ক্ষিপ্ৰ বিকাশৰ কাৰণবোৰ কি কি?

.....

.....

.....

৫.৪ ভাষিক সংবাদ মাধ্যমে সন্মুখীন হোৱা সমস্যাৰাজি

বৃহৎ ব্যৱসায়িক গোষ্ঠীবিলাকে সংবাদ মাধ্যমত নিজ নিজ নিয়ন্ত্ৰণ সাব্যস্ত কৰি ইয়াক এটা ব্যৱসায়িক বিষয় হিচাপে গণ্য কৰিবলৈ ল'লে। বিপুল পৰিমাণৰ উৎপাদন-ব্যয় আৰু বিজ্ঞাপন নিৰ্ভৰতাই বৃহৎ সংখ্যক সংবাদ মাধ্যমক পুঁজিবাদ আৰু আধিপত্যবাদৰ আনুষংগিক উপাদানত পৰিণত কৰা হৈছিল। ভাৰততে 'ধনিক সংবাদ মাধ্যম' আৰু 'দুখীয়া সংবাদ মাধ্যম'ৰ সৃষ্টি হৈছিল। 'দুখীয়া সংবাদ মাধ্যম'— বিশেষভাৱে সৰু সৰু নগৰবিলাকৰ সংবাদ মাধ্যমৰ উৎসবিলাকো আছিল সীমিত অথবা নিম্নমানৰ, যেনে— কম বিনিয়োগ, অ-পৰ্যাপ্ত ব্যৱস্তাপনা, জৰাজীৰ্ণ যন্ত্ৰ-পাতি, পুৰণিকলীয়া টাইপ (আখৰ) আৰু অ-প্ৰশিক্ষিত বাতৰি যোগনিয়াৰ। মূলধনৰ অভাৱৰ বাবে এইবোৰ সংবাদ মাধ্যম বিজ্ঞাপনদাতা আৰু ৰাজনীতিকৰ ওচৰত নত হ'বলগীয়া হৈছিল। বহু ভাষিক সংবাদ মাধ্যমৰ বিত্তীয় প্ৰতিবন্ধকতাই ভাৰতীয় সংবাদ মাধ্যমৰ বিকাশত বাধা হৈ দেখা দিছিল। কিছু সংখ্যক তাত্ত্বিকে ইয়াক ঔপনিবেশিকোত্তৰ ধাৰাবাহিকতা, যেনে— ভাৰতীয় ভাষিক বাতৰিকাকতবিলাকৰ প্ৰতি চৰকাৰৰ বৈষম্যক ইয়াৰ আন এটা প্ৰতিবন্ধকতা বুলি গণ্য কৰে।

১৯৮০ৰ দশকত আৰু ১৯৯০ৰ দশকৰ আগভাগত ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণৰ

পৰিক্ৰমাত চৰকাৰী বিজ্ঞাপনৰ স্থান ক্ৰমে ক্ৰমে কৰ্প'ৰেটৰ বিজ্ঞাপনে নোলোৱা পৰ্যন্ত (অৰ্থাৎ চৰকাৰী বিজ্ঞাপন নিৰ্ভৰতাৰ স্থান কৰ্প'ৰেট বিজ্ঞাপনে নোলোৱালৈকে) ক্ষমতাধিষ্ঠিত কেন্দ্ৰীয় চৰকাৰবোৰে বিজ্ঞাপনৰ ক্ষেত্ৰত তেওঁলোকৰ একচেতীয়া ক্ষমতা প্ৰয়োগেৰে সংবাদ মাধ্যমক প্ৰভাৱিত কৰিবলৈ চেষ্টা চলাই আহিছিল। স্বাধীনতাৰ পিছৰ প্ৰথমটো দশকৰ সংবাদ মাধ্যম আৰু ৰাষ্ট্ৰ উভয়ে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আছিল। ৰাষ্ট্ৰই সংবাদ মাধ্যমৰ ওপৰত অতি বেছি হস্তক্ষেপ কৰা অথবা সংবাদ মাধ্যমৰ নিজৰ চেন্সৰশ্বিপৰ ফলত সৃষ্টি হোৱা বিপদৰ কথালৈ প্ৰায়ে আঙুলিওৱা হয়। বহু পৰ্যবেক্ষকে এই বুলিও সমালোচনা কৰিছিল যে ইংৰাজী ভাষাৰ সংবাদ মাধ্যমে চৰকাৰৰ বিজ্ঞাপনৰ বাজেটৰ আটাইতকৈ বেছি পৰিমাণৰ ধন লাভ কৰিছিল, ইয়াৰ বিপৰীতে অনা-ইংৰাজী (ভাৰতীয় আৰু আঞ্চলিক ভাষাৰ) বাতৰিকাকতবিলাক এই ক্ষেত্ৰত অসুবিধাজনক অৱস্থাৰ সন্মুখীন হৈছিল। জেফ্ৰে (Jeffrey)ৰ যুক্তি অনুসৰি এই অসমতাপূৰ্ণ আচৰণৰ আংশিক ভিত্তি হৈছে এয়ে যে অনা-ইংৰাজী ভাষিক সংবাদ মাধ্যমবিলাক আছিল 'কম জাতীয়তাবাদী' আৰু সেইবোৰে ইংৰাজী ভাষাৰ সংবাদ মাধ্যমতকৈ অধিক 'সাম্প্ৰদায়িক প্ৰৱণতা' প্ৰদৰ্শন কৰিছিল— উল্লেখ্য যে একে ধৰণৰ দৃষ্টিভংগী তথাকথিত 'স্বদেশী' সংবাদ মাধ্যম সম্পৰ্কত পোষণ কৰিছিল ব্ৰিটিছ ঔপনিৱেশিক প্ৰশাসনে (জেফ্ৰে, ২০০৩ : ৬-১০; নাৰেগল, ২০০১ : ১-১৭)।

ভাষিক বাতৰিকাকতৰ বিকাশ এটা আদৰণীয় লক্ষণ যদিও তাত কিছুমান উদ্বেগৰ বিষয়ো জড়িত হৈ আছিল। তীব্ৰ আৰু যুযুধান প্ৰতিযোগিতাই প্ৰায়ে অনৈতিক কৌশলৰ জন্ম দিছিল। কোনো এখন বাতৰিকাকতে মূল্য হ্ৰাস কৰিলে সেই কাকতখনৰ প্ৰচালন সংখ্যা বৃদ্ধি পাইছিল। কিন্তু প্ৰতিদ্বন্দ্বী কাকত এখনে তাতোকৈ মূল্য হ্ৰাস কৰি প্ৰতিশোধাত্মক ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰ ফলত পঢ়ুৱৈসকল উপকৃত হৈচিল সঁচা, কিন্তু ক্ষুদ্ৰ আৰু মজলীয়া বাতৰিকাকতবিলাক ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হ'বলগীয়া হৈছিল— কিয়নো, সেইবিলাক কাকতৰ পক্ষে প্ৰচালন সংখ্যা বৃদ্ধিৰ বাবে মূল্য হ্ৰাস কৰাটো সম্ভৱপৰ নাছিল।

বিজ্ঞাপনৰ জৰিয়তে অহা ৰাজহৰ ওপৰত খুব বেছি নিৰ্ভৰশীলতা বাতৰিকাকতবিলাকৰ বাবে ভাল নহয়। ভাৰতীয় বাতৰিকাকতবিলাকে লাভ কৰা মুঠ বিজ্ঞাপনৰ ৫০ শতাংশতকৈও অধিক হৈছে চৰকাৰী বিজ্ঞাপন। টকা-পইচাৰ সা-সুবিধাই বাতৰিকাকতবিলাকক চৰকাৰী নীতিৰ সমালোচনা সীমাবদ্ধ কৰে। হিংস্ৰ প্ৰতিযোগিতা সাংবাদিকতাৰ নীতি-নিয়ম আৰু মূল্যবোধৰ প্ৰতি ভাবুকি স্বৰূপ। সংবাদ মাধ্যমৰ যথেচ্ছাচাৰ তথা নিজেই বিচাৰ কৰি মতামত দিয়াৰ বহু উদাহৰণ আছে, যেনে— ভুৱা 'ষ্টিং অপাৰেশ্যন', অন্যায়ভাৱে আনৰ ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ, অপৰাধী লোকৰ ভাৱমূৰ্তি গঢ়ি তোলা, বিভিন্ন সম্প্ৰদায়ৰ মাজত বিদ্বেষ বিয়পোৱা আৰু সুপ্ত আৱেগৰ উদ্‌গীৰণ ঘটোৱা আদি। সংবাদ গোষ্ঠীবিলাকে নিজ নিজ প্ৰকাশনবোৰক উচ্চ মানৰ আৰু প্ৰতিদ্বন্দ্বী প্ৰকাসনবোৰক নিম্নমানৰ বুলি দেখুৱাবৰ বাবে বিজ্ঞাপনৰ জৰিয়তে কালিমা সনাৰ দৰে কাৰ্য সম্পাদন কৰাও পৰিলক্ষিত হয়। এনে ধৰণৰ অনৈতিক (অস্বাস্থ্যকৰ) কৌশল অৱলম্বন কৰাৰ লগতে উন্নত বিত্তীয় ভিত্তি আৰু উন্নত মানৰ বজাৰ ব্যৱস্থাপনাৰ অভাৱে ভাষিক সংবাদ মাধ্যমৰ স্বাভাৱিক কাম-কাজ সম্পাদনত ব্যাঘাত ঘটাইছিল।

৫.৫ ভাৰতৰ কিছু সংখ্যক গুৰুত্বপূৰ্ণ বাতৰিকাকতৰ বিকাশ সম্পৰ্কে এক অধ্যয়ন

১৯৯৮ চনৰ পৰা ২০০০ চনৰ ভিতৰত চাৰিটা ভাষিক সংবাদ মাধ্যম— মালায়ালম, বাংলা, হিন্দী আৰু মাৰাঠীয়ে ক্ষিপ্ৰ বিকাশ সাধন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ বিপৰীতে একেছোৱা কালত তেলুগু, উৰ্দু, তামিল, উৰিয়া আৰু কানাড়া ভাষাৰ বাতৰিকাকতবিলাক হয় স্থবিৰ (স্থিতাৱস্থা) হৈ পৰিছিল, নহয় নিম্নগামী হৈছিল। ১৮৯০ চনত প্ৰকাশ পোৱা মালায়ালম ভাষাৰ দৈনিক বাতৰিকাকত 'মালায়ালা মনোৰমা' ১৯৮০ত ভাৰতৰ ভিতৰতে সৰ্বাধিক প্ৰচালন সংখ্যা থকা বাতৰিকাকত হিচাপে পৰিগণিত হৈছিল। 'মালায়ালা মনোৰমা'ই এক দশকৰো অধিক কাল সেই স্থান অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। আনহাতে, পশ্চিমবংগৰ 'আনন্দ বাজাৰ পত্ৰিকা'ই মাত্ৰ এঠাইৰ পৰা অৰ্থাৎ কলকাতাৰ পৰা প্ৰকাশিত সৰ্বাধিক প্ৰচলিত (প্ৰচালন সংখ্যা) বাতৰিকাকত হিচাপে পৰিগণিত হৈ আছিল। কিন্তু, যেতিয়া হিন্দী বাতৰিকাকতবিলাকে বৃহৎ পৰিসৰত সম্প্ৰসাৰণৰ কাম আৰম্ভ কৰিলে, প্ৰচালন সংখ্যাৰ ক্ষেত্ৰত সেইবিলাকে আন সকলো ভাষিক কাকতক চেৰ পেলালে। আজি 'দৈনিক জাগৰণ' আৰু 'দৈনিক ভাস্কৰ' দুখন সৰ্বাধিক প্ৰচালন থকা দৈনিক বাতৰিকাকত— যাৰ পঢ়ুৱৈৰ সংখ্যা ২০ নিযুততকৈও অধিক। ১৯৯০ৰ শেষৰ পিনে বেছিভাগ ভাষিক বাতৰিকাকতেই প্ৰচালন সংখ্যাৰ ক্ষেত্ৰত উল্লেখযোগ্য উন্নতি সাধন কৰিছিল। ২০০৬ চনৰ 'নেশ্যনেল ৰীডাৰশ্বিপ ছাৰ্ভে'ই সদৰি কৰা তথ্য অনুযায়ী গ্ৰামাঞ্চলত বাতৰিকাকতৰ পঢ়ুৱৈৰ সংখ্যাৰ বিকাশ ইমান ক্ষিপ্ৰতাৰে হৈছিল যে ই নগৰাঞ্চলৰ পঢ়ুৱৈৰ সংখ্যাৰ সৈতে সমান্তৰাল হৈছিল।

আঞ্চলিক অথবা স্থানীয় ভিত্তিক বুলি পৰিচিত হোৱা ভাষিক সংবাদ মাধ্যমৰ পঢ়ুৱৈসকলৰ মাজত স্বাক্ষৰ আৰু অৰ্ধ-স্বাক্ষৰ উভয় প্ৰকাৰৰ পঢ়ুৱৈ আছে। ইবিলাকৰ আবেদন নিৰ্দিষ্ট ভাষাৰ পঢ়ুৱৈৰ প্ৰতি। ইংৰাজী সংবাদ মাধ্যমসমূহ প্ৰধানতঃ নগৰাঞ্চল আৰু চহৰবোৰৰ মাজতে সীমাবদ্ধ। এইবিলাকে সৰু সৰু নগৰবিলাকত বিকাশৰ কেন্দ্ৰ গঢ়ৰ লগতে প্ৰদান প্ৰদান পৰ্যায়বিলাৰ দাঁতিকাষৰীয়া অঞ্চলবিলাককো সামৰি ল'ব পাৰে। ভাষিক সংবাদ মাধ্যমে কোনো নিৰ্দিষ্ট অঞ্চলৰ উমৈহতীয়া ভাষা-ভাষী আৰু সাংস্কৃতিক ভিত্তি থকা জনসংখ্যাৰ কেৱল এক ক্ষুদ্ৰ গৰিষ্ঠ অংশকহে ঢুকি পাবলৈ সক্ষম। ভাৰতত ভাষিক সংবাদ মাধ্যম চৰিত্ৰগতভাৱে আঞ্চলিক। কিছু সংখ্যক ইংৰাজী বাতৰিকাকতে নিজকে ৰাষ্ট্ৰীয় চৰিত্ৰসম্পন্ন বুলি দাবী কৰাৰ লেখীয়াকৈ কোনো ভাষিক সংবাদ মাধ্যমে নিজকে ৰাষ্ট্ৰীয় চৰিত্ৰসম্পন্ন বুলি দাবী নকৰে। কিন্তু, প্ৰকৃতাৰ্থত ভাৰতৰ কোনো ইংৰাজী দৈনিক কাকতেও পশ্চিমীয়া আৰু কমিউনিষ্ট দেশৰ লেখীয়াকৈ ৰাষ্ট্ৰীয় চৰিত্ৰ প্ৰদৰ্শন কৰা দেখা নাযায়। প্ৰাক্ স্বাধীনতা যুগত ভাষিক সংবাদ মাধ্যমৰ তুলনাত ইংৰাজী সংবাদ মাধ্যমৰ বিকাশ ক্ষিপ্ৰতৰ হৈছিল। স্বাধীনতাৰ পিছত, পৰিস্থিতি সলনি হয় আৰু ভাষিক সংবাদ মাধ্যমে বৃত্তিগত ক্ষেত্ৰ আৰু নেতৃত্বৰ দিশত ইয়াৰ বিকাশৰ বাবে উন্নত পৰিৱেশ লাভ কৰে।

১৯৪১ চনলৈকে ভাৰতত ১৭টা ভাষাত প্ৰায় ৪,০০০ বাতৰিকাকত আৰু আলোচনী

আছিল। প্ৰথম প্ৰেছ আয়োগে তেওঁলোকৰ প্ৰতিবেদনত কৈছে যে ১৯৫২ চনৰ শেষত ভাৰতত ৩৩০খন দৈনিক বাতৰিকাক, ১,১৮৯খন সাপ্তাহিক কাকত আৰু ১,৭৩৩খন অন্যান্য সাময়িকী বিধৰ বাতৰিকাকত আছিল। কেইটামান প্ৰতিকূল বছৰক বাদ দি প্ৰতি বছৰে বাতৰিকাকতৰ সংখ্যা গড়ে ৫ শতাংশ হাৰত বৃদ্ধি পাইছিল। ১৯৯৭ চনত বাতৰিকাকতৰ সংখ্যা আছিল ৪১,৭০৫, ইয়াৰ বিপৰীতে ১৯৯৮ চনৰ শেষত এই সংখ্যা হয়গৈ ৪৩,৮২৮। ইয়াৰ ভিতৰত আছিল ৪,৮৯০খন দৈনিক, ৩৩১খন তিনিদিনীয়া আৰু অৰ্ধ-সাপ্তাহিক, ১৫,৬৪৫খন সাপ্তাহিক, ১২,৯৬৫খন মাহেকীয়া, ৫,৯১৩খন পখেকীয়া, ৩,১২৭খন তিনিমহীয়া, ৩৮৩খন বছৰেকীয়া আৰু ১,৪৭৪খন অন্যান্যবিধৰ সাময়িকী। ২০০১ চনত ইয়াৰ সংখ্যা ৫১,৯৬০লৈ বৃদ্ধি পায়— য'ত দৈনিক কাকতবোৰৰ উপৰি আন সকলো ধৰণৰ কাকত-আলোচনী সন্নিৱিষ্ট আছিল। ভাৰতৰ বাতৰিকাকত পঞ্জীয়ক (আ�ৰ-এন-আই)ৰ তথ্য অনুযায়ী ২০০৫ চনৰ শেষত পঞ্জীয়নকৃত দৈনিক বাতৰিকাকত আৰু অন্যান্য প্ৰকাৰৰ কাকত-আলোচনীৰ সংখ্যা ৬০,৪১৩ হোৱাৰ বিপৰীতে ২০০৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত পঞ্জীয়নকৃত দৈনিক বাতৰিকাকত আৰু অন্যান্য কাকত-আলোচনীৰ সংখ্যা আছিল ৬২,৪৮৩।

আই-এন-এছ (ইণ্ডিয়ান নিউজপেপার্ছ ছ'চাইটি)ৰ মতে ছপা মাধ্যমৰ স্থানৰ পৰিসৰত আঞ্চলিক বাতৰিকাকতবিলাকে আধিপত্য বিস্তাৰ কৰি আছে, যাৰ লক্ষ্য প্ৰায় ০.৯৮ বিলিয়ন জনসংখ্যা। ৬২,০০০ৰো অধিক বাতৰিকাকত ছপা হয় আৰু ইয়াৰে প্ৰায় ৯২ শতাংশই হিন্দী আৰু অন্যান্য প্ৰাদেশিক ভাষাত প্ৰকাশিত। ইংৰাজী বাতৰিকাকতবিলাকৰ গুৰুত্ব প্ৰাথমিকভাৱে মেট্ৰ' চহৰবিলাকত আৰু মেট্ৰ' চহৰবিলাকৰ জনসংখ্যা আনুমানিক ০.৫ বিলিয়ন। ইয়াৰ ফলত আঞ্চলিক ভাষাৰ বাতৰিকাকতবিলাকে পঢ়ুৱৈৰ পৰিসংখ্যাতো আধিপত্য বিস্তাৰ কৰি আহিছে। কেৱল এখন ইংৰাজী বাতৰিকাকত (দ্যা টাইমছ অব্ ইণ্ডিয়া) শীৰ্ষ ২০খন বাতৰিকাকতৰ ভিতৰত আছে আৰু শীৰ্ষ ১০খন বাতৰিকাকতৰ ভিতৰত এখনো ইংৰাজী বাতৰিকাকত নাই (আই-আৰ-এছ, ২০০৯ আৰ ২)। ভাৰতীয় ভাষাৰ শীৰ্ষত থকা ৫খন বাতৰিকাকতৰ পঢ়ুৱৈৰ সৈতে কৰা তুলনাত এই ইংগিত পোৱা গৈছে যে হিন্দী বাতৰিকাকতবিলাকৰ (পঢ়ুৱৈৰ সংখ্যা ১৫৯ নিযুত) পঢ়ুৱৈৰ সংখ্যা ইংৰাজী বাতৰিকাকতবিলাকতকৈ (পঢ়ুৱৈৰ সংখ্যা ৩১ নিযুত) তাৎপৰ্যপূৰ্ণভাৱে বেছি। আনকি কিছু সংখ্যক প্ৰাদেশিক ভাষাৰ বাতৰি কাকতৰ নিৰ্দিষ্টকৈ ৰাজ্যভিত্তিক পঢ়ুৱৈৰ সংখ্যা, যেনে— বাংলা, তেলুগু, তামিল, মাৰাঠী ভাষাৰ বাতৰিকাকতৰ পঢ়ুৱৈৰ সংখ্যা ইংৰাজী বাতৰিকাকতকৈ অধিক। বাতৰিকাকত উদ্যোগৰ অংশগ্ৰহণকাৰীসকল এই কথাত একমত যে আগন্তুক বছৰবোৰতো বাতৰিকাকতত আঞ্চলিকীকৰণে উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত মূল চালিকা শক্তি হৈ থাকিব। এই প্ৰৱণতাৰ এটা লক্ষণ হ'ব আগন্তুক বছৰবোৰত প্ৰাদেশিক, হিন্দী আৰু ইংৰাজী ভাষাৰ বাতৰিকাকতবিলাকে সংগ্ৰহ কৰা ৰাজহৰ গতি কোন পথেৰে অগ্ৰসৰ হয়, তাৰ প্ৰৱণতাৰ লক্ষণ অনুধাৱন কৰিব পৰাটো।

বিশেষ সংস্কৰণবিলাকৰ জৰিয়তে বাতৰিৰ স্থানীয়কৰণে অৰ্থাৎ স্থানীয় বাতৰিৰ প্ৰকাশে যথেষ্ট উন্নতিৰ সুযোগ সৃষ্টি কৰিছে। ৰাজহৰ হিচাপত ইংৰাজী ভাষাৰ বাতৰিকাকতবিলাকে

ৰাজহৰ সিংহভাগ অর্থাৎ মুঠ ৰাজহৰ ৪০ শতাংশ কুক্ষিগত কৰি ৰাখিবলৈ সক,ম হৈছে। ইংৰাজী ভাষাৰ বাতৰিকাকতৰ বজাৰত সম্ভাৱনা প্ৰাথমিকভাৱে নগৰাঞ্চলৰ কেন্দ্ৰবোৰতে সীমিত ৰহি সেয়ে দেখা যায় যে ইয়াৰ গ্ৰাহকৰ ভিত্তি আঞ্চলিক ভাষাৰ বাতৰিকাকতবিলাকৰ তুলনাত সীমিত। দ্যা টাইমছ অব্ ইণ্ডিয়া, এইছ. টি. মিডিয়া আৰু দ্যা হিন্দুৱে ইংৰাজী ভাষাৰ বাতৰিকাকতবিলাকৰ স্থানত পৰিসৰত প্ৰাধান্য বিস্তাৰ কৰি আহিছে। আনহাতে, দৈনিক ভাস্কৰ, দৈনিক জাগৰণ আৰু হিন্দুস্তানে হিন্দী ভাষাৰ বাতৰিকাকতৰ বজাৰত আধিপত্য বিস্তাৰ কৰি আহিছে। হিন্দী বাতৰিকাকতৰ বজাৰক আকৌ হিন্দীভাষী গুৰুত্বপূৰ্ণ ঠাইবিলাকৰ কেন্দ্ৰ (Pocket) আৰু নগৰ আংশিক নগৰ (Semi Urban) অঞ্চল হিচাপত উপ-শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি, কিয়নো হিন্দী বলয়ত বজাৰৰ বিস্তৃতি আৰু প্ৰতিযোগিতাৰ গভীৰতা ৰাজ্য ভেদে পৃথক পৃথক। কেইবা বছৰো ধৰি প্ৰাদেশিক বাতৰিকাকতবিলাকৰ বজাৰৰ অংশীদাৰিত্ব ক্ৰমান্বয়ে বৃদ্ধি পাই আছে। হিন্দী আৰু প্ৰাদেশিক ভাষাৰ বাতৰিকাকতৰ বজাৰত সম্মিলিত অংশীদাৰিত্ব ২০০৮ চনৰ ৫৩ শতাংশৰ পৰা ২০১২ চনত ৬২ শতাংশলৈ বৃদ্ধি পাইছে। বাতৰিকাকত উদ্যোগে এই গতি অব্যাহত থাকিব বুলি আশা কৰিছে, প্ৰধানকৈ নতুন নতুন স্থানীয় সংস্কৰণ প্ৰকাশৰ ক্ষেত্ৰত পৰিদৃশ্য বিশাল উন্নতি আৰু এনে বাতৰিকাকতবিলাকৰ বজাৰত বিজ্ঞাপনৰ নিৰিখৰ ক্ষেত্ৰত হোৱা ক্ৰমাগত বৃদ্ধি।

ইংৰাজী বাতৰিকাকতৰ ছপাৰ ক্ষেত্ৰত 'প্ৰতি হাজাৰৰ ব্যয়' (চি-পি-টি) আঞ্চলিক ভাষাৰ কাকতৰ তুলনাত বেছি হোৱাৰ পৰিপ্ৰেক্ষিতত মেট্ৰ' মহানগৰবিলাকৰ বজাৰ বিজ্ঞাপন আৰু প্ৰচালন সংখ্যাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ফলতে ইংৰাজী ভাষাত বাতৰিকাকতৰ বিকাশৰ গতি নিম্ন হৈছে। ইংৰাজী কাকতবিলাকৰ বিকাশৰ হাৰ ৩.৬ শতাংশৰ বিপৰীতে উদ্যোগৰ বিকাশৰ হাৰ হৈছে ৭.৩ শতাংশ। আনহাতে, হিন্দী আৰু প্ৰাদেশীয় ভাষাৰ বাতৰিকাকতৰ বিকাশৰ হাৰ হৈছে ৯.৮ শতাংশ। প্ৰাদেশিক ভাষাৰ দৈনিক বাতৰিকাকতবিলাকৰ বিকাশৰ সন্তোষজনক হাৰ অব্যাহত আছে আৰু ইয়াৰ অংশীদাৰিত্বৰ হাৰ ২০১১ চনৰ ৩৭ শতাংশৰ পৰা ২০১২ চনত ৩৯ শতাংশলৈ বৃদ্ধি পাইছে। ২০১২ চনত এইবিলাক কাকতৰ বিজ্ঞাপনৰ উন্নতিও পূৰ্বৰ বছৰটোতকৈ সন্তোষজনক আছিল। বিশেষ বিশেষ সংস্কৰণৰ জৰিয়তে বাতৰিৰ স্থানীয়কৰণে বিকাশৰ পৰ্যাপ্ত সুযোগ আনি দিছে। স্থানীয়কৃত আৰু লক্ষ্য নিৰ্ধাৰিত বিজ্ঞাপনৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সম্প্ৰচাৰ মাধ্যমে সফল দিব নোৱৰাৰ পৰিপ্ৰেক্ষিতত ৰেস্তোৰাঁ, মল, খুচুৰা বিপণী আৰু ওচৰ-সম্বন্ধীয় সেৱাৰ বিজ্ঞাপনৰ ক্ষেত্ৰত ছপা মাধ্যমে যথেষ্ট সুযোগ লাভ কৰিছে। পৰিপূৰিকাৰ প্ৰকাশ অব্যাহত থাকিব— কিয়নো, বাতৰিকাকত উদ্যোগে বিশ্বাস কৰে যে প্ৰচলিত বজাৰত পৰিপূৰিকাৰ প্ৰকাশে তেওঁলোকক পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লগতে বিজ্ঞাপনৰ ভিত্তি সম্প্ৰসাৰণৰো সুযোগ দিব। ২০১২ চনত পৰিপূৰিকা প্ৰকাশৰ কেইটামান উদাহৰণ হৈছে— 'হিন্দু'ৰ 'Habitat', 'Watches Luxury' আৰু 'Beyond and Weekend Life'; আনন্দ বাজাৰ পত্ৰিকাৰ 'এবেলা', 'আনন্দ প্লাছ' আৰু 'বিষয় আলয়' আৰু হিন্দুস্তান টাইমছৰ 'Juba'। তদুপৰি 'দৈনিক ভাস্কৰ' (ভূপাল)-এ বূপালৰ দহটা ৰিয়েল ইষ্টেটৰ বিষয়ে— যি

আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ ওচৰত 'নিউ ভূপাল এৰিয়া'ৰ বিকাশ সম্বন্ধীয় 'Gatefold' নামৰ বিশেষ ৰচনা প্ৰকাশ কৰি ভূপালৰ বিতৰণৰ দিহা কৰা পৰিলক্ষিত হৈছিল।

হিন্দী আৰু প্ৰাদেশিক ভাষাৰ বাতৰিকাতবিলাকে বৰ্তমানে বাতৰিকাত উদ্যোগটোৰ ৬২ শতাংশ ৰাজহ আহৰণ কৰাৰ লগতে মুঠ পঢ়ুৱৈৰ সংখ্যাৰ ৮৯ শতাংশ দখল কৰিবলৈ সক্ষম হৈছে। হিন্দী আৰু প্ৰাদেশিক ভাষাৰ বাতৰিকাকতৰ বজাৰে ২০১২-২০১৭ চনৰ কালছোৱাত ইংৰাজী ভাষাৰ বাতৰিকাকতে ২০১২ চনৰ বছৰটোৰ ভিতৰত সাধন কৰা ৪.৮ শতাংশ হাৰত বিকাশক পাছ পেলাই থৈ ১০.৯ শতাংশৰো অধিক CAGR বিকাশ সাধন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে। এই ক্ষেত্ৰত আঞ্চলিক ভাষাৰ বাতৰিকাকতবিলাকে বাতৰিকাকতৰ ঘাই ঘাই বজাৰত আৰু ৰাষ্ট্ৰীয় বাতৰিকাকতবিলাকে আঞ্চলিক বজাৰবোৰত নিজৰ নিজৰ উপস্থিতি প্ৰতিপন্ন কৰা দেখা গৈছে। 'দৈনিক ভাস্কৰ'-এ মহাৰাষ্ট্ৰত তেওঁলোকৰ মাৰাঠী দৈনিক 'দিব্যা মাৰাঠী'ৰ জৰিয়তে ৰাজ্যখনৰ বজাৰত পদাৰ্পণ কৰাৰ সমান্তৰালকৈ Bennett Coleman & Co. (বি-চি-চি-এল)-ে বাংলা দৈনিক 'এই সময়' প্ৰকাশৰ জৰিয়তে বাংলাৰ বজাৰত প্ৰৱেশ কৰিছে। বাংলা ভাষাৰ বাতৰিকাকতখনে (এই সময়) বিগত কেইবাটাও দশক জুৰি পূব ভাৰতৰ আটাইতকৈ বেছি প্ৰচালন সংখ্যা থকা 'আনন্দ বজাৰ পত্ৰিকা'ৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলাইছে। 'দ্যা হিন্দু'ৰে ২০১৩ চনত এখন তামিল দৈনিক কাকত প্ৰকাশৰ ক্ষেত্ৰত আগ্ৰহ দেখুৱাইছিল। বিভিন্ন ৰাষ্ট্ৰীয় আৰু লগতে আঞ্চলিক বাতৰিকাকতে স্থানীয় ভাষাত অথবা সহ-সংস্কৰম প্ৰকাশৰ জৰিয়তে অৰ্থাৎ স্থানীয় অঞ্চলত ছপা কেন্দ্ৰ প্ৰতিষ্ঠাৰ জৰিয়তে তেওঁলোকৰ কাকতবিলাক ব্যাপকভাৱে পঢ়ুৱৈ সমাজৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰিছে। ইয়াৰ কেইটামান উদাহৰণ হৈছে— 'দ্যা হিন্দু'ৰ তামিল ভাষাত সংস্কৰণ প্ৰকাশ; টাইমছ অব্ ইণ্ডিয়াৰ গুজৰাটী সংস্কৰণ 'নৱ গুজৰাট সময়' প্ৰকাশ আৰু পাটনাত দৈনিক ভাস্কৰৰ আত্ম-প্ৰকাশ। ডি বি কৰ্প'ৰেশ্যনেও মধ্যপ্ৰদেশত তেওঁলোকৰ চতুৰ্থ সংস্কৰণ প্ৰকাশৰ জৰিয়তে ৰাজ্যখনত নিজৰ উপস্থিতি সংহত কৰিছে। হিন্দুস্তান টাইমছ মিডিয়ায়ো গুৰগাঁও আৰু নইডাত পৃথক সংস্কৰণ প্ৰকাশ কৰিছে।

স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, জনসংখ্যাৰ লক্ষ্যণীয় বৃদ্ধি, উচ্চাকাংক্ষা, ভূমি বণ্টনৰ সৈতে জড়িত অৰ্থনীতিৰ স্থিতিস্থাপকতা, অঞ্চল-নিৰ্দিষ্ট বিষয়বস্তুৰ চাহিদা বৃদ্ধি আৰু নতুন ভৌগোলিক আৰু ভাষিক সম্প্ৰসাৰমৰ বাবে বাতৰিকাকতবিলাকৰ স্বত্বাধিকাৰীসকলৰ আগ্ৰহে ভৱিষ্যতলৈ সমগ্ৰ ভাৰততে আঞ্চলিক বাতৰিকাকতৰ প্ৰচালন আৰু পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিত অৰিহণা যোগাব পাৰে। বৰ্তমানৰ হিন্দী আৰু প্ৰাদেশিক ভাষাৰ কাকতবিলাকে হয় নতুন নতুন ভৌগোলিক অঞ্চলত হয় সংস্কৰণ প্ৰকাশৰ জৰিয়তে, নহয়তো এনে এখন ঠাইত— য'ত ইতিমধ্যে সংস্কৰণ আছেই— তাত সহ-সংস্কৰণ (Sub-Ediction) প্ৰকাশৰ জৰিয়তে নিজৰ নিজৰ কাকতৰ প্ৰচালন তথা পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰি আছে। বি-চি-চি-এল আৰু হিন্দুস্তান টাইমছ মিডিয়াই ক্ৰমে নৱ-ভাৰত টাইমছ আৰু হিন্দুস্তানৰ জৰিয়তে হিন্দী ভাষাৰ ক্ষমতা প্ৰতিপন্ন কৰিছে। ১৯৮৫ চনত বন্ধ কৰি দিয়াৰ পিছত লক্ষ্ণৌত নৱ-ভাৰত টাইমছৰ সংস্কৰণ পুনৰ প্ৰকাশ কৰা হৈছে। হিন্দুস্তান মিডিয়া

ভেন্সার্ছ লিমিটেড (এইছ-এম-ভি-এল)-এ হিন্দী দৈনিক 'হিন্দুস্তান'ৰ অধিক সংস্কৰণ তেওঁলোকৰ মুক্য বজাৰ উত্তৰাখণ্ড, বিহাৰ আৰু উত্তৰ প্ৰদেশৰ পৰা প্ৰকাশৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। তদুপৰি, বিজ্ঞাপনদাতাৰ বিচাৰতো পঢ়ুৱৈ অথবা দৰ্শকৰ ওচৰলৈ নিজৰ বিজ্ঞাপন লৈ যোৱাৰ ক্ষেত্ৰত টেলিভিশ্যনৰ দৰে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ তুলনাত বাতৰিকাকত মাধ্যমৰ খৰচ ভালেখিনি কম।

ভাৰতীয় অৰ্থনীতি মূলতঃ গ্ৰাম্য অৰ্থনীতি। আমাৰ জনসংখ্যাৰ ৬০ শতাংশতকৈও বেছিভাগে গ্ৰামাঞ্চলসমূহত বসবাস কৰে। 'নেশ্যনেল ছেম্পল ছাভে অৰ্গেনাইজেশ্যন'ৰ জৰীপ অনুসৰি গ্ৰামাঞ্চলসমূহত ১৬ কোটিৰো অধিক পৰিয়ালে বসবাস কৰে। বিগত ৫০ অথবা ৬০ বছৰত গ্ৰামাঞ্চলৰ জনসংখ্যাৰ দৃষ্টান্তমূলক পৰিৱৰ্তন লক্ষ্য কৰা যায়। বৰ্তমানৰ সমাজত ভাৰতীয় কৃষকসকল আটাইতকৈ প্ৰভাৱশালী গ্ৰাহক গোটবিলাকৰ অন্যতম হিচাপে পৰিগণিত হৈছে। তেওঁলোকৰ আয়ৰ স্তৰ ঊৰ্ধমুখী হৈছে আৰু তাৰ লগতে ৰুচি আৰু অগ্ৰাধিকাৰৰো পৰিৱৰ্তন ঘটা পৰিলক্ষিত হৈছে। গ্ৰামাঞ্চলৰ জনসাধাৰণৰ এনে অগ্ৰগতিয়ে ভাষিক বাতৰিকাকতৰো বিকাশ সাধন কৰিছে। ভাষিক বাতৰিকাকতবিলাকৰ বিকাশৰ আন এটা কাৰণ হৈছে বাতৰিকাকতবিলাকে পৰিৱেশন কৰা স্থানীয় বা-বাতৰিৰ লক্ষ্যণীয় পৰিৱৰ্তন। আগেয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বাতৰিবিলাকে ভাৰতীয় সংবাদ মাধ্যমত প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু, কিছুমান বাতৰিকাত— বিশেষকৈ দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ কিছু সংক্যক বাতৰিকাকতে স্থানীয় বা-বাতৰিক প্ৰাধান্য দি যি অভিজ্ঞতা অৰ্জন কৰিলে, সেয়াই সেইবোৰ বাতৰিকাকতৰ প্ৰচালন বৃদ্ধিৰ ক্ষেত্ৰতো বৃহৎ অৰিহণা যোগালে।

দেশৰ অন্যান্য অংশৰ বাতৰিকাকতবিলাকেও ইয়াক অনুসৰণ কৰিলে। বাতৰিকাকতবিলাকে সাধাৰণ মানুহৰ স্বাৰ্থজড়িত বিষয়সমূহ পৰিৱেশন কৰিবলৈ আৰম্ভ কৰিলে। গ্ৰামাঞ্চলৰ জনসাধাৰণে দেখিলে যে তেওঁলোকৰ দুখ-দুৰ্দশা, অভাৱ-অভিযোগ আৰু আশা-আকাংক্ষা প্ৰকাশৰ বাবে এটা মাধ্যম আছে। ভালেকেইটা সংস্কৰণৰ প্ৰকাশ হৈছে ভাষিক সংবাদ মাধ্যমৰ বিকাশৰ আন এটা কাৰক। আগেয়ে বাতৰিকাকতবিলাক ৰাজ্যৰ ৰাজধানী চহৰতে সীমাবদ্ধ আছিল। কিন্তু, পিছলৈ অন্যান্য অঞ্চলতো সম্ভাৱনাপূৰ্ণ পঢ়ুৱৈৰ সৃষ্টি হ'ল আৰু বাতৰিকাকতবিলাকৰ স্বত্বাধিকাৰীসকলে আনকি জিলা কেন্দ্ৰবিলাকৰ পৰাও সংস্কৰণ প্ৰকাশৰ ব্যৱস্থা কৰিলে। এনেদৰে বাতৰিকাকতবিলাকৰ একাধিক সংস্কৰণৰ প্ৰকাশে বাতৰিকাকতবিলাকক সমৃদ্ধ কৰাৰ লগতে বিজ্ঞাপনেও ভাষিক সংবাদ মাধ্যমক সহায় কৰিছে। গ্ৰামাঞ্চলৰ জনসাধাৰণ যিকোনো উৎপন্নৰ বৃহত্তম বজাৰ হিচাপে পৰিগণিত হ'ল। তেওঁলোকক আকৰ্ষণৰ বাবে বিজ্ঞাপনদাতাসকলেও স্থানীয় কাকতবিলাকত বিজ্ঞাপন প্ৰকাশ কৰিবলৈ বাধ্য হ'ল। এয়াই ভাষিক সংবাদ মাধ্যমৰ ৰাজহ বৃদ্ধি সাধন কৰিলে।

৫.৬ বাতৰিকাকতবিলাকৰ প্ৰচালন সংখ্যাৰ সাম্প্ৰতিক অৱস্থা

প্ৰথম প্ৰেছ আয়োগে লক্ষ্য কৰিছিল যে সৰ্বভাৰতীয় স্বাক্ষৰতাৰ হাৰ ১৬.৪ শতাংশৰ বিপৰীতে ৫.৪ শতাংশ জনসংখ্যাত দৈনিক কাকতবিলাকৰ প্ৰচালন সংখ্যা ১৯৫৩ চনত আছিল এহেজাৰ কপি। এনে এক নিম্ন অৱস্থাৰ পৰা ভাৰতীয় দৈনিক বাতৰিকাকতবিলাকৰ প্ৰচালন সংখ্যা ১৯৫৭ চনত ৩.১৭ নিযুত আৰু ১৯৬২ চনত ৫.১১ নিযুতলৈ বৃদ্ধি পাইছিল। ভাৰতত ১৯৯৮ চনত সকলো বাতৰিকাকতৰ সৰ্বমুঠ প্ৰচালন সংখ্যা আছিল ১২,৬৮,৪৯,৫০০ কপি। প্ৰচালন সংখ্যা বৃদ্ধি ত্বৰান্বিত কৰাৰ ধাৰণা কিছুমান তথ্যৰ ভিত্তিত গঢ় লৈ উঠিছিল। সেইবোৰ হৈছে— ১৯৮৭-৯৬ চনৰ ভিতৰত প্ৰচালন সংখ্যা ৫০ শতাংশ বৃদ্ধি পোৱা, ইয়াৰ ঠিক দুবছৰৰ ভিতৰত অৰ্থাৎ ১৯৯৬ চনৰ পৰা ১৯৯৮ চনলৈ ইয়াৰ হাৰ ৪২ শতাংশ বৃদ্ধি পোৱা আৰু শেহতীয়া দশককেইটাত চীন আৰু ভাৰতৰ দৰে এছীয় দেশবোৰত বাতৰিকাকতৰ প্ৰচালন বৃদ্ধিৰ ক্ষেত্ৰত দৃশ্যমান হোৱা ইতিবাচক প্ৰৱণতা। বাতৰিকাকতবিলাকৰ সৰ্বমুঠ প্ৰচালন সংখ্যা ২০০৪-০৫ চনৰ ১৫,৬৭,১৯,২০৯ কপিৰ পৰা ২০০৫-০৬ চনত ১৮,০৭,৩৮,৬১১ কপিলৈ বৃদ্ধি পায়।

২০০৫-০৬ চনৰ কালছোৱাত আৰ-এন-আইৰ কার্যালয়ে পোৱা বছৰেকীয়া প্ৰতিবেদন (বিজ্ঞপ্তি) অনুসৰি দেশত ২১৩০খন দৈনিক বাতৰিকাকত প্ৰকাশ পাই আছিল। তেওঁলোকে দাবী কৰা প্ৰচালন সংখ্যা আছিল ৮,৮৮,৬৩,০৪৮ কপি। এই সংখ্যা পূৰ্বৰ বছৰটোতকৈ ১২.৯৩ শতাংশ অধিক। ২০০৭ চনত 'প্ৰাইচ ৱাটাৰহাউছ কুপাৰ্ছ (পি-ডব্লিউ-চি)-এ দাখিল কৰা ভাৰতীয় বিনোদন আৰু মিডিয়া উদ্যোগ (ই-এণ্ড-এম) বিষয়ক 'এ গ্ৰ'থ ষ্টৰী আনফল্ডছ' শিৰোনামৰ বাৰ্ষিক প্ৰতিবেদনখনত উল্লেখ কৰা হৈছিল যে ছপা মাধ্যমৰ সন্মিলিত বাৰ্ষিক বিকাশৰ হাত ১৩ শতাংশ হ'ব আৰু ২০১১ চনত মুঠ ৰাজহৰ পৰিমাণ ৮৫ বিলিয়ন (এক বিলিয়ন এশ কোটি) টকাৰ পৰা ২৩২ বিলিয়ন টকালৈ ঊৰ্দ্ধমুখী হ'ব।

ইণ্ডিয়ান ৰীডাৰশ্বিপ ছাৰ্ভেণ্ট ২০১০ চনত সম্পন্ন কৰা জৰীপ অনুসৰি আটাইতকৈ বেছি পঠিত স্থানীয় ভাষাৰ বাতৰিকাত দুখন হৈছে 'দৈনিক জাগৰণ' (পঢ়ুৱৈৰ সংখ্যা ১৬ নিযুত) আৰু 'দৈনিক ভাস্কৰ' (পঢ়ুৱৈৰ সংখ্যা ১৩.৫ নিযুত) —দুয়োখনেই হিন্দী ভাষাত প্ৰকাশিত। 'দ্যা টাইমছ অব্ ইণ্ডিয়া' হৈছে আটাইতকৈ বেছি পঠিত ইংৰাজী ভাষাৰ বাতৰিকাকত (পঢ়ুৱৈৰ সংখ্যা ৭.৩ নিযুত)। ইয়াৰ পিছতে 'হিন্দুস্তান টাইমছ' (পঢ়ুৱৈৰ সংখ্যা ৩.৫ নিযুত), 'দ্যা হিন্দু' (পঢ়ুৱৈৰ সংখ্যা ২.১ নিযুত) —কেউখন কাকতেই ইংৰাজী ভাষাত প্ৰকাশিত। 'দ্যা নিউ ইণ্ডিয়ান এক্সপ্ৰেছ' হৈছে আন এখন ব্যাপক সংখ্যক পঢ়ুৱৈ (১.৮ নিযুত) থকা ইংৰাজী ভাষাৰ বাতৰিকাকত। আনহাতে, কেৰালাৰ পৰা মালায়ালম ভাষাত প্ৰকাশিত দৈনিক বাতৰিকাকত 'মালায়ালা মনোৰমা'ৰ পঢ়ুৱৈৰ সংখ্যা ৯.৯ নিযুতৰো অধিক (প্ৰচালন সংখ্যা ১.৮ নিযুত কপিৰো অধিক)। আঞ্চলিক ভাষাৰ বাতৰিকাকতবিলাকৰ ভিতৰত 'মালায়ালা মনোৰমা'ৰ প্ৰচালন সংখ্যা আটাইতকৈ বেছি। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজমন্ত্ৰীয়ে দিয়া তথ্য অনুযায়ী ২০১১ চনত 'ৰেজিষ্টাৰ অব্ নিউজপেপাৰ্ছ ফ'ৰ ইণ্ডিয়া' (আৰ-এন-আই)ত পঞ্জীভুক্ত বাতৰিকাকতৰ সংখ্যা

৭৪,০০০ৰো অধিক। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশত ১১,৭৮৯খন পঞ্জীয়নকৃত বাতৰিকাকত আৰু তাৰ পিছতে দিল্লীত ১০,০৬৬খন পঞ্জীয়নকৃত বাতৰিকাকত আৰু মহাৰাষ্ট্ৰত ৯,১২৭খন পঞ্জীয়নকৃত বাতৰিকাকত আছিল।

বাতৰিকাকত প্ৰকাশন খণ্ডৰ পৰা মুঠ ছপা ৰাজহৰ বৰঙণি ২০০৭ চনৰ ৯২ শতাংশৰ পৰা ২০১১ চনত ৯৪ শতাংশলৈ বৃদ্ধি পায়। বাতৰিকাকত উদ্যোগে ১৯৭ বিলিয়ন টকা (আই-এন-আৰ) আৰু আলোচনী উদ্যোগে ১৩ বিলিয়ন পৰিমাণৰ টকা অৰ্জন কৰিব বুলি কোৱা হৈছিল। হিন্দী আৰু প্ৰাদেশিক ভাষাৰ বাতৰিকাকতৰ বজাৰৰ বিকাশ ২০১১-১৬ চনৰ কালছোৱাত CAGRৰ ১০.৯ শতাংশৰো অধিক হ'ব বুলি আশা কৰা হৈছিল। আনহাতে, ইংৰাজী ভাষাৰ বাতৰিকাকতৰ বিকাশৰ সম্ভাব্য হাৰ আছিল ৬.৩ শতাংশ। পান ইণ্ডিয়াৰ মতে, আঞ্চলিক বাতৰিকাকতবিলাকৰ সংখ্যা ১৭৩.৮০ নিযুত আৰু ইংৰাজী বাতৰিকাকতৰ ক্ষেত্ৰত ই মাত্ৰ ২২.২১ নিযুত। বৰ্তমানে ইংৰাজী কাকতবিলাক বিজ্ঞাপনৰ নিৰিখৰ হাৰৰ ক্ষেত্ৰত আগস্থানত আছে যদিও বিশেষজ্ঞসকলে অনুভৱ কৰে যে হিন্দী আৰু প্ৰাদেশিক ভাষাৰ দৈনিক কাকতবিলাকে তেওঁলোকৰ বিজ্ঞাপনৰ নিৰিখৰ হাৰ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। ২০১১ চনত ২০৯ বিলিয়ন আই-এন-আৰৰ ভাৰতীয় ছপা মাধ্যম উদ্যোগ (ইণ্ডিয়ান প্ৰিণ্ট ইণ্ডাষ্ট্ৰী)ৰ বিকাশ ২০১২ চনত মাত্ৰ ৭.৩ শতাংশ হাৰত বৃদ্ধি পাই ২২৪ বিলিয়ন আই-এন-আৰ হৈছিলগৈ। বিজ্ঞাপন ৰাজহৰ ওপৰত বেছিকৈ নিৰ্ভৰশীল হোৱাৰ ফলত ছপা মাধ্যম উদ্যোগ দেশৰ মেক্ৰ'-অৰ্থনৈতিক অৱস্থাৰ দৈন্য-দশবৰ ফলত অৱনমিত হ'বলগীয়া হৈছিল। ২০১২-১৩ চনত ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ হাৰ নিম্নমুখী হৈ কেৱল ৫ শতাংশ হৈছিল— বিপৰীতে ২০১১-১২ চনৰ কালছোৱাত এই হাৰ আছিল ৬.২ শতাংশ।

ইংৰাজী দৈনিক কাকতৰ বজাৰ কঠিন হ'লেও আঞ্চলিক আৰু প্ৰাদেশিক ভাষাৰ কাকতৰ বজাৰৰ বিকাশ অব্যাহত আছিল। ইয়াৰ কাৰণ স্বাক্ষৰতাৰ হাৰ বৃদ্ধি আৰু ছপা মাধ্যমৰ আগ্ৰাসী উপস্থিতিৰ লগতে বিজ্ঞাপনদাতাসকলৰ এনে বজাৰত ব্যয় কৰাৰ আগ্ৰহ অক্ষুণ্ণ থকা। ছপা মাদ্যমৰ উদ্যোগৰ সামগ্ৰিক বিকাশত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল হিন্দী আৰু প্ৰাদেশিক ভাষাৰ বাতৰিকাকতবিলাকৰ বজাৰে। ২০১১ চনত হিন্দী ছপা সংবাদ মাধ্যমৰ বজাৰ ৬৯ বিলিয়ন আই-এন-আৰৰ পৰা ৯.৮ শতাংশ বৃদ্ধি পাই ২০১২ চনত ৬৮ বিলিয়ন পৰ্যন্ত বিকশিত হোৱাৰ লগতে প্ৰাদেশিক ভাষাৰ বাতৰি কাকতৰ বিকাশ ২০১১ চনৰ ৬৩ বিলিয়ন আই-এন-আৰৰ পৰা ২০১২ চনত ৬৯ বিলিয়ন আই-এন-আৰ হৈছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে এটা সুকীয়া বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ামতে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত অধিক সংখ্যক বাতৰিকাকত প্ৰতিষ্ঠানত উদগনি যোগাই সংবাদ মাধ্যমৰ ব্যৱধান সমতাপূৰ্ণ কৰিবলৈ চেষ্টা চলাই আছিল। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখন আৰু সীমান্তৱৰ্তী অঞ্চলসমূহৰ পৰা প্ৰকাশিত বাতৰিকাকতবিলাকক পঞ্জীবদ্ধ কৰাৰ ক্ষেত্ৰত যাৱতীয় নীতি-নিয়ম শিথিল কৰিছে। তদুপৰি ২০০৯-১০ চনৰ বিত্তীয় বছৰটোত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৮৭.৯৫ কোটি টকাৰ বিশেষ পেকেজৰো ব্যৱস্থা কৰা হয়।

ভাৰতত সংবাদ মাধ্যম সম্পৰ্কীয় শেহতীয়া তথ্য অনুযায়ী দেশখনত দৈনিক বাতৰিকাকতৰ সংখ্যা ২০১২-১৩ চনৰ ৫,৭৬৭খনৰ বিপৰীতে ২০১৩-১৪ চনত ৬,৭৩০লৈ বৃদ্ধি পাইছে। আনহাতে, ২০১৩-১৪ চনত প্ৰচালন সংখ্যাৰ বৃদ্ধি ১৭.৮১ শতাংশত উপনীত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাষিক সংবাদ মাধ্যমে উন্নয়নৰ ক্ষেত্ৰত কেনে ধৰণে সহায় কৰিব পাৰে?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ বিকাশ সাধনৰ ক্ষেত্ৰত সফল হোৱা আগৰ সময়ৰ কেইটামান ভাষিক সংবাদ মাধ্যমৰ নাম উল্লেখ কৰক।

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ কিছু সংখ্যক বাতৰিকাকতে প্ৰকাশ কৰা কিছুমান পৰিপূৰিকাৰ নাম উল্লেখ কৰক— যিবোৰে প্ৰচালন সংখ্যা বৃদ্ধিত সহায় কৰিছিল।

.....

.....

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষিক বাতৰিকাকত অথবা প্ৰাদেশিক বাতৰিকাকত হৈছে দেশত প্ৰচলিত বিভিন্ন ভাষাত প্ৰকাশিত বাতৰিকাকত।
- ভাৰতৰ বাতৰিকাকতৰ বজাৰখন চীনৰ পিছতে বিশ্বৰ সৰ্বাধিক বৃহৎ বজাৰ।

- স্বাধীনতাৰ সময়ত ভাৰতত প্ৰায় ৩০০০ বাতৰিকাকত আৰু সাময়িকী আছিল— যাৰ ভিতৰত ৩০০খন প্ৰধান ইংৰাজী আৰু ভাষিক দৈনিক কাকত আছিল।
- ইণ্ডিয়ান ৰুৰেল প্ৰেছ এছ'চিয়েশ্যনৰ সংজ্ঞা অনুযায়ী গ্ৰাম্য কাকত হৈছে এনে এখন কাকত যিয়ে কাকতৰ সম্পাদনাৰ কমেও ৪০ শতাংশ স্থান কৃষি, সামূহিক উন্নয়ন, সহযোগিতা, উদ্যান শস্য, পঞ্চায়তীৰাজ আৰু অন্যান্য বিষয়ৰ বা-বাতৰি, লেখা আদিৰ বাবে ব্যৱহাৰ কৰে। গ্ৰাম্য সংবাদ মাধ্যমে নগৰাঞ্চলৰ তুলনাত গ্ৰামাঞ্চলৰ সমস্যাৰাজিৰ ওপৰত আলোকপাত কৰাত অধিক গুৰুত্ব দিয়ে। প্ৰকৃতপক্ষে ই হৈছে গ্ৰামাঞ্চলৰ শিক্ষাদাতা, বিনোদনকাৰী, তথ্যদাতা আৰু উদগনি দিওঁতা। গ্ৰাম্য সংবাদ মাধ্যমে নতুন ধ্যান-ধাৰণা, দৃষ্টিভংগী আৰু দক্ষতা আহৰণত সহায় কৰা উচিত।
- ভাৰতীয় সংবাদ মাধ্যমক দুই ধৰণে ভাগ কৰিব পাৰি— ইংৰাজী সংবাদ মাধ্যম আৰু ভাষিক সংবাদ মাধ্যম। ইংৰাজী সংবাদ মাধ্যমক অভিজাত আৰু শিক্ষিত পঢ়ুৱৈৰ মাধ্যম হিচাপে চিনাক্ত কৰা হৈছে— যিসকলৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰিসৰ ব্যাপক বুলি ধাৰণা কৰা হয়। আনহাতে, ভাষিক সংবাদ মাধ্যমক আঞ্চলিক আৰু স্থানীয় ভিত্তি থকা আৰু শিক্ষিত তথা অৰ্ধ-শিক্ষিত পঢ়ুৱৈৰ পুষ্ট সংবাদ মাধ্যমৰূপ গণ্য কৰা হয়। ই নিৰ্দিষ্ট ভাষাৰ পঢ়ুৱৈসকলক আকৰ্ষণ কৰে।
- টাইমছ অব্ ইণ্ডিয়া, এইছ. টি. মিডিয়া আৰু 'দ্যা হিন্দু'ৰে ইংৰাজী ভাষাৰ বাতৰিকাকতৰ ঠাইবিলাকত প্ৰাধান্য বিস্তাৰ কৰি আছে। আনহাতে, দৈনিক ভাস্কৰ, দৈনিক জাগৰণ আৰু হিন্দুস্তান কাকতে হিন্দী ভাষাৰ বাতৰিকাকতৰ বজাৰখনত প্ৰাধান্য বিস্তাৰ কৰি আহিছে।
- মহাৰাষ্ট্ৰত মাৰাঠী দৈনিক কাকত 'দিব্য মাৰাঠী' প্ৰকাশেৰে 'দৈনিক ভাস্কৰ'-এ ৰাজ্যখনত নিজৰ সবল উপস্থিতি ঘটোৱাৰ বিপৰীতে 'বেনেট ক'লমেন এণ্ড কোম্পানী (বি-চি-চি-এল)-এ 'এই সময়' নামৰ এখন বাংলা দৈনিক কাকত প্ৰকাশেৰে বাংলাৰ বজাৰত পদাৰ্পণ ঘটাইছে। বাতৰিকাকতখনে (এই সময়) কেইবাটাও দশক জুৰি পূব ভাৰতত আটাইতকৈ বেছি সংখ্যক প্ৰচালন সংখ্যা থকা দৈনিক বাতৰিকাকত 'আনন্দ বাজাৰ পত্ৰিকা'ৰ সৈতে প্ৰতিদ্বন্দ্বিতাত নমা যেন ধাৰণা হৈছে। 'দ্যা হিন্দু'ৰে ২০১৩ চনত তামিল ভাষাত দৈনিক কাকত প্ৰকাশৰ ক্ষেত্ৰতো আগ্ৰহ দেখুৱাইছিল।
- ভাৰতীয় বজাৰক নিৰ্দিষ্ট আকাৰ আৰু বৈচিত্ৰ্য প্ৰদান কৰি সংবাদ মাধ্যমৰ স্বত্বাধিকাৰীসকল আৰু বিজ্ঞাপনদাতাসকলে তেওঁলোকৰ ৰণকৌশলত আঞ্চলিক উপাদান সন্নিৱিষ্ট কৰাত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ইয়াৰ ফল স্বৰূপে আঞ্চলিক বজাৰবিলাকৰ আকাৰ আৰু গুৰুত্ব বৃদ্ধি পাইছে।
- স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, জনসংখ্যাৰ লক্ষ্যণীয় বৃদ্ধি, উচ্চাকাংক্ষা, ভূমি বণ্টনৰ সৈতে জড়িত অৰ্থনীতিৰ স্থিতিস্থাপকতা, অঞ্চল নিৰ্দিষ্ট বিষয়বস্তুৰ চাহিদা বৃদ্ধি আৰু ভৌগোলিক আৰু ভাষিক সম্প্ৰসাৰণৰ বাবে বাতৰিকাকতবিলাকৰ স্বত্বাধিকাৰীসকলৰ আগ্ৰহে

ভৱিষ্যতলৈ সমগ্ৰ ভাৰতত আঞ্চলিক বাতৰিকাকতৰ প্ৰচালন তথা পঢ়ুৱৈৰ সংখ্যা বৃদ্ধিত অৱিহণা যোগাব পাৰে।



৫.৭ অধিক জানিবলৈ

1) Sharma, K. C. (2007), *Journalism in India: History, Growth, Development*, New Delhi: Regal Publications.

2) Ravindranath, P. K. (2005), *Indian Regional Journalism*, New Delhi: Authors Press.

৫.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ভাষিক বাতৰিকাকত অথবা আঞ্চলিক বাতৰিকাকতবিলাক হৈছে দেশত প্ৰচলিত বিভিন্ন ভাষাত প্ৰকাশিত বাতৰিকাকত। ভাষিক সংবাদ মাধ্যমৰ স্থানীয়, প্ৰাদেশিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ৰূপায়ণ কৰিবলৈ লোৱা বিভিন্ন প্ৰকল্পৰ হিতকাৰী দিশসমূহ জনপ্ৰিয়কৰণতো বৃহৎ পৰিসৰৰ ভূমিকা আছে।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত ভাষিক সংবাদ মাধ্যমৰ ক্ষিপ্ৰ বিকাশ হৈছে স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, সৰ্বসাধাৰণ মানুহৰ ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ আৰু মানুহৰ অৰ্থনৈতিক অৱস্থা উন্নতিৰ পোনপটীয়া ফল। আঞ্চলিক ভাষাৰ বাতৰিকাকতে বিজ্ঞাপন দিশত গতিশীলতা অৰ্জন কাৰৰ লগতে বিগত ত্ৰিশ বছৰত প্ৰচালন তথা পঢ়ুৱৈৰ সংখ্যাৰ ক্ষেত্ৰত চমকপ্ৰদ আৰু ক্ষিপ্ৰ বিকাশ সাধন কৰাৰ অন্তৰালত থকা দুটা নিৰ্ণায়ক কাৰক হৈছে— বাতৰিকাকত-বিলাকৰ কাৰ্যালয় আৰু বাতৰিকাকতবিলাকৰ বিষয়বস্তুৰ আঞ্চলিকীকৰণ আৰু স্থানীয়কৰণ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাদেশিক অথবা মাতৃভাষাৰ সংবাদ মাধ্যমে পঢ়ুৱৈসকলৰ সজাগতা বৃদ্ধিৰ লগতে বিকাশৰ প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণত সহায় কৰিব পাৰে। এনে সংবাদ মাধ্যম আঞ্চলিক ভাষাৰ হোৱাৰ সুবাদত এইবিলাকৰ বিষয়বস্তুৱে স্থানীয় ৰাইজৰ প্ৰয়োজনীয়তা আৰু আশা-আকাংক্ষাৰ প্ৰতিফলন ঘটোৱাৰ লগতে স্থানীয় বিষয়সমূহ উপস্থাপনেৰে সাধাৰণ মানুহৰ প্ৰয়োজনীয়তাৰাজি সংহত কৰি সেইবোৰ উত্থাপনৰ মঞ্চ গঠনৰ সুবিধা প্ৰদানৰ দিহা কৰিব পাৰে— যিয়ে জনগণৰ আশু প্ৰয়োজনীয়তা পূৰণত সহায় কৰে। এনে সংবাদ মাধ্যমৰ সৰ্বসাধাৰণ ৰাইজৰ সমস্যাৰাজি, নিবনুৱা সমস্যা, কৃষিত আহিলা-পাতিবিলাকৰ নাটনি, আইন-শৃংখলা পৰিস্থিতি আদিক সৰ্বাধিক গুৰুত্ব প্ৰদানৰ সুযোগ আছে। প্ৰাদেশিক ভাষাৰ বাতৰিকাকতবিলাকে বিভিন্ন শিতান,

যেনে— 'সম্পাদকলৈ চিঠি', বাতৰি তথা প্ৰতিবেদন আৰু আনকি বিশেষ লেখা (ফিচাৰ্ছ) আদিৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজৰ দৈনন্দিন জীৱন-যাত্ৰাৰ সৈতে জড়িত বিভিন্ন সমস্যা আৰু বিষয় স্পৰ্শ কৰিব পাৰে। প্ৰাদেশিক ভাষাৰ সংবাদ মাধ্যমে দ্বিতীয় পৰ্যায় হিচাপে বৈজ্ঞানিক জ্ঞানক তথ্যলৈ ৰূপান্তৰ কৰি তাক সৰ্বসাধাৰণ ৰাইজৰ হিতাৰ্থে প্ৰায়োগিক ৰূপত উপস্থাপনেৰে আটাইতকৈ উপযুক্তভাৱে কাম কৰিব পাৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৮ চনৰ পৰা ২০০০ চনৰ ভিতৰত চাৰিটা বাষিক সংবাদ মাধ্যম— মালায়ালম, বাংলা, হিন্দী আৰু মাৰাঠীয়ে ক্ষিপ্ৰ বিকাশ সাধন কৰিবলৈ সক্ষম হৈছিল। আনহাতে, ১৮৯০ চনত প্ৰকাশৰ সূচনা হোৱা মালায়ালম ভাষাৰ এখন ভাষিক দৈনিক বাতৰিকাকত 'মালায়ালা মনোৰমা' ১৯৮০ৰ ভিতৰত দেশৰ সৰ্বাধিক প্ৰচলিত দৈনিক কাকত হিচাপে পৰিগণিত হৈছিল। 'মালায়ালা মনোৰমা'ই প্ৰায় এক দশক ধৰি সেই গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছিল। আনহাতে, পশ্চিমবংগৰ 'আনন্দ বাজাৰ পত্ৰিকা'ই মাত্ৰ এঠাইৰ পৰা অৰ্থাৎ কলকাতাৰ পৰা প্ৰকাশিত সৰ্বাধিক প্ৰচলিত বাতৰিকাকত হিচাপে পৰিগণিত হৈ আছিল। বৰ্তমানে 'দৈনিক জাগৰণ' আৰু 'দৈনিক ভাস্কৰ' হৈছে দুখন সৰ্বাধিক প্ৰচালন সংখ্যা থকা দৈনিক বাতৰিকাকত— যাৰ পঢ়ুৱৈৰ সংখ্যা ২০ নিযুততকৈও বেছি।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ২০১২ চনত পৰিপূৰিকা প্ৰকাশৰ কেইটামান উদাহৰণ হৈছে— 'হিন্দু'ৰ Habitat, Watches Luxury আৰু Beyond and Weekend Life, আনন্দ বাজাৰ পত্ৰিকাৰ এবেলা, আনন্দ প্লাছ আৰু বিষয় আলয় আৰু হিন্দুস্তান টাইমছৰ Juba। তদুপৰি 'দৈনিক ভাস্কৰ' (ভূপাল)-এ ভূপালৰ দহটা ৰিয়েল ইষ্টেটৰ বিষয়ে— যি আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ ওচৰত 'নিউ ভূপাল এৰিয়া'ৰ বিকাশ সম্বন্ধীয় 'Gatefold' নামৰ বিশেষ ৰচনা প্ৰকাশ কৰি ভূপালত বিতৰণৰ ব্যৱস্থা কৰা পৰিলক্ষিত হৈছিল।



৫.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ১৮৭৮ চনৰ প্ৰাদেশিক সংবাদ মাধ্যম আইনৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ আমাৰ দেশৰ আটাইতকৈ পুৰণি তথা বৰ্তমানেও প্ৰকাশ পাই থকা বাতৰিকাকতখনৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতত ইংৰাজী ভাষাৰ বাতৰিকাকততকৈ ভাষিক বাতৰিকাকতবিলাকৰ সুবিধা কিয় বেছি?

প্ৰশ্ন ৪ ঃ 'প্ৰতি হাজাৰত ব্যয়' (চি-পি-টি) কি?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ ভাষিক সংবাদ মাধ্যমে সন্মুখীন হোৱা কিছুমান সমস্যা সম্পৰ্কে ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ ভাষিক সংবাদ মাধ্যমে কেনেকৈ স্থানীয় আৰু লক্ষ্য নিৰ্ধাৰিত বিজ্ঞাপন আহৰণ কৰিব পাৰে?

প্ৰশ্ন ৩ ঃ প্ৰথম প্ৰেছ আয়োগৰ প্ৰতিবেদনত কি কি আছিল?

গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ কেইখনমান গুৰুত্বপূৰ্ণ ভাষিক বাতৰিকাকতৰ বিকাশ সম্পৰ্কত এখন ৰচনা লিখক।

প্ৰশ্ন ২ ঃ বাতৰিকাকতবিলাকৰ প্ৰচালন সংখ্যা বিষয়ক সাম্প্ৰতিক অৱস্থা সম্পৰ্কত এখন প্ৰতিবেদন যুগুত কৰক।

*** ***** ***

অধ্যায় ৬ ঃ ভাৰতৰ সংবাদ সংস্থাসমূহৰ এক চমু অৱলোকন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ভাৰতৰ সংবাদ সংস্থাসমূহৰ চমু অৱলোকন
৬.৩.১ প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়া
৬.৩.২ দা ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়া
৬.৩.৩ অ্যাডিট ব্যুৰো অব্ চাৰকুলেশ্যন
৬.৩.৪ ইণ্ডিয়ান নিউজপেপাৰ ছ'চাইটি
৬.৩.৫ ইণ্ডিয়ান ফেডাৰেশ্যন অব্ ওৱর্কিং জ্যাৰনেলিষ্ট
৬.৩.৬ প্ৰেছ ইষ্টিটিটিউট অব্ ইণ্ডিয়া
৬.৩.৭ এডিটৰ গীল্ড অব্ ইণ্ডিয়া
৬.৩.৮ ইণ্ডিয়ান লেংগুৱেজ নিউজপেপাৰ এছ'চিয়েশ্যন
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্ৰগতিৰ খতিয়ান
৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- দেশৰ বিভিন্ন সংবাদ সংস্থাসমূহৰ বিষয়ে
- বিভিন্ন সংবাদ সংস্থাসমূহৰ উদ্দেশ্য আৰু কার্যাৱলীসমূহৰ বিশ্লেষণ

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপোনালোকে ৰাষ্ট্ৰৰ বিকাশত ভাষাৰ সংবাদ মাধ্যমৰ ভূমিকাৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়টিত ভাৰতৰ কেইটামান গুৰুত্বপূৰ্ণ সংবাদ সংস্থা আৰু ইয়াৰ কার্যাৱলী সম্পর্কে জানিব পাৰিব। এই অধ্যায়টি অধ্যয়নৰ পাছত সমাজত সংবাদ মাধ্যমসমূহে কেনেদৰে কাম কৰে তাৰ এক ধাৰণা লাভ কৰিব পাৰিব।

৬.৩ ভাৰতবর্ষত লোকসংস্কৃতিৰ গৱেষণা

দেশৰ কিছু সংবাদ সংস্থাই বিভিন্ন সংবাদ মাধ্যমৰ প্ৰয়োজনীয়তা আৰু কাম-কাজসমূহ যুগুতাই দিছে। কিছু গুৰুত্বপূৰ্ণ সংস্থাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

৬.৩.১ প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়া

সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। গণতান্ত্ৰিক দেশ হোৱাৰ সুবাদতে ভাৰতবৰ্ষই এক মুক্ত সংবাদ মাধ্যমৰ সেৱা লাভ কৰিছে। যদিও ভাৰতীয় সংবিধানত মুক্ত সংবাদৰ কথা নিৰ্দিষ্টভাৱে কোৱা নাই।

সংবিধানৰ ১৯(১)(ক) অনুচ্ছেদত থকা 'কথা কোৱা আৰু প্ৰকাশৰ অধিকাৰ'ৰ নিয়মসমূহেই ব্যৱহাৰ হয়। যি নহওক এই অধিকাৰেই পৰ্যাপ্ত নাছিল। অনুচ্ছেদ ১৯(২)ত কোৱা হৈছে যে, দেশৰ সাৰ্বভৌমত্ব, অখণ্ডতা, নিৰাপত্তা, বৈদেশিক ৰাষ্ট্ৰসমূহৰ সৈতে বন্ধুত্ব সম্পৰ্ক, জনাদেশ, ন্যায়ালয়ৰ অবমাননাৰ ক্ষেত্ৰত শালীনতা আৰু নৈতিকতা, মানহানি, কোনো অপৰাধ সংঘটিত কৰিবৰ বাবে প্ৰৰোচিত কৰা আদি বিষয়ত কথা কোৱাৰ অধিকাৰৰ ক্ষেত্ৰত বাধা আৰোপ কৰিব পাৰে। গতিকে এখন গণতান্ত্ৰিক দেশত সংবাদ মাধ্যমসমূহ মুক্ত হোৱাৰ লগতে দায়িত্বশীল হোৱাতো প্ৰয়োজন। যেতিয়া কথা কোৱাৰ অধিকাৰৰ ক্ষেত্ৰত কোনো সংস্থা, ব্যক্তি আদিয়ে ব্যাঘাতৰ সৃষ্টি নকৰে তেতিয়াই সংবাদ মাধ্যমে সমাজৰ প্ৰহৰাদাৰ হিচাপে কাম কৰে। কিন্তু মুক্ত সংবাদৰ ধাৰণাটো তেতিয়াহে বৈধ হ'ব, য'ত দায়িত্বশীলতা থাকিব। গতিকে সংবাদ মাধ্যমে সাংবাদিকতাৰ নীতি-নিয়মসমূহ মানি চলাৰ লগতে উচ্চমান বিশিষ্ট পেছাদাৰীত্বৰ প্ৰয়োজন। এই প্ৰসংগত অপেছাদাৰী পদ্ধতিৰ ওপৰত নিয়ন্ত্ৰণৰ আৱশ্যক। সংবাদ মাধ্যমত এনে এক ব্যৱস্থাৰ প্ৰয়োজন যি নিজেই নিজক নিয়ন্ত্ৰণ কৰিব পাৰে আৰু যি প্ৰেছ কাউন্সিল জন্ম হোৱাত সহায় কৰিছিল। প্ৰেছ কাউন্সিল এনে এক ব্যৱস্থা য'ত প্ৰণালীবদ্ধ, নিৰপেক্ষ আৰু প্ৰতিনিধিমূলক ব্যৱস্থাৰে সদায় সহায়ৰ হাত আগবঢ়োৱা ভাল-বেয়াৰ বিচাৰ কৰিব পৰা পেছাদাৰী ব্যক্তিৰ দ্বাৰা সংবাদ মাধ্যমক নিয়ন্ত্ৰণ কৰা।

১৯১৬ চনত সংবাদ মাধ্যমৰ বাবে 'ক'ৰ্ট অব্ অনাৰ' নামেৰে ছুইডেনত প্ৰথম প্ৰেছ কাউন্সিল স্থাপন কৰা হৈছিল। প্ৰেছ কাউন্সিলৰ ধাৰণা আছিল স্কেনডিনেভিয়াৰ দেশসমূহত প্ৰতমে গ্ৰহণযোগ্যতা লাভ কৰা আৰু তাৰ পাছত বিশ্বৰ আন দেশসমূহলৈ ক্ৰমান্বয়ে প্ৰসাৰিত কৰা। প্ৰেছ কাউন্সিল আৰু ইয়াৰ সমতুল্য আন সংবাদ অনুষ্ঠানসমূহ আছে যি অতিকমেও ৪৮খন দেশত আছে।

১৯৫২ চনৰ ২৩ ছেপ্টেম্বৰত ভাৰত চৰকাৰে সংবাদ ব্যৱস্থাৰ বিষয়ে জানিবলৈ তথা ভৱিষ্যতৰ বিকাশৰ বাবে প্ৰেছ কমিছন নিযুক্ত কৰিছিল। ১৯৫৪ চনত প্ৰথম প্ৰেছ কমিছনৰ প্ৰতিবেদন প্ৰকাশ পাইছিল। য'ত হালধীয়া সাংবাদিকতা, অৰ্মাজিত লেখনি, সাম্প্ৰদায়িকতা, একপক্ষীয়ভাৱে বাতৰি পৰিৱেশন, ব্যক্তিগতভাৱে আক্ৰমম আদি বিষয়সমূহৰ ওপৰত দৃষ্টিগোচৰ কৰা হৈছিল। প্ৰেছ কমিচন এটা মতামতত উপনীত হৈছিল যে 'সংবাদ মাধ্যমৰ লগত জড়িত আইনসমূহ যথেষ্ট নহয় বা নাছিল আপত্তিজনক সংবাদ মাধ্যমৰ বাবে আৰু এটা ভাল পথ হ'ল পেছাদাৰী মান সম্পন্ন সাংবাদিকতা,

দায়িত্বশীল ব্যক্তিসকলে মধ্যস্থতা কৰাৰ লগতে সাংবাদিকতাৰ নীতি-নিয়মসমূহ উলংঘা কৰা ব্যক্তিক কঠোৰভাৱে গৰিহণা দিয়া।' (ভাৰত চৰকাৰ, ১৯৫৪)

কমিছনে আইনী ব্যৱস্থাৰে এখন প্ৰেছ কাউন্সিলৰ বাবে অনুমোদন জনাইছিল য'ত সম্পাদকৰ স্বাধীনতা, বাতৰি পৰিৱেশনৰ উদ্দেশ্য সুন্দৰভাৱে প্ৰকাশ আদি বিষয়ৰ ওপৰত গুৰুত্ব দিয়া। ঠিক একেদৰে ব্যহ্যিক উৎপীড়ন, আপত্তিজনক লেখাৰ ওপৰত নিয়ন্ত্ৰণ, লগতে ভাৰতীয় সংবাদ ব্যৱস্থাৰ সামগ্ৰিক বিকাশৰ বাবে কমিছনে গুৰুত্ব প্ৰদান কৰিছিল। এনেদৰে, প্ৰথম প্ৰেছ কমিছনৰ (১৯৫২-১৯৫৪) অনুমোদন মৰ্মে ১৯৬৫ চনৰ প্ৰেছ কাউন্সিল এক্টৰ অধীনত ১৯৬৬ চনৰ ৪ জুলাই তাৰিখে প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়া গঠন কৰা হয়। ন্যায়াধীশ জে. আৰ. মুধুলকাৰ ইয়াৰ অধ্যক্ষ আছিল।

জৰুৰীকালীন অৱস্থাৰ সময়ত (১৯৭৫-১৯৭৭) প্ৰথম প্ৰেছ কাউন্সিল বাতিল কৰা হয়। ১৯৭৬ চনৰ ১ জানুৱাৰীৰ পৰা কাউন্সিলে ইয়াৰ উদ্দেশ্যসমূহ সঠিকভাৱে চলাই নিব নোৱাৰাৰ ভিত্তিতেই বাতিল কৰা হৈছিল। যি নহওক ১৯৭৮ চনৰ দ্বিতীয় প্ৰেছ কমিছনৰ অনুমোদন মৰ্মে পুনৰ এক নতুন প্ৰেছ কাউন্সিল গঠন কৰা হৈছিল।

এজন অধ্যক্ষ আৰু ২৮ জন আন সদস্যৰে প্ৰেছ কাউন্সিল গঠিত। অধ্যক্ষজনক এখন কমিটীয়ে মনোনীত কৰে য'ত ৰাজ্যসভাৰ অধ্যক্ষ, লোকসভাৰ অধ্যক্ষ আৰু কাউন্সিলৰ এজন নিৰ্বাচিত প্ৰতিনিধি সদস্যৰে গঠিত। অধ্যক্ষজন সাধাৰণতে উচ্চতম ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশক নিযুক্ত কৰে। বৰ্তমান প্ৰেছ কাউন্সিলৰ অধ্যক্ষজন হ'ল ন্যায়াধীশ চন্দ্ৰমৌলি কুমাৰ প্ৰসাদ।

প্ৰেছ কাউন্সিল এটা স্বতন্ত্ৰ, আইনগত সংস্থা যি সংবাদ মাধ্যমৰ ওপৰত নিৰীক্ষণ কৰে। সংবাদ মাধ্যমসমূহৰ সৰ্বোচ্চ সংস্থা হিচাপে তথা গণতন্ত্ৰক জীয়াই ৰাখিবৰ বাবে কথা কোৱাৰ যি অধিকাৰ সেয়া তদাৰক কৰা। যি নহওক, ছপা মাধ্যমৰ বিৰুদ্ধে যিকোনো অভিযোগ গ্ৰহণ কৰাৰ লগতে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ ক্ষমতা সংস্থাটোৰ আছে। প্ৰেছ কাউন্সিলে গ্ৰহণ কৰা ব্যৱস্থাৰ ওপৰত কোনো ধৰণৰ প্ৰশ্ন অৱতাৰণা কৰিব নোৱাৰিব, অন্যথা সংবিধানৰ উলংঘা কৰা বুলি প্ৰমাণিত হ'ব।

২৮জন সদস্যৰ ১৩জন সাংবাদিক (৬জন সম্পাদক, ৭জন সাংবাদিক) ৬জন সৰু, ডাঙৰ আৰু মজলীয়া বাতৰিকাকতৰ লগত জড়িত পৰিচালক, যি বাতৰিকাকতখনৰ ব্যৱসায়িক দিশটো পৰিচালনা কৰে, এজন নিউজ এজেন্সীৰ পৰা, ৩জন শিক্ষা-বিজ্ঞান, আইন, সাহিত্য-সস্কৃতিত বিশেষ জ্ঞান আৰু অভিজ্ঞতাসম্পন্ন ব্যক্তিৰে আৰু আন ৫জন সদস্য ক্ৰমে ৩জন লোকসভাৰ, ২জন ৰাজ্যসভাৰ সদস্য। অধ্যক্ষ আৰু সদস্যসকলে তিনি বছৰৰ কাৰণে তেওঁলোকৰ সেৱা আগবঢ়ায়।

প্ৰেছ কাউন্সিলৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল ঃ

- সংবাদ ব্যৱস্থাৰ স্বাধীনতা ৰক্ষা কৰা।
- বাতৰিকাকত আৰু বাতৰি সংস্থাসমূহৰ বিকাশ আৰু মান তদাৰক কৰা।

- সংবাদ মাধ্যমে জনসাধাৰণৰ ৰুচি আৰু নাগৰিকৰ অধিকাৰ আৰু দায়িত্ব নিশ্চিত কৰা।
- সাংবাদিকতা পেছাটোৰ সৈতে জড়িত ব্যক্তিসকলক দায়িত্বশীল হোৱাৰ লগতে লোকসেৱাৰ বাবে উৎসাহিত কৰা।

প্ৰেছ কাউন্সিল এক্টৰ মতে, কোনো এজন ব্যক্তিয়ে এখন বাতৰিকাকত বা সাংবাদিকৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিব পাৰে। য'ত অভিযোগক বাতৰিকাকতখনে সাংবাদিকতাৰ নীতিসমূহ ভংগ কৰা আৰু ৰাজহুৱা স্বাৰ্থত সম্পাদকে পেছাৰ ভুল ব্যৱহাৰ আদি কাৰণৰ ওপৰত বিশ্বাসী।

কাউন্সিলে বাতৰিকাকত এখনৰ বিৰুদ্ধে চমন জাৰি কৰাৰ ক্ষমতা আছে। ভাৰতবৰ্ষৰ সকলো ঠাইতে কাউন্সিলৰ ক্ষমতাসমূহ প্ৰযোজ্য। তথ্যসমূহ প্ৰকাশৰ জৰিয়তে সাংবাদিকৰ ৰেহাইৰ ব্যৱস্থাও আছে। বিশিষ্ট সাংবাদিক এম. ভি. কামাঠৰ মতে, প্ৰেছ কাউন্সিল আইনৰ আদালত নহয়, সন্মানৰ আদালতহে, সেয়েহে ইয়াৰ ৰায়দান ন্যায়িক ৰায় নহয়। প্ৰথমজন অধ্যক্ষ ন্যায়াধীশ মুধুলকাৰে কৈছিল, নৈতিকতাই মূল অস্ত্ৰ আৰু আত্মশক্তিৰে ভাল-বেয়াৰ বিচাৰ কৰিব পৰাটো।

৬.৩.২ দা ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়া

১৯৫৩ চনৰ প্ৰথম প্ৰেছ কমিছনৰ অনুমোদনক্ৰমে ১৯৫৬ চনৰ ১ জুলাই তাৰিখে ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়াৰ জন্ম হয়। ১৮৬৭ চনৰ প্ৰেছ আৰু ৰেজিষ্টাৰ অব্ বুকছ এক্টৰ অন্তৰ্গত অনুচ্ছেদ ১৯(ক)ত উল্লেখিত এক আইনগত সংস্থা। ইয়াৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত অৱস্থিত আৰু দেশৰ প্ৰতিটো অংশৰ প্ৰকাশকসকলৰ সুবিধাৰ্থে কলকাতা, মুম্বাই আৰু চেন্নাইত আঞ্চলিক কাৰ্যালয় আছে। মুখ্য ৰেজিষ্টাৰজনক প্ৰেছ ৰেজিষ্টাৰ বুলি জনা যায় আৰু বৰ্তমানৰ প্ৰেছ ৰেজিষ্টাৰজন হ'ল এছ. এম. খান। প্ৰেছ ৰেজিষ্টাৰাৰক ডেপুটি প্ৰেছ ৰেজিষ্টাৰাৰ আৰু চাৰিজন সহায়ক প্ৰেছ ৰেজিষ্টাৰাৰে মুখ্য কাৰ্যালয় আৰু আঞ্চলিক কাৰ্যালয়ত সহায় কৰে। ইয়াৰ উপৰিও এজন জ্যেষ্ঠ প্ৰচালন বিষয়া আৰু পাঁচজন প্ৰচালন বিষয়া দুজন মুখ্য কাৰ্যালয়ত আৰু আন তিনিজনক আঞ্চলিক কাৰ্যালয়ত বাতৰিকাকতৰ প্ৰচালন নিৰ্ধাৰণত প্ৰেছ ৰেজিষ্টাৰাৰক সহায় কৰিবৰ বাবে নিযুক্ত কৰা হয়। ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়া সাধাৰণতে 'প্ৰেছ ৰেজিষ্টাৰাৰ' বুলিয়েই জনা যায়। ভাৰতত বাতৰিকাকতৰ অৱস্থাটোৰ বিষয়ে এক বাৰ্ষিক প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে। 'প্ৰেছ ইন ইণ্ডিয়া' শীৰ্ষক এই প্ৰতিবেদনত গুৰুত্বপূৰ্ণ তথ্য আৰু পৰিসংখ্যাৰ ব্যৱহাৰ কৰা হয় মালিকীস্বত্ব আৰু প্ৰচালনৰ বিষয়ে বুজাবলৈ। ইয়াৰ দায়িত্ব আৰু কাৰ্যাৱলীসমূহ আইনগত আৰু অ-আইনগত দুটা ভাগত ভাগ কৰা হয়।

আইনগত ব্যৱস্থাৰ অন্তর্গত তলত উল্লেখিত দায়িত্বসমূহ ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়াই পালন কৰে ঃ

- আৰ-এন-আই (RNI) এটা কেন্দ্রীয় চৰকাৰৰ সংস্থা আৰু দেশৰ সকলো বাতৰিকাকতৰ পঞ্জীয়নৰ কাম কৰে। পঞ্জীয়নৰ সময়ত 'পঞ্জীয়নৰ প্রমাণ-পত্র' প্রদানৰ জৰিয়তে বাতৰিকাকতৰ ৰেটিং নির্ধাৰণ কৰা হয়। ১৮৬৭ চনৰ পি-আৰ-বি এক্টৰ অধীনত বাতৰিকাকতৰ প্রকাশৰ বিষয়টো আৰ-এন-আইয়ে নির্ধাৰিত কৰা।
- নাম আবণ্টনৰ বিষয়টো জিলা দণ্ডাধীশৰ আগত অৱগত কৰাব লাগে। চৰকাৰৰ ওচৰত বার্ষিক প্রতিবেদন দাখিল কৰাটো প্রেছ ৰেজিষ্টাৰাৰ এক দায়িত্ব।
- বাতৰিকাকতৰ মালিকপক্ষ, প্রচালন, গঠন আদি বিষয়ক লৈ প্রেৰণ কৰা প্রতিবেদনৰ ওপৰত সূক্ষ্মভাৱে বিশ্লেষণ কৰিব পাৰে। তদুপৰি সঘনে পঞ্জীয়ন কৰা বাতৰিকাকতখন নিয়মিতভাৱে প্রকাশ হয় নে নহয়, প্রচালনৰ সংখ্যা শুদ্ধ হয় নে নহয় আদি পৰীক্ষা কৰাই হ'ল আৰ-এন-আইৰ প্রধান দায়িত্ব।

অ-আনিগত ব্যৱস্থাত পঞ্জীয়নভুক্ত বাতৰিকাকতৰ বাবে নিউজপ্রিণ্ট আবণ্টনৰ 'উপযুক্ত প্রমাণ-পত্র' প্রদান কৰে আৰু নিজউপ্রিণ্ট আমদানিৰ লগতে থলুৱা নিউজপ্রিণ্ট গোটোৱাত সহায় কৰে। প্রবাসী ভাৰতীয়সকলৰ বাবেও বাতৰিকাকত প্রকাশ আৰু ইয়াৰ যাৱতীয় কাম-কাজত সহায় কৰে।

৬.৩.৩ অ্যাডিট ব্যুৰো অব্ চাৰকুলেশ্যন

১৯৪৮ চনত অ্যাডিট ব্যুৰো অব্ চাৰকুলেশ্যন গঠন কৰা হৈছিল। এইটো এটা ব্যক্তিগত স্বাদীন আৰু স্ব-বিত্তীয় সংস্থা যি বিশ্বৰ বিভিন্ন অঞ্চলত ইয়াৰ কাম-কাজ চলাই আছে। ইয়াৰ প্রধান কাম হ'ল ভাৰতৰ বিভিন্ন বাতৰিকাকত আৰু আলোচনীৰ মাজত নিয়মিত প্রচালনৰ হিচাপ ৰখা। আৰু প্রচালনৰ এখন প্রমাণ-পত্র প্রদান কৰা। বিশ্বাসযোগ্যতা আৰু নিৰপেক্ষ হোৱাৰ বাবে ইয়াৰ যথেষ্ট সন্মান আছে। এ-বি-চি আৰম্ভ হোৱাৰ আগতে প্রচালনৰ গণনাৰ ক্ষেত্রত কোনো ধৰণৰ নির্ভৰযোগ্য সংস্থা নাছিল। সেয়েহে বিজ্ঞাপনৰ বাবে প্রচালনৰ সংখ্যাৰ ক্ষেত্রত প্রকাশকে প্রকৃত প্রচালনৰ সংখ্যা প্রমাণ নকৰাকৈয়ে হৈছিল। কম-বেছিৰ পৰিমাম তেওঁলোকৰ বিবেচনাৰ ওপৰতে নির্ভৰ কৰিছিল। অধিক বিজ্ঞাপনৰ পৰা ৰাজহ পোৱাৰ স্বার্থতে প্রকাশকসকলে প্রচালনৰ সংখ্যা অধিক কৰি দেখুৱাইছিল। বিজ্ঞাপনৰ উদ্দেশ্যত প্রকাশকসকলে উপযুক্ত বিজ্ঞাপনকাৰী-সকলক আশ্বাস দিয়াত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। অন্যহাতে বিজ্ঞাপনকাৰীসকলে প্রকৃত তথ্য বিচাৰে বিনিয়োগ কৰাৰ আগতে আচলতে কিমানজন ব্যক্তিয়ে বাতৰিকাকতখন কিনে আৰু কোনটো অঞ্চলত বেছি জনপ্রিয়। সেয়েহে বিজ্ঞাপনৰ লগত জড়িত প্রতিনিধি আৰু প্রকাশকসকল একেলগ হৈ দুয়োটা পক্ষৰ

সুবিধা আৰু সেৱাৰ বাবে অ্যাডিট ব্যুৰো অব্ চাৰকুলেশ্যন আৰম্ভ কৰে। এইটো এটা নগৰকেন্দ্রিক সংস্থা আৰু যি ভাৰতৰ প্রায়বোৰ মুখ্য চহৰকে সামৰি আছে।

এ-বি-চিৰ পৰা লাভ কৰা প্রচালনৰ প্রমাণ-পত্রখনে ছপা মাধ্যম আৰু বিজ্ঞাপনৰ লগত জড়িত বিজ্ঞাপনকাৰী, বিজ্ঞাপন সংস্থা, প্রকাশক সকলোকে সুবিধা প্রদান কৰে। এ-বি-চিয়ে প্রতি ছমাহৰ মূৰে মূৰে প্রচালনৰ হিচাপ আগবঢ়ায় আৰু এই তথ্যসমূহে বাতৰিকাকতৰ প্রকাশৰ বাবে বিজ্ঞাপনৰ ৰাজহ সংগ্রহ কৰিব পাৰে। এ-বি-চিয়ে বিভিন্ন ৰাজ্য, মুখ্য চহৰ আদিৰো তথ্য প্রকাশ কৰে।

পৰিচালনা পৰিষদেই সকলোবোৰ মুখ্য নীতি প্রস্তুত কৰে। পৰিচালনা পৰিষদখনত আঠজন প্রকাশনৰ প্রতিনিধি, চাৰিজন বিজ্ঞাপন সংস্থাৰ প্রতিনিধি আৰু চাৰিজন বিজ্ঞাপনকাৰী প্রতিনিধিৰে গঠিত। পৰিচালনা পৰিষদে প্রতি বছৰে অধ্যক্ষ নির্বাচিত কৰে। বর্তমান ৫৬২খন দৈনিক, ১০৭খন সাপ্তাহিক আৰু ৫০খন আলোচনীৰ লগতে ১২৫টা বিজ্ঞাপন সংস্থা, ৪৫টা বিজ্ঞাপনকাৰী আৰু ২২টা নিউজ এজেন্সি এ-বি-চিৰ সদস্য।

৬.৩.৪ ইণ্ডিয়ান নিউজপেপাৰ ছ'চাইটি

১৯২৭ চনৰ ১১ অক্টোবৰত জন্ম হোৱা ইণ্ডিয়ান নিউজপেপাৰ ছ'চাইটিৰ প্রথমে 'ইণ্ডিয়া, বার্মা আৰু চিল'ন বাতৰিকাকত' লণ্ডন কমিটী নামেৰে আৰু পাছলৈ ১৯৩৫ চনৰ ৪ অক্টোবৰৰ পৰা 'ইণ্ডিয়ান এণ্ড ইষ্টান নিউজপেপাৰ ছ'চাইটি' নামেৰে জনা গৈছিল, লণ্ডন ভিত্তিক এই সংস্থাটো ভাৰতবর্ষত প্রকাশিত বাতৰিকাকত, আলোচনী আদিৰ লগতে বার্মা, চিল'ন আৰু এছিয়া মহাদেশৰ আন আন দেশসমূহৰ লগতো জড়িত।

ভাৰতবর্ষত, এটা সংস্থাৰ প্রয়োজন হৈছিল যি তৎপৰতাৰে দিনক দিনে বাঢ়ি অহা বাতৰিকাকতৰ উৎপাদনৰ অসুবিধাসমূহ চোৱা-চিতা কৰিব পাৰে। এনেদৰেই ইণ্ডিয়ান এণ্ড ইষ্টান নিউজপেপাৰ ছ'চাইটিৰ জন্ম হৈছিল।

১৯৩৯ চনৰ ২৭ ফেব্রুৱাৰীত তলত উল্লেখিত বাতৰিকাকতসমূহৰ প্রতিনিধি সভাত, নতুন দিল্লীৰ ষ্টেটছ্মেন হাউছত ষ্টেটছ্মেন কাকতৰ সম্পাদক আর্থাৰ মু'ৰে ইণ্ডিয়ান নিউজপেপাৰ ছ'চাইটিৰ শুভাৰম্ভণী কৰিছিল।

- দা ব'ম্বে ক'র্ণিকল
- দা টাইমছ্ অব্ ইণ্ডিয়া
- দা ৰেগুণ গেজেট্
- দা অমৃত বজাৰ পত্রিকা
- দা হিন্দুস্তান টাইমছ
- এড্ভাঞ্চ

- দা পাইওনিয়াৰ
- দা লিডাৰ
- দা ট্রিবিউন
- দা চিভিল এণ্ড মিলিটেৰী গেজেট্
- দা হিন্দু
- দা মাদ্রাজ মেইল
- দা ষ্টেটছ্মেন

সভাত তলত উল্লেখিত ব্যক্তিসকলক কার্যালয়ৰ কাম-কাজ চলাবৰ বাবে নির্বাচিত কৰা হৈছিল—

১) আর্থাৰ মু'ৰে ষ্টেটছ্মেন কাকতৰ— সভাপতি
২) হিন্দুস্তান টাইমছৰ দেব দাস গান্ধী— ডেপুটি প্রেছিডেণ্ট
৩) দা পাইওনিয়াৰ দেসমণ্ড ইয়ং— উপ-সভাপতি
৪) দা ষ্টেটছমেনৰ বি. জে. কৃষ্ণনেৰ— সম্পাদক

এই সভাতে পাঁচজন সদস্যৰ এখন স্থায়ী কমিটীও নির্বাচিত কৰা হৈছিল। ১৯৪৭ চনৰ ১২ ফেব্রুৱাৰীত এখন সাধাৰণ সভাৰ জৰিয়তে সদস্যৰ সংখ্যা ১১জনলৈ বৃদ্ধি কৰিছিল। সময়ৰ লগে লগে সদস্যৰ সংখ্যা বৃদ্ধি কৰা হৈছিল। সংস্থাৰ স্মাৰক-পত্র আৰু চুক্তি-পত্রৰ মতে পৰিচালনা, ব্যৱসায় নিয়ন্ত্রণ, ক্ষমতা, ব্যৱসায়ৰ নীতি আদি সকলোবোৰ কার্যবাহী সমিতিৰ লগত জড়িত, য'ত ১৫জনতকৈ কম আৰু ৫০জনতকৈ বেছি সদস্য থাকিব নোৱাৰিব।

- কার্যালয় সহায়ক (৪)
- আগৰ সভাপতি (১০তকৈ বেছি নহয়)
- সাদাৰণ সভাই নির্বাচিত কৰা সদস্য (৩১)
- সহায়কাৰী সদস্য (৫)

ইয়াৰ ১৪খন আঞ্চলিক সমিতি আছে আৰু এখন উত্তৰ-পূর্বাঞ্চলৰ বাবে যাক উত্তৰ-পূব আঞ্চলিক সমিতি বুলি জনা যায়। আঞ্চলিক সমিতিসমূহৰ লগতে ছ'চাইটিৰ ১২খন উপ-সমিতিও আছে যি বিজ্ঞাপন সমিতি, নিউজপ্রিণ্ট সমিতি, উদ্যোগিক সম্পর্ক, ন্যায় সম্পর্কীয়, প্রেছ ফ্রিডম সমিতি, ভিজন সমিতি আদিৰ বাবে সর্বভাৰতীয় পর্যায়ত কাম-কাজসমূহ কৰে। ১৯১৩ চনৰ কোম্পানী আইনৰ অধীনত ১৯৫১ চনৰ ১২ অক্টোবৰত ছ'চাইটিখন পঞ্জীয়ন কৰা হৈছিল। দেশ স্বাধীন হোৱাৰ পাছত বার্মা আৰু চিল'ন আঁতৰি যায়। যাৰ পৰিপ্রেক্ষিতত ইষ্টান শব্দটো আঁতৰাই দি বর্তমানৰ ইণ্ডিয়ান নিউজপেপাৰ ছ'চাইটি কৰা হৈছিল।

ছ'চাইটিৰ কাম-কাজসমূহ বিশেষকৈ ব্যৱসায়ীক গোষ্ঠী, চৰকাৰী-বেচৰকাৰী সংস্থাসমূহৰ লগত জড়িত আছিল। সভাপতি, উপ-সভাপতি, সম্পাদক, কোষাধ্যক্ষ

আৰু এখন পাঁচজনীয়া সমিতিৰে ছ'চাইটিখন গঠিত। সভাপতিয়ে সম্পাদকক তেখেতৰ অন্তর্গত কামৰ দায়িত্ব দিয়াৰ লগতে কোষাধ্যক্ষ বিত্তীয় কাম-কাজসমূহ পৰিচালনাৰ দায়িত্ব দিয়ে।

আই-এন-এছ বাতৰিকাকতৰ উদ্যোগটোৰ সৈতে জড়িত। আই-এন-এছে বিজ্ঞাপন সংস্থাবোৰক স্বীকৃতি প্রদান কৰে যি প্রকাশন গোষ্ঠীৰ সুবিধাসমূহ আদায়ত সহায়ক হয়। 'ইণ্ডিয়ান প্রেছ' নামেৰে এখন মাহেকীয়া আলোচনীও তেওঁলোকে প্রকাশ কৰে। চৰকাৰী বিভাগ আৰু বিজ্ঞাপন সংস্থাসমূহৰ সৈতে এক সুসম্পর্ক ৰাখে। লণ্ডন ছ'চাইটি, ৱর্ল্ড এছ'চিয়েশ্যন অব্ নিউজপেপাৰ এণ্ড ক'মনৱেল্থ প্রেছ ইউনিয়নৰ দৰে আন্তঃৰাষ্ট্রীয় সংস্থাৰ সৈতেও সম্পর্ক আছে।

৬.৩.৫ ইণ্ডিয়ান ফেডাৰেশ্যন অব্ ওৱর্কিং জ্যাৰনেলিষ্ট

১৯৫০ চনৰ ২৮ অক্টোবৰত নতুন দিল্লীত ইণ্ডিয়ান ফেডাৰেশ্যন অব্ ওৱর্কিং জ্যাৰনেলিষ্টৰ জন্ম হয়. স্বাধীন ভাৰতৰ প্রথম সংবাদ সংস্থা য'ত বর্তমান ৩০,০০০তকৈও অধিক প্রাথমিক আৰু সহায়কাৰী সদস্য থকাৰ লগতে ১,২৬০খন বাতৰিকাকত, ভাৰতৰ ১৭টা ভাষাত প্রচলিত আৰু বৈদ্যুতিন মাধ্যম লগতে নিউজ এজেন্সিৰ বাবে কাম কৰে। ভাৰতবর্ষৰ উপৰিও বিদেশতো ইয়াৰ সদস্য আছে। আই-এফ-ডব্লিউ-জেৰ ভগ্নী সংগঠন দুটা হ'ল— নেশ্যনেল ফেডাৰেশ্যন অব্ নিউজপেপাৰ এমপ্লয়ী কলকাতা আৰু নেশ্যনেল কনফেডাৰেশ্যন অব্ নিউজপেপাৰ এণ্ড নিউজ এজেন্সি অৰগেনাইজেশ্যন মুম্বাই।

কর্মৰত সাংবাদিকসকলৰ বাবে ই এটা পেছাদাৰী সংস্থা। আই-এফ-ডব্লিউ-জেয়ে আঞ্চলিক ভিত্তিত প্রেছ-ক্লাব, প্রেছ একাডেমী, লাইব্রেৰী, প্রশিক্ষণ কেন্দ্র আৰু অধ্যয়ন চক্রৰ ব্যৱস্থা কৰে। পেছাগত বাতৰিকাকত প্রকাশৰ লগতে গৱেষমা, মানৰ অধিকাৰ অভিযান, পৰিৱেশ সংৰক্ষণ, যুদ্ধৰ বিৰুদ্ধে আন্দোলন আদি বিষয়ৰ লগত জড়িত।

বিশ্বজোৰা সাংবাদিকসকলৰ আন্দোলনৰ সৈতে আই-এফ-ডব্লিউ-জে সক্রিয়ভাৱে জড়িত। ইয়াৰ ৪৭খন ৰাষ্ট্রতকৈ বেছি ৰাষ্ট্রসমূহৰ লগত এক সু-সম্পর্ক আছে। আই-এফ-ডব্লিউ-জেৰ সদস্যসকলে আন্তঃৰাষ্ট্রীয় শ্রমিক সংঘ আৰু ইউনেস্ক'ৰ ইণ্টাৰনেশ্যনেল প্র'গ্রেম ফ'ৰ ডেভেলপমেণ্ট অব্ কমিউনিকেশ্যনৰ কার্যসূচীত অংশগ্রহণ কৰিব পাৰে। আই-এফ-ডব্লিউ-জে কনফেডাৰেশ্যন অব্ এছিয়ান জ্যাৰনেলিষ্ট ইউনিয়নৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত।

প্রত্যেক তিনি বছৰৰ মূৰে মূৰে প্রাথমিক সদস্যসকলে ভোট প্রদানৰ জৰিয়তে আই-এফ-ডব্লিউ-জেৰ সভাপতি নির্বাচন কৰে। এজন প্রধান সচিবৰ সৈতে চাৰিজন উপ-সভাপতি, ছজন সচিব, এজন কোষাধ্যক্ষ আৰু ১৭জন কার্যবাহী সদস্যই

সভাপতিজনক কামত সহায় কৰে। এটা সৰু অনুষ্ঠানৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰিষদৰ ১০০জন সদস্যক ভোটৰ জৰিয়তে বাচনি কৰা হয়।

টাইমছ অব্ ইণ্ডিয়াৰ কে. বিক্ৰম ৰাও আই-এফ-ডব্লিউ-জেৰ ১২ সংখ্যক সভাপতি। তেখেতে ২০১৩ চনত কাৰ্যকাল আৰম্ভ কৰিছিল।

৬.৩.৬ প্ৰেছ ইনষ্টিটিউট অব্ ইণ্ডিয়া

১৯৬৩ চনত সাংবাদিকতাৰ জগতখনত উচ্চ দায়িত্বসম্পন্ন কৰি ৰাখিবৰ বাবে স্বতন্ত্ৰ, অনালাভদায়ক সংস্থা প্ৰেছ ইনষ্টিটিউট অব্ ইণ্ডিয়াৰ জন্ম হৈছিল। সাংবাদিকসকলৰ বাবে মহিলা সৱলীকৰণ, শিশু অধিকাৰ, ৰাষ্ট্ৰীয় সুৰক্ষা আদি বিষয়ৰ ওপৰত প্ৰশিক্ষণৰ কৰ্মশালা আয়োজন কৰে। তদুপৰি আজিৰ সময়ত পি-আই-আইয়ে গ্ৰাম্য অঞ্চলৰ প্ৰতিবেদন, উন্নয়নমূলক সাংবাদিকতা, মহিলা সৱলীকৰণৰ ওপৰত লেখা-মেলা এই বিষয়বোৰৰ ওপৰত প্ৰশিক্ষণ আৰু কৰ্মশালা আয়োজন কৰে। এই কৰ্মশালাসমূহৰ জৰিয়তে সাংবাদিকসকলৰ লিখিত দক্ষতা আৰু প্ৰতিবেদন প্ৰস্তুত কৰা উপযুক্ত কৰি তোলা হয়। মূল সুঁতিৰ সংবাদ মাধ্যমসমূহে সৰ্বসাধাৰণ ৰাইজক প্ৰভাৱিত কৰা যিবোৰ বিষয় দেখুওৱাব নোখোজে তাৰ বিপৰীতে পি-আই-আইয়ে এই বাতৰিসমূহ দেখুওৱাৰ বাবে সাংবাদিকসকলক উৎসাহিত কৰে। প্ৰতি বছৰে পি-আই-আইয়ে ভাৰত, পাকিস্তান, শ্ৰীলংকা, বাংলাদেশ আৰু এছিয়া মহাদেশৰ আন আন দেশসমূহৰ সাংবাদিকসকলক প্ৰশিক্ষণ প্ৰদান কৰে। পি-আই-আইয়ে একমাত্ৰ সংস্থা যি ইংলেণ্ডৰ থমচন ফাউণ্ডেশ্যনলৈ সাংবাদিক, সম্পাদক, ফটোগ্ৰাফাৰ প্ৰেৰণ কৰে।

প্ৰশিক্ষণ আৰু আনুষংগিক কাম-কাজ ঃ পি-আই-আইৰ ইউনেস্ক', ইউনাইটেড নেশ্যনছ ডেভেলপমেণ্ট প্ৰ'গ্ৰেম (ইউ-এন-ডি-পি), ইউনাইটেড নেশ্যনছ প'পোলেশ্যন ফাণ্ড (ইউ-এন-এফ-পি-এ), দা ফ'ৰ্ড ফাউণ্ডেশ্যন, ফ্ৰিডিম ইবাৰ্ট ষ্টিফটুং, ইউনিছেফ, প্ৰেছ ফাউণ্ডেশ্যন অব্ এছিয়াৰ সৈতে সহযোগিতা আছে। ইয়াৰ উপৰি আন সংস্থাবোৰ হ'ল ব্ৰিটিছ কাউন্সিল, থমচন ফাউণ্ডেশ্যন, ব্ৰিটেইনছ ফ'ৰেইন এণ্ড কমনৱেল্থ অফিচ, অ'ক্সফেম (গ্ৰেট ব্ৰিটেইন), ছাৰ দৌৰাজী টাটা ট্ৰাষ্ট, ইমটাৰনেশ্যনেল কাউন্সিল ফ'ৰ ৰিহেবিলিটেশ্যন অব্ টাৰচাৰ ভিক্‌টিম আৰু আন্তঃৰাষ্ট্ৰীয় ৰেড্ ক্ৰছ।

৬.৩.৭ এডিটৰছ গীল্ড অব্ ইণ্ডিয়া

১৯৭৭ চনত নতুন দিল্লীত সংবাদ মাধ্যমৰ স্বাধীনতা পেছাদাৰী মান বৃদ্ধি, সম্পাদকৰ স্বাধীনতা আদি বিষয়সমূহ প্ৰযোজ্য কৰিবৰ বাবেই এডিটৰছ গীল্ড অব্ ইণ্ডিয়া স্থাপন কৰা হৈছিল। ১৯৭৮ চনৰ ১৮ আৰু ১৯ মাৰ্চত দিল্লীত আয়োজিত প্ৰথমখন প্ৰতিনিধি সভাত কোৱা হৈছিল যে, এইখন এনেকুৱা মঞ্চ হ'ব য'ত

সম্পাদসকল মিলিত হোৱাৰ লগতে সংবাদ মাধ্যমৰ দায়িত্ব আৰু ইয়াৰ স্বাধীনতাৰ বাবে পথৰ সমাধান কৰা লগতে সংবাদ মাধ্যমৰ নীতি-নিয়ম মানি চলি পাঠকক সত্য শুদ্ধ তথ্য জনাৰ অধিকাৰ দিয়া। এই অনুষ্ঠানত ব্যক্তিগতভাৱে সদস্য পদ প্রদান কৰে। বাতৰিকাকতত, নিউজ এজেন্সী আৰু সাপ্তাহিক কাকতৰ সম্পাদকসকলৰ বাবে সদস্য পদ খোলা থাকে। যি নহওক কোনো প্রতিষ্ঠান বা ব্যৱসায়িক আলোচনীয়ে সদস্য পদ লাভ নকৰে। বাতৰিকাকত, নিউজ এজেন্সীত পাঁচ বছৰতকৈ যদি বেছি কাম কৰাৰ অভিজ্ঞতা থাকে তেনেহ'লে তেওঁ সহকাৰী সদস্য পদ লাভ কৰে।

২০০২ চনৰ ৩০ আগষ্টত আয়োজিত এক সভাত এডিটৰছ গীল্ড অব্ ইণ্ডিয়াই কিছু নীতি-নিয়মৰ প্রৱর্তন কৰে। যিবোৰ ২০০৭ চনত কিছু সালসলনিৰে সংশোধন কৰা হয়। সম্পাদকসকলে (বাতৰি সম্পাদক, মুখ্য উপ-সম্পাদক আৰু তেওঁৰ সহযোগীসকল) কেনে ধৰণৰ ভূমিকা পালন কৰিব লাগে এটা সংবাদ সংস্থাত তাৰ বিষয়ে উল্লেখ আছে। বর্তমান সময়ত ২০০তকৈও অধিক ৰাষ্ট্রীয়, আঞ্চলিক, স্থানীয় বাতৰিকাকতৰ লগতে আলোচনী আৰু বৈদ্যুতিন মাধ্যমৰো সদস্য আছে।

৬.৩.৮ ইণ্ডিয়ান লেংগুৱেজ নিউজপেপাৰছ এছ'চিয়েশ্যন

১৯৪১ চনৰ ১৪ জুনত মুম্বাইত ইণ্ডিয়ান লেংগুৱেজ নিউজপেপাৰছ এছ'চিয়েশ্যনৰ জন্ম হৈছিল। ই এটা বাতৰিকাকত আৰু সাপ্তাহিক কাকতৰ লগত জড়িত সংস্থা। আই-এল-এন-এৰ প্রধান উদ্দেশ্য হ'ল সৰু সৰু বাতৰিকাকতসমূহক জীয়াই ৰখাত সহায় কৰা আৰু ভাল পৰিচালনা আৰু তথ্য সমৃদ্ধিৰে উন্নতি সাধন কৰা। সংস্থাটোৱে এখন মাহেকীয়া আলোচনীও প্রকাশ কৰে।

ওপৰত উল্লেখিত সংবাদ সংস্থাসমূহৰ উপৰিও ভাৰতত আন আন সংবাদ সংস্থা, যেনে— নেশ্যনেল ইউনিয়ন অব্ জ্যাৰনেলিষ্ট, নেশ্যনেল কনফেডাৰেশ্যন অব্ নিউজপেপাৰ এণ্ড নিউজ এজেন্সি এম্প্লয়েজ আৰু নিউজপেপাৰ এছ'চিয়েশ্যন অব্ ইণ্ডিয়াৰ দৰে সংস্থাসমূহো আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গণতন্ত্রৰ চতুর্থ স্তম্ভ বুলি কাক জনা যায়?

.....

প্রশ্ন নং ২ ঃ প্রেছ কমিছনে কিয় এখন আইনী ব্যৱস্থাৰে প্রেছ কাউন্সিল গঠনৰ অনুমোদন জনাইছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ কিমান চনত আৰু ক'ত বিশ্বৰ প্ৰথম প্ৰেছ কাউন্সিল গঠন হৈছিল?

.....

প্ৰশ্ন নং ৪ ঃ প্ৰথম প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়া কেতিয়া স্থাপিত?

.....

প্ৰশ্ন নং ৫ ঃ কিমানজন সদস্যক লৈ প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়া গঠিত?

.....

প্ৰশ্ন নং ৬ ঃ আৰ-এন-আই কেতিয়া জন্ম হৈছিল?

.....

প্ৰশ্ন নং ৭ ঃ এ-বি-চিৰ মুখ্য দায়িত্বসমূহ কি কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ আই-এল-এন-এৰ মুখ্য উদ্দেশ্যসমূহ কি কি?

.....

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কথা কোৱাৰ অধিকাৰৰ ক্ষেত্ৰত কোনো সংস্থা, ব্যক্তি আদিয়ে যেতিয়া ব্যাঘাতৰ সৃষ্টি নকৰে তেতিয়াই সংবাদ মাধ্যমে সমাজৰ প্ৰহৰাদাৰ ৰূপে কাম কৰে।
- প্ৰেছ কাউন্সিল এনে এক ব্যৱস্থা য'ত প্ৰণালীবদ্ধ, নিৰপেক্ষ আৰু প্ৰতিনিধিমূলক ব্যৱস্থাৰে সদায় সহায়ৰ হাত আগবঢ়োৱাৰ লগতে পেছাদাৰী ব্যক্তিৰ দ্বাৰা সংবাদ মাধ্যমক নিয়ন্ত্ৰণ কৰা।
- ১৯১৬ চনত সংবাদ মাধ্যমৰ বাবে 'ক'ৰ্ট অব্ অনাৰ' নামেৰে চুইডেনত প্ৰথম প্ৰেছ কাউন্সিল স্থাপন কৰা হৈছিল।
- জৰুৰীকালীন অৱস্থাৰ সময়ত (১৯৭৫-১৯৭৭) প্ৰথম প্ৰেছ কাউন্সিল বাতিল কৰা হয়। ১৯৭৬ চনৰ ১ জানুৱাৰীৰ পৰা কাউন্সিলে ইয়াৰ উদ্দেশ্যসমূহ সঠিকভাৱে চলাই নিব নোৱাৰাৰ ভিত্তিতেই বাতিল কৰা হৈছিল।
- ১৯৫৩ চনৰ প্ৰথম প্ৰেছ কমিছনৰ অনুমোদনক্ৰমে ১৯৫৬ চনৰ ১ জুলাই তাৰিখে ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়াৰ জন্ম হয়। তদুপৰি ই ১৮৬৭ চনৰ প্ৰেছ আৰু ৰেজিষ্টাৰ অব্ বুকছ এক্টৰ অন্তৰ্গত অনুচ্ছেদ ১৯(ক)ত উল্লেখিত এক আইনগত সংস্থা।
- ১৯৪৮ চনত অ্যাডিট ব্যুৰো অব্ চাৰকুলেশ্যন গঠন কৰা হৈছিল। এইটো এটা ব্যক্তিগত, স্বাধীন আৰু স্ব-বিত্তীয় সংস্থা যি বিশ্বৰ বিভিন্ন অঞ্চলত ইয়াৰ কাম-কাজ চলাই আছে।
- ১৯২৭ চনৰ ১১ অক্টোবৰত জন্ম হোৱা ইণ্ডিয়ান নিউজপেপাৰ ছ'চাইটিৰ প্ৰথমে 'ইণ্ডিয়া,

বার্মা আৰু চিল'ন বাতৰিকাকত লণ্ডন কমিটী নামেৰে আৰু পাছলৈ ১৯৩৫ চনৰ ৪ অক্টোবৰৰ পৰা ইণ্ডিয়ান এণ্ড ইষ্টান নিউজপেপাৰ ছ'চাইটি নামেৰে জনা গৈছিল।

- ১৯৫০ চনৰ ২৪ অক্টোবৰ তাৰিখে নতুন দিল্লীত ইণ্ডিয়ান ফেডাৰেশ্যন অব্ ওৱর্কিং জ্যাৰনেলিষ্টৰ জন্ম হৈছিল।
- ১৯৬৩ চনত সাংবাদিকতাৰ জগতখনত উচ্চ দায়িত্ব সম্পন্ন কৰি ৰাখিবৰ বাবে স্বতন্ত্র অনালাভদায়ক সংস্থা প্রেছ ইনষ্টিটিউট অব্ ইণ্ডিয়াৰ জন্ম হৈছিল।
- ১৯৭৭ চনত নতুন দিল্লীত সংবাদ মাধ্যমৰ স্বাধীনতা পেছাদাৰী মান বৃদ্ধি, সম্পাদকৰ স্বাধীনতা আদি বিষয়সমূহ প্রযোজ্য কৰিবৰ বাবেই এডিটৰছ গীল্ড অব্ ইণ্ডিয়া স্থাপন কৰা হৈছিল।
- ১৯৪১ চনৰ ১৪ জুনত মুম্বাইত ইণ্ডিয়ান লেংগুৱেজ নিউজপেপাৰছ এছ'চিয়েশ্যনৰ জন্ম হৈছিল। ই এটা বাতৰিকাকত আৰু সাপ্তাহিক কাকতৰ লগত জড়িত সংস্থা।



৬.৫ অধিক জানিবলৈ

১) কুমাৰ, কেৰল জে. (২০১৩), *মাছ কমিউনিকেশ্যন ইন ইণ্ডিয়া* (চতুর্থ সংস্কৰণ), মুম্বাই ঃ জিয়াকো পাব্লিকেশ্যন।

২) এম. ভি. কামাথ (১৯৯৫), *দা জ্যাৰনেলিষ্ট হেণ্ডবুক*, নতুন দিল্লী ঃ বিকাশ পাব্লিচিং হাউছ।

৩) আগৰৱালা, ভি. আৰ. আৰু গুপ্তা, ভি. এছ. (২০১৬), *হেণ্ডবুক অব্ জ্যাৰনেলিজম্ এণ্ড মাছ কমিউনিসেশ্যন* (দ্বিতীয় সংস্কৰণ), নতুন দিল্লী ঃ কনচেপ্ট পাব্লিছিং কোম্পানী।

৪) ভাৰত চৰকাৰ (১৯৫৪), *প্রেছ কমিছনৰ প্রতিবেদন*।

৫) প্রেছ কাউন্সিল অব্ ইণ্ডিয়াৰ ৱেব-ছাইট www.presscouncil.nic.inত উপলব্ধ।

৬) ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়াৰ ৱেব-ছাইট http:llrini.nic.inত উপলব্ধ।

৭) অ্যাডিট ব্যুৰো অব্ চাৰকুলেস্যনৰ ৱেব-ছাইট http:llwww.auditbureau.argত উপলব্ধ।

৬.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সংবাদ মাধ্যম?

২নং প্রশ্নৰ উত্তৰ ঃ প্রেছ কমিছনে আইনী ব্যৱস্থাৰে এখন প্রেছ কাউন্সিলৰ বাবে অনুমোদন জনাইছিল য'ত সম্পাদকৰ স্বাধীনতা, বাতৰি পৰিৱেশনৰ উদ্দেশ্য সুন্দৰভাৱে প্রকাশ আদিৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৯১৬ চনত ছুইডেনত।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ৪ জুলাই, ১৯৬৬।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়া এজন অধ্যক্ষ আৰু ২৮জন সদস্যৰে গঠিত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫৬ চনৰ ১ জুলাই তাৰিখে ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়াৰ জন্ম হৈছিল।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ইয়াৰ প্ৰধান দায়িত্ব হ'ল ভাৰতৰ বিভিন্ন বাতৰিকাকত আৰু আলোচনীৰ মাজত নিয়মিত প্ৰচালনৰ হিচাপ ৰখা আৰু প্ৰচালনৰ এখন প্ৰমাণ-পত্ৰ প্ৰদান কৰা।

৮নং প্ৰশ্নৰ উত্তৰ ঃ আই-এল-এনৰ প্ৰধান উদ্দেশ্য হ'ল সৰু সৰু বাতৰিকাকতসমূহক জীয়াই ৰখাত সহায় কৰা আৰু ভাল পৰিচালনা আৰু তথ্য সমৃদ্ধিৰে উন্নতি সাধন কৰা।



৬.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ অ্যাডিট ব্যুৰো অব্ চাৰকুলেশ্যনৰ নীতিসমূহ কোনে তৈয়াৰ কৰে? কেইজন সদস্যৰে গঠিত?

প্ৰশ্ন ২ ঃ আই-এল-এন-এ কেতিয়া স্থাপিত হৈছিল? ইয়াৰ মুখ্য উদ্দেস্যসমূহ কি কি?

প্ৰশ্ন ৩ ঃ প্ৰেছ ইনষ্টিটিউট অব্ ইণ্ডিয়াৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত কৰাৰ উদ্দেশ্য কি?

খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়াৰ প্ৰধান উদ্দেশ্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ প্ৰেছ কাউন্সিল অব্ ইণ্ডিয়াৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ এডিটৰছ গীল্ড অব্ ইণ্ডিয়াৰ সদস্য পদৰ বাবে কোনে আবেদন কৰিব পাৰে?

গ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব) ঃ

প্ৰশ্ন ১ ঃ আৰ-এন-আইৰ আইনগত আৰু অ-আইনগত কাৰ্যাৱলীসমূহ কি কি?

প্ৰশ্ন ২ ঃ আপুনি ভাবেনে বিভিন্ন সংবাদ সংস্থাবোৰে উপযুক্তভাৱে দেশৰ সংবাদ মাধ্যমৰ দৃশ্যপটক চোৱা-চিতা কৰিছে? —উপযুক্ত উদাহৰণৰ সৈতে বিচাৰ কৰক।

*** ***** ***

অধ্যায় ৭ ঃ অসমৰ বিশেষ উল্লেখেৰে উত্তৰ-পূব ভাৰতত ছপা মাধ্যমৰ ইতিহাস

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অৰুণোদয়ৰ জন্ম

৭.৩.১ অধিক বাতৰিকাকত আৰু আলোচনী

৭.৩.২ প্ৰাক্-স্বাধীনতা কালৰ কিছু অন্য বাতৰিকাকত আৰু আলোচনী

৭.৪ স্বাধীনতাৰ পাছত সংবাদ মাধ্যমৰ প্ৰতিচ্ছবি

৭.৪.১ ১৯৮০ দশক ঃ এক উত্থান

৭.৪.২ বৰ্তমান প্ৰতিচ্ছবি

৭.৪.৩ শংকাৰ কাৰণসমূহ ১

৭.৪.৪ শংকাৰ কাৰণসমূহ ২

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্ৰগতিৰ খতিয়ান

৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব—

- উত্তৰ-পূৰ্বাঞ্চলত ছপা মাধ্যমৰ ইতিহাস আৰু বিকাশ
- অসমত হোৱা ইয়াৰ সূচনা
- প্ৰথম অসমীয়া বাতৰিকাকত 'অৰুণোদয়'ৰ দীৰ্ঘম্যাদী প্ৰভাৱ
- স্বাধীনতাৰ আগত আৰু পাছত এই অঞ্চলত ছপা মাধ্যমৰ অৱস্থা।

৭.২ পৰিচয়

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য বিশেষকৈ অসমৰ ছপা মাধ্যমৰ ১৭০ বছৰীয়া এক গৌৰৱোজ্জ্বল ইতিহাস আছে। সমাজৰ আৰু সামগ্ৰিকভাৱে ৰাষ্ট্ৰৰ বিকাশত ই দশকৰ পাছত দশক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে। সংবাদ মাধ্যমৰ বহু উত্থান আৰু পতনৰ সাক্ষী হৈ ৰৈছে এই সময়ছোৱা। এতিয়া ই এক সুস্থিৰ অৱস্থা পোৱা বুলি আমি ক'ব পাৰো আৰু অন্ততঃ অন্য এটা শতিকাৰ বাবে মূল্যৱান বৰঙণি আগবঢ়াই ইয়াৰ অৰ্থপূৰ্ণ যাত্ৰা অব্যাহত থাকিব বুলি আমি আশাবাদী।

১৮২৬ চনৰ আগলৈকে অর্থাৎ ব্রিটিছ আৰু বার্মিজ আক্রমণকাৰীৰ মাজত ইয়াণ্ডাবু সন্ধি হোৱা সময়লৈ সেই সময়ৰ সমগ্র অসমৰ পশ্চিমীয়া শিক্ষাৰ সৈতে পৰিচয় হোৱা নাছিল আৰু সেইসূত্রে সংবাদ মাধ্যমৰ ধাৰণাও নাছিল। অৱশ্যে ইয়াৰ কেবাশ বছৰ আগতেই শ্রীমন্ত শংকৰদেৱে সমৰ থলুৱা ৰাইজক এক অন্য ধৰণৰ মাধ্যমৰ সোৱাদ দিছিল। অংকীয়া নাট, বৰগীত, সত্রীয়া নৃত্য, মুখাশিল্প আদিৰ জৰিয়তে তেওঁ এই কাম কৰিছিল। এইসমূহে অঞ্চলটোৰ বিভিন্ন নৃগোষ্ঠীৰ সংস্কৃতি আৰু পঞ্চদশ শতিকাৰ বাৰানসী, পুৰীৰ বিভিন্ন উপাদান সন্নিৱিষ্ট হৈছিল। সেই কাৰণে শংকৰদেৱক এতিয়াও মহান আৰু সফল গণসংযোগকাৰী হিচাপে জ্ঞান কৰা হয়।

১৮২৬ চনত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হোৱাৰ পাছত অঞ্চলটোৰ প্রশাসন ব্রিটিছৰ হাতলৈ যায়। এই ঘটনাই ব্যপ্তিষ্ট খ্রীষ্টান মিছনেৰীক ইয়ালৈ আহি ধর্ম প্রচাৰ কৰা আৰু বহু লোকক তেওঁলোকৰ ধর্মলৈ ধর্মান্তৰিত কৰাৰ সুযোগ আনি দিয়ে। গণমাধ্যমৰ প্রভাৱ সন্দর্ভত তেওঁলোক অভিজ্ঞ আছিল। মুখামুখি যোগাযোগৰ তুলনাত মানুহক প্রভাৱিত কৰাত তেওঁলোকে সংবাদ মাধ্যমৰ শক্তিৰ ওপৰত ভৰষা কৰিছিল। সেই কাৰণে এখন সংবাদ-পত্র প্রকাশ কৰাৰ বাবে তেওঁলোকে সিদ্ধান্ত লৈছিল আৰু যথেষ্ট প্রস্তুতিৰ অন্তত তেওঁলোক এইক্ষেত্রত সফল হৈছিল। এতিয়াও অব্যাহত থকা অঞ্চলটোত সংবাদ মাধ্যমৰ স্বাস্থ্যকৰ বিকাশৰ বাট মুকলি কৰাৰ বাবে এয়া এক আশীর্বাদ স্বৰূপ আছিল।

৭.৩ অৰুণোদয়ৰ জন্ম

ব্রিটিছ প্রশাসনৰ আমন্ত্রণমর্মে এটা মিছন স্থাপন কৰাৰ লক্ষ্যৰে ড° নাথান ব্রাউন আৰু অলিভাৰ টি বার্ডাৰৰ নেতৃত্বত আমেৰিকান ব্যপ্তিষ্ট মিছনেৰীৰ এটা দল শিৱসাগৰ অভিমুখে আহি ১৮৩৬ চনৰ মার্চ মাহত শদিয়াত উপস্থিত হৈছিলহি। ১৯৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰ মিছন প্রেছৰ পৰা প্রথমখন অসমীয়া বাতৰিকাকত মাহেকীয়া 'অৰুণোদয়' প্রকাশ পায়। এইখন আছিল এখন বাতৰিকাকত আৰু এখন আলোচনীৰ মিশ্রণ। কিন্তু 'অৰুণোদয়'ৰ প্রকাশ আছিল এটা মাইলৰ খুঁটি যি ভৱিষ্যতে অধিক সংবাদ-পত্র প্রকাশৰ বাট মুকলি কৰে। যদিও প্রথমে ইয়াক 'অৰুণোদয় সম্বাদ-পত্র' নামেৰে জনা গৈছিল ১৯৫০ চনৰ অক্টোবৰৰ পৰা সম্বাদ-পত্রৰ ঠাইত আলোচনী শব্দটো ব্যৱহাৰ কৰা হয় (বৰুৱা, ১৯৯৯)। আঠ পৃষ্ঠাৰে আৰম্ভ হৈ পৰৱর্তী সময়ত ই প্রায় ১৬ পৃষ্ঠা হয়গৈ। ১৮৪৮ চনৰ জানুৱাৰীৰ পৰা ইয়াত আলোকচিত্রও উলিয়াবলৈ ধৰে। যদিও অসমৰ মানুহৰ মাজত খ্রীষ্টান ধর্ম প্রচাৰৰ বাবেই বাতৰিকাকতখন মূলতঃ প্রকাশ কৰা হৈছিল, তথাপিও ধর্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ প্রতি উৎসর্গিত আৰু ৰাজ্যখনৰ আর্থ-সামাজিক সমস্যাৰ ওপৰত ধর্মনিৰপেক্ষ দৃষ্টিৰে আলোকপাত কৰাটো অৰুণোদয়ৰ ঘোষিত নীতি আছিল (বৰুৱা, ১৯৯৯)। ধর্মীয় দিশটোৰ বাহিৰেও এটা নতুন ব্যৱস্থাৰ সূচনাকাৰী হিচাপে অসমৰ আধুনিক সময়ৰ গণমাধ্যমত বাতৰিকাকতখনৰ যথেষ্ট গুৰুত্ব আছে। কাকতখনৰ নিজৰ ঘোষণা আছিল— "অ'র্কি বার্ণ্ডাৰৰ দ্বাৰা শিৱসাগৰৰ মিছন প্রেছৰ পৰা প্রকাশিত আৰু মুদ্রিত ধর্ম, বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ নামত উৎসর্গিত অৰুণোদয় এখন মাহেকীয়া কাকত" (নেওগ, ১৯৯৮)।

দীঘলীয়া সময়ৰ বাবে মুদ্রণ আৰু প্রকাশকৰ দায়িত্বত থকাৰ লগতে ১৮৪৬ চনৰ পৰা ১৯৫০ চনৰ ফেব্রুৱাৰীলৈ কাকতখনৰ সম্পাদক আছিল বাট্টাৰ। তেওঁৰ পিছত সম্পাদকৰ দায়িত্ব লয় নাথান ব্রাউনে। ব্রাউনৰ পিছত আৰু কাকতখনৰ শেষ সময়ত ৰেভাৰেণ্ড এ কে গানিয়ে সম্পাদকৰ দায়িত্ব লোৱাৰ মাজৰ সময়ছোৱাত বহুকেইজন ব্যক্তিয়ে সম্পাদক হিচাপে দায়িত্ব পালন কৰে। কাকতখনৰ অমূল্য অৱদানসমূহৰ ভিতৰত আছে— অসমৰ বুৰঞ্জীৰ বিভিন্ন দিশ, মুদ্রা অধ্যয়ন, অর্থনীতি আৰু বাণিজ্য, নৃতাত্ত্বিক অধ্যয়ন, বিভিন্ন অন্ধবিশ্বাস সন্দর্ভত সচেতনতা সৃষ্টি, শিক্ষাৰ প্রসাৰ, আধুনিক জীৱন ধাৰণৰ পৰিচয়, জ্ঞান আৰু বুদ্ধি আদি।

বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি অধ্যাপক নগেন শইকীয়াৰ মতে, অৰুণোদয়ৰ আৰু জোনাকীৰ মাজৰ প্রায় ছয় দশক (১৮৪৬-১৯০৩) অসমত সংবাদ মাধ্যমৰ বিকাশৰ সময়েই নহয়, এই সময়ছোৱা আধুনিক দৃষ্টিভংগী, অসমীয়া ভাষা আৰু সাহিত্যৰো উত্তৰণৰ সময়।

বিভিন্ন প্রতিশ্রুতিৰে আৰম্ভ হোৱা আৰু জাতিৰ প্রতি অমূল্য সেৱা আবঢ়োৱা কাকতখনৰ প্রকাশ ১৮৮০ চনৰ পৰা অনিয়মীয়া হ'বলৈ ধৰে আৰু ১৮৮২ চনত প্রকাশ বন্ধ হৈ যায়। অসমৰ সংবাদ মাধ্যমৰ দীঘলীয়া যাত্রাৰ সূত্রপাত ঘটোৱা প্রথম অসমীয়া সংবাদ-পত্রৰ যাত্রাৰ ইয়াতে অন্ত পৰে।

কেৱল সংবাদ ক্ষেত্রতে নহয়, অধুনিক অসমীয়া সাহিত্যতো ইয়াৰ প্রভূত বৰঙণি আছিল। "অৰুণোদয়ৰ পাততে আধুনিক অসমীয়া সাহিত্যৰ চর্চা আৰম্ভ হয়। পদ্য আৰু গদ্য দুয়োটা মাধ্যমতে আলোচনীখনে মানুহৰ কথিত ভাষাটোক মর্যাদা আৰু সন্মান প্রদান কৰে। তেতিয়াৰে পৰা অসমীয়া সাহিত্যৰ ভাষা উন্নত ৰূপত বিকাশ হ'বলৈ ধৰে" (বৰুৱা, ১৯৬৫)।

অৰুণোদয়ে আধুনিক অসমীয়া গদ্যক প্রতিষ্ঠা কৰে। অৰুণোদয়ৰ পাততে হেমচন্দ্র বৰুৱাই অসমীয়া গদ্যক উন্নত ৰূপ দিয়ে। অসমীয়া গদ্যক উন্নত ৰূপ দিয়াত এনেদৰে অৰুণোদয়ে সহায় কৰে। অৰুণোদয়ে আধুনিক অসমীয়া সাহিত্যৰ ভেটি নির্মাণ কৰে।(শর্মা, দেৱশর্মা, ২০১৩)

৭.৩.১ অধিক বাতৰিকাকত আৰু আলোচনী

অৰুণোদয়ৰ পাছত ১৮৭১ চনৰ পৰা ১৮৮৩ চনলৈ মাজুলীৰ আউনীআটি সত্রৰ পৰা 'অসম বিলাসিনী' প্রকাশ পায়। ১৯১৩-২৫ চনলৈ 'অসম বিলাসিনী' দ্বিতীয় বাৰৰ বাবে সাপ্তাহিক হিচাপে প্রকাশিত হয়। গুৰুত্বপূর্ণ কথা এয়ে যে, দ্বিতীয় পর্যায়ত 'অসম বিলাসিনী'ৰ সম্পাদক আৰু প্রকাশক আছিল কৃষ্ণ কুমাৰ ভট্টাচার্য্য নামৰ যোৰহাটৰ এজন চৰকাৰী বিষয়া। কাকতখনে স্বাধীনতা আন্দোলনৰ প্রতি কৰা সক্রিয় সমর্থনৰ বাবে চৰকাৰে তেওঁক পেন্সন নিদিয়াকৈ চাকৰিৰ পৰা বর্খাস্ত কৰে। ইয়াৰ উপৰি কাকত চলোৱাৰ বাবে দুহেজাৰ টকাৰ জমিনা বিহাকে ধৰি ব্রিটিছ প্রশাসনে কৰে নানা হাৰাশাস্তিৰ বাবে কাকতখনৰ প্রকাশ বন্ধ কৰি দিবলৈ প্রকাশক বাধ্য হয়। এই কথাই প্রমাণ কৰে কাকতখনৰ দেশৰ স্বাধীনতা সংগ্রামৰ প্রতি অৰিহণাৰ কথা। খ্রীষ্টান

মিছনেৰীয়ে প্ৰকাশ কৰা অৰুণোদয়ে ধৰ্মীয় বিষয় প্ৰচাৰ কৰিছিল। ধৰ্মৰ বাহিৰেও ই অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি প্ৰভূত বৰঙণি আগবঢ়াইছিল।

অন্যান্য উল্লেখনীয় সংবাদ-পত্ৰ ভিতৰত আছিল— অসম দৰ্পণ (১৮৭৪, তেজপুৰ), আসাম মিহিৰ (১৮৭২, গুৱাহাটী), গোৱালপাৰা হিতসাধিনী (১৮৭৬, গোৱালপাৰা), চন্দ্ৰোদয়া (১৮৭৬, নগাঁও), অসম দীপক (১৮৭৬, গুৱাহাটী), আসাম নিউজ (১৮৮৫, গুৱাহাটী), আসাম বন্ধু (১৮৮৫, নগাঁও) আৰু মৌ (১৮৮৬, কলিকতা)। (শৰ্মা, দেৱ শৰ্মা ২০১৩)

তাৰ পিছতে আহিল অসমীয়া সাহিত্যৰ সবাটোকৈ উল্লেখযোগ্য আলোচনা— জোনাকী (১৮৮৯)। এইখন আছিল কলিকতাস্থিত (বৰ্তমানৰ কলকাতা) অসমীয়া ছাত্ৰই প্ৰকাশ কৰা এখন মাহেকীয়া আলোচনী। সেই সময়ত অসমত উচ্চ শিক্ষাৰ সুবিধা নথকাত বুজনসংখ্যক অসমীয়া ছাত্ৰ উচ্চ শিক্ষাৰ বাবে কলিকতাত আছিলগৈ। অসমীয়া ভাষা উন্নতি সাধিনী সভা নামেৰে এটা সংগঠন গঠন কৰা হৈছিল যাৰ পৃষ্ঠপোষকতাত চন্দ্ৰ কুমাৰ আগৰৱালাৰ সুদক্ষ সম্পাদনাত ১৮৮৯ চনৰ জানুৱাৰী মাহৰ পৰা 'জোনাকী' প্ৰকাশ পাইছিল। ১৮৯৯ চনলৈ এদশক কাল আলোচনীখন কলিকতাৰ পৰা প্ৰকাশ পোৱা পাছত ১৯০১ চনৰ পৰা ১৯০৩ চনলৈ গুৱাহাটীৰ পৰা প্ৰকাশ পায়। ১৯০৩ চনলৈ আলোচনীখন জীয়াই আছিল। কম সময়ৰ বাবে প্ৰকাশ পালেও অসমীয়া সাহিত্যৰ প্ৰতি ইয়াৰ অৱদান আছিল অতি উল্লেখনীয়।

"অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নয়নেই সংগঠনটোৰ প্ৰাথমিক উদ্দেশ্য আছিল। অসমীয়া সাহিত্যৰ সংৰক্ষণ, সংস্কৃত আৰু অন্যান্য ভাষাৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰা, সকলো শ্ৰেণীৰ মানুহৰ মাজত অধ্যয়নৰ অভ্যাস গঢ়ি তোলা, বিশুদ্ধ ব্যাকৰণ আৰু বানান প্ৰৱৰ্তন কৰা আৰু সমগ্ৰ অসমজুৰি এক উন্নত লিখিত ভাষা সৃষ্টি কৰাৰ উদ্দেশ্যৰে সংগঠনটোৱে এখন মাহেকীয়া আলোচনী প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰে।" ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, খণ্ড ৫, সংখ্যা নং ৭, জোনাকী (শৰ্মা, দেৱশৰ্মা, ২০১৩)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমৰ সংবাদ ক্ষেত্ৰত অৰুণোদয়ৰ গুৰুত্ব কি?

.....

.....

.....

.....

.....

৭.৩.২ প্ৰাক্-স্বাধীনতা কালৰ কিছু অন্য বাতৰিকাকত আৰু আলোচনী

'অসমীয়া' নামৰ এখন সাপ্তাহিক কাকত ১৯১৮ চনত আৰম্ভ হৈ ১৯৫৮ চন পৰ্যায়ত প্ৰায় চাৰি দশক বৰ্তি থাকে। এই কাকতখনেও স্বাধীনতা সংগ্ৰামলৈ সক্ৰিয় সমৰ্থন আগবঢ়াইছিল। এই সময়ছোৱাৰ অন্য কাকতসমূহৰ ভিতৰত— আছাম নিউজ (১৮৮৪-১৮৮৫), অসম (১৮৯৪-১৯০১), টাইফড অব্ আছাম (সাপ্তাহিক, ১৮১৫), অসম বন্ধি (১৯০০), উইকলি ক্ৰনিকল (১৯০০)।

চন্দ্ৰকুমাৰ আগৰৱালাৰ অসমীয়া কাকতৰ লগত এই সময়ছোৱাৰ এটা উল্লেখনীয় ঘটনা সংঘটিত হৈছিল। প্ৰেছ আইন (১৯৩০) প্ৰৱৰ্তনৰ পাছত স্বাধীনতা সংগ্ৰামক সমৰ্থন কৰা কাৰণে বিহা জৰিমনা আদায় নিদিয়া বাবে দেশৰ স্বাৰ্থ ১৫০খন বাতৰি কাকতৰ মাত্ৰ ৯খনৰ প্ৰকাশ বন্ধ কৰি দিয়া হৈছিল। 'অসমীয়া' এই ৯খন কাকতৰ এখন আছিল। অৱশ্যে তিনি মাহৰ ভিতৰত ইয়াৰ প্ৰকাশ পুনৰ আৰম্ভ হয়। এই ঘটনাৰ পাছত প্ৰকাশক চন্দ্ৰ কুমাৰ আগৰৱালাই কাকতখন চলাই থাকিবৰ বাবে আইনক বৰঙণি দিয়াৰ বাবে আহ্বান জনায় আৰু এইক্ষেত্ৰত তেওঁ সফল হয়। যিটো দেশৰ ভিতৰতে আছিল এটা বিৰল উদাহৰণ।

অম্বিকাগিৰি ৰায়চৌধুৰীৰ সম্পাদনাত প্ৰকাশিত 'ডেকা অসম' (১৯৩৫)ক পূৰ্ণাংগ বাতৰিকাকতৰ শাৰীতে ধৰিব নোৱাৰি কাৰণ এইখন আছিল একধৰণৰ প্ৰচাৰ-পত্ৰ। ১৯৬৭ চনলৈ প্ৰকাশিত 'ডেকা অসম'ৰ নিয়মিয়াকৈ প্ৰকাশ নাপালেও ই শক্তিশালী অসমীয়া জাতীয়তাবাদী ভাৱধাৰা সৃষ্টিত যথেষ্ট অৰিহণা যোগাইছিল।

১৯৩০ চনত যোৰহাটৰ সমীপৰ ঠেঙালৰ পৰা চাহ খেতিয়াক শিৰ প্ৰসাদ বৰুৱাৰ দ্বাৰা প্ৰকাশিত সাপ্তাহিক কাকত 'বাতৰি' ১৯৩৫ চনত 'দৈনিক বাতৰি' নামেৰে দৈনিক কাকত হিচাপে প্ৰকাশ পায়। বিশিষ্ট সাহিত্যিক বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্যৰ মতে, এই কাকতখনে অসমত দৈনিক সাংবাদিকতা যুগৰ আৰম্ভণি ঘটায় য'ত ৰয়টাৰ আৰু এছ'চিয়েট প্ৰেছৰ পৰাে বাতৰি প্ৰকাশিত হৈছিল।

এনে প্ৰচেষ্টাত সহযোগ কৰা অন্য কিছু কাকত আছিল— অসম ৰাইজ, অসম সেৱক,স্বৰাজ, তৰুণ অসম, পঞ্চায়ত, জনমভূমি, বিহলঙণি আদি।

আমি ইতিমধ্যে অসমীয়া সাহিত্য আৰু ভাষালৈ প্ৰভূত বৰঙণি আগবঢ়োৱা 'জোনাকী' সন্দৰ্ভত আলোচনা কৰিছো। মহেশ্বৰ নেওগৰ মতে, এই আলোচনীখনে এনে এক সাহিত্য সৃষ্টি কৰিছিল যিটো কাৰো সৈতে তুলনা নহয় আৰু ১৯৪০ চন পৰ্যন্ত এই প্ৰয়াস অব্যাহত আছিল। ই সমাজৰ প্ৰতি আছিল এক মহান সেৱা।

১৯২৯ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৪৫ চনলৈ কলিকতাৰ পৰা প্ৰকাশিত ছবি সম্বলিত আলোচনী 'আৱাহন'-এ এনে এক পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল যে এই সময়ছোৱাক অসমীয়া সাহিত্যৰ 'সোণালী যুগ' বুলি জনা যায় (শৰ্মা, ১৯৯৮)।

অসমীয়া ভাষাক এক জটিল অৱস্থাৰ পৰা 'আৱাহন'-এ নেতৃত্ব লৈ দ্বিতীয় মহাসমৰ পৰ্যন্ত এক সমৃদ্ধিশালী ৰূপ দিবলৈ সক্ষম হৈছিল।

সেয়ে এটা কথা ক'ব পাৰি যে, এই বাতৰিকাকত আৰু আলোচনীসমূহে নিজৰ সক্ষমতাৰ ভিতৰত সমাজলৈ যথেষ্ট বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছিল যিটোৱে পৰৱৰ্তী সময়ত ৰাজ্যত সংবাদ জগতৰ ভেটি শক্তিশালী কৰিছিল। এই শক্তিশালী ভেটিৰ পৰাই স্বাধীনতাৰ পৰৱৰ্তী সময়ত সংবাদ মাধ্যম গৌৰৱময় ঐতিহ্য গঢ় লৈ উঠিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ প্রাক্-স্বাধীনতা কালৰ অসমৰ সংবাদ মাধ্যমৰ প্রতিচ্ছবি সংক্ষিপ্ত ব্যাখ্যা।

.....

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ ব্রিটিছ চৰকাৰৰ দমনকাৰী নীতিৰ মাজত অসমৰ সংবাদ মাধ্যম কিদৰে মূৰ দাঙি উঠিছিল?

.....

.....

.....

.....

.....

৭.৪ স্বাধীনতাৰ পাছৰ সংবাদ মাধ্যম

প্রাক্-স্বাধীনতা কালত হোৱা বিকাশৰ পাছত স্বাধীনতাৰ পৰৱৰ্তী সময়তো ছপা মাধ্যমৰ শক্তিশালী যাত্রা অব্যাহত থাকে। উল্লেখ্য যে, ১৯৬১ চনলৈ সমগ্র উত্তৰ-পূর্বাঞ্চল অসম হিচাপে পৰিচিত আছিল। ১৯৬৩ চনত নাগালেণ্ড পৃথক ৰাজ্য হোৱাৰ পাছত ১৯৭২ চনত মেঘালয় ৰাজ্য গঠন হয়। পৰৱৰ্তী সময়ত অসম সাতটা ভাগত বিভক্ত হয়। কিছু বছৰ পূর্বে ছিকিমো উত্তৰ-পূর্বাঞ্চলৰ অন্তর্ভুক্ত হয়।

কিছু বাতৰি কাকতৰ প্রকাশক প্রাক্-স্বাধীনতাকালৰ পৰা অব্যাহত আছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে— ১৯৩৯ চনত ডিব্রুগড়ৰ পৰা সাপ্তাহিক হিচাপে প্রকাশিত আৰু ১৯৪৬ চনত গুৱাহাটীৰ পৰা দৈনিক হিচাপে প্রকাশিত 'দ্যা আছম ট্রিবিউন'। আন এখন উল্লেখযোগ্য

কাকত হৈছে সাপ্তাহিক 'অসমীয়া'। ১৯১৮ চনত চন্দ্র কুমাৰ আগৰৱালাই প্রকাশ কৰা কাকতখন ১৯৫৮ চন পর্যন্ত চলিছিল।

আন এখন আগশাৰীৰ কাকত হৈছে ১৯৪৭ চনত আৰম্ভ হোৱা জনমভূমি। সাপ্তাহিক হিচাপে জনমভূমিৰ প্রকাশ আৰম্ভ হৈছিল। ১৯৭২ চনত ২৫ বর্ষপূর্তিত জনমভূমি দৈনিক হিচাপে প্রকাশ পায়। অন্য এখন জনপ্রিয় দৈনিক হৈছে ১৯৬৫ চনত প্রকাশিত 'দৈনিক অসম'। অঞ্চলটো এটা প্রধান সংবাদ প্রতিষ্ঠান হিচাপে প্রতিষ্ঠা লাভ কৰা দ্যা আছাম ট্রিবিউন গ্রুপৰ পৰা 'দৈনিক অসম' প্রকাশ হয়। সেই সময়ত অসমীয়া কাকতৰ ভিতৰত 'দৈনিক অসম' আৰু ইংৰাজী কাকতৰ ভিতৰত 'দ্যা আসাম ট্রিবিউন' আছিল সর্বাধিক প্রচলিত বাতৰিকাকত। গুৰুত্বপূর্ণ বিষয় হৈছে 'দৈনিক জনমভূমি' আৰম্ভ হোৱাৰ পাছত 'দৈনিক অমস' আৰু 'দৈনিক জনমভূমি' দুয়োখন কাকতেই ইখনে সিখনৰ এলেকা অতিক্রম কৰাৰ চেষ্টা নকৰাকৈ পাঠকৰ মাজত সমাদৰ লাভ কৰিছিল।

ইয়াৰ বাহিৰেও এই সময়ছোৱাত আন বহু বাতৰিকাকত আৰু আলোচনী প্রকাশ পায় যিবোৰে বিশেষ প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম নহ'ল। ওপৰত উল্লেখ কৰা বাতৰিকাকতসমূহে নানা বাধা-বিঘিনিৰ পাছতো আজি পর্যন্ত যাত্রা অব্যাহত ৰাখিছে আৰু অদূৰ আৰু সুদূৰ ভৱিষ্যতেও এই যাত্রা অব্যাহত ৰাখিব বুলি আশা কৰিব পাৰি।

সাপ্তাহিক কাকতৰ ভিতৰত দ্যা আছাম ট্রিবিউন গ্রুপৰ পৰা প্রকাশিত 'অসম বাণী হৈছে আৰম্ভণি সময়ছোৱাৰ এখন উল্লেখনীয় কাকত।

ড° ভূপেন হাজৰিকাৰ সম্পাদনাত ১৯৬০ দশকত কলিকতাৰ পৰা প্রকাশিত 'আমাৰ প্রতিনিধি' হৈছে এখন যথেষ্ট সফল আলোচনী। ১৯৮০ দশকলৈ ইয়াৰ প্রকাশ অব্যাহত আছিল।

১৯৭০ দশক পর্যন্ত এয়াই আছিল সংবাদ মাধ্যমৰ সামগ্রিক প্রতিচ্ছবি।

দ্যা আছাম ট্রিবিউন গ্রুপৰ পৰা 'দৈনিক অসম' প্রকাশ পাইছিল ১৯৬৫ চনত। এই সময়ছোৱাৰ উল্লেখনীয় প্রকাশনসমূহ আছিল— শান্তিদূত (১৯৪৯), প্রতিদিন (১৯৮২), তিনিদিনীয়া বাতৰি (১৯৮১), আজিৰ অসম (১৯৮৭), নতুন দৈনিক (১৯৮৮), আজিৰ বাতৰি (১৯৯১), আজিৰ সংবাদ (১৯৯৪), অসমীয়া প্রতিদিন (১৯৯৫), দৈনিক অগ্রদূত (১৯৯৫), সন্ধ্যা দৈনিক (১৯৮০)।

আনা-দৈনিক সংবাদ-পত্রসমূহ আছিল— অসম বাতৰি (১৯৬৩), সাপ্তাহিক নীলাচল (১৯৬৮), গণতন্ত্র/মহাজাতি (১৯৬২/১৯৬৪), নৱযুগ (১৯৬৩), অগ্রদূত (১৯৭১), সাদিন (১৯৮৯), বুধবাৰ (১৯৮৯), প্রান্তিক (১৯৮১), উৰুলি (১৯৬৪)।

ইংৰাজী কাকতৰ ভিতৰত— দ্যা টাইমছ অব্ আছাম (১৮৯৫-১৯৪৭ আৰু ১৯৪৮-১৯৫০), দ্যা আছাম ট্রিবিউন (১৯৩৯ৰ পৰা বর্তমান), আছাম এক্সপ্রেছ (১৯৬৯-১৯৯৩), নিউজ ষ্টাৰ (১৯৮২), দ্যা ছেণ্টিনেল (১৯৮৩ৰ পৰা বর্তমানলৈ), দ্যা নর্থ ইষ্ট টাইমছ (১৯৯০), দ্যা ইষ্টর্ণ ক্লেৰিয়ন (১৯৯১), নিউজ ফ্রণ্ট (১৯৯১), দ্যা নর্থ-ইষ্ট অব্জাৰভাৰ (১৯৯২), দ্যা ফ্রণ্টিয়াৰ ছান।

৭.৪.১ ১৯৮০ দশক ঃ হঠাৎ উত্থান

১৯৮০ দশকৰ আৰম্ভমিত অসমৰ ছপা মাধ্যমৰ এক নতুন যুগ আৰম্ভ হয়। বহু দৈনিক বাতৰিকাকত, সাপ্তাহিক কাকত, পযেকীয়া আৰু মাহেকীয়া আলোচনী এই দশকটোত আৰম্ভ হয় যিবোৰ এতিয়াও খুব ভালকৈ চলি আছে। এইক্ষেত্রত নেতৃত্ব বহন কৰে গুৱাহাটীৰ পৰা প্রকাশিত তিনিদিনীয়া বাতৰি প্রতিদিন (১৯৮২) নামৰ কাকতখনে।

ধীৰেন্দ্রনাথ বেজবৰুৱাৰ সম্পাদনাত ১৯৮৩ চনৰ এপ্রিল মাহত দ্যা ছেণ্টিনেল গ্রুপ অব্ নিউজপেপাৰৰ ধ্বজা বহনকাৰী কাকত 'দ্যা ছেণ্টিনেল' প্রকাশ হয়। ১৯৮৭ চনত এই গ্রুপটোৰে অসমীয়া দৈনিক 'আজিৰ অসম' আৰম্ভ কৰে। বর্তমান এই গ্রুপৰ পৰা এখন হিন্দী আৰু এখন খাছী দৈনিক কাকত প্রকাশিত হয়।

ইয়াৰ পাছতে 'নতুন দৈনিক' (১৯৮৮)কে ধৰি অন্যান্য কাকতৰ প্রকাশ আৰম্ভ হয়। এই ধাৰা অব্যাহত ৰাখি ১৯৯০ দশকতো ছপা সংবাদ মাধ্যমৰ বিকাশ অধিক উৎসাহজনকভাৱে অব্যাহত থাকে।

ৰাইজৰ পছন্দৰ এলানি বাতৰিকাকত এই দশকত প্রকাশিত হয়। সেইসমূহ হৈছে— আজিৰ বাতৰি (দৈনিক), ৰংপুৰ (সাপ্তাহিক), অসমীয়া প্রতিদিন (১৯৯৫), দৈনিক অগ্রদূত (১৯৯৫), আমাৰ অসম (১৯৯৭) আদি। আকৌ ২০০০ৰ দশকত আন একাংশ বাতৰিকাকত বজাৰলৈ আহে। তাৰ ভিতৰত আজিৰ দৈনিক বাতৰি, নতুন অসমীয়া, অসমীয়া খবৰ, নিমীয়া বার্তা অন্যতম। তদুপৰি অন্যান্য বহু সাপ্তাহিক, পযেকীয়া, মাহেকীয়া প্রকাশনে ৰাজ্যৰ ছপা মাধ্যমলৈ বৰঙণি আগবঢ়ায়।

সাপ্তাহিকসমূহৰ ভিতৰত দ্যা আছাম ট্রিবিউন গ্রুপৰ পৰা প্রকাশিত 'অসম বাণী' অন্যতম। আৰম্ভণিৰে পৰা নিৰোদ চৌধুৰী, হোমেন বৰগোহাঞি, সতীশ চন্দ্র কাকতি আৰু বর্তমান দিলীপ চন্দনৰ নেতৃত্বত কাকতখনে প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। সাপ্তাহিক জনমভূমিৰ প্রভাৱো অব্যাহত আছে। দত্ত বৰুৱা পাৰ্লিচার্ছে হোমেন বৰগোহাঞিৰ সম্পাদনাত প্রকাশ কৰা সাপ্তাহিক নীলাচলেও সমাজত প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।

মাহেকীয়া আলোচনীসমূহৰ ভিতৰত— প্রকাশ (প্রকাশন পৰিষদ, চন্দ্র প্রসাদ শইকীয়াৰ দ্বাৰা সম্পাদিত), জোনবিৰি, আমাৰ প্রতিনিধি, বিজ্ঞান জেউতী (অসম বিজ্ঞান সমিতি), প্রাসংগিক, সাম্প্রতিক সাময়িকী, নতুন পৃথিৰী, সূত্রধাৰ, সাতসৰী, গৰিয়সী, বিস্ময়, ত্রিশূল, ৰহস্য, মহিলা বিশেষ প্রিয় সখী, নন্দিনী অন্যতম।

একলেকর্দিক নর্থ-ইষ্ট পেন'ৰামাৰ দৰে বার্তালোচনীয়ে এই সময়ছোৱাত নিজৰ অস্তিত্ব ধৰি ৰাখিবলৈ সক্ষম হৈছে।

৭.৪.২ বৰ্তমানৰ প্ৰেক্ষাপট

বৰ্তমান অসমত দহখনতকৈ অধিক দৈনিক বাতৰিকাকত, বহু আলোচনী আৰু ৫টা টেলিভিছন চেনেল কাৰ্যক্ষম হৈ আছে। কিছু মাহ পূৰ্বে বন্ধ হৈ পৰা এন-ই-টি-ভি আছিল অসমৰ প্ৰথমটো টেলিভিছন চেনেল। এই উন্নয়নলানিৰ বহুকেইটা ধাৰা আছে।

প্ৰথম সংবাদ প্ৰতিষ্ঠানৰ সংখ্যা বৃদ্ধিৰ লগে লগে ৰাইজে নিজৰ পৃথক পৃথক য'ত প্ৰকাশৰ বাবে পছন্দৰ এখন বহুল মঞ্চ লাভ কৰিলে। যিটো অতি আদৰণীয় উন্নয়ন। গণতন্ত্ৰত ভিন্ন মত শুনা আৰু প্ৰকাশ কৰাটোক জনতাৰ মহান অধিকাৰ বুলি ধৰা হয়।

সাম্প্ৰতিক পৰিস্থিতিত বাতৰিকাকত বিক্ৰীৰ ক্ষেত্ৰত বহু পিছপৰি থকা অসমীয়াকে ধৰি অন্যান্য ভাৰতীয় ভাষাবোৰৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। এটা কথা বুজাৰ প্ৰয়োজন যে এটা ভাষাৰ সংবাদ মাধ্যমৰ ভাল অৱস্থিতি মানে হৈছে সামাজিক জীৱনত ই অধিক দৃশ্যমান হোৱা, অধিক ব্যৱহাৰ হোৱা আৰু দীৰ্ঘকালিনভাৱে ই বৰ্তি থকাৰ সম্ভাৱনীয়তা সৃষ্টি কৰা। অসমীয়াৰ ক্ষেত্ৰত, অডিট ব্যুৰ' অব্ চাৰ্কোলেশ্যনে ২০১৫ চনৰ ৮ মে' পৰ্যন্ত মাত্ৰ দুখন অসমীয়া বাতৰিকাকতক সন্তোষজনক বিক্ৰী থকা কাকত হিচাপে স্বীকৃতি দিছে।

এতিয়া শংকাৰ কথালৈ আহো। কমসংখ্যক পাঠক বা কেৱা লোক থকা ভাষাবোৰৰ কি হ'ব ? অসমৰ ক্ষেত্ৰত আলোচনা কৰিলে অসমীয়াৰ বাহিৰেও ৰাজ্যখনত প্ৰচলিত বড়ো (অসমীয়াৰ বাহিৰে সংবিধানস্বীকৃত অসমৰ একমাত্ৰ ভাষা), মিছিং, ৰাভা, কাৰ্বি, ডিমাছা, তিয়া আৰু দেউৰী আদি ভাষাবোৰ জীয়াই থকাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ত পঞ্জীয়নভূক্ত প্ৰায় এশ বাতৰিকাকত (দৈনিক, দ্বি-সাপ্তাহিক, সাপ্তাহিক) অসমত আছে। তাৰ ভিতৰত সৰ্বাধিক ৪৫খন অসমীয়া, ২৮খন বঙালী, ১২খন ইংৰাজী, ছয়খন হিন্দী, তিনিখন বড়ো আৰু এখন নেপালী। অন্য ভাষাৰ পঞ্জীয়নভুক্ত নোহোৱা আন কিছু বাতৰি কাকত আছে যদিও সেইবোৰৰ প্ৰচলন সংখ্যা একেবাৰে নগণ্য আৰু নিৰ্দিষ্ট কিছু এলেকাতহে পোৱা যায়।

অৱশ্যে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ দ্বাৰা বিভিন্ন কাৰণত পঞ্জীয়নভুক্ত নোহোৱা বিভিন্ন ভাষাৰ বহু বাতৰিকাকত নিশ্চিতভাৱে আছে। এখন বাতৰিকাকত, এটা টেলিভিছন বা ৰেডিঅ' চেনেল কেৱল এটা মুনাফা আদায়কাৰী বা সমাজ সেৱাৰ প্ৰতিষ্ঠানেই নহয়। ই এটা ভাষা ভৱিষ্যতলৈ জীয়াই ৰখাৰো এক গুৰুত্বপূৰ্ণ মাধ্যম। অসমৰ ক্ষেত্ৰতে বিভিন্ন সময়ৰ অসমীয়া সাহিত্যৰ সৈতে জোনাকীৰ পৰা আৰাহনলৈ নিৰ্দিষ্ট কিছু অসমীয়া আলোচনীৰ নাম আহি পৰে। ৰাজ্যখনৰ আন সৰু সৰু ভাষাবোৰৰ ক্ষেত্ৰতো একেই কথা খাটে। এটা ভাষাৰ অধিকতৰ বাতৰিকাকত

আৰু আলোচনী কেৱল ভাষাটো জীয়াই থকাৰ বাবেই নহয়, ভৱিথ্যতে ইয়াৰ প্রসাৰৰ ক্ষেত্রতো অতিশয় দৰকাৰী বুলি ইতিমধ্যে প্রমাণিত হৈছে।

অসমীয়া জাতি গঠন প্রক্রিয়াত ছপা মাধ্যমৰ অৱদান ইমানেই গুৰুত্বপূর্ণ যে বিশিষ্ট সাহিত্যিক-সাংবাদিক প্রয়াত চন্দ্র প্রসাদ শইকীয়াৰ মতে, অসমত সাহিত্যৰ এটা যুগক সময়ে সময়ে প্রকাশ পোৱা আলোচনীৰ নামেৰে জনা যায়। যেনে— অৰুণোদয় যুগ, আৱাহন যুগ, ৰামধেনু যুগ আদি। ইয়াৰ কাৰণ হৈছে উল্লেখিত আলোচনী াৰু অন্যান্য আলোচনীসমূহে দশক দশক ধৰি বৃহৎসংখ্যক সাহিত্যিক, সম্পাদক উলিয়াই অনাৰ লগতে গঢ়ি তুলিছিল যিসকলে নিজৰ নিজৰ ক্ষেত্রত অনুকৰণীয় ব্যক্তিলৈ পৰিণত হৈছিল।

অসমত ছপা মাধ্যমৰ অৱদান অন্য ক্ষেত্রবোৰৰ লগতে আন কিছু বিষয়তো গণ্য কৰা হয়। তাৰ ভিতৰত— জাতীয় সংকটৰ সময়ত মানসিক সাহসৰ নেতৃত্ব প্রদান। যেনে— ১৯৬৭ চনৰ ভাষা আন্দোলন, ১৯৭৯-৮৫ৰ অসম আন্দোলন, আই-এম (ডি-টি) আইনৰ বিৰুদ্ধে জনমত গঠন আদি।

১৯৭৫ চনৰ জৰুৰীকালিন অৱস্থাৰ কালত সংবাদ মাধ্যমলৈ ভাবুকি অহাৰ সময়তো অসমৰ সংবাদ মাধ্যমে পর্যাপ্ত সাহস আৰু শক্তিৰে পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। আগৰ দৰে এই সময়ছোৱাতো আগশাৰীৰ সম্পাদক আৰু সাংবাদিকসকলে তেওঁলোকৰ দায়িত্ব সূচাৰুৰূপে পালন কৰি উচ্চ মর্যাদা আদায় কৰিবলৈ সক্ষম হৈছে।

এইসকল সাহসী সাংবাদিকৰ ভিতৰত— হৰেন্দ্র নাথ বৰুৱা (দৈনিক অসমীয়া, ১৯৪৬), চন্দ্র প্রসাদ শইকীয়া (প্রকাশ, নতুন দৈনিক, গৰিয়সী), বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য (দৈনিক অসমীয়া, ৰামধেনু), লক্ষ্মীনাথ ফুকন (দ্যা আছাম ট্রিবিউন), সতীশ চন্দ্র কাকতি (দ্যা আছাম ট্রিবিউন), হোমেন বৰগোহাঞি (অসম বাণী, আমাৰ অসম), কীর্তিনাথ হাজৰিকা, তিলক হাজৰিকা (অসম বাণী, সাদিন), ফণী তালুকদাৰ (দৈনিক অসম), ৰাধিকা মোহন ভাগৱতী (নতুন অসমীয়া, হিন্দী ছেণ্টিনেল), পদ্ম বৰকটকী (আমাৰ প্রতিনিধি, দ্যা নর্থ-ইষ্ট ডেইলী), কনকসেন ডেকা (অগ্রদূত), নিৰূপমা বৰগোহাঞি (সাপ্তাহিক নীলাচল), নিৰোদ চৌধুৰী (অসম বাণী) অন্যতম।

এওঁলোকৰ ভিতৰত চন্দ্র প্রসাদ শইকীয়া, হোমেন বৰগোহাঞি, পদ্ম বৰকটকী, নিৰূপমা বৰগোহাঞি, নিৰোদ চৌধুৰী আদিয়ে সাহিত্যিক হিচাপে প্রচুৰ খ্যাতি অর্জন কৰিছে।

বর্তমান অসমত বিভিন্ন ভাষাত দহখনতকৈ অধিক দৈনিক বাতৰিকাকত, বহুসংখ্যক সাপ্তাহিক, মাহেকীয়া, পযেকীয়া কাকত/আলোচনী প্রকাশ পোৱাত পাঠকে বাতৰি আৰু মনো�ৰঞ্জনৰ ক্ষেত্রত বাচ-বিচাৰ কৰাৰ অধিক সুযোগ লাভ কৰিছে। যিটো নিশ্চিতৰূপত এক ভাল কথা।

৭.৪.৩ শংকাৰ কাৰণসমূহ ১

তথাপিও কিছু প্ৰসংগত বিশ্লেষণৰ প্ৰয়োজন প্ৰথম, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান ভাষাসমূহত পৰ্যাপ্ত সংখ্যক বাতৰিকাকত আৰু আলোচনী প্ৰকাশ পায় যদিও কমসংখ্যক মানুহে কোৱা ভাষাৰ ক্ষেত্ৰত এনে নহয়। উদাহৰণ স্বৰূপে, অসমীয়া, বঙালী, হিন্দী আৰু ইংৰাজী (যিটো ভাৰতীয় ভাষা নহয়েই) ভাষাৰ যথেষ্ট সংখ্যক ছপা সংবাদ মাধ্যম দেখাযায়। কিন্তু যদি খুব কমসংখ্যক মানুহে কোৱা নৃগোষ্ঠীয় ভাষাবোৰৰ ক্ষেত্ৰত চাও তেনেহ'লে কেতিয়াবাহে কোনে আলোচনী বা বাতৰিকাকত দেখা পাওঁ।

যিহেতু এই ভাষাসমূহ ভাৰতীয় সংবিধানক অষ্টম অনুসূচীৰ অন্তৰ্গত নহয় (অসমত কেৱল অসমীয়া আৰু বড়ো ভাষাহে ইয়াৰ অন্তৰ্গত) সেয়ে এই ভাষাসমূহত আলোচনী বা বাতৰিকাকত প্ৰকাশ কৰাত পৃষ্ঠপোষকতাৰ প্ৰয়োজন আছে। সংশ্লিষ্ট পক্ষই এই দিশত চকু ৰখা দৰকাৰ।

৭.৪.৪ শংকাৰ কাৰণসমূহ ২

দ্বিতীয়তে, সংবাদ কৰ্মীলৈ অহা ভাবুকি অন্য ৰাজ্যৰ দৰে অসমতো এটা ডাঙৰ সমস্যা। কমলা শইকীয়া (শিৰসাগৰৰ আমগুৰিৰ প্ৰতিনিধি), পৰাগ কুমাৰ দাস (সাদিন/ বুধবাৰৰ সম্পাদক), অনিল মজুমদাৰৰ নিশংস হত্যা, বহু জ্যেষ্ঠ সাংবাদিক বিভিন্ন সময়ত গ্ৰেপ্তাৰ কৰা বা তেওঁলোকলৈ অহা গ্ৰেপ্তাৰৰ ভাবুকি আদিয়ে বৰ্তমানৰ আৰু ভৱিষ্যতৰ সংবাদকৰ্মীক নিৰুৎসাহিত কৰিছে। তথাপিও বিভিন্ন সমস্যাৰ মাজতো ৰাজ্যৰ ছপা মাধ্যমে সাংবাদিকতাৰ নীতিত আপোচ নকৰাকৈ মূৰ দাঙি থিয় হৈ থাকিবলৈ সক্ষম হৈছে। কাৰিকৰী দিশৰ পৰাও বৰ্তমান অসমৰ ছপা সংবাদ মাধ্যম দেশৰ আন প্ৰান্তৰ দৰে অত্যাধুনিক হৈ পৰিছে। এতিয়া উত্তৰ-পূৰ্বাঞ্চলৰ বাহিৰৰ আন কাকতসমূহৰ দৰে অসমৰ বাতৰিকাকতবো পাঠকৰ চাহিদা পূৰণৰ বাবে বিভিন্ন ঠাইৰ পৰা কেবাটাও সংস্কৰণ প্ৰকাশ পায়। ইয়াৰ ফলত সকলো পাঠকৰ বাবে পুৰাই বাতৰিকাকত লাভ কৰিব পাৰিছে।

আন এটা বিষয় ইয়াত উপস্থাপন কৰাৰ দৰকাৰ আছে। অসমৰ ছপা মাধ্যমৰ বাহিৰেও ৰাজ্যৰ বাহিৰৰ বাতৰিকাকত আলোচনী একেদিনাই অন্ততঃ গুৱাহাটীত আৰু পিছদিনা অন্য চহৰত পাঠকে লাভ কৰে। তথাপিও অসমত উপলব্ধ এই বাতৰিকাকতবোৰৰ মাজত কাৰিকৰী পাৰ্থক্য আছে।

উদাহৰণ স্বৰূপে, দ্যা হিন্দুকে ধৰি কিছু কাকতৰ এই অঞ্চলত কোনো সংস্কৰণ নাই আৰু কলকাতা বা দিল্লী সংস্কৰণৰ কাকতহে অসমত উপলব্ধ হয়। অন্যহাতে, টাইমছ অব্ ইণ্ডিয়া আৰু দ্য টেলিগ্ৰাফৰ উত্তৰ-পূৰ্বাঞ্চল সংস্কৰণ গুৱাহাটীৰ পৰা প্ৰকাশিত হয়। হিন্দুস্তান টাইমছ গুৱাহাটী বা ৰাজ্যখনৰ অন্য চহৰত উপলব্ধ নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বর্তমান পর্যন্ত স্বাধীনোত্তৰ কালত ৰাজ্যৰ ছপা সংবাদ মাধ্যম সন্দর্ভত চমু বিৱৰণ দিয়ক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ অসমত ছপা সংবাদ মাধ্যমৰ কিছু লাভ উল্লেখ কৰক।

.....

.....

.....

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উত্তৰ-পূর্বাঞ্চলৰ প্রথমখন সংবাদ-পত্র হৈছে— অৰুণোদয়। ১৮৪৬ চনত শিৱসাগৰত আমেৰিকা যুক্তৰাষ্ট্রৰ পৰা অহা ব্যপ্তিষ্ট খ্রীষ্টান মিছনেৰীসকলে এইখন প্রকাশ কৰিছিল।
- ১৮৮২ চন পর্যন্ত প্রকাশিত অৰুণোদয়ৰ অসমীয়া সমাজ আৰু সামগ্রিকভাৱে উত্তৰ-পূর্বাঞ্চলৰ প্রতি অৰিহণা অমূল্য কিয়নো ই অঞ্চলটোত আধুনিক সাংবাদিকতাৰ সূচনা কৰে।
- অৰুণোদয়ৰ পাছত বহু সাপ্তাহিক আৰু মাহেকীয়া কাকত সমগ্র ৰাজ্যজুৰি বিভিন্ন সময়ত প্রকাশ পায়। ইয়াৰ কিছুমানে ৰাজ্যৰ আর্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্রখনত স্থায়ী আৰু গুৰুত্বপূর্ণ চিন ৰাখি থৈ গৈছে।
- জোনাকী, বাঁহী, আৱাহন আৰু ৰামধেনু প্রকাশৰ সময়খিনিক অসমীয়া ভাষা আৰু সাহিত্যৰ সোণালী সময় হিচাপে ধৰা হয়। কাৰণ আলোচনীকেইখনে অসমৰ ভাষা আৰু সাহিত্যৰ জগতলৈ অর্থপূর্ণ বৰঙণি আগবঢ়াই থৈ গৈছে। আলোচনী কেইখনে বহু মুধাফুটা সাহিত্যিক সৃষ্টি কৰিবলৈ সক্ষম হৈছিল, যিসকলৰ নাম অসমীয়া সাহিত্যৰ বুৰঞ্জতি সদায় সোণালী আখৰেৰে লিখা থাকিব।
- প্রাক্-স্বাধীনতা কালৰ বহু কাকত-আলোচনীয়ে ব্রিটিছ চৰকাৰৰ নির্দেশনা বা দমনমূলক প্রচেষ্টা প্রতিহত কৰিছিল। 'অসমীয়া' (চন্দ্র কুমাৰ আগৰৱালা)ৰ দৰে কাকতে চৰকাৰী

নির্দেশনা অমান্য কৰা বাবে ২০০০ টকা জৰিমনা ভৰি ৰাইজৰ বৰঙনিৰে জীয়াই থাকি যুঁজ অব্যাহত ৰাখিবলৈ সক্ষম হৈছিল।

- ঔপনিৰেশিক চৰকাৰৰ অন্যায় দাবীৰ ওচৰত প্রকাশকে মূৰ তল নকৰা বাবে 'অসম বিলাসিনী' (দ্বিতীয় অংশ)ৰ দৰে কাকত বন্ধ হৈ পৰিছিল।
- স্বাধীনোত্তৰ কালতো ৰাজ্যৰ ছপা সংবাদ মাধ্যমে সমাজৰ জাগ্রত প্রহৰী আৰু চেতনা ৰক্ষাৰ দায়িত্বত বর্তমান পর্যন্ত পালন কৰিবলৈ সক্ষম হৈছে।
- এতিয়া ৰাজ্যত বিভিন্ন ভাষাৰ দহখনতকৈ অধিক দৈনিক কাকত আছে। ইয়াৰে তিনিখনে অর্ধশতিকা অতিক্রম কৰিবলৈ সক্ষম হৈছে।
- উৎসাহজনক কথা হৈছে অসমীয়াকে ধৰি ৰাজ্যৰ স্থানীয় ভাষাৰ বাতৰিকাকত আৰু আলোচনীয়ে এটা স্বাস্থ্যকৰ অৱস্থা অব্যাহত ৰাখিব পাৰিছে।
- বহু আলোচনী আৰু বাতৰিকাকতৰ উপলব্ধতাই সমাজৰ বিভিন্ন বিষয়ত ভিন্ন গোষ্ঠীৰ মনৰ কথা, বিচিত্র আৰু বিকল্প মত প্রকাশৰ সুযোগ দিছে। ফলত জনসংখ্যা, গোষ্ঠী, ভাষা আদিক সামৰি সমাজ আগবঢ়াটো সম্ভৱ হৈছে।
- উত্তৰ-পূর্বাঞ্চলৰ বাহিৰৰ বাতৰিকাকত আৰু আলোচনীও ইয়াত উপলব্ধ হৈছে।
- উন্নত প্রযুক্তি আৰু অন্যান্য অগ্রগতিয়ে ৰাজ্যৰ বাতৰিকাকতৰ বাবে পাঠকৰ চাহিদাৰ প্রতি লক্ষ্য ৰাখি কেবাটাও সংস্কৰণ খোলাটো সম্ভৱ কৰি তুলিছে।



৭.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Baruah, S. P (1999), *Press in Assam : Original and Development*, Layarch Book Stall, Guwahati, Assam, ISBS : 81-7213-034-1.
2) Bora, A. (2015), *Mor the Better*, Nizain Arg (E-Journal), 25th August, 2015.
3) Bora, A. (2016), *Languistike Inclusiveness : A Long Way to Go*, Nizain Arg (E-Journal), 23rd March, 2016.
4) Sharma, N., Dev Sharma, K. C. (2013), *The Roll of Journal in the Development of Assamese Liturature in the British Period (1826-1947) and Social Science (IOSR-JHSS)*, Vol. 15, Issue 3 (September -October, 2013), (76-77), E-ISSN : 2279-0837, P-ISSN : 2279-0845.
5) Thakuria, A. (1999), *Media Personal in North East India : Living on the Age*, Bidura, Vol. 10, No. 3, July-September (2014), Press Institute of India (15-16).

অসমীয়া গ্ৰন্থ ঃ

১) শইকীয়া, চন্দ্ৰ প্ৰসাদ (মুখ্য সম্পাদক, ১৯৯৮), *অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*, অসমৰ বাতৰিকাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি, গুৱাহাটী।

৭.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বাতৰিকাকত হৈছে অৰুণোদয়। ইয়াৰ সংবাদ মাধ্যমৰ বিকাশৰ ক্ষেত্ৰত 'অৰুণোদয়'-এ কৰা সকলো সূচনাকাৰী কৰ্মৰ বাবে অঞ্চলটোৰ সংবাদ মাধ্যম কাকতখনৰ ওচৰত নিশ্চিতভাৱে ধৰুৱা। এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে, মানুহৰ মাজত ধৰ্মীয় সজাগতা বৃদ্ধি আৰু ক্ৰমান্বয়ে অঞ্চলটোৰ মানুহক খ্ৰীষ্টানলৈ ধৰ্মান্তৰিত কৰাই আছিল আমেৰিকান ব্যপ্তিষ্ট খ্ৰীষ্টান মিছনেৰীসকলৰ কাকতখন প্ৰকাশৰ মূল উদ্দেশ্য। তথাপিও কাকতখনে ইয়াৰ ৩৬ বছৰীয়া গৌৰৱময় যাত্ৰাত খ্ৰীষ্টান ধৰ্ম সম্পৰ্কীয় বিষয়তে আৱদ্ধ নাথাকি বিশ্বৰ বিভিন্ন ক্ষেত্ৰৰ বাতৰি প্ৰকাশেৰে সাংবাদিকতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছিল। এই ব্যতিক্ৰমী কাকতখনে অসমীয়া ভাষা আৰু সাহিত্য আৰু সামগ্ৰিকভাৱে অসমীয়া সমাজৰ প্ৰতি আগবঢ়োৱা বৰঙণি বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। কাকতখনে আমাক সাংবাদিকতাৰ গুৰুত্বৰ সৈতে পৰিচয় কৰি দিয়াৰ উপৰি অসমীয়া ভাষা সমৃদ্ধিশালী কৰাৰ পথ মোকলাই ইয়াক চহকী কৰি থৈ গ'ল। ততোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে অৰুণোদয়ে সাংবাদিকতাৰ এনে এটা যুগ আৰু পৰিৱেশ সৃষ্টি কৰিলে যে আজি পৰ্যন্ত পৰৱৰ্তী ১৭০ বছৰত অসম আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক সমৃদ্ধ কৰিছে। সমাজৰ সকলো মানুহে বুজিব পৰাকৈ সহজ-সৰল ভাষাত বিশ্বৰ ঘটনাৰাজি ই সমাজৰ আগত দাঙি ধৰিলে আৰু ইয়াৰ ফলত তথ্য আৰু সংবাদৰ বিকেন্দ্ৰীকৰণ সম্ভৱ হ'ল। সেয়ে অৰুণোদয় পৰৱৰ্তী বছৰ আৰু দশকসমূহত হোৱা এনে প্ৰচেষ্টাৰ বাবে আদৰ্শ হৈ পৰিল যিয়ে অসমীয়া ভাষা আৰু সাহিত্যক সমৃদ্ধ কৰি এক নতুন উচ্চতালৈ লৈ গ'ল।

২নং প্ৰশ্নৰ উত্তৰ ঃ অৰুণোদয়ে এক গতি লাভ কৰাৰ লগে লগে পৰৱৰ্তী বছৰকেইটাত সমাজক সেৱা কৰাৰ লক্ষ্যৰে বিভিন্ন ব্যক্তিৰ উদ্যোগত বুজন সংখ্যক বাতৰিকাকত, আলোচনীৰ জন্ম হ'ল। সাধাৰণ সজাগতা সৃষ্টি, বিদেশী শাসকৰ বিৰুদ্ধে ৰাজনৈতিক সচেতনতা সৃষ্টি, অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ আদিয়ে এইবোৰৰ উদ্দেশ্য আছিল। তাতোকৈ গুৰুত্বপূৰ্ণ আছিল অসমীয়া ভাষা আৰু সাহিত্যত চিৰযুগমীয়া স্থান সৃষ্টি কৰা একশ্ৰেমীৰ সাহিত্যিক সৃষ্টি কৰিছিল —এই কাকত-আলোচনীবোৰে। বিশেষকৈ জোনাকী, বাঁহী, আৱাহন আৰু ৰামধেনুৰে লোৱা ভূমিকা আছিল অমূল্য। এইকেইখন আলোচনীৰ অৱদান ইমানেই গুৰুত্বপূৰ্ণ আছিল যে, প্ৰতিখনৰ নামত একোটাকৈ অসমীয়া সাহিত্যৰ যুগ

সৃষ্টি হৈছিল যিটো সাহিত্য ক্ষেত্ৰত আলোচনীকেইখনে আগবঢ়োৱা অৱদানৰ প্ৰতিফলন। এই সময়ছোৱাত গৰিষ্ঠসংখ্যক ছপা প্ৰতিষ্ঠানেই স্বাধীনতা সংগ্ৰামৰ বাতৰি প্ৰকাশ কৰি, স্বাধীনতা সংগ্ৰামলৈ আগবঢ়োৱা সমৰ্থনৰ বাবে চৰকাৰে আৰোপ কৰা জৰিমনা দিবলৈ স্বীকাৰ কৰি আদি বিভিন্ন ব্ৰিটিছ চৰকাৰক প্ৰতিহত কৰাৰ বাবে উদ্যম দেখুৱাইছিল। মুনাফা আদায়তকৈ সমাজলৈ সেৱাই এই সময়ছোৱাৰ ছপা সংবাদ মাধ্যমৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল। স্বাধীনোত্তৰ কালত সংবাদ মাধ্যমে অনুকৰণ কৰিব পৰাকৈ প্ৰাক্-স্বাধীনতা কালৰ সংবাদ মাধ্যম সকলো দিশতে সমৃদ্ধিশালী এক পথ নিৰ্মাণ কৰিবলৈ বহু সফল হৈছিল। এই পথ ইমানেই শক্তিশালী যে ইয়াৰ প্ৰভাৱ এতিয়াও আছে। উল্লেখনীয় যে, ১৯৯৬ চনতে ডিব্ৰুগড়ত যাত্ৰা আৰম্ভ কৰা 'দ্যা আছাম ট্ৰিবিউন' কাকতে কিছু বছৰৰ পাছতে আঠটা দশক সম্পূৰ্ণ কৰিব। এই অঞ্চলৰ খুব কমসংখ্যক লোকে ব্যৱহাৰ কৰা ইংৰাজী ভাষাত আঞ্চলিক বাতৰিকাকত এখন শক্তিশালী ৰূপত বৰ্তি থকাটো অতিশয় বৈশিষ্ট্যপূৰ্ণ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰিটিছ চৰকাৰৰ দমনমূলক নীতিৰ পাছতো অসমৰ সংবাদ মাধ্যমে শক্তিশালী ৰূপত দায়িত্ব পালন কৰিছিল আৰু অতিশয় প্ৰতিকূল পৰিস্থিতিতো সদায় দৃঢ় স্থিতি গ্ৰহণ কৰিছিল। কিছমান উল্লেখযোগ্য উদাহৰণ ইয়াত আলোচনা কৰা হ'ল। দ্বিতীয় পৰ্যায়ৰ 'অসম বিলাসিনী'ৰ সম্পাদক আৰু প্ৰকাশক যোৰহাটৰ চৰকাৰী চাকৰিয়াল কৃষ্ণ কুমাৰ ভট্টাচাৰ্য্যই কাকতখনে স্বাধীনতা আন্দোলনৰ প্ৰতি সক্ৰিয় সমৰ্থন আগবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত চাকৰি হেৰুৱাৰ লগতে পেন্সনৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছিল। সেই সময়ৰ প্ৰেক্ষাপটত এক বৃহৎ পৰিমাম দুহেজাৰ টকাৰ জৰিমনা বিহাৰ লগতে আন বহু অত্যাচাৰৰ বাবে কাকতখনৰ প্ৰকাশ বন্ধ হৈ পৰিছিল।

আন এটা উদাহৰণ হৈছে চন্দ্ৰ কুমাৰ আগৰৱালাৰ 'অসমীয়া'। প্ৰেছ আইন, ১৯৩০ ৰূপায়নৰ পাছত স্বাধীনতা সংগ্ৰামৰ প্ৰতি সমৰ্থন আগ নবঢ়াবলৈ চৰকাৰে দিয়া হেঁচাৰ ওচৰত শিৰণত নকৰা বাবে প্ৰকাশ বন্ধ কৰিবলগীয়া হোৱা সমগ্ৰ দেশৰ ৯খন কাকতৰ এখন আছিল 'অসমীয়া'। কিন্তু চন্দ্ৰ কুমাৰ আগৰৱালাৰ সাহস, আগ্ৰহ আৰু কঠোৰ শ্ৰমৰ ফলত ৰাইজৰ বৰঙণিৰে তিনি মাহৰ ভিতৰতে কাকতখন পুনৰ প্ৰকাশ হৈছিল। উল্লেখ্য যে, এতিয়া জনপ্ৰিয় হৈ পৰা ৰাইজৰ বৰঙণিৰে কাকত প্ৰকাশৰ ধাৰণা সেই সময়তে সূত্ৰপাত হৈছিল। সেই সময়ত স্বাধীনতা আন্দোলনলৈ সক্ৰিয় সমৰ্থন আগবঢ়োৱা বাবে বহু সম্পাদক আৰু প্ৰকাশক জেললৈও যাবলগীয়া হৈছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ স্বাধীনোত্তৰ কালত অসমৰ ছপা সংবাদ মাধ্যম গুণগত আৰু সংখ্যাগত দুয়োটা দিশৰ পৰাই শক্তিশালী ৰূপ লয়। ১৯৪৭ চনৰ পৰৱৰ্তী কেইটামান দশকত কিছুসংখ্যক কাকতৰে আৰম্ভ হৈ ১৯৮০ৰ দশকত য়িাৰ যথেষ্ট উত্থান হয় আৰু তাৰ পাছত উভটি চাবলগীয়া হোৱা নাই। এতিয়াও একাধিক ভাষাত ১০খনতকৈ অধিক দৈনিক বাতৰিকাকত ৰাজ্যত প্ৰকাশ পায়। ইয়াৰ উপৰি বহু সাপ্তাহিক, তিনিদিনীয়া,

বাতৰিকাকত, বিভিন্ন বিষয়ৰ আলোচনী প্ৰকাশিত হয়। সম্প্ৰতি ৰাজ্যত কেবাটাও প্ৰতিস্থিত সংবাদ প্ৰতিষ্ঠান আছে য'ৰ পৰা ভিন্ন বিষয়ৰ কেবাখনো কাকত, আলোচনী প্ৰকাশ পায়। ৰাজ্যৰ যিকোনো স্থানৰ পটুৱৈয়ে সহজে পাব পৰাকৈ একোখন কাকতৰ কেবাটাও সংস্কৰণ প্ৰকাশ পায়। এইটো ছপা মাধ্যমৰ এটা স্বাস্থ্যকৰ বিকাশ। দৈনিক বাতৰিকাকতৰ বিভিন্ন মানসিকতাৰ লোকৰ পছন্দ হোৱাকৈ বাতৰি আৰু আলোচনা থাকে, যিটো তিনি দশক পূৰ্বে নাছিল। কোনো গুৰুত্বপূৰ্ণ বিষয়ত অধিক আৰু অধিকতৰ মতামতে প্ৰকাশে সমাজক প্ৰকৃত ৰূপত প্ৰতিনিধিত্ব কৰে যিটো আগতে সম্ভৱ নহ'লহেঁতেন। তথাপিও সমাজৰ এটা অংশই কম গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি সংবাদ মাধ্যমৰ মনোযোগ আকৰ্ষমৰ বাবে কৰা নিৰন্তৰ চেষ্টা প্ৰাক্-স্বাধীনতা কালৰ সংবাদ মাধ্যমৰ বাবে গুৰুতৰ শংকা হৈ পৰিছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অসমত যথেষ্ট সংখ্যক বাতৰিকাকত আৰু আলোচনীৰ উপলব্ধতা অতিশয় ধনাত্মক আৰু গুৰুত্বপূৰ্ণ বিষয়। কাৰণ কোনো গুৰুত্বপূৰ্ণ বিষয়ত বাতৰি পৰিৱেশন আৰু আলোচনাৰ জৰিয়তে বাতৰিকাকত আৰু আলোচনীবোৰে জনতাৰ মনোযোগ আকৰ্ষণ কৰি এটা গণতান্ত্ৰিক বাতাবৰণ সৃষ্টিত অৰিহণা যোগায়। দ্বিতীয়তে, নিজৰ নিজৰ পছন্দ অনুসৰি বাতৰি পঢ়াৰ বাবে ৰাইজক বিকল্প দাঙি ধৰে। তৃতীয়তে, যিহেতু কোনো এখন বাতৰিকাকত বা আলোচনীত নিৰ্দিষ্ট পৰিমামৰ ঠাইহে থাকে সেয়ে বিভিন্ন কাৰণত মূল সুতিৰ কাকত বা আলোচনীত স্থান নোপোৱা বিষয় আলোচনাৰ বাবে কাকত বা আলোচনীৰ অভাৱ নহয়। সহজ ভাষাত, স্থানৰ সীমাৱদ্ধতা বা আন কাৰণত বাতৰিকাকত বা আলোচনীত কোনো বিষয় অগ্ৰাধিকাৰ ভিত্তিক স্থান পায়। গতিকে অধিক বিকল্পৰ প্ৰয়োজন আহি পৰে। গণতন্ত্ৰত গ্ৰহণযোগ্য নীতি যে, সকলো পৰ্যায়ত যিকোনো বিষয়ত মানুহৰ মাজত বিৰোধিতা থাকিব। সংবাদ মাধ্যম এনে বিষয় মানুহৰ মাজলৈ লৈ যোৱাৰ সবাটোকৈ প্ৰভাৱশালী আৰু সুবিধাজনক ব্যৱস্থা। কম সংখ্যক সংবাদ-পত্ৰ বা আলোচনীৰ অৱস্থিতিৰ অৰ্থ হৈছে এনে বিষয় ৰাইজৰ মাজলৈ লৈ যোৱাৰ সুবিধাৰ সীমাৱদ্ধতা। সেয়ে বৃহৎ সংখ্যক বাতৰিকাত আৰু আলোচনীৰ অৱস্থিতি ৰাইজ আৰু সমাজৰ বাবে গুৰুত্বপূৰ্ণ আৰু উপকাৰী।



৭.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ অৰুণোদয় কেতিয়া প্ৰথম প্ৰকাশ পাইছিল? কোনবোৰ বিষয়ত ই গুৰুত্ব আৰোপ কৰিছিল?

প্ৰশ্ন ২ ঃ ১৯৮০ দশকত অসমত গুৰুত্বপূৰ্ণ বাতৰিকাকত কোনবোৰ আছিল?

খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক) ঃ

প্রশ্ন ১ ঃ অৰুণোদয়ৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া ভাষা আৰু সাহিত্যত জোনাকী, বাঁহী, আৱাহন আৰু ৰামধেনু আলোচনীৰ প্রভাৱ কি আছিল?

প্রশ্ন ৩ ঃ অসমত স্থানীয় ভাষাৰ ছপা সংবাদ মাধ্যমৰ অৱস্থা কেনে? অৱস্থাৰ উন্নতিৰ বাবে আপুনি কি পৰামর্শ দিব?

গ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক) ঃ

প্রশ্ন ১ ঃ ৰাজ্যলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইগৰাকীমান বিশিষ্ট সাংবাদিকৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ অসমৰ ছপা সংবাদ মাধ্যমৰ বাতৰি আৰু মতামত পৰিৱেশনৰ কোনো নির্দিষ্ট দিশ আপোনাৰ চকুত পৰিছেনে? উদাহৰণসহ লিখক।

প্রশ্ন ৩ ঃ অঞ্চলটোৰ ইংৰাজী আৰু অসমীয়া বাতৰিকাকত আৰু আলোচনীৰ বাতৰি পৰিৱেশন শৈলীত কিবা পার্থক্য আপুনি পাইছেনে? উদাহৰণসহ লিখক।

*** ***** ***



প্ৰসঙ্গ পুথি

ইংৰাজী কিতাপ ঃ

1) Baruah, S. P (1999), *Press in Assam : Original and Development*, Layarch Book Stall, Guwahati, Assam, ISBS : 81-7213-034-1.

2) Bora, A. (2015), *Mor the Better*, Nizain Arg (E-Journal), 25th August, 2015.

3) Bora, A. (2016), *Languistike Inclusiveness : A Long Way to Go*, Nizain Arg (E-Journal), 23rd March, 2016.

4) Ravindranath, P. K. (2005), *Indian Regional Journalism*, New Delhi: Authors Press.

5) Sharma, K. C. (2007), *Journalism in India: History, Growth, Development*, New Delhi: Regal Publications.

6) Sharma, N., Dev Sharma, K. C. (2013), *The Roll of Journal in the Development of Assamese Liturature in the British Period (1826-1947) and Social Science (IOSR-JHSS)*, Vol. 15, Issue 3 (September - October, 2013), (76-77), E-ISSN : 2279-0837, P-ISSN : 2279-0845.

7) The Indian Media Business- Vanitha Kohli- Khandekar, 3rd edition, SAGE Publication.

8) The great Indian Media Bazar- in Romila Thapar's (ed.) India: Anothefr Millenium- N.Ram,OUP,1997.

9) The Press in India- M.V. Chalapathi Rao(Ubersetzer, Schriftsteller), NBT, 1974.

10) The Press in Assam- S.P. Baruah (Lawyers' Book Stall)

11) Thakuria, A. (1999), *Media Personal in North East India : Living on the Age*, Bidura, Vol. 10, No. 3, July-September (2014), Press Institute of India (15-16).

অসমীয়া গ্ৰন্থ ঃ

১) বিষয় সাংবাদিকতা— ড° পার্থ চট্টোপাধ্যায়; বীণা লাইব্ৰেৰী গুৱাহাটী

২) গণমাধ্যম আৰু সম্প্ৰচাৰ সাংবাদিকতা— ড° অংকুৰণ দত্ত; অসম প্ৰকাশন পৰিষদ

৩) অগৰাল, ৰিৰ বালা, ডি. এছ. গুপ্তা (২০০২), *হেণ্ডবুক অব্ জার্ণেলিজম এণ্ড মাছ কমিউনিকেশ্যন*, নতুন দিল্লী ঃ কন্‌চেপ্ট পাব্লিচিং কোম্পানী।

৪) কুমাৰ, কেভাল জে. (২০০৬), *মাছ কমিউনিকেশ্যন ইন ইণ্ডিয়া*, মুম্বাই ঃ জাইকো পাব্লিচিং হাউছ।

৫) কলিতা, সমিন (২০১২), *উত্তৰ-পূৰ্বাঞ্চলৰ দুশগৰাকী জ্যেষ্ঠ সাংবাদিক*, পাণবজাৰ ঃ চন্দ্র প্রকাশ।

৬) শর্মা, গোবিন্দ প্রসাদ (সম্পাদিত) (২০০৭), *অসমত ১৫০ বছৰীয়া সাংবাদিকতা*, অসম ঃ মিডিয়া ট্রাষ্ট।

৭) কুমাৰ, কেৰল জে. (২০১৩), *মাছ কমিউনিকেশ্যন ইন ইণ্ডিয়া* (চতুর্থ সংস্কৰণ), মুম্বাই ঃ জিয়াকো পাব্লিকেশ্যন।

৮) এম. ভি. কামাথ (১৯৯৫), *দা জ্যাৰনেলিষ্ট হেণ্ডবুক*, নতুন দিল্লী ঃ বিকাশ পাব্লিচিং হাউছ।

৯) আগৰৱালা, ভি. আৰ. আৰু গুপ্তা, ভি. এছ. (২০১৬), *হেণ্ডবুক অব্ জ্যাৰনেলিজম্ এণ্ড মাছ কমিউনিসেশ্যন* (দ্বিতীয় সংস্কৰণ), নতুন দিল্লী ঃ কনচেপ্ট পাব্লিছিং কোম্পানী।

১০) ভাৰত চৰকাৰ (১৯৫৪), *প্রেছ কমিছনৰ প্রতিবেদন*।

১১) প্রেছ কাউন্সিল অব্ ইণ্ডিয়াৰ ৱেব-ছাইট www.presscouncil.nic.inত উপলব্ধ।

১২) ৰেজিষ্টাৰাৰ অব্ নিউজপেপাৰ ফ'ৰ ইণ্ডিয়াৰ ৱেব-ছাইট http:llrini.nic.inত উপলব্ধ।

১৩) অ্যাডিট ব্যুৰো অব্ চাৰকুলেস্যনৰ ৱেব-ছাইট http:llwww.auditbureau.argত উপলব্ধ।